দুলুং-সোৱণশিৰি

স্মৃতিগ্রন্থ









মুখ্য সম্পাদক ঃ ৰয়েল পেগু
সম্পাদক ঃ মজিন সোনোৱাল

গ্ৰন্থপ্ৰেমী ৰাইজলৈ শুভেচ্ছাৰে...

সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ সম্ভাৰ



বাইথ সংস্কৃতি আৰু অন্যান্য





সংস্কৃতি আৰু অন্যান্য





ইতিহাস অন্বেষণ আৰু অন্যান্য













বিবিধ

















জীৱনী আৰু অন্যান্য

অফিচার্ছ কলনী
চি.আৰ.বিল্ডিং
ডিব্ৰুগড়-৩











স্মৃতিগ্ৰন্থ

দুলুং-সোৱণশিৰি

দ্বিতীয় দুলুং-সোৱণশিৰি মহোৎসৱ

তাৰিখ ঃ ২২, ২৩ আৰু ২৪ ডিচেম্বৰ, ২০২৩

স্থান ঃ ওখমাটি, নাহৰণি দুলুং বনগাঁও

বগীনদী, লখিমপুৰ

প্ৰতি,

শ্ৰীযুত/শ্ৰীযুতা.....

.....

মুখ্য সম্পাদক ঃ ৰয়েল পেগু

সম্পাদক ঃ মজিন সোনোৱাল

Dulung-Subansiri– A Souvenir of the 2nd Dulung-Subansiri Festival held at Ukhamati, Naharani Dulung Bon Gaon, Lakhimpur, Assam in 22, 23, and 24 December, 2023, Published by Mising Autonomous Council, Gogamukh, Dhemaji. Assam.
Printed at Deka Printing Press , Guwahati-03
Price : 150/-
First Published : December, 2023
© copyright reserved by the MAC.

দুলুং-সোৱণশিৰি— স্মৃতিগ্ৰন্থ

মিচিং স্বায়ত্তশাসিত পৰিষদৰ ইক টুৰিজম ডেভলপমেণ্ট ছ'চাইটিৰ পৃষ্ঠপোষকতাত আৰু দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ উদ্যোগত ২২, ২৩ আৰু ২৪ ডিচেম্বৰ, ২০২৩ ত অনুষ্ঠিত হোৱা দ্বিতীয় দুলুং-সোৱণশিৰি মহোৎসৱ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ।

প্ৰকাশক ঃ মিচিং স্বায়ত্তশাসিত পৰিষদ, গোগামুখ, অসম।

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০২৩

সম্পাদনা সমিতি

উপদেষ্টামণ্ডলী ঃ পৰমানন্দ চায়েঙীয়া, যাদৱ পেগু
গোপাল চন্দ্ৰ দলে, অনিল পায়েং, বুল্টন ববা

মুখ্য সম্পাদক ঃ ৰয়েল পেগু

সম্পাদক ঃ মজিন সোনোৱাল

সদস্য/সদস্যা ঃ গকুল পামেগাম, ৰাজু চুতীয়া, বলেন সোনোৱাল

অংগসজ্জা আৰু প্ৰচ্ছদ ঃ ৰুয়ুম প্ৰিণ্টাৰ্ছ, জোনাই, পিন-৭৮৭০৬০

মূল্য ঃ ১৫০.০০ টকা

মুদ্ৰণ ঃ ডেকা প্ৰিণ্টিং প্ৰেছ, গুৱাহাটী-০৩

শ্ৰদ্ধাঞ্জলি

নিৰ্বাক বন্যপ্ৰাণী আৰু পৰিৱেশ সুৰক্ষাৰ বাবে
যিসকলে নিজৰ জীৱন উচৰ্গা কৰিলে
তেওঁলোকলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনাইছো।

সম্পাদনা সমিতি

ৰণোজ পেগু
মন্ত্রী
শিক্ষা, জনজাতি পৰিক্রমা (ডেয়াম)
খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু
সংস্কৃতি (সংগ্রহালয় আৰু পুথিভঁৰাল
সঞ্চালকালয়)

সত্যমেৱ জয়তে

ব্লক - বি, তৃতীয় মহলা,
জনতা ভৱন, দিশপুৰ,
গুৱাহাটী - ৭৮১০০৬
দূৰভাষ ঃ ০৩৬১-২২৩৭০২৩
৯৯৫৪৭০৩৮২৫



শুভেচ্ছাবাণী

মিচিং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত তথা প্রকৃতিপ্রেমী সংগঠন দুলুং সোৱণশিৰি কনজাৰভেচন ছ'চাইটীৰ সহযোগত দুলুং সোৱণশিৰি মহোৎসৱ ২০২৩ৰ আয়োজন কৰা বুলি জানি সুখী হৈছোঁ আৰু এনে আদৰণীয় পদক্ষেপৰ বাবে উদ্যোক্তসকলক শুভেচ্ছা জনাইছোঁ।

প্রকৃতি পৃথিৱীৰ আজন্ম সহচৰ। মানৱকে ধৰি জীৱকুলৰ হৃদস্পন্দন প্রকৃতি। প্রকৃতিৰ অনন্য সৃষ্টি নদ-নদী, অৰণ্য, গছ-বিৰিখৰ কোলাত আমাৰ মানৱ সমাজৰ লগতে আন জীৱকুলে সহবাস কৰি আহিছে। কিন্তু পৃথিৱীয়ে জন্ম দিয়া প্রকৃতি আজি বিপদৰ গৰাহত পৰিছে। সেয়ে প্রকৃতিৰ সংৰক্ষণ আৰু সংবর্ধনৰ প্রচেষ্টা কৰাটো অতি গুৰুত্বপূর্ণ। আমাৰ পৃথিৱীখনক সঞ্জীৱিত কৰি ৰখা প্রকৃতিৰ বাবে দুলুং সোৱণশিৰি কনজাৰভেচন ছ'চাইটীৰ এনে যোগাত্মক চিন্তা অতিকৈ আদৰণীয়।

এছিয়াৰ ভিতৰতে দুষ্প্রাপ্য চিয়া নাহৰৰ বাবে বিখ্যাত লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৰ বনাঞ্চলখনৰ জৈৱ-বৈচিত্র্য সংৰক্ষণ, প্রচাৰ আৰু ইয়াক পর্যটন ক্ষেত্রলৈ ৰূপান্তৰৰ বাবে মিচিং স্বায়ত্তশাসিত পৰিষদ আৰু সংস্থাটোৱে দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত কৰা দুলুং সোৱণশিৰি মহোৎসৱ ২০২৩ৰ সাফল্য কামনা কৰিছোঁ। প্রকৃতি সংৰক্ষণৰ এনে চিন্তাই আৰু বিস্তৃতি লাভ কৰক, আনৰ বাবে আদর্শ হৈ উঠক।

(ডাঃ ৰণোজ পেগু)

Jayanta Mallabaruah
Minister
Government of Assam

Public Health Engineering,
Skill, Employment & Entrepreneurship
and Tourism Departments.
CM Block, 1st Floor, Janata Bhawan,
Dispur, Guwahati-781006.
Phone : 0361-2237040, 94352-24444
E-mail : jmb.ministerassam@gmail.com



শুভেচ্ছা-বাণী

জয় জয়তে নমস্কাৰ গ্ৰহণ কৰিব। এই কথা জানিব পাৰি সুখী হৈছোঁ যে লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৰ দুলং সংৰক্ষিত বনাঞ্চলৰ জৈৱ-বৈচিত্ৰ সংৰক্ষণ, প্ৰচাৰ আৰু ইয়াক পৰ্যটন ক্ষেত্ৰলৈ ৰূপান্তৰ কৰাৰ্থে 'দুলং সোৱণশিৰি মহোৎসৱ ২০২৩' আয়োজন কৰিছে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজক সকলে এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰো যো-জা চলাইছে। ই আন এক ইতিবাচক খবৰ।

প্ৰকৃতিৰ অপূৰ্ব নান্দনিক শোভা, জনগোষ্ঠীগত বৈশিষ্ট্য আৰু বিভিন্ন জীৱ-জন্তুৰ কাৰণে উত্তৰ-পূৰ্বাঞ্চল বিশ্বৰ যিকোনো ঠাইৰ পৰ্যটনৰ বাবে বিশেষভাৱে আকৰ্ষণীয় ৰম্যভূমি হিচাপে পৰিগণিত হ'ব পাৰে। পৰ্যটন উদ্যোগৰ প্ৰচুৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য কৰি পৰ্যটনৰ ক্ষেত্ৰখন অধিক প্ৰসাৰিত কৰাৰ বাবে পৰ্যটন থলী গঢ়ি তোলা তথা উন্নয়ন সাধন অতীৱ প্ৰয়োজন। অসমৰ অৰ্থনীতিৰ জ্বলন্ত সমস্যাৰাজিৰ অন্যতম নিবনুৱা সমস্যাটো সমাধানৰ উপযুক্ত সম্ভাৱনাময় ক্ষেত্ৰ হোৱাৰ পৰিপেক্ষিতত বন্যপ্ৰাণী পৰ্যটন, সাংস্কৃতিক পৰ্যটন আদি খণ্ডসমূহে নিবনুৱা যুৱক-যুৱতীসকলৰ প্ৰতি আশাৰ বতৰা কঢ়িয়াই আনিছে। এক শংকাবিহীন শান্তিময় অনুকূল পৰিবেশত প্ৰাকৃতিক সৌন্দৰ্য, বৰ্ণাঢ্য কৃষ্টি-সংস্কৃতিৰ যাদুঘৰ অসমৰ আপুৰুগীয়া সম্পদসমূহক পৰ্যটকসকলৰ উপভোগৰ বাবে মুকলি কৰি দিব পাৰিলে পৰ্যটনে অনতিপলমে এক লাভজনক উদ্যোগ হিচাপে ঠন ধৰি উঠিব।

সদৌ শেষত, স্মৰণিকাৰ সফল প্ৰকাশৰ বাবে শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সমগ্ৰ অনুষ্ঠান সুকলমে সম্পন্ন হোৱাৰ বাবে কামনা কৰিলোঁ।

(জয়ন্ত মল্ল বৰুৱা)

Manab Deka
MLA
111 Lakhimpur LAC
Member
PAC

GOVT OF ASSAM

Old MLA Hostel, Dispur
Guwahati-781006, Assam
Email: manabdeka@hotmail.com



শোভেচ্ছাবাণী

বনাঞ্চলৰ সংৰক্ষণ আৰু সুৰক্ষা, পৰিৱেশ পর্যটনৰ লগতে গ্রাম্য, সাংস্কৃতিক আৰু পর্যটন উদ্যোগ বিকাশৰ লক্ষ্যৰে দুলুং সোৱণশিৰি সংৰক্ষণ সমাজ আৰু মিছিং স্বায়িত্ব শাসিত পৰিষদৰ সহযোগত ওখমাটি নাহৰণিৰ দুলুং বনগাঁৱৰ সমীপত অহা ইংৰাজী ২২,২৩ আৰু ২৪ ডিচেম্বৰ তাৰিখে তিনিদিনীয়া কার্য্যসূচীৰে দুলুং সোৱণশিৰি মহোৎসৱ ২০২৩ অনুষ্ঠিত কৰিবলৈ লোৱাত অতিশয় আনন্দিত হৈছোঁ। এই মহোৎসৱৰ লগত সংগতি ৰাখি উদযাপন সমিতিৰ তৰফৰ পৰা 'দুলুং সোৱণশিৰি' শীর্ষক এখন স্মৃতি গ্রন্থ প্রকাশৰ দিহা কৰিছে বুলি জানিব পাৰি সুখী অনুভৱ কৰিছোঁ। আশা কৰিছোঁ এই স্মৃতি গ্রন্থ খনে প্রকৃতি সুৰক্ষা ও সজাগতাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিব আৰু নৱপ্রজন্মক উৎসাহিত কৰিব। মোৰ তৰফৰ পৰা স্মৃতি গ্রন্থ সম্পাদনা সমিতিৰ সম্পাদককে আদি কৰি সমূহ বিষয়ববীয়ালৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ আৰু স্মৃতি গ্রন্থ খনে যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ব বুলি আশা প্রকাশ কৰিছোঁ।

সদৌ শেষত দুলুং সোৱণশিৰি সংৰক্ষণ সমাজ আৰু মিছিং স্বায়িত্ব শাসিত পৰিষদৰ দুলুং সোৱণশিৰি মহোৎসৱ ২০২৩ অনুষ্ঠিত কৰিবলৈ লোৱা মহান উদেশ্যেৰ সফলতা কামনা কৰি উদযাপন সমিতিৰ সকলোলৈকে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। ।। ধন্যবাদ ।।

Manab Deka

(মানৱ ডেকা)
বিধায়ক, ১১১ নং বিধান সভা সমষ্টি
Manab Deka
MLA
111 Lakhimpur LAC

উদ্‌যাপন সমিতিৰ সভাপতিৰ একাষাৰ

লখিমপুৰ জিলাৰ দুলুং সংৰক্ষিত বনাঞ্চলখন আমি সৰুৰেপৰা দেখি আহিছো। আমিয়েই নহয় আমাৰ পিতৃ-পিতামহসকলেও বনাঞ্চলৰ সুষমা দেখি আহিছে। তেখেতসকলে এই বনাঞ্চলৰ কথা সৰুতে আমাক কৈছিল। আমিবোৰে সেই কথাবোৰ সাধুকথা বুলিয়ে ভাবিছিলো। কৈশোৰত আমি লগৰীয়াৰ সৈতে চাইকেল অথবা ঠেলালৈ ব'হাগ বিহু আৰু মাঘ বিহুত খৰি আনি ভোজভাত খাইছিলো। কালক্ৰমত এই অৰণ্যখনে প্ৰাণচঞ্চলতা হেৰুৱাই পেলোৱাটো লক্ষ্য কৰি আহিছো। শিশু-কিশোৰ আমি বগীনদীতে পাৰ কৰিছো। এতিয়া জীৱন-জীৱিকাৰ খাতিৰত কেতিয়াবা গুৱাহাটীত কেতিয়াবা ক'ৰবাত থাকিবলগীয়া হ'লেও দুলুং বনখনলৈ মনত পৰে। কেতিয়াবা বগীনদীলৈ আহিলে পুণ্যদা, মজিনহঁতে দুলুঙলৈ যোৱা বা দুলুঙৰ বিপর্যৰ কথা কয়। তেতিয়া ভাবো কিবা অকণমান কৰিব পৰা হ'লে সুখী হ'লো হয়। এইমাজতে দুলুং-সোৱণশিৰি মহোৎসৱ-২০২৩ৰ উদ্‌যাপন সমিতিৰ সভাপতিৰ দায়িত্ব পালন কৰিবলৈ পাই আনন্দিত হ'লো। মজিন, অনিল, বুল্টনহঁতে সহযোগিতা কৰাৰ আশ্বাস প্ৰদান কৰিলে। এই মহোৎসৱ আমি ২০১৫ বৰ্ষত পদুমণিত প্ৰথমদেখিছিলো। ইমান এটা ব্যয়বহুল উৎসৱৰ কথা চিন্তা কৰি মনতে ভয়ো হৈছিল। দুলুং কনজাৰভেচন ছ'চাইটিৰ বিষয়ববীয়াসকল আৰু উদযাপন সমিতিৰ কৰ্মকৰ্তাসকলে সাহস দিলে। আনহাতে মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পৰমানন্দ চায়েঙ্গীয়াৰ আৰ্থিক আৰু বৌদ্ধিক সাহস পালো। কৃতাৰ্থ হ'লো। আমি আশাকৰো এই মহোৎসৱে স্থানীয় নাগৰিকৰ মাজত দুলুং বনাঞ্চলৰ পহু-পক্ষী, গছ-লতিকা সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা বঢ়াব। সমান্তৰালভাৱে বিকল্প জীৱন-জীৱিকাৰ বাবে পর্যটনৰ দিশো চিন্তা কৰিবলৈ শিকাব।শেষত দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ আৰু দুলুং সোৱণশিৰি মহোৎসৱৰ উত্তৰোত্তৰ কামনা কৰিলো।

মুনিন শইকীয়া, সভাপতি
'দুলুং-সোৱণশিৰি মহোৎসৱ-২০২৩, উদ্‌যাপন সমিতি।

উদ্‌যাপন সমিতিৰ সম্পাদকৰ একাষাৰ

বিহুমেলা, দুর্গোৎসৱ অন্যান্য অনুষ্ঠান চলোৱা আমাৰ অভিজ্ঞতা আছে। পিচে দুলুং-সোৱণশিৰি মহোৎসৱৰ দৰে বিশাল পৰিসৰৰ অনুষ্ঠান চলোৱাহে অভিজ্ঞতা নাই। আমাৰ অগ্রজ আৰু লগ-বন্ধুসকলে কি ভাবিনো সম্পাদকৰ দৰে এনে গুৰুদায়িত্ব এটা দিলে আমি মনে মনে ভাবো। সঁচাৰ্থত আমি ব্যৱসায়ী মানুহ। কর্মচাৰী আছে, তদাৰকীহে আমাৰ, বাকী সকলোবাৰ তেওঁলোকে কৰে। দুলুং-সোৱণশিৰি মহোৎসৱটো সেইদৰে নহয়। মৰসাহ কৰি দায়িত্ব ল'লো। প্রথমাৱস্থাত মোৰ ব্যৱসায়ত ব্যস্ত থাকিলো আৰু সময় ওচৰ চাপি আহিলতহে উৎসৱৰ ভিতৰত সোমাই পৰিলো। দেখিলো ইয়াতো কিছু সুকীয়া মানসিক শান্তি পোৱা যায়। বিশেষকৈ সমগ্র মানৱ জাতিৰ বাবে, অলৰ গছ-বনৰ বাবে, অজলা জীৱ-জন্তুবোৰৰ বাবে, টোপনিৰ পৰা উঠি পুৱাই দেখা বননিখনৰ বাবে কিবা কিছু কৰিব আছে। অনিলদা আৰু আমি বাহিৰৰ কামত, লিখামেলা ৰাজুৰ। অফিচিয়েল কাম মজিনদাৰ। আমি চাৰিও লগ হওঁ, আলোচনা হয় কাম আগবাঢ়ে। দূৰণিবর্তীয়া দাদা বন্ধুসকলে ফে'নতে উৎসাহ দিয়ে। গকুল, পুণ্যশ্বৰ, জিতু, ৰজতদা, পদ্মদাইঁতে সংগ দিয়ে। তেনেকৈয়ে মহোৎসৱ পালেহি। মুখ্য কার্যবাহী পৰমাদাও আমাকলৈ উদিগ্ন হৈছিল। তাতে তেখেত ব্যস্ত মানুহ। আমি আমনি কৰিছিলো। সভাপতি মুনিনদাৰ সহযোতিও ভবাতকৈ আশাপ্রদ। গুৰুত্বপূর্ণ কথা যে ২০১৫ বর্ষৰ মহোৎসৱতকৈ এইবাৰৰ মহোৎসৱত নতুন দুটামান ইভেণ্ট সংযোজন কৰা হৈছে। এনে ধৰণৰ এটা মহোৎসৱ সহজে সফল কৰিবলৈ জ্যেষ্ঠ-কনিষ্ঠ সকলোৰে সদর্থক সহযোগিতা পালে ভাল। তাৰ মাজতো মহোৎসৱখনে প্রাণ পাই উঠিলে, আমাৰ ভাল লগিছে। অনাগত দিনটো মহোৎসৱ ভাগিলৈ আমাৰ শুভদৃষ্টি থাকিব। আমি সকলোৱে দুলুঙক বাচও আহক, জীৱ-জন্তুবোৰ হেৰাই নাযাওক তাকেই কামনা কৰিলো।

বুল্টন বৰা, সম্পাদক
দুলুং-সোৱণশিৰি মহোৎসৱ-২০২৩, উদ্‌যাপন সমিতি

দুলুং সংৰক্ষিত বনাঞ্চল আৰু দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি ক'ত-কি-ইত্যাদি!

আমাৰ সম্পাদকীয়ৰ একাষাৰৰ প্ৰাৰম্ভতে দুলুং সংৰক্ষিত বনাঞ্চল আৰু দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ ইটো-সিটো কিছু অৱগত কৰিব বিচাৰিলো। ভাৰতবৰ্ষৰ স্বাধীনোত্তৰৰ বৃটিছ চৰকাৰে এটা শতিকাৰ পূৰ্বেই (এফ আৰ এছ ১২২৫ আৰ অফ ২৮ মে', ১৯১৩ এণ্ড ২৭৯৮ আৰ অফ ৫ অক্টোবৰ, ১৯২৬) স্বীকৃতি প্ৰদান কৰা 'দুলুং বনাঞ্চলক সংৰক্ষিত বনাঞ্চল' হিচাপে ঘোষণা কৰি পৰবৰ্তী সময়ত ইয়াক সমৃদ্ধিশালী বনাঞ্চল কৰি ৰাখিবলৈ ভলেমান পদক্ষেপ গ্ৰহণ কৰিছিল। বিশেষকৈ তদান্তীন্তন মুখ্য সচিব ডব্লিউ এম কেনেডীয়ে বনাঞ্চলখনৰ মেটমৰা সম্ভাৰৰ কথা উপলব্ধি কৰি অনাগত দিনত গোলকীয় উষ্ণতা, পৰ্যটন তথা জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলিয়েই দুলুং বনাঞ্চলক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছিল। পৰবৰ্তী সময়ত এই পদক্ষেপসমূহ কিমান ফলপ্ৰসু হৈছে সেইয়া বিশ্লেষণ কৰিলেই অনুধাৱন কৰিব পাৰিব। চোৰাং চিকাৰী আৰু বে-দখলীৰ পৰা বনাঞ্চলখনৰ পৰিসৰ আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ কৰিবলৈ যিবোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে সেইয়া আমাৰ দৃষ্টিত দৃঢ় নহয়। অসম চৰকাৰৰ গা এৰা মনোভাৱ আৰু বনাঞ্চল ৰক্ষাৰ গুৰুত্বহীনতাৰ বাবেই সময়ৰ গতিত বনাঞ্চলখনৰ পৰিসৰ, জৈৱ-বৈচিত্ৰ্য চিৰদিনলৈ নিচিহ্ন হোৱাৰ দিশলৈ গতি কৰাৰ পৰা ৰক্ষা কৰিবলৈ কেইগৰাকীমান বৰেণ্য ব্যক্তিৰ উদ্যোগত ২০১৫ বৰ্ষত বনাঞ্চলকেন্দ্ৰিক বেচৰকাৰী সংস্থা 'দুলুং সোৱণশিৰি কনজাৰভেচন ছ'চাইটি' গঠন কৰি বে-চৰকাৰীভাৱে প্ৰশাসনৰ সৈতে বন্ধুত্ব মূলকভাৱে জনসাধাৰণৰ মাজত বনাঞ্চলকেন্দ্ৰিক সজাগতা বৃদ্ধি কৰাৰ যৎপৰোনাস্তি

চেষ্টা অব্যাহত ৰাখি আহিছে। কনজাৰভেচন ছ'চাইটিৰ ২০১৭ বৰ্ষৰ ২৭ এপ্ৰিলত অনুষ্ঠিত সাধাৰণ সভাই সকলো দিশ পৰ্যালোচনা কৰি দুলুঙক অভয়াৰণ্য হিচাপে ঘোষণা কৰাৰ দাবী জনাবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। সেয়ে 'দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি'যে ১৭ বৰ্ষৰ পৰাই অসম চৰকাৰক শতিকা গৰকা এই দুলুং সংৰক্ষিত বনাঞ্চলক অভয়াৰণ্য হিচাপে ঘোষণা কৰাৰ দাবী জনাই আহিছে।

দুলুঙৰ মাটি কালি ঃ ৯,৯৯৯ হেক্টৰ। বৰ্তমান ৯,৯০০.০৩ হেক্টৰ বুলি দেখুৱা হৈছে যদিও ইয়াৰ পৰিসৰ বৰ্তমান বে-দখলীৰ বাবেই কমি আহিছে।

চাৰিসীমা ঃ- ইয়াৰ উত্তৰে-চিৰ প্ৰবাহমান সোৱণশিৰি নদী, দক্ষিণে-পাহাৰী নৈ বগীনদী তথা কাকৈ বনখণ্ড, পূবে ৫১৫ নং ৰাষ্ট্ৰীয় ঘইপথ আৰু পশ্চিমে অৰুণাচল প্ৰদেশৰ পাহাৰ-পৰ্বতমালা।

বন খণ্ড কাৰ্যালয় ঃ তাৰিয়নি আৰু পথালিপাম। দুয়োটা কাৰ্যালয় উত্তৰ লখিমপুৰ বন সংমণ্ডলৰ অধীনস্থ। পথালি পাম বন খণ্ডত বকুলবাৰী আৰু পথালিপাম (আনন্দ) উপ-নিৰীক্ষণ কাৰ্যালয় আছে।

আৰ্দ্ৰভূমি ঃ দুলুং বনাঞ্চল শুকান, সেমেকা আৰু অতি জীপাল ভূমিৰে গঠিত। শিল-বালি আৰু মিহি মাটিৰে গঠিত হোৱাৰ বাবে ইয়াত গছ-লতিকাৰ প্ৰচুৰ পৰিমানে শ্ৰীবৃদ্ধি হয়। একেদৰে জীৱ-জন্তু, চৰাই-চিৰিকতিৰ উপযুক্ত বাসভূমি আৰু বিচৰণস্থলী। বনাঞ্চলৰ কোনো কোনো অংশ পাহাৰ, কোনো অংশ সমতল আৰু কোনো অংশত জলাশয় বিদ্যমান। গুৰুত্বপূৰ্ণ কথা যে অৰণ্যখনৰ কোনো কোনো অংশ চিৰসেউজ আৰু চেৰাপুঞ্জী সদৃশ বৰষুণ দৃষ্টিগোচৰ হয়।

গছ-গছনি ঃ দুলুং বনাঞ্চলত বৰ্তমান ৮০ বিধৰো অধিক গছৰ প্ৰজাতি, ৫০ বিধৰো অধিক মধ্যম স্তৰৰ গছ আৰু ২০০ বিধৰো অধিক গুল্ম, লতা আৰু তৃণ জাতীয় ঔষধি গছ, খাদ্য জাতীয় উদ্ভিদ বিদ্যমান। উল্লেখ্য **এচিয়া মহাদেশৰ একমাত্ৰ ঔষধি চিঁয়া নাহৰ দুলুং বনাঞ্চলতহে বিদ্যমান।**

জলচৰ প্ৰাণী ঃ দুলুং বনাঞ্চলৰ পাহৰী জুৰিৰ শিলৰ ফাঁকে ফাঁকে, পাহাৰৰ মাজত থকা সৰু-বৰ পুখুৰী আৰু সমতলত অৱস্থিত জলাশয় সমূহত থলুৱা প্ৰজাতিৰ প্ৰায় ৭০ বিধৰো অধিক মাছকেধৰি জলচৰ প্ৰাণী উপলব্ধ। উল্লেখ্য নলা-জুৰিত বিলুপ্তি পথৰ নাদৰবামী পোৱা যায়।

অৰ্কিড ঃ দুলুং বনাঞ্চল প্ৰকৃতিকভাৱেই ভিন্ন প্ৰজাতিৰ অৰ্কিডেৰে

চহকী। অর্কিডসমূহৰ বাবেই দুলুঙে এক নিদিষ্ট মাত্রা লাভ কৰাত একাংশই চোৰাং ব্যৱসায় গঢ়ি তুলি অর্কিডশূন্য অৰণ্যলৈ পর্যবসিত কৰাৰ উপক্রম কৰিছে।

চৰাই-চিৰিকটি ঃ দুলুং বনাঞ্চল বিভিন্ন প্রজাতিৰ বনৰীয়া চৰাই চিৰিকটিৰ আদর্শ বাসভূমি। ধনেশ, ঈগল, চিলনী, শেন, মইনা, গছ কোটোলা, ভাটৌ, বনকুকুৰা, বাঢ়ে টোকা, ফেঁচা, হুদু, দাউক, হাইঠা, হয়কলি, কাউৰী শালিকা, বগলী, দৰিককেধৰি সৰু সৰু ৭০ বিধৰো অধিক প্রজাতি চৰাইৰ বাসভূমি। ইয়াৰ উপৰিও ভিন্ন ঋতুত পৃথিৱীৰ ভিন্ন স্থানৰ পৰা পৰিভ্রমী পক্ষীয়ে আহি দুলুঙত বিচৰণ কৰে।

জীৱ-জন্তু ঃ এই বনাঞ্চলত জাকে জাকে বনৰীয়া হাতী, লতামেকুৰী, বন গাহৰী, হৰ-হৰিণা-হুগৰী, কেটেলা, নিলাজী বন্দৰ, কেৰ্কেটুৰা, জহামাল, ডৰিক, বন কুকুৰা, বনৰৌ, দুৰাকাছ, আৰু ভিন্ন প্রজাতিৰ সৰিচীপ উপলব্ধ।

নদী-জান-জুৰি ঃ লখিমপুৰ বন সংমণ্ডলৰ অধীনস্থ তাৰিয়নি আৰু পথালিপাম বনখণ্ডক সামৰি গঠিত এই বনাঞ্চলৰ মাজেৰে উত্তৰ দিশে ঘাগৰ, মাজত কণানদী আৰু দক্ষিণত বগীনদী বৈ গৈ সোৱণশিৰিত মিলিছে। ইয়াৰ উপৰিও সৰুদির্জু, বৰদির্জু, বাঘজান, বাঘিনীজান, কয়লাজান শিঙিজান শুকান নলাকে ধৰি ১৪ টাকৈ জান-জুৰি বৈ গৈছে।

কনজাৰভেচন ছ'চাইটি গঠন ঃ দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি-২০১৫ বর্ষ ১৭ছেপ্টেম্বৰত গঠন হৈছে। এই ক্ষেত্রত ডাঃ ৰণোজ পেগু,গোপাল চন্দ্র দলেৰ নাম ল'ব লাগিব। কনজাৰভেচন ছ'চাইটিৰ গঠনৰ দিনৰ পৰা গোপাল চন্দ্র দলেক সভাপতি আৰু আমাক সাধাৰণ সম্পাদকৰ দৰে গুৰু দায়িত্ব বহন কৰিবলৈ দিয়া হৈছে। এই সময়খিনিৰ মাজতে প্রতিষ্ঠা কালৰ কার্যকৰী সভাপতি থানুৰাম বৰা অকালতে বিয়োগ হোৱাত পুণ্যকান্ত মিলিক কার্যকৰী সভাপতি হিচাপে সমিতিয়ে দায়িত্ব অর্পণ কৰে। আমি পৰবর্তী সময়ত কনজাৰভেচন ছ'চাইটিক প্রশাসমিক পঞ্জীয়ণ কৰি আন আন সদস্যসকলৰ সক্রীয় সহযোগত বনাঞ্চলখনক বচাই ৰাখিবলৈ যৎকিঞ্চিত চেষ্টা কৰি থকা হৈছে।

লক্ষ্য আৰু উদ্দেশ্য ঃ দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি হৈছে এক প্রকৃতিপ্রেমী বেচৰকাৰী অৰাজনৈতিক সংগঠন। ইয়াৰ প্রধান লক্ষ্য হৈছে— দুলুং সংৰক্ষিত বনাঞ্চল আৰু ইয়াৰ জৈৱ-বৈছিত্র সংৰক্ষণ

কৰি বনাঞ্চলখনক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তুলি এচিয়া মহাদেশৰ একমাত্ৰ দুলুং বনাঞ্চলত উপলব্ধ চিঁয়া নাহৰক আগত ৰাখি বনাঞ্চলখনক বিশ্বদৰবাৰত চিনাকি কৰোৱা।

প্ৰতীক চিহ্ন -পতাকা-পোচাক ঃ- এটা বিত্তৰ মাজত চিঁয়া নাহৰ অংকিত চিহ্নটো ছ'চাইটিৰ প্ৰতীক চিহ্ন আৰু বগা চিকিমিকি কাপোৰত চিহ্ন অংকন কৰি পতাকা প্ৰস্তুত কৰা হৈছে । সেইদৰে সেউজীয়া স্পৰ্টিঙত আগফালে প্ৰতীক চিহ্ন আৰু পিঠিত দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ নাম অংকন কৰা পোচাক গ্ৰহণ কৰা হৈছে।

পুঁজি ঃ- দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিয়ে সুদীৰ্ঘ আঠ বছৰীয়া যাত্ৰাত কোনো দল-সংগঠন অথবা ব্যক্তিবিশেষৰ পৰা কোনো অৰ্থ বা সামগ্ৰী সংগ্ৰহ কৰা নাই। ছ'চাইটিৰ সদস্যসকলৰ সামৰ্থ অনুসৰি আগবঢ়োৱা অৰ্থৰ জৰিয়তে কাম-কাজ সম্পন্ন কৰি থকা হৈছে। অৱশ্যে শুভাকাঙ্ক্ষিয়ে সামগ্ৰী আগবঢ়ালে গ্ৰহণ কৰা হ'ব আৰু অৰ্থ আগবঢ়ালে অসম গ্ৰামীণ বিকাশ বেংক, বগীনদী শাখাৰ ৭০২২০১০০৯৭৫১০ নং যৌথ একাউণ্টত জমা দিব পাৰিব।

কাৰ্যকলাপ ঃ আমাৰ এই আঠবছৰীয়া যাত্ৰাৰ সময়খিনিৰ আগভাগত বনাঞ্চলৰ দাঁতিকাষৰীয়া ৰাইজৰ মাজত বন ধ্বংস ৰোধ, পহু-পক্ষী নিধন ৰোধ আৰু অনাগত দিনত বনাঞ্চলখনক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ় দিয়াৰ মানসেৰে কেইবাখনো সজাগতা সভা অনুষ্ঠিত কৰা হৈছিল। আমি দেখিছিলো এই সজাগতা সভাসমূহৰ দ্বাৰা যিমানখিনি ফল পাব লাগিছিল সিমান ফল পাবলৈ সক্ষম নহঁলো। আনহাতে সজাগতা সভা অনুষ্ঠিত কৰাত আমাৰ ভালেমান অৰ্থব্যয় আৰু বহু সময় লয়। সেয়ে বিকল্প হিচাপে সুবিধা অনুযায়ী বছৰৰ যিকোনো সময়ত খণ্ড বন বিষয়াসকলৰ সহযোগত বনাঞ্চলৰ দুৰ্গম অঞ্চলত প্ৰবেশ কৰি নৈশ যাপন, বছৰত ৫-১০ কৈ কোনোবাটো জুৰীয়েদি ট্ৰেকিং কৰা পন্থা অৱলম্বন কৰি আহিছো। এই পৰিকল্পনাৰ দ্বাৰা বহুখিনি আমাৰ লক্ষ্য-উদ্দেশ্যত সফল কাম হৈ আহিছো। ট্ৰেকিং ৰূপায়ণ কৰাত আমাৰ কাৰ্যকৰী সভাপতি পুণ্যকান্ত মিলি, সতীৰ্থ চন্দন গোঁহাই, পদ্মকান্ত শইকীয়া, কুশল শইকীয়া, চৰিত্ৰ সোনোৱাল, দিনেশ দলে, প্ৰেমধৰ গগৈ, ৰাজশেষৰ হাজৰিকা, সুজয় চন্দ, বলেন সোনোৱাল, বিতুমণি শইকীয়াকে ধৰি জ্যেষ্ঠ-কনিষ্ঠসকলৰ সহযোগিতা

সন্তুষজনক। সমান্তৰালকৈ খণ্ড বন বিষয়া ক্রমে বীৰেণ বৰুৱা, দীপক দত্ত, বনমালি নৰহ, ৰাতুল মহন্ত, প্রয়াত বুধিন বৰুৱা, খলিলুৰ ৰহমান, জয় কুমাৰ দেউৰী, আব্দুল মটিন ডাঙৰীয়াৰ লগতে আন আন বনকর্মীসকলৰ সগযোগিতা শলাগ লৈছোঁ।

উৎসৱ উদ্‌যাপনঃ আমি 'দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি' গঠন কৰিয়েই ২০১৫ বর্ষত ঐতিহাসিক শ্রীশ্রী পদুমণি আইথানৰ সমীপত ২৭, ২৮, ২৯ আৰু ৩০ ডিচেম্বৰত তদানীন্তন জিলা উপায়ুক্ত দেৱেশ্বৰ মালাকাৰক সভাপতি আৰু গকুল পামেগামক সম্পাদক হিচাপেলৈ গঠিত শক্তিশালী উদ্‌যাপন সমিতিখনৰ তত্ত্বাৱধানত মিচিং স্বায়ত্তশাসিত পৰিষদৰ সহযোগত 'দুলুং-সোৱণশিৰি মহোৎসৱ-২০১৫' সফল উদ্‌যাপন কৰা হয়। পুঁজি, বিভিন্ন সমস্যা আৰু ক'ভিড মহামাৰীৰ বাবেই এই মহোৎসৱৰ ধাৰাবাহিকতা ৰক্ষা কৰিব পৰা নছিলো। ইয়াৰ উপৰিও দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিয়ে এই অঞ্চলত ২০১৫ বর্ষৰ পৰাই বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰি বিদ্যালয়, ধর্মীয় অনুষ্ঠান তথা ৰাজহুৱা স্থানত বৃক্ষ ৰোপণ কৰি আহিছে।

স্মাৰকপত্র প্রদান ঃ দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিয়ে দুলুং সংৰক্ষিত বনাঞ্চলৰ ভৌগোলিক পৰিসৰ অক্ষত অৱস্থাত ৰখা আৰু ইয়াৰ জৈৱ-বৈচিত্র্য অক্ষুন্ন ৰখাৰ স্বার্থত কেন্দ্রীয় পৰিৱেশ, বন আৰু জলবায়ু নিয়ন্ত্রণ বর্ডে প্রেৰণ কৰা এমপাৱার্ড কমিটিক ২০২১ বর্ষত স্মাৰক পত্র প্রদান কৰি সঠিক পদক্ষেপ গ্রহণৰ আহ্বান জনোৱা হয়। ইয়াৰ উপৰিও অসম চৰকাৰৰ প্রাক্তন পৰিৱেশ, আবকাৰী আৰু মীনমন্ত্রী পৰিমল শুক্লবদ্য, স্থানীয় বিধায়ক তথা প্রাক্তন মন্ত্রী নৱ কুমাৰ দলে আৰু সাংসদ প্রদান বৰুৱাক ছ'চাইটিৰ সাত দফীয়া দাবী সম্বলীত স্মাৰক পত্র কার্যকৰণার্থে প্রদান কৰি অহা হৈছে।

আমাৰ সাত দফীয়া দাবীসমূহ ঃ

১। দুলুং সংৰক্ষিত বনাঞ্চলক শীঘ্রে ৰাষ্ট্রীয় বন্যপ্রাণী অভয়াৰণ্য ঘোষণা কৰা।

২। বনাঞ্চলখন বে-দখলকাৰীৰ পৰা মুক্ত কৰা।

৩। দুলুং অৰণ্য জীৱ-বৈচিত্র্য, পহু-পক্ষী আৰু অর্কিড সংৰক্ষণৰ বাবে পর্যাপ্ত সক্ষম বনৰক্ষী নিয়োগ কৰা।

৪। এচিয়াবিখ্যাৎ আৰু ঔষধি চিঁয়া নাহৰ সংৰক্ষণ তথা শ্ৰীবৃদ্ধিৰ বাবে বিশেষ আঁচনি গ্ৰহণ কৰা।

৫। বনৰীয়া হাতীৰ মুক্ত বিচৰণ আৰু হাতী-মানুহৰ সংঘাত দূৰ কৰাৰ বাবে হাতীদণ্ডিসমূহ চিনাক্ত কৰি সুচল কৰা।

৬। সমীপৱৰ্তী জান-জুৰি, জলাশয়সমূহ সংৰক্ষণ কৰা।

৭। জীৱকুলৰ হৃদপিণ্ড স্বৰূপ বনাঞ্চলখনক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলা।

শ্ৰদ্ধাঞ্জলি জ্ঞাপন ঃ দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ প্ৰতিষ্ঠাপক কাৰ্যকৰী সভাপতি থানুৰাম বৰা, দুলুং-সোৱণশিৰি মহোৎসৱ ২০১৫ৰ সক্ৰিয় উদ্যোগতা বিষ্ণুৰাম মিলি আৰু দুলুং-সোৱণশিৰি মহোৎসৱ ২০২৩ৰ উদ্‌যাপন সমিতিৰ নিষ্ঠাৱান সদস্য সদ্য প্ৰয়াত ভূপেন দলেৰ লগতে প্ৰকৃতি সুৰক্ষাত জড়িত আমাৰ মাজৰ পৰা আঁতৰি যোৱা জ্ঞাত-অজ্ঞাত মহান ব্যক্তিসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

শেষত দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ সাধাৰণ সম্পাদক হিচাপে দুলুং-সোৱণশিৰি মহোৎসৱ দুবাৰকৈ উদ্‌যাপন কৰাত আৰু ছ'চাইটিৰ মহান স্বাৰ্থক আগুৱাই নিয়াত প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য তথা বৰ্তমানৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, বৰ্তমানৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙ্গীয়াৰ লগতে সকলো সদস্যলৈ ধন্যবাদ জ্ঞাপন কৰিছো। 'দুলুং-সোৱণশিৰি মহোৎসৱ-২০২৩' উদ্‌যাপন সমিতিৰ সভাপতি মুনিন শইকীয়া আৰু বুল্টনৰ দৰে সাহসী সম্পাদকে এইবাৰ দায়িত্ব গ্ৰহণ কৰাত আমি আৰু অলপ উৎসাহিত হৈ পৰিছো। একেদৰে কনজাৰভেচন ছ'চাইটিৰ সভাপতি, কাৰ্যকৰী সভপতি, উপদেষ্টা প্ৰাক্তন জিলা উপায়ুক্ত আনুৱাৰ উদ্দিন চৌধাৰী, আমাৰ সকলো সতীৰ্থ আৰু উদযাপন সমিতিৰ সভাপতি, সম্পাদকৰ লগতে প্ৰতিগৰাকী কৰ্মকৰ্তালৈ হিয়াভৰা ধন্যবাদ জ্ঞাপন কৰিছো। দুলুং আমাৰ ঐতিহ্য, দুলুং আমাৰ সৌন্দৰ্য, দুলুং আমাৰ সম্পদ। আহক আমি সকলোৱে দুলুঙক বচাই ৰাখোঁ।

বিনীত

মজিন সোনোৱাল
সাধাৰণ সম্পাদক
দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি

সম্পাদকীয়

দুলুং-সোৱণশিৰি কেন্দ্রিক পর্যটন উদ্যোগৰ সাম্ভাৱনা

দুলুং-সোৱণশিৰি আমাৰ স্বাভিমান। দুলুং-সোৱণশিৰি উপত্যকাৰ সুষমা-বৈভৱে প্রতিগৰাকী প্রাকৃতিপ্রেমিক আকর্ষণ কৰে। শতিকাগৰকা দুলুং সংৰক্ষিত বনাঞ্চল জীৱ-বৈচিত্র্যৰ ভঁৰাল। সোৱণশিৰি নদীয়ে তাৰ অৱবাহিকাক সেউজীয়া আৰু জীপাল কৰি ৰাখিছে।

অসমৰ প্রাকৃতিক মানচিত্রত দুলুং সংৰক্ষিত বনাঞ্চল এখন অন্যতম সমৃদ্ধিশালী অৰণ্য। লখিমপুৰ জিলাৰ কদম ৰাজহ চক্রৰ অন্তর্গত শতিকা গৰকা চিৰসেউজ দুলুং সংৰক্ষিত বনাঞ্চলক ১৯১৩ চনতে সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰে। এখন সুজলা-সুফলা চিৰসেউজ অৰণ্য হিচাপে খ্যাত দুলুং বনাঞ্চলৰ চৰকাৰী স্বীকৃতিৰ এশ বছৰ অতিক্রম কৰিলে। শতিকা গৰকা দুলুং সংৰক্ষিত বনাঞ্চলখন প্রায় ৯.৯৯৯ হেক্টৰ বনভূমি আগুৰি আছে। জীৱ-বৈচিত্র্যৰ ভঁৰাল দুলুং সংৰক্ষিত বনাঞ্চল চিঁয়া নাহৰৰ বাবে বিখ্যাত। বর্ষাৰণ্য দুলুঙত বাৰ মাহেই সেমেকা পৰিৱেশে বিৰাজ কৰি থাকে। দুলুঙত ডাঙৰ ডাঙৰ বৃক্ষ, জোপোহা বৃক্ষ, গুল্ম, ঢেঁকীয়াজাতীয় উদ্ভিদ, বিভিন্ন প্রজাতিৰ কচু, বেত, বনৰীয়া কলগছ, ঘাঁহজাতীয় উদ্ভিদ, বিভিন্ন প্রজাতিৰ অর্কিড আদি লগতে বিভিন্ন বৃক্ষৰ সমাহাৰত এক জটিল তৰপ দেখিবলৈ পোৱা যায়। তদুপৰি দুলুং দুষ্প্রাপ্য জীৱ-জন্তু, চৰাই-চিৰিকটি, সৰীসৃপ, স্তন্যপায়ী প্রাণী আৰু উভচৰ প্রাণীৰ আদর্শ বাসভূমি। আর্দ্রভূমিত বিভিন্ন প্রজাতিৰ মাছ-কাছ, চৰাই-চিৰিকটি ভৰি আছে। দুলুঙৰ বুকুত আছে বহু জান-জুৰি, জলাশয়। সেইবোৰত বিভিন্ন থলুৱা মাছ-কাছ, বিভিন্ন প্রজাতিৰ ভেকুলী, ৰং-বিৰঙৰ পখিলা দেখিবলৈ পোৱা যায়। এনেদৰে বিভিন্ন জীৱ-জন্তু আৰু উদ্ভিদ বংশৰে চহকী দুলুং বিভিন্ন স্কুল-কলেজৰ ছাত্র-ছাত্রীৰ পৰিৱেশ অধ্যয়নৰ আদর্শ ক্ষেত্র। শতিকা গৰকা দুলুঙৰ সেউজ সুষমাই পর্যটকক হাত বাউলি মাতে।

সোৱণশিৰিয়ে তাৰ অৱবাহিকাক সেউজীয়া আৰু সমৃদ্ধ কৰি ৰাখিছে। সোৱণশিৰি— ব্ৰহ্মপুত্ৰৰ প্ৰধান উপনৈ। চুবুৰীয়া অৰুণাচল প্ৰদেশৰ পৰা বৈ অহা সোৱণশিৰিয়ে ধেমাজি জিলাৰ গেৰুকামুখৰ নামনিয়েদি অসমত প্ৰবেশ কৰিছে। সাগৰ পৃষ্ঠৰ পৰা ৫,০৫৯ মিটাৰ উচ্চতাত অৱস্থিত তিৰ্ব্বতৰ পো ৰোম শৃংগ সোৱণশিৰিৰ উৎসস্থল। খৰস্ৰোতা সোৱণশিৰি নদীয়ে উৎসৰ পৰা ব্ৰহ্মপুত্ৰত মিলিত হোৱালৈ মুঠ দৈর্ঘ্য ৫২০ কিলোমিটাৰ। অসমৰ ধেমাজি-লখিমপুৰ জিলাৰ মাজেৰে বৈ যোৱা সোৱণশিৰিৰ অসমত মুঠ দৈর্ঘ্য ১৩০ কিলোমিটাৰ। সোৱণশিৰি নদীক স্বৰ্ণশ্ৰী আৰু অৱনৰি নামেও জনা জায়। পুৰণি কালত সোৱণশিৰিক স্বৰ্ণশ্ৰী বা স্বৰ্ণদী বোলা হৈছিল। 'স্বৰ্ণ' শব্দৰ অৰ্থ সোণ আৰু 'শ্ৰী'ৰ অৰ্থ সৌন্দৰ্য অথবা জিলিকা। এই স্বৰ্ণ আৰু শ্ৰী লগ লাগি স্বৰ্ণশ্ৰী শব্দটোৰ উৎপত্তি হৈছে। ইয়াৰ অৰ্থ হ'ল— সোণ জিলিকা নৈ। পাহাৰৰ পৰা সোণৰ চেকুৰা কঢ়িয়াই অনা এই নদীখনৰ নাম কালক্ৰমত 'সোৱণশিৰি' হ'ল। আনহাতে সোৱণশিৰি নদীৰ অৱবাহিকাত বাস কৰা মিচিংসকলে সোৱণশিৰিক অৱনৰি বুলি কয়। ১৯৫০ চনৰ ১৫ আগষ্টত সংঘটিত বৰভূঁইকপৰ ফলত সোৱণশিৰি উপত্যকাৰ ভৌগোলিক পৰিৱেশৰ বিৰাট পৰিবৰ্তন ঘটে। ভূমিকম্পৰ ফলত পাহাৰৰ মাজৰ চিপোমুখত ভূমিস্খলন হৈ নদীখন আৱদ্ধ হৈ পৰে। ১৯ আগষ্টত পাহাৰত ভূমিস্খলন সৃষ্ট বান্ধৰ বিস্ফোৰণ ঘটি মহাপ্ৰলয়ৰ সৃষ্টি কৰে। শিহুৰ বাবে বিখ্যাত সোৱণশিৰি নদী। এক জৰীপত ব্ৰহ্মপুত্ৰত ৫৮৩ টা, সোৱণশিৰিত ৩৫ টা আৰু কলহীত ১৭ টা শিহু পোৱা গৈছিল।

সোৱণশিৰি অৱবাহিকাৰ চিৰসেউজীয়া অৰণ্য দুলুং সংৰক্ষিত বনাঞ্চলক উপযুক্ত সুৰক্ষা ব্যৱস্থা গঢ়ি তুলি পৰিৱেশ-নদী পৰ্যটন উদ্যোগ বিকাশৰ পূৰ্ণ সম্ভাৱনা আছে। মিচিং স্বায়ত্তশাসিত পৰিষদৰ পৃষ্ঠপোষকতাত আৰু দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ উদ্যোগত বিগত ২০১৫ চনৰ ২৭-৩০ ডিচেম্বৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ মাজেৰে প্ৰথম 'দুলুং-সোৱণশিৰি মহোৎসৱ' আয়োজন কৰে। ইপিনে মিচিং স্বায়ত্তশাসিত পৰিষদৰ ইক'টুৰিজম ডেভলপমেণ্ট ছ'চাইটিৰ পৃষ্ঠপোষকতাৰত আৰু দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ উদ্যোগত ২২, ২৩ আৰু ২৪ ডিচেম্বৰ, ২০২৩ ত দ্বিতীয় দুলুং-সোৱণশিৰি মহোৎসৱ আয়োজন কৰিছে। দ্বিতীয় দুলুং-সোৱণশিৰি মহোৎসৱৰ লগত সংগতি ৰাখি 'দুলুং-সোৱণশিৰি' নামৰ এই স্মৃতিগ্ৰন্থখন প্ৰকাশৰ দিহা কৰা হয়।

প্রকৃতি, সংস্কৃতি আৰু ঐতিহ্যৰ আকর্ষণীয় পৃষ্ঠাবোৰে পর্যটকক সদায় আকর্ষিত কৰাই নহয়, এইবোৰৰ পর্যটন উদ্যোগে নতুন জিজ্ঞাসা, সমন্বয় আৰু নতুন চিন্তা-পৰিকল্পনাৰে উজ্জীৱিত কৰি বিশ্ব সম্প্রদায়ক আর্থ-সামাজিক, সাংস্কৃতিক বিকাশ, পৰিৱেশ-নদী সুৰক্ষা আৰু সমন্বয়ত অপৰিসীম অৱদান আগবঢ়াই আহিছে।

দুলুং-সোৱণশিৰিক কেন্দ্র কৰি পর্যটন উদ্যোগৰ সুন্দৰ পৰিকাঠামো আৰু সঠিক ৰ'ড মেপ গঢ়ি তুলি পৰিৱেশ পর্যটন উদ্যোগ বিকাশৰ পূর্ণ সম্ভৱনা আছে। দুলুং-সোৱণশিৰিৰ উপযুক্ত সুৰক্ষা আৰু পৰিকাঠামো গঢ় দি পর্যটন উদ্যোগৰ বিকাশ সাধন কৰিলে অঞ্চলটোৰ আর্থ-সামাজিক দিশটোলৈ সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি হ'ব। সমৃদ্ধিশালী দুলুং সংৰক্ষিত বনভূমি সুৰক্ষাৰ জন-সচেতন বৃদ্ধি পাব। পর্যটন উদ্যোগ বিকাশৰ লগতে দুলুং সংৰক্ষিত বনাঞ্চলৰ জীৱ-বৈচিত্র্য সুৰক্ষা আৰু ৰক্ষণাবেক্ষণৰ বাবে চৰকাৰে দুলুং সংৰক্ষিত বনাঞ্চলক শীঘ্রে ৰাষ্ট্রীয় বন্যপ্রাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰাটো সকলোৰে কাম্য।

দুলুং-সোৱণশিৰি মহোৎসৱে দুলুঙক সুৰক্ষাৰ লগতে সোৱণশিৰিৰ স্বাভিমান ৰক্ষা আৰু দুষ্প্রাপ্য শিহু সংৰক্ষণ, সর্বৰোপতি সোৱণশিৰি অবৱাহিকাৰ সভ্যতা, সংস্কৃতি আৰু জীপাল জীৱ-বৈচিত্র্য সুৰক্ষাত এক সবল জনমত গঢ়ি তুলিব বুলি আমাৰ দৃঢ় আশা থাকিল। দুলুং-সোৱণশিৰিক কেন্দ্র কৰি পৰিৱেশ-নদী পর্যটনৰ নতুন দিগন্ত মুকলি হওক— তাকে কামনা কৰিলো।

যিসকল লেখক-লেখিকাই লেখা দি স্মৃতিগ্রন্থখন প্রকাশত সহায় কৰিলে তেখেতসকলৰ ওচৰত আমি কৃতজ্ঞ। স্মৃতিগ্রন্থখন সম্পাদনাৰ ক্ষেত্রত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্রুটিৰ বাবে সদাশয় পাঠক আৰু বৌদ্ধিক মহলৰ ওচৰত আমি ক্ষমা বিচাৰিলো।

ৰয়েল পেগু
মুখ্য সম্পাদক
দুলুং-সোৱণশিৰি, স্মৃতিগ্রন্থ
ম'বাইল ঃ ৯৯৫৪৬ ৩৮৯৬৭

সূচীপত্র

১) দুলুঙৰ এশ বছৰ হ'ল ■ নাৰায়ণ বৰুৱা /২৫
২) দুলুং-সোৱণশিৰি মহোৎসৱ ■ গোপাল চন্দ্র দলে /৩১
৩) সোৱণশিৰি— ভৌগোলিক-বুৰঞ্জীমূলক অৱস্থিতি ■ শৈলেন বৰুৱা /৪০
৪) লুইতত কিমান শিহু আছে? ■ ড° আব্দুল ৱাকিদ /৫১
৫) আমাৰ দেশৰ বিপন্ন প্রাণী আৰু
ইহঁতৰ সংৰক্ষণৰ প্রয়োজনীয়তা ■ ৰত্নকান্ত পেৰমে /৬৩
৬) মহাপ্রকৃতি, ক্রমবিৱর্তন আৰু সোৱণশিৰি উপত্যকাৰ
বর্ণিল ইতিহাস ঃ এক চমু বিশ্লেষণ ■ ৰবি দাস /৬৮
৭) পৰিৱেশ প্রদূষণ মানৱ সমাজ আৰু বনাঞ্চল ■ ফটিক শর্মা /৭৬
৮) 'কাকৈ'—বৈ যায়, লৈ যায়, দি যায় ■ ড° বন্তি গগৈ হাওবৰা /৮৫
৯) গান্ধীতোলা উপত্যকাত জোনাকৰ এনিশা ■ ডাঃ মতিলাল পাতিৰ /৯২
১০) শতিকা গৰকা দুলুঙৰ নতুন চিনাকি ■ দ্বীপৰাজ পেগু /১০৩
১১) কাকতী ফৰিং ■ অর্পণ দত্ত /১০৮
১২) শিপিনী আমৰলি পৰুৱা ■ কবিতা ফুকন /১১১
১৩) শতিকা গৰকা দুলুঙৰ বৈভৱ ■ ৰয়েল পেগু /১১৫
১৪) ট্রেভেল এণ্ড টুৰিজমৰ লগত জড়িত কেৰিয়াৰ■ ড° বুলজিৎ বুঢ়াগোহাঁই /১২৫
১৫) ভয়াবহতাৰ দিশে জলবায়ু পৰিবর্তন ■ দেৱজিৎ ফুকন /১৩৩

১৬) দুলুং বনগাঁও আৰু শ্রীশ্রী পদুমণি আইথান ■ গোপাল চন্দ্র দলে /১৪০
১৭) দুলুং-সোৱণশিৰি ঃ সংৰক্ষণৰ গুৰুত্ব ■ মীনা পামেগাম শর্মা /১৪৬
১৮) দুলুং সংৰক্ষিত বনাঞ্চলৰ অর্কিড বৈচিত্র্য আৰু
সংৰক্ষণ সচেতনতা ■ জুলি গোহাঁই নেওগ /১৫৫
১৯) প্রকৃতিৰ সুৰক্ষাত মানৱ সমাজৰ কৰণীয় ■ ড° লোহিত হাজৰিকা /১৬৬
২০) Dulung Reserve forest ■ Ramakanta Doley /১৭১

কবিতা ঃ

১) দুলুং-সোৱণশিৰিৰ স্মৃতিত ■ ঘনকান্ত পেৰমে /১৭৪
২) দুলুং ■ পুণ্যকান্ত মিলি /১৭৬
৩) দুলুং বনাঞ্চল ■ চন্দন গোহাঁই /১৭৮
৪) সোণফুলীয়া সপোনৰ তৰা ■ লাৱণ্য দত্ত শইকীয়া /১৮০

গোহাৰি ■ /১৮২

দুলুঙৰ এশ বছৰ হ'ল

নাৰায়ণ বৰুৱা

'দুলুং' নামটো অৱশ্যে মানুহে বৰকৈ শুনা নাম নহয়। দুলুং কোনো অঞ্চল-ঠাই অথবা মানুহৰ নাম নহয়। নহয় কোনো দেশ বা সাম্ৰাজ্যৰ নাম। দুলুং নামটো এনে এক বিষয়ৰ লগত জড়িত হৈ আছে যিবোৰ আজিকালি ক'তো কোনেও আলোচনা নকৰে। কৰাৰ প্ৰয়োজনো নাই। কাৰণ সেইবোৰ নহ'লেও আজিকালি মানুহ জীয়াই থাকিব পাৰে বুলি এটা ধাৰণাই সকলোৰে মন মগজু আৱৰি ৰাখিছে। গতিকে সেইবোৰৰ সংৰক্ষণ, সুৰক্ষা আৰু নিৰাপত্তাৰো প্ৰয়োজন নোহোৱা হৈ আহিছে। আৰু সেয়ে বিশ্বৰ দেশে দেশে এতিয়া তেনেবোৰ বিষয়ৰ ওপৰত মানুহৰ অত্যাচাৰ-অৱজ্ঞা দিনক দিনে বৃদ্ধি পাইছে। বিশেষকৈ উন্নয়নশীল দেশবোৰত ইয়াৰ মাত্ৰা বেছি। এনে দেশবোৰত এতিয়া পৰিস্থিতিয়ে এনে ৰূপ লৈছে যে নিৰ্মল বায়ু, নিৰ্মল পৰিৱেশ আৰু নিৰ্মল বাতাবৰণ হৈ পৰিছে এক দুষ্প্ৰাপ্য সম্পদ। পৰিণতিত বায়ু, শব্দ, পানী আৰু মাটি প্ৰদূষণে প্ৰত্যেক অঞ্চলতে ভয়ংকৰ ৰূপ গ্ৰহণ কৰিছে। অৱশ্যে এই সমস্যাৰ কথা যে কোনেও ভৱা নাছিল তেনে নহয়। আজিৰ পৰা প্ৰায় ১৫০ বছৰৰ আগতে ব্ৰিটিছসকলে আজিৰ এনে বাতাবৰণৰ কথাও মৰ্মে মৰ্মে উপলব্ধি কৰিছিল আৰু সেই মতে কামো কৰিছিল।

অসমৰ লখিমপুৰ জিলাৰ এখন সংৰক্ষিত বনাঞ্চল দুলুং। ৫১৫ নং ৰাষ্ট্ৰীয় ঘাইপথটি দুলুঙৰ কিছু অংশৰ মাজেৰে গৈছে যদিও সেই পথে অহা যোৱা কৰা সকলেও দুলুঙৰ নৈসৰ্গিক পৰিৱেশ চাই অনুভৱৰ চেতনাত বুৰ যাব নোখোজে। চকু আৰু হৃদয়ত বান্ধি নিব নিবিচাৰে দুলুঙৰ ৰূপসুধা। প্ৰকাশ-বিশ্লেষণ কৰিব নোৱাৰে ইয়াৰ সৌন্দৰ্য। এক অপৰূপ সৌন্দৰ্যৰে

মহিয়ান দুলুঙৰ বুকু। অৰুণাচল পাহাৰৰ পাদদেশ আৰু উত্তৰ লখিমপুৰ চহৰৰ পৰা প্ৰায় ২০ কিঃমিঃ উত্তৰ-পূবত অৱস্থিত প্ৰকৃতিৰ ৰম্যভূমি এই বনাঞ্চল। বিশ্বৰ বৰ্ষাৰণ্যসমূহৰ এক সৰু সংস্কৰণ। আমাজান, কংগো, সুন্দৰবন, মাদাগাস্কাৰ, হালধিয় শৈল, জাভা, বৰ্ণিও, মধ্য আমেৰিকা আদি বিশ্বৰ সৰ্ববৃহৎ বৰ্ষাৰণ্যসমূহ হৈছে পৃথিৱীৰ প্ৰাণ। এই বৰ্ষাৰণ্যসমূহ নোহোৱা হ'লে আমি বাসকৰা পৃথিৱীখন হয়তো কেতিয়াবাই শুকাই গ'লহেঁতেন। কিয়নো বৃষ্টিৰ তৃষ্ণাতুৰ মনক আকৰ্ষণ কৰিব পৰা ক্ষমতা বৰ্ষাৰণ্যসমূহৰ বাহিৰে আন কাৰোৰে নাই। পৃথিৱীত বৰষুণৰ আৱহমান গতি কেৱল বৰ্ষাৰণ্যসমূহ বাবেহে সম্ভৱ হৈছে। সমগ্ৰ বিশ্বত থকা অৰণ্যসমূহৰ ভিতৰত কেৱল ৬ শতাংশহে বৰ্ষাৰণ্যই আৱৰি আছে। তথাপিও এই সামান্যতম বৰ্ষাৰণ্যই আমাৰ সকলোৰে বৃষ্টি আৰু পুষ্টিৰ চাহিদা পূৰণ কৰিছে। লখিমপুৰ জিলাখনৰ বাবে প্ৰয়োজন হোৱা বৃষ্টি আৰু পুষ্টিও কেৱল দুলুঙৰ ওপৰতে নিৰ্ভৰশীল। জিলাখনৰ এক বিস্তৃৰ্ণ অঞ্চলৰ কৃষিভূমি জীপাল সতেজ কৰি ৰাখিছে দুলুঙে।

১৮২৩ চনত ব্ৰিটিছ গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট হিচাপে David Scott ক দায়িত্ব দিয়া হয়। সেইজন David Scott ৰ চেষ্টাতে ১৮৮৩ চনত অসমত মাটিৰ শ্ৰেণীবিভাজনৰ জৰীপ আৰম্ভ হ'ল। এই জৰীপত বাওতলি, ফৰিঙচি, বস্তিভূমি, গোচাৰ, শালি আৰু লাহিতলি আৰু লগতে বনাঞ্চল সংৰক্ষণৰো ব্যৱস্থা কৰা হয়। যদিও David Scott ৰ মৃত্যু ১৮৩১ চনত হ'ল তথাপিও এই ভূমি জৰীপ কাৰ্য তেওঁৰ প্ৰচেষ্টাৰ ফল বুলিয়েই ক'ব পাৰি। ভূমি জৰীপ কাৰ্যই অতীতৰ পৰা সমাজ পৰিচালনাত এক বিশেষ ভূমিকা পালন কৰি আহিছে। ১৮৫১ চনত Sir Joseph Morgan নামে এজন ব্ৰিটিছ প্ৰকৃতিবিদ অসমলৈ আহিছিল বুলি জনা যায়। সেই সময়ত তেওঁ অসমৰ বিভিন্ন ঠাইৰ লগতে লখিমপুৰলৈও আহিছিল ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ। তেতিয়া লখিমপুৰত ব্ৰিটিছ চিকিৎসক Dr. Cambel এ কিছুদিন চিকিৎসা সেৱা আগবঢ়াইছিল। Dr. Cambel ৰ লগত প্ৰকৃতিবিদ Joseph Morgan এ লখিমপুৰৰ সকলো ঠাই ঘূৰি পকি কেইখনমান অৰণ্য অঞ্চল সংৰক্ষিত হিচাপে সংৰক্ষণ কৰিবলৈ তেতিয়াৰ উজনি অসমৰ প্ৰশাসক Colonel Cupe আৰু Captain New owell ক

অনুৰোধ জনাইছিল আৰু তাৰে পৰিণতিত ঊনবিংশ শতিকাতে অসমত ভালেকেইখন বনাঞ্চল সংৰক্ষণৰ ব্যৱস্থা কৰা হয়।

২১ মে' ১৯১১ চন। অসম চৰকাৰৰ মুখ্য সচিব W.M. Canedy.g অসমৰ কেইখনমান অৰণ্যক সংৰক্ষিত বনাঞ্চল হিচাপে স্বীকৃতি দিবলৈ ব্রিটিছ হাইকমিচনাৰৰ ওচৰত আৰ্জি পেচ কৰে। হাইকমিচনাৰৰ কার্যালয়ে এই ক্ষেত্রত কিছু চোৱাচিতা আৰু বিবেচনা কৰি Canedy ৰ পৰামর্শমতে উজনি আৰু নামনি অসমৰ প্রায় ১০খন অৰণ্যক সংৰক্ষিত বনাঞ্চল হিচাপে স্বীকৃতি দিবলৈ ব্যৱস্থা কৰে। ইয়াৰ পৰিণতিত ১৯১৩ চনৰ ১ মে' তাৰিখে অসম চৰকাৰৰ মুখ্য সচিব W.M. Canedy ৰ স্বাক্ষৰযুক্ত এক চৰকাৰী ঘোষণাক্রমে লখিমপুৰ জিলাৰ দুলুং অৰণ্যই চৰকাৰৰ সংৰক্ষিত বনাঞ্চল হিচাপে স্বীকৃতি পায়। তেতিয়াৰ পৰাই দুলুং চৰকাৰ আৰু জনগণৰ আশ্রিত এখন সুজলা-সুফলা সেউজ বনাঞ্চল হৈ আজিও জিলিকি আছে ধৰাৰ বুকুত। চৰকাৰী স্বীকৃতিৰ এশ বছৰ অতিক্রম কৰা দুলুং এতিয়া লখিমপুৰ জিলাৰ শতিকা গৰকা পুৰণি বনাঞ্চল। চোৰাং চিকাৰী, বন ধ্বংসকাৰী, অৰুণাচলীৰ আগ্রাসন আৰু চৰকাৰ তথা বিভাগীয় অনিহা-অনাদৰত বিধ্বস্ত দুলুঙে দিনে-দিনে হেৰুৱাইছে ইয়াৰ অনুপম অংগ। চোৰাংকৈ গছ কটা, চোৰাংকৈ শিল-বালি অনা আৰু যান্ত্রিক কোলাহলৰ ভয়ত পেপুৱা লাগিছে দুলুঙে। দুলুঙক চাবলৈ এতিয়া সময় নাই কাৰো। সময় নাই বন বিভাগ তথা জিলা প্রশাসনৰো। মন্ত্রী আমোলা তথা কেন্দ্রীয় প্রতিনিধি আহিলে কেমেৰাৰ আগত ম'ৰাচালি ধৰা নেতা অথবা সংগঠনৰ অভাৱ নাই ক'তো। এই কথা এতিয়া অৰণ্য ভালপোৱা মানুহে মর্মে মর্মে উপলব্ধি কৰিছে আৰু সংকুচিত বনাঞ্চলবোৰ দেখি নীৰৱে মর্মাহত হৈছে।

দুলুং বনাঞ্চলৰ বিস্তৃতি প্রায় ১৯,৫৮৪ একৰ ভূমি। বনাঞ্চলখনৰ পূবে সোৱণশিৰি নদী, পশ্চিমে বগীনদী, উত্তৰে অৰুণাচল আৰু দক্ষিণে ৫১৫ নং ৰাষ্ট্রীয় ঘাইপথ। অৱশ্যে ১৯২০ চন মানৰ পৰা ব্রহ্মপুত্রৰ দক্ষিণ পাৰৰ পৰা ইয়ালৈ মানুহৰ প্রৱজন হোৱাত ঘাইপথচোৱাৰ উত্তৰ আৰু দক্ষিণ দিশে মানুহৰ বসতি হোৱাত দুলুং ৫১৫ নং ঘাইপথৰ বহু উত্তৰলৈকে সংকুচিত হ'ল আৰু অঞ্চলবোৰ ক্রমে গাঁও পঞ্চায়ত আৰু লোকেল বর্ডৰ এলেকাধীন হ'ল। তদুপৰি অৰুণাচলী মানুহৰ আগ্রাসন আৰু তেওঁলোকে

স্থাপন কৰা গাঁও আৰু খেতি-বাতিয়েও দুলুঙৰ কলেৱৰ দিনক দিনে সংকুচিত কৰি আনিছে। জিলাখনৰ আটাইতকৈ পুৰণি আৰু বিশ্ববিখ্যাত কাজিৰঙাৰ প্ৰায় সমসাময়িক এই বনাঞ্চলৰ অৱনতি আৰু ৰুক্ষতা এতিয়া প্ৰকৃতিপ্ৰেমীসকলৰ বাবে চিন্তাৰ বিষয় হৈ পৰিছে। ৰাজনৈতিক নেতা, বিভিন্ন সামাজিক সংগঠন তথা জিলা প্ৰশাসন আৰু চৰকাৰী বন বিভাগে মাজে মাজে এই বিষয়ত কিছু হুংকাৰ দিয়ে যদিও ই স্থায়ী নহয়। বাতৰি কাকত আৰু দূৰদৰ্শনত দুই এদিনৰ প্ৰচাৰ হোৱাৰ বাহিৰে দুলুঙৰ একো উপকাৰ নহয়। উপকাৰ হয় চোৰাং চিকাৰী আৰু সস্তীয়া ৰাজনীতি কৰা সকলৰহে।

কি আছে দুলুঙত ঃ বিশ্বৰ বৰ্ষাৰণ্য তথা জৈৱিক অৰণ্যসমূহত পোৱা সকলো উপকৰণেৰে সমৃদ্ধ দুলুঙৰ বুকু। দুলুঙৰ মাটি শীতল আৰু সাৰুৱা কৰিবলৈ আছে অটব্য অৰণ্য। সুউচ্চ হোলোং গছে সাৱটি থকা ইয়াৰ বিশাল সেউজীয়া ভূমি। প্ৰকৃতি আৰু পৰিৱেশৰ উপকাৰী বহুবোৰ জীৱ-জন্তু আৰু উদ্ভিদৰ বংশবিস্তাৰণ সহজ-সৰল হোৱাৰ ক্ষেত্ৰ হিচাপে পৰিচিত দুলুং। প্ৰকৃতিৰ বুকুৰ পৰা ইতিমধ্যে হেৰাই যোৱা বহুবোৰ জলজ আৰু স্থলজ উদ্ভিদৰ অৱশিষ্ট অংশেৰে ভৰপুৰ এই বনাঞ্চল। ১৯,৫৯৮ একৰ বিস্তৃত দুলুঙৰ বুকুত আছে বহুটো সৰু-বৰ জলাশয় আৰু অসংখ্য জান-জুৰি আৰু হোলা। হাতীহোলা, মেটেকাহোলা, বাঘজান, বাঘিনীজান, সোণজুলী, লতা-জুৰী এইবোৰ দুলুঙৰ জৈৱিক অলংকাৰ। ইয়াৰোপৰি বহুকেইটা জলাশয়ো আছে দুলুঙত। যিবোৰত অসংখ্য জলজ উদ্ভিদ আৰু গছ-লতা আছে। এই জলাশয় আৰু জান-জুৰিবোৰত অসমৰ প্ৰায় ১১০ বিধমান থলুৱা মাছ পূৰ্বপুৰুষৰ স্বাক্ষৰ বহন কৰি জীয়াই আছে অশেষ সংগ্ৰাম আৰু সীমাহীন প্ৰত্যাহ্বান বুকুত সাৱটি। প্ৰায় ৫ প্ৰজাতিৰ কাছ আৰু ২১ প্ৰজাতিৰ বিভিন্ন বৰণৰ সৰু-বৰ ভেকুলী। দুলুঙৰ অৰণ্যত আছে বহুবোৰ আপুৰুগীয়া থলুৱা চৰাই। ধনেশ, বাঢ়ৈটোকা, ভাটৌ, কপৌ, মইনা, ফেঁচা, হুদু, ডাউক, কনামুচৰি, হাইঠা, কাউৰী, শালিকা, বগলী আদি প্ৰায় ১০ বিধমান থলুৱা চৰাই। ডাঙৰ জন্তুৰ ভিতৰত হাতী, বাঘ, ভালুক আৰু পহু। তিনি প্ৰজাতিৰ বাঘ আৰু তিনি প্ৰজাতিৰ পহুৰ বিচৰণেৰে শুৱনি গহীন হৈ থাকে দুলুং। সাপ, গুঁই, নলগাহৰি, বনমেকুৰী, জহামাল,

কুকুৰনেজীয়া, নেউল, মেকাক, বান্দৰ, কেৰ্কেটুৱা, বনৰীয়া মেঠোন, বনৰীয়া ম'হ আদি অসংখ্য জীৱ-জন্তুৰে গিজ গিজাই থকা এখন বনাঞ্চল। কীট-পতঙ্গৰ ভিতৰত প্ৰায় ৩০ প্ৰজাতিৰ পখিলা, ২৫ প্ৰজাতিৰ ফৰিং, ৭ প্ৰজাতিৰ বৰল তথা অসংখ্য সৰু সৰু কীট-পতঙ্গ আছে এই বনাঞ্চলখনত।

বগীনদী, কাকৈ, কাণীনৈ আৰু ঘাগৰ নৈ দুলুঙৰ মাজেদি বৈ গৈছে সৌন্দৰ্যৰ সুষমা বিলাই। বছৰৰ সকলো ঋতুতে জীপাল সতেজ কৰি ৰখা এই জলধাৰাবোৰক লৈয়ে দুলুং মহিমামণ্ডিত ধৰাৰ বুকুত। অৱশ্যে দুলুঙৰ এনে মহিমা আৰু গৰিমা তথা প্ৰাকৃতিক বৈশিষ্ট্য নতুন প্ৰজন্মৰ দৃষ্টিৰ পৰা বৰ কৌশলেহে আঁতৰাই অনা হৈছে চাকৰিমুখী শিক্ষাৰ হেঁচাত। বিদ্যালয়-মহাবিদ্যালয়ৰ পাঠ্যপুথিত নাই দুলুং। এনেকৈয়ে বোধহয় দুলুং নিঃশেষ হ'ব ধৰাৰ বুকুৰ পৰা এদিন। যেনেকৈ নিঃশেষ হ'ল পাভ।

কি কি দিছে দুলুঙে আমাক ঃ বিশ্বৰ সকলো ঠাইতে এতিয়া কেৱল প্ৰদূষণৰ ৰাজত্ব। মাটি, পানী, বায়ু, আকাশ আৰু ভূগৰ্ভ এই সকলোবোৰ ভাৰাক্ৰান্ত সীমাহীন প্ৰদূষণত। জীৱন-যাপনৰ মান আৰু খাদ্যাভাস পৰিৱৰ্তন হোৱাৰ লগে লগে যান্ত্ৰিক পৃথিৱীত সেউজ অৰণ্য আৰু বন্যপ্ৰাণীৰ গুৰুত্ব দিনক দিনে হ্ৰাস পাই আহিছে। এতিয়া আৰু আগৰ দৰে খেৰ বাঁহ আৰু কাঠ ইকৰাৰ ঘৰ-দুৱাৰ ক'তো নাই। মানুহে ক্ৰমে যুগমীয়া অথবা স্থায়ী ঘৰ-দুৱাৰ নিৰ্মাণৰ বাবে কৃত্ৰিম কংক্ৰিটৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে। পৰিণতিত অৰণ্য হৈ পৰিছে অলাগতিয়াল আৰু এলাগী সম্পদ। অন্যহাতে বিশ্বায়নৰ বোকোচাত অগণন আধুনিক খাদ্য সম্ভাৰ। দেশ-মহাদেশৰ প্ৰতিৰক্ষাৰ দেৱাল ভাঙি নিতৌ ন ন ফাষ্টফুড তথা অগণন অন্যান্য সুস্বাদু খাদ্য প্ৰৱেশ কৰিছে বিশ্বৰ প্ৰান্তে-প্ৰান্তে। থলুৱা খাদ্য আৰু পৰম্পৰাগত ৰন্ধন প্ৰণালী বিধস্ত হৈছে আধুনিকতাৰ কঢ়াল গ্ৰাসত। অৰণ্যৰ শাকপাতৰো প্ৰয়োজন নাই ক'তো। মানুহৰ সভ্যতা বিকাশত এই অৰণ্য অথবা বনাঞ্চলসমূহে বিশেষ ভূমিকা পালন কৰি আহিছে। আধুনিক বৈজ্ঞানিক জীৱন আৰম্ভ হোৱা আজি মাত্ৰ কেইদশকমানহে হৈছে। কিন্তু সমগ্ৰ মানৱ জাতিৰ সভ্যতা, কৃষ্টি- সংস্কৃতি আৰু পৰম্পৰা এই অৰণ্যসমূহৰ ওপৰত নিৰ্ভৰ কৰিয়েই কোটি কোটি বছৰ অতিক্ৰমী আজি আমি এনে অৱস্থাত উপনীত হৈছেহি। যিবোৰ বদান্যতা আজিৰ মানুহে স্বীকাৰ কৰিব

নোখোজে। শব্দ প্রদূষণ, বায়ু প্রদূষণ, মাটি প্রদূষণ আৰু জল প্রদূষণে এতিয়া বিশ্ববাসীৰ বাবে ভয়ংকৰ প্রত্যাহ্বান হৈ থিয় দিছে। অৰণ্য অঞ্চল ধ্বংস হৈ অহাৰ বাবে এনে সমস্যাই সকলো ঠাইতে গা কৰি উঠিছে। আন প্রাণীসমূহৰ লগতে মানুহ জীয়াই থাকিবলৈ পৃথিৱীত মাটি ভাগৰ ৩০-৪০ শতাংশ অৰণ্য অঞ্চল হ'ব লাগে। কিন্তু কার্যক্ষেত্রত এতিয়া মাটিভাগৰ ১০ শতাংশ মানো অৰণ্য অঞ্চল নাই। ফলত সকলো স্তৰৰ প্রদূষণে বিধ্বস্ব কৰিছে পৃথিৱী। গোলকীয় উষ্ণতা বৃদ্ধিয়ে প্রাণী জগতৰ অশেষ ক্ষতি কৰিছে। অৰণ্যই বিশেষকৈ শব্দ আৰু বায়ু প্রদূষণ ৰোধ কৰি এক অস্বস্তিকৰ পৰিৱেশৰ পৰা জীৱ-জগতক বচাই ৰাখিছে। এই কথা কিন্তু কম সংখ্যক মানুহেহে উপলব্ধি কৰে। গছ-গছনি আৰু জলাশয় আৰু নদ-নদীসমূহে ধূলি-বালি আৰু অন্যান্য প্রদূষণ গাত পাতি লৈ আমাক নিশ্চিত মৃত্যুৰ পৰা বচাই ৰাখিছে। অৰণ্যই মাটি আৰু পানীভাগৰ প্রদূষণো ৰোধ কৰে। দুলুং সংৰক্ষিত বনাঞ্চলে উল্লিখিত সকলোবোৰ সমস্যা আঁতৰ কৰি এক নিশ্চিত বিপদৰ পৰা আমাক আঁতৰাই ৰাখিব পৰা ইয়াৰ বদান্যতাৰ পৰা অনুমান কৰিব পাৰি যে দুলুঙে আমাক সকলো দিছে। দুলুঙে দিছে সেৱনযোগ্য বায়ু, গ্রীষ্মত দেহা শাঁত পৰা বৃষ্টি। মন মগজু তৃপ্তিৰ বাবে অপৰূপ প্রাকৃতিক সৌন্দর্য। পখীৰ কল-কাকলিত নিতৌ শাঁত পৰে মন। এয়াই দুলুঙৰ বদান্যতা। সেইবাবেই মানুহৰ বুকুৰে বুকুৰে শিপাই আছে দুলুঙৰ শিপা। এই কথা স্বীকাৰ নকৰাজন হয়তো পিশাচৰ সমতুল্য।

১ মে' ২০১৩ চনত শতবর্ষ অতিক্রম কৰিলে দুলুঙে। ২০০৫ চনত উদযাপিত হ'ল কাজিৰঙাৰ শতবার্ষিকী; কিন্তু নহ'ল দুলুঙৰ। মানুহে পতা যিকোনো অনুষ্ঠানৰ পঞ্চবিংশতিত্বম বছৰ নৌহওঁতেই ৰজত জয়ন্তী পাতিবলৈ লাগে হেতা-ওপৰা। কিন্তু দুলুঙৰ ক্ষেত্রত এনে তৎপৰতা আনকি স্বয়ং বন বিভাগ অথবা জিলা প্রশাসনৰ ক্ষেত্রতো এতিয়ালৈকে দেখা পোৱা নাই। সংবাদ মাধ্যম অথবা প্রচাৰ মাধ্যমসমূহে এই ক্ষেত্রত বিশেষ ভূমিকা ল'লে লখিমপুৰ জিলাবাসীয়ে দুলুং বনাঞ্চলৰ শতবর্ষ উদ্‌যাপনত অংশগ্রহণ কৰি বনাঞ্চলৰ প্রয়োজনীয়তাৰ বিষয়বোৰ জনগণৰ মাজলৈ লৈ যাব পাৰিব। লগতে দুলুঙৰো এখন জন্ম পত্রিকা আৰু স্মৃতিগ্রন্থ প্রকাশ হৈ ওলাব।

ম'বাইল ঃ ৯৯৫৪৩৯১৪৩৪

দুলুং-সোৱণশিৰি মহোৎসৱ

গোপাল চন্দ্র দলে

বিশ্ব পৰিৱেশ সংৰক্ষণ আন্দোলনৰ অংশীদাৰ হওঁ আহক আহ্বানেৰে 'দুলং-সোৱণশিৰি মহোৎসৱ'ৰ আয়োজন কৰা হৈছে। এই মহোৎসৱ উদ্‌যাপন হৈ আহিছে মিচিং স্বায়ত্তশাসিত পৰিষদৰ সৌজন্যত আৰু দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ উদ্যোগত। ২০১৫ বৰ্ষত জোনাইত প্ৰথম পবা বৰ্ষাৰণ্য মহোৎসৱ আৰু কাজিৰঙাত বার্ড ফেষ্টিভেল সফলতাৰে মিচিং স্বায়ত্তশাষিত পৰিষদৰ সৌজন্যত অনুষ্ঠিত কৰা হৈছিল। ২০১৫ চনৰ ডিচেম্বৰৰ ২৭, ২৮, ২৬ আৰু ৩০ তাৰিখে লখিমপুৰ আৰু ধেমাজি জিলা সামৰি 'দুলুং-সোৱণশিৰি মহোৎসৱ' অনুষ্ঠিত কৰা হয়। পুনৰ মিচিং স্বায়ত্তশাসিত পৰিষদৰ ইক'টুৰিজম ডেভলপমেণ্ট ছ'চাইটিৰ পৃষ্ঠপোষকতাত আৰু দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ উদ্যোগত ২২, ২৩ আৰু ২৪ ডিচেম্বৰ, ২০২৩ ত দ্বিতীয় দুলুং-সোৱণশিৰি মহোৎসৱ অনুষ্ঠিত হ'ব। ই নিশ্চিতভাৱে দুলুং-সোৱণশিৰিপ্ৰেমীৰ বাবে সু-খবৰ।

প্ৰকৃতিপ্ৰেমী ৰাইজৰ সহযোগত জনগণৰ মাজত পৰিৱেশ সংৰক্ষণৰ সজাগতা বৃদ্ধি কৰা আৰু দুলুং সংৰক্ষিত বনাঞ্চল আৰু সোৱণশিৰি নদীৰ সংৰক্ষণ ব্যৱস্থাপনাৰ জৰিয়তে বিশ্ব পৰিৱেশ সাংৰক্ষণ আন্দোলনৰ অংশীদাৰ হোৱাৰ বাস্তৱ পদক্ষেপ গ্ৰহণ কৰাই দুলুং-সোৱণশিৰি মহোৎসৱৰ মূল লক্ষ্য-উদ্দেশ্য। প্ৰাকৃতিক সম্পদ আৰু পৰিৱেশেই বিশ্ব মানৱৰ জীৱন-জীৱিকাৰ সমল। প্ৰাকৃতিক সম্পদ উচিত ব্যৱহাৰ আৰু প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণৰ জৰিয়তে জলবায়ু সমতুলতা ৰক্ষা কৰা বিশ্ব মানৱৰ কৰণীয় হৈ পৰিছে। এইয়া সময়ৰ আহ্বান। বৰ্তমানৰ পৰিস্থিতিয়ে বিশ্ব পৰিৱেশ আন্দোলনৰ অংশীদাৰ হোৱাৰ আহ্বানৰ যথার্থতাক প্ৰমাণিত কৰিছে আৰু

দলুং-সোৱণশিৰি মহোৎসৱৰ বিনম্ৰ প্ৰয়াসৰ সাৰ্থকতা সূচাইছে। নেচাৰ্ বেকন, ছেভ পবা ৰেইন ফৰেষ্ট, গ্ৰীণ হেৰিটেজ আৰু মেগামিক্স ইত্যাদি প্ৰকৃতিপ্ৰেমী সংস্থাসমূহৰ সহযোগিতাই ইয়াৰ উচিত্যতাৰ দাবী কৰিছে।

দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ প্ৰতিষ্ঠা ২০১৫ চনৰ ৯ মাৰ্চ তাৰিখে হ'লেও দুলুং-সোৱণশিৰি সংৰক্ষণৰ ধাৰণাটো প্ৰায় ২০১১ চনৰ পৰাই চলি আছিল। বনভোজ খোৱাৰ আলমেৰে বগীনদী শিল কোৱাৰিৰ ৰাস্তাৰে গৈ এৰাতি কটোৱা হৈছিল অৰুণাচল প্ৰদেশৰ আঞ্চলিক খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ সমীপৰ এটা নলাত। পিছদিনা ২০১১ চনৰ ৩০ ডিচেম্বৰ তাৰিখে দুলুং বনাঞ্চল ভিতৰ ভাগত সোমাই জংঘল ট্ৰেকিং কৰা হৈছিল। ট্ৰেকিং কালত বনাঞ্চলৰ ধ্বংসৰ দুখলগা অৱস্থা দেখি সিদ্ধান্ত লোৱা হ'ল "Natures Care" নামেৰে এটি সংস্থা খোলাৰ। স্বেচ্ছাসেৱী সংস্থাটোৰ আনুষ্ঠানিকতা পূৰণ কৰা পলম হ'ল। মিচিং স্বায়ত্তশাসিত পৰিষদৰ তদানীন্তন মুখ্য কাৰ্যবাহী সদস্য ডাঃ ৰণোজ পেগুদেৱৰ পৰামৰ্শ মৰ্মে এই সংস্থাটোকেই 'দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি' নামকৰণেৰে ২০১৫ চনৰ ৯ মাৰ্চত বগীনদীস্থিত বড়ো সাহিত্য সভাৰ ভৱন প্ৰাঙ্গনত বহা ৰাজহুৱা সভাত অভাজনক সভাপতি আৰু মজিন সোনোৱালক সম্পাদক হিচাপে লৈ পূৰ্ণাংগতা প্ৰদান কৰা হ'ল। সেইমতে REG No. NLP/257/G/36/2015 - 16 পঞ্জীয়নো কৰা হ'ল।

ডাঃ ৰণোজ পেগুদেৱৰ পৰামৰ্শ মৰ্মেই ২০১৫ চনৰ ৫ জুন তাৰিখে টাৰিয়নী বৰবিল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনত মিচিং স্বায়ত্তশাসিত পৰিষদৰ সৌজন্যত লখিমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ সহযোগত আৰু দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানৰ সফল ৰূপায়ণৰ বাবেই হয়তো তেখেতে 'দুলুং-সোৱণশিৰি মহোৎসৱ' উদ্‌যাপনৰ উদ্যোগ ল'বলৈ প্ৰস্তাব আগবঢ়ালে দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিক। তদানীন্তন লখিমপুৰ জিলাৰ উপায়ুক্ত দেৱেশ্বৰ মালাকাৰদেৱক সভাপতি, গকুল পামেগামক সম্পাদক হিচাপে লৈ গঠিত হ'ল এখন শক্তিশালী উদ্‌যাপন কমিটী।

দুলুং বনাঞ্চলৰ বিষয়ে যৎকিঞ্চিত ঃ লখিমপুৰ জিলা বন প্ৰাধিকাৰী সংমণ্ডলৰ অধিনস্থ, কদম মৌজাৰ অন্তৰ্গত প্ৰায় ৯.৯০০ হেক্টৰ মাটিৰ

প্রাকৃতিক সম্পদেৰে ভৰপুৰ দুলুং সংৰক্ষিত বনাঞ্চল। ১৯১৩ চনতেই সংৰক্ষিত বনাঞ্চল হিচাপে স্বীকৃত। পাহাৰ, সমতল, নদী, গছ-গছনি, জীৱ-জন্তুৰ বৈচিত্র্যৰে চিৰসেউজ দুলুং সংৰক্ষিত বনাঞ্চল। উত্তৰ লখিমপুৰ সদৰ ঠাইৰ পৰা ৫১৫ নং ৰাষ্ট্রীয় ঘাইপথেৰে ২২ কি.মি. দূৰত্বত পদুমণি আইথান। এই আই থানখনৰ পৰাই আৰম্ভ হৈছে দুলুং সংৰক্ষিত বনাঞ্চল আৰু আনন্দ চাহ বাগানত (ৰাষ্ট্রীয় ঘাই পথেৰে গ'লে) শেষ হয় ইয়াৰ সীমা। উত্তৰ-পূব ৰে'ল পথটি বৰদির্জু কেকুৰি মিচিং গাঁৱৰ পৰা বনাঞ্চলত প্ৰৱেশ কৰে আৰু কুঁহিয়াৰ বাৰীত পুনৰ শেষ হয় বনাঞ্চলৰ সীমা। ইয়াৰ পূব দিশত আছে সোৱণশিৰি নদী, পশ্চিমত বগীনদী যিখন নদী পু�ৰাণত শ্বেতগংগা হিচাপে বর্ণিত। উত্তৰ দিশত অৰুণাচল প্ৰদেশ। দক্ষিণ দিশত আগুৰি আছে বহুতো জনবসতিপূর্ণ গাঁও। টাৰিয়নী সোনোৱাল, টাৰিয়নী ৰাজগড়, ৰাণী নৰহ চাহ বাগিচা, দিৰপাই, বৰীয়া গাঁও, ভেকেলী, জেংৰাই, বৰদির্জু, কেকুৰি মিচিং গাঁও, চৈধ্য মাইল, বকুলবাৰী ইত্যাদি গাঁও। দুলুং বনাঞ্চলৰ ভিতৰত ১৯৫০ চনৰ বৰভূইকঁপৰ সময়ত সংস্থাপিত একমাত্র বনগাঁও দুলুং ওখমাটি মিচিং গাঁওখনি অৱস্থিত। এই গাঁওখনত বসবাস কৰা প্ৰতিটো পৰিয়ালক ২০০৫ চনৰ বন অধিকাৰ আইনমতে ৩০ বিঘাকৈ মাটিৰ পট্টা প্ৰদান কৰিছে বুলি জনা যায়। আমোদজনক বিষয় যে ইয়াৰ স্থানীয় লোকসকলে বনাঞ্চলৰ প্ৰায় সকলোবিলাক পাহাৰ, নদী, সমতল আদিক কিছুমান নাম দি লৈছে। নদীবিলাক যেনে— শুকান নলা (খৰালি পানী নথকাৰ বাবে), মেথুন নলা (মেথুন বিলাকে নলাৰ লুণীয়া পানী খোৱাৰ বাবে), বাঘ জান, বাঘিণী জান (বাঘে পানী খোৱাৰ বাবে), কণা নদী (বাৰিষা ঢল নামোতে সুঁতি চিনি নোপোৱাকৈ পানী বাগৰাৰ বাবে), ঘাগৰ নলা (পানীৰ প্ৰকোপৰ বাবে) আৰু পাহাৰবোৰ যেনে— স্বর্গ নগৰ (পাহাৰৰ টিলাৰ পৰা সোৱণশিৰি নদীখন দেখাৰ বাবে), বিচ টকীয়া গড়া (ঠিয় গড়াৰ পৰা নামিবৰ বাবে বিচ টকাৰ বাজী মৰাৰ বাবে), লেটেকুধাম (লেটেকু গছৰ সংখ্যা বেছি পোৱাৰ বাবে), কইটি ধাম (বন বিভাগৰ পৰা কুউপ (Coup) লৈ কাঠ গোটোৱাৰ বাবে), কোৱাৰ ধাম (কোঁৱৰ গাঁৱৰ নামেৰে) আৰু সমতল বিলাক যেনে— সৰিয়হ তলি (সৰিয়হ খেতি কৰিছিল বাবে), পানী ডোঙা (খৰালিত পানী থাকে বাবে), বৰঘূলি (বনৰীয়া গাহৰি আৰু পহুৱে ঘূলি মৰাৰ বাবে) ইত্যাদি বহুতো অজুহাতত

নাম দি লৈছে। এই কথাই হয়তো প্রমাণ কৰে স্থানীয় লোকসকলৰ অবাধ বিচৰণ এই সংৰক্ষিত বনাঞ্চলত। ইয়াৰোপৰি কুউপৰ উল্লেখ পোৱাৰ পৰা অনুমান কৰিব পাৰি যে চৰকাৰী বন বিভাগেই ইয়াৰ গছ-গছনিবিলাক কুউপৰ নামত ন্যায্যতা প্রদান কৰি বন ধ্বংসৰ বিপদজনক পদক্ষেপ গ্রহণ কৰিছিল।

বনজ সম্পদ ঃ কদম মৌজাৰ অন্তর্গত নাহৰবাৰী মেপৰ কাষতেই আছে দুলুং বনাঞ্চল। মুখ্যত এই বনাঞ্চল নাহৰৰ বাবেই জনাজাত। প্রধানকৈ একমাত্র দুলুং বনাঞ্চলতেই ঔষধি গুণযুক্ত চিঁয়া নাহৰ গছ পোৱা যায়। অৱশ্যে জাতি নাহৰ গছ যথেষ্ট পৰিমাণে পোৱা গৈছিল। ঘৰৰ খুঁটা আৰু দলং নির্মাণত ব্যাপকভাৱে ব্যৱহাৰ হোৱাৰ ফলত জাতি নাহৰ প্রায় নাইকীয়া হৈছে। চোৰাং হিচাপে কাঠ ফলা আৰু কয়লা পোৰাৰ বাবে চিঁয়া নাহৰ গছো প্রায় ধ্বংসৰ পথত। মূল্যৱান গছ প্রায় নাইকীয়া হৈছে। জাতি নাহৰ, চিঁয়া নাহৰ, গন্ধখৰী, তিতাচপা, এমাৰি, শলখ, ধূনা, শিমলু, পমা, ভোমোৰা, শিলিখা, শ্যামকঠাল, শিঙৰি, খকন, বনবগৰী, জামু, মৰশাল, বন গমাৰী ইত্যাদি বহুতো মূল্যৱান গছ পোৱা যায়। কাক' বাঁহ, টাৰি, ৰাইদাং, চুলি, ভেচেলি, হুৰিবেত নানা ৰঙী অর্কিড আদি উদ্ভিদেৰে ভৰপূৰ এই বনাঞ্চল। জাতি নাহৰে যেতিয়া নতুনকৈ কুঁহিপাত মেলে প্রকৃতিৰ বিনন্দীয়া অৱদানক অকপটে স্বীকাৰ কৰিবই লাগিব। ভগৱানৰ নিপুণ হাতৰ সৃষ্টিক উপভোগ কৰি আত্মহাৰা হয় প্রকৃতিপ্রেমীসকল। জাতি নাহৰ ফুলাৰ বতৰৰ কথা অসমবাসীক নতুনকৈ কোৱাৰ প্রয়োজন জানো আছে?

দুলুং চিৰ সেউজ বনাঞ্চলত সকলো প্রজাতিৰ জীৱ-জন্তুৱেই পোৱা যায় বোলিব পাৰি। হাতী, বাঘ (ঢেকীয়া পতীয়া বাঘৰ অৱস্থিতি বর্তমান পোৱা নাযায়) ভালুক, ৰাম ছাগলী (অৰুণাচল প্রদেশৰ পাহাৰৰ পৰা অহা) বন গাহৰি, বনৰৌ, শৰ, হুগৰি, হৰিণা, কেটেলা পহু, বন মেকুৰী, জহামাল, নেউল, শিয়াল, বান্দৰ, কের্কেটুৱা, গুই, অজগৰ, কার্শলা, ধূৰা, ফেটিসাপ সৰু-বৰ বিভিন্ন প্রজাতিৰ তেজপীয়া, নাইপীয়া, জেঠী ইত্যাদি। বৈচিত্র্যৰে ভৰা দুলুং বনাঞ্চল, এই বনাঞ্চলৰ কাষত বহুতো খাল-বিল প্রত্যক্ষ কৰা যায়। বৰবিল, নবিল, টাৰিয়নী বিলসমূহ বনাঞ্চলৰ কাষতে অবস্থিত। তিনিঠেঙীয়া আৰু দীঘলীয়া বিল বনাঞ্চলৰ অন্তর্ভুক্ত, তিনিঠেঙীয়া বিলৰ কাষতে পদুমণি উদ্যান হিচাপে গঢ়ি আকর্ষণৰ কেন্দ্রবিন্দু

হৈ পৰিছে। এই বিল তথা জান-জুৰিসমূহত নানা প্ৰজাতিৰ থলুৱা মাছ, কাছ, কেকুৰা, শামুক পোৱা যায়। ইয়াৰোপৰি বিভিন্ন প্ৰজাতিৰ চৰাই দেখা যায়। অৰুণাচল প্ৰদেশৰ ৰাজ্যিক প্ৰতীক ধনেশ, শগুণ, বৰটোকোলা, ভাটো, মইনা, টেকটেকী, পাকৈ ধোৱা, চিলনী, দৰিক, বনকুকুৰা, কাউৰী, বগলী, কণামুচৰি, হুদু, শালিকা, বাঢ়ে টোকা, হাইঠা ইত্যাদি পোৱা যায়। পৰিভ্ৰমী চৰাই ঈগল দেখা যায় বুলি স্থানীয় লোকে দাবী কৰে।

আশাৰ বতৰা ঃ প্ৰাকৃতিক সৌন্দৰ্য তথা জৈৱ-বৈচিত্ৰ্যৰে সমৃদ্ধ শতিকা গৰকা চিৰ সেউজ দুলুং বনাঞ্চল। ভাৰতীয় বন আইনৰ বলত বন বিভাগৰ দাদাগিৰিৰে বনজ সম্পদ বিক্ৰী, চোৰাং ব্যৱসায়ীৰ ধ্বংস যজ্ঞ তথা খাটি খোৱা জনতাৰ জীৱন-জীৱিকাৰ বাবে বনাঞ্চলৰ ওপৰত কৰা নিৰ্ভৰশীলতাই দুলুং সংৰক্ষিত বনাঞ্চলক বিপদাপন্ন কৰি তুলিছে। সংৰক্ষিত বনাঞ্চল হয়তো কাগজে-কলমে আছে, কিন্তু প্ৰকৃতাৰ্থত সংৰক্ষিত হৈ থকা নাই। সংৰক্ষিত বনাঞ্চল মানে বন বিভাগে খেয়াল খুচিমতে সম্পদসমূহ বিক্ৰী কৰিব পাৰে। কিন্তু জনগণৰ প্ৰৱেশ নিষেধ। গতিকে আমি বাধ্য দুলুঙক অভয়াৰণ্যৰ দাবী উত্থাপন কৰিবলৈ। দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰলৈ অভয়াৰণ্য ঘোষণাৰ দাবীত প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। অসম-অৰুণাচল প্ৰদেশৰ সীমা বিবাদৰ পৰিপেক্ষিতত উচ্চতম ন্যায়ালয়ে জাৰি কৰা স্থগিতাদেশৰ আলমত অৰুণাচল চৰকাৰৰ পৃষ্ঠপোষকতাত দুলুং বনাঞ্চল বে-দখলৰ তথ্য উচ্চতম ন্যায়ালয়ৰ দ্বাৰা প্ৰেৰিত হাই পাৱাৰ (High Power Committee) কমিটীক অৱগত কৰা হৈছে। এই ছেগতে প্ৰকৃতিপ্ৰেমী সংস্থা নেচাৰ্চ বেকন, ছেভ পবা ৰেইন ফৰেষ্ট, গ্ৰীণ হেৰিটেজৰ কৰ্মকৰ্তাসকলক কৃতজ্ঞতা জ্ঞাপন কৰিলো। নেচাৰ্চ বেকনৰ সঞ্চালক সৌমদ্বীপ দত্তদেৱে দুলুং বনাঞ্চলত ট্ৰেকিং কৰি পোৱা অভিজ্ঞতাৰে আমাক উৎসাহ দিছে। ছেভ পবা ৰেইন ফৰেষ্টৰ উপদেষ্টা পূণ্যকান্ত মিলিদেৱৰ উদ্যোগত ২০১৫ চনৰ ২৩, ২৪ ছেপ্টেম্বৰ তাৰিখে সংস্থাৰ সভাপতি ৰয়েল পেগু, কৰ্মকৰ্তা ৰাজীৱ পেগু, হলধৰ মিলি, সাধাৰণ সম্পাদক তথা সাংবাদিক ভাস্কৰজ্যোতি টায়েং, সদস্য তথা সাংবাদিক বিজয় বৰি, সদস্য স্বপ্নৰঞ্জন ময়েঙ্গীয়া তথা নেচাৰ্চ বেকনৰ সক্ৰীয় কৰ্মকৰ্তা তোষেশ্বৰ মিৰি আগৰৱালাদেৱে দুদিনীয়া কাৰ্যসূচীৰে দুলুং বনাঞ্চল পৰ্যৱেক্ষণ কৰি তেখেতলোকৰ অভিজ্ঞতা দাঙি

ধৰে আৰু দুলুং বনাঞ্চলৰ সুৰক্ষাৰ বাবে ল'বলগীয়া কার্যপন্থাসমূহ অৱগত কৰায়। গ্ৰীণ হেৰিটেজৰ সঞ্চালক বিকুল গোস্বামীদেৱে বনাঞ্চলখনি সুৰক্ষাৰ বাবে নিজেও হাতে-কামে লগাৰ আশ্বাস দিয়াৰ বাবে তেখেতক বিশেষভাৱে আন্তৰিক অভিনন্দন জনালো।

ডাঃ ৰণোজ পেগুদে�ৰৰ পৰিকল্পনাৰে দুলুং সুৰক্ষিত বনাঞ্চল সুৰক্ষাৰ বাবে সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰা হৈছে। জীৱন-জীৱিকাৰ বাবে বনাঞ্চলত নির্ভৰশীল খাটিখোৱা লোকসকলক উপার্জনৰ বিকল্প উৎস দেখুৱাব নোৱাৰিলে সকলো প্ৰচেষ্টাই বিফল হোৱাটো নিশ্চিত। আফ্ৰিকাৰ বটচৱানা আৰু টাঞ্জানিয়া ৰাষ্ট্ৰীয় উদ্যানৰ সুৰক্ষা ব্যৱস্থাক আৰ্হি হিচাপে ল'ব পৰা যায়। চোৰাং চিকাৰী উপদ্ৰৱত নিঃচিহ্ন প্ৰায় ৰাষ্ট্ৰীয় উদ্যানক পর্যটন উদ্যোগলৈ ৰূপান্তৰ কৰি চোৰাং চিকাৰীসকলকেই পর্যটন উদ্যোগত মকৰল কৰি উদ্যানখনি সুৰক্ষিত উদ্যান কৰিলে। মিচিং স্বায়ত্তশাসিত পৰিষদৰ ফালৰ পৰা লখিমপুৰ বন প্ৰাধিকাৰী সংমণ্ডলৰ বিষয়াৰ ওচৰত প্ৰস্তাৱ দাখিল কৰা হৈছে এখনি 'উদ্ভিদ উদ্যান আৰু ইক'টুৰিজিম চেণ্টাৰ' প্ৰতিষ্ঠাৰ বাবে মাটি আৱণ্টন দিবলৈ। বিষয়াজনৰ আশ্বাস উৎসাহজনক। অৱশ্যে সংৰক্ষিত বনাঞ্চলত এনেধৰণৰ উদ্যান বা ইক'টুৰিজিম চেণ্টাৰৰ বাবে মাটি আৱণ্টন দিব পৰা হ'ব নে নহয় নিশ্চিতভাৱে ক'ব নোৱাৰি। কিন্তু মিচিং স্বায়ত্তশাসিত পৰিষদৰ আর্থিক সহযোগিতাৰে বন বিভাগে নিজে হ'লেও এনে ব্যৱস্থা কৰি খাটি খোৱা বনাঞ্চলৰ ওপৰত নির্ভৰশীল লোকসকলক বিকল্প উপার্জনৰ উৎস (Alternative Livelihood) দিব পাৰিলে অন্তত চৰকাৰী দৰমহা খাই থকা বনকর্মী ৰক্ষকেই ভক্ষক হোৱাৰ পৰিমাণ কমিব বুলি আশা কৰিব পাৰি। এই উদ্ভিদ উদ্যানত মিচিংসকলে ব্যৱহাৰ কৰা জংঘলী শাক, তাকুক, তাকপিয়াং, দেৰমি, গুৰুবন, পাককম, নেকোং সকলোবিলাক মিচিং, অসমীয়া তথা উদ্ভিদ প্ৰজাতিৰ বৈজ্ঞানিক নাম দি প্ৰতিবিধকে পৃথকে পৃথকে ৰোপণ কৰি সংৰক্ষণ, প্ৰসাৰ, প্ৰচাৰ কৰিব পৰা যায়। ঔষধি গুণযুক্ত নানান প্ৰজাতিৰ গছ-বন, লতা ইত্যাদি সংৰক্ষণ, উৎপাদন আৰু বিক্ৰী কৰি স্বাৱলম্বী হ'ব পাৰে। পদুমণি আই থানৰ কাষতে থকা সৰু অথচ পৰিকল্পিতভাৱে স্থাপিত তথা বন বিভাগৰ দ্বাৰা পৰিচালিত পদুমণি উদ্যানখনে চৰকাৰক অলপ হ'লেও আর্থিক সকাহ দিছে। মিচিংসকল বর্তমানো বহুতো ক্ষেত্ৰত প্ৰকৃতিৰ ওপৰত নির্ভৰ

কৰি চলে। ধৰ্ম, সংস্কৃতি বজাই ৰাখিবলৈ বনাঞ্চল লাগিবই। উল্লেখিত জংঘলী শাক, তৰাপাত, কৌপাত, মেধেলা ইত্যাদি মিচিং ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠানবিলাকত প্ৰয়োজন হয়। ইয়াৰোপৰি মিচিংসকলৰ বাবে আপং এবিধ এৰাব নোৱৰা পানীয়। ইয়াক প্ৰস্তুত কৰাৰ বাবে প্ৰয়োজনীয় পিঠা বনোৱা হয় ঔষধী গুণযুক্ত বন, লতা, গছ ইত্যাদি উদ্ভিদৰ পৰা। উদ্ভিদসমূহৰ চিনাক্তকৰণ নামকৰণ তথা সংৰক্ষণ নিতান্তই প্ৰয়োজন। পৰিকল্পিত ব্যৱস্থাপনাৰে এখনি সৰ্বাঙ্গসুন্দৰ উদ্ভিদ উদ্যানৰ লগতে মিচিং চাংঘৰ, পৰম্পৰাগত খাদ্য সম্ভাৰ, স্বকীয় সংস্কৃতি সম্বন্বিতে এখনি ইক'টুৰিজিম চেণ্টাৰ স্থাপন কৰিলে Sustainable development ৰ ধাৰণাটো সফল হ'ব পাৰে।

সোৱণশিৰি ঃ নামেই যাৰ যথার্থতা। প্ৰয়োজনৰ তাগিদাত দুই এটা প্ৰসংগক্ৰমে উল্লেখ কৰা হ'ল। সোৱণশিৰি নদীৰ ওপৰত বিশেষজ্ঞসকলৰ ব্যাখ্যা বিশ্লেষণ বহুলভাৱে প্ৰচাৰিত। সোৱণশিৰিত সোণ কমোৱা। ১৯৫০ চনৰ বৰভূঁইকপ, ৰজনীকান্ত বৰদলৈদেৱেৰ 'মিৰি জীয়ৰী' উপন্যাসত বৰ্ণিত সোৱণশিৰি ঐতিহ্যপূৰ্ণ এখনি নদী। নদী মাতৃক মানৱ সভ্যতাৰ কথা ইতিহাসৰ পাতে পাতে। নীল নদীৰ অৱদান ইজিপ্ত, সিন্ধু সভ্যতা ব্ৰহ্মপুত্ৰ, বৰাক উপত্যকাৰ সভ্যতা যিমান গুৰুত্বপূৰ্ণ সোৱণশিৰি নদীভিত্তিক সভ্যতাও একেই গুৰুত্ব দাবী কৰে। নদীৰ বালিৰ পৰা সোণ কমোৱা, নদীৰ দাঁতিত থকা উৰ্বৰা পলসুৱা মাটিত খেতি কৰা, নদীৰ পানীয়েই যাতায়াতৰ পথ হিচাপে ব্যৱহাৰ ইত্যাদিয়ে নদী কাষৰীয়া জনগণক জীৱন-জীৱিকাৰ সহায়ক হৈ আহিছিল। কালক্ৰমত নদীৰ বালিত সোণ নাইকিয়া হ'ল। মানুহৰ কৃতকৰ্মৰ ফলত নদীৰ দুয়ো কাষে থকা ঘন হাবি জংঘল ধ্বংস হ'ল। বানপানী, গৰাখহনীয়াই দুৰ্যোগ নমাই আনিলে। নদী মাতৃৰ মোহময়ীতাৰ সলনি কৰি ৰূপ ল'লে চীন দেশৰ চকুলো হুৱাংহু নদীৰ। চীনে দুখৰ চকুলো হুৱাংহুক আনন্দৰ চকুলোলৈ পৰিৱৰ্তন কৰালে। দুৰ্ভগীয়া সোৱণশিৰিপৰীয়া জনগণৰ মনত বৰ্তমানেও সন্ত্ৰাসৰ সৃষ্টিকাৰী স্মৃতি ১৯৫০ চনৰ বানপানী আছিল প্ৰকৃতি সৃষ্টি। বৰষুণৰ পানীত কোমল হোৱাত পাহাৰ খহিছিল বৰভূঁইকপৰ ফলত। সোৱণশিৰি নদীৰ পানী বন্ধ হৈ পানী বোমাৰ সৃষ্টি হ'ল। বন্ধ পানী বাগৰি অহা বানপানীয়ে উচ্ছন্ন কৰিছিল বহুতো গাঁও, জীৱ-জন্তু, মানুহ মহতীয়াই লৈ গ'ল। দুয়ো পাৰ

কৰি পেলালে বালিয়া মৰুভূমি। দৈত্যৰ ওপৰত দানৱ পৰাদি পৰিকল্পিতভাৱে পুনৰ জলবোমাৰ আতংক সৃষ্টি কৰিবলৈ লৈছে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প নামৰ জলবোমা। দল-সংগঠনৰ আপত্তি কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাৰ আওতালৈ নাহে, কি যে বেদনাদায়ক পৰিস্থিতি। দেশৰ উন্নয়ন লাগিব, কিন্তু জনগণৰ স্বাৰ্থৰ পৰিপন্থি উন্নয়ন কাৰ বাবে? উন্নয়নৰ স্বাৰ্থত বিদ্যুৎ উৎপাদন কেন্দ্ৰ যদি জলবোমা সদৃশ হয়, উৎপাদন কেন্দ্ৰৰ নামনি অংশৰ সুৰক্ষাৰ ব্যৱস্থাপনা যদি নাথাকে তেনে জল বিদ্যুৎ প্ৰকল্প নালাগে বুলি কোৱাৰ আপত্তি দৰ্শোৱাৰ যুক্তি-যুক্ততা নিশ্চয় আছে। অখিল গগৈৰ কৃষক মুক্তি, আছু, টি এম পি কে, মিচিং জাতীয় সংগঠন, অসমৰ বিভিন্ন দল সংগঠন তথা সোৱণশিৰিপৰীয়া জনগণৰ প্ৰতিবাদ নিশ্চয় সমৰ্থনৰ যোগ্য। সোৱণশিৰি সুৰক্ষাৰ মানেইটো সোৱণশিৰিপৰীয়া ৰাইজৰ সুৰক্ষা। ই কেতিয়াও অসম তথা ভাৰত ৰাষ্ট্ৰৰ উন্নয়নৰ পৰিপন্থি হ'ব নোৱাৰে। বান নিয়ন্ত্ৰণ তথা গৰাখহনীয়া প্ৰতিৰোধৰ বিজ্ঞানসন্মত পৰিকল্পনা তথা ব্যৱস্থাপনাৰ প্ৰয়োজন আছে। ৰাষ্ট্ৰৰ স্বাৰ্থত অগণন নদীপৰীয়া খাটিখোৱা কৃষিজীৱী ৰাইজৰ স্বাৰ্থ উপেক্ষা কৰি গঢ়িবলৈ লোৱা নামনী সোৱণশিৰি বিদ্যুৎ উৎপাদন কেন্দ্ৰৰ নিৰ্মাণ কাৰ্য পৰিত্যাগ নকৰিলেও উচিৎ মূল্যায়ন তথা বিশ্লেষণেৰে জনগণৰ সুৰক্ষা ব্যৱস্থা হাতত ল'লে সময়োপযোগী পদক্ষেপ হ'ব পাৰে। জনজীৱনৰ সুৰক্ষা তথা উন্নয়নেইটো ৰাষ্ট্ৰৰ প্ৰধান কৰ্তব্য। কোনোবা এটা বিশেষ অঞ্চলক অৱজ্ঞা বা অৱহেলা ৰাষ্ট্ৰৰ নীতি হ'ব নোৱাৰে বা কাম্যও নহয়।

অৰুণাচল প্ৰদেশৰ পৰা অসমৰ ধেমাজি-লখিমপুৰ জিলাৰ মাজেৰে বৈ ব্ৰহ্মপুত্ৰত লগ লগা চিৰ প্ৰবাহমান সোৱণশিৰি নদী উত্তৰ অসমৰ প্ৰায়বিলাক নদীয়েই সঘনাই গতি সলনি কৰে। ইয়াৰ মাটিৰ গঠন তথা নদী পৃষ্ঠৰ অগভীৰতাৰ বাবে। সোৱণশিৰি নদীও ইয়াৰ ব্যতিক্ৰম নহয়। গৰাখহনীয়া, গতিপথ সলনি, বানপানী ইত্যাদিৰ ফলত নদীপৰীয়া ৰাইজ হৈ পৰে অঘৰী। নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ কেন্দ্ৰ গেৰুকামুখৰ পৰা ৫১৫ নং ৰাষ্ট্ৰীয় ঘাইপথেৰ সোৱণশিৰি ৰে'ল তথা গড়কপ্তানী দলঙলৈকে নদীখন প্ৰায় ৬ টা সূতিত বিভক্ত। মাজে মাজে সৰু বৰ চাপৰি। বাৰিষা প্ৰায় সকলোবোৰ চাপৰি পানীৰ তলত থাকে। গড়কপ্তানী বিভাগৰ পকী দলঙৰ নামনী অংশৰ পৰাই আৰম্ভ হয়

গৰাখহনীয়া আৰু গতি পথ সলনি প্ৰক্ৰিয়া। ঐতিহাসিক ভীমপৰা বিল, কাৰৈমাৰি বিল নিঃশ্চিহ্ন কৰি বৰ্তমানে যি গতি লৈছে উত্তৰ লখিমপুৰ চহৰখনৰেই ভাবুকিৰ সৃষ্টি কৰিছে। তিনিচুকীয়া, পামেগাঁও, গেৰেকী, কান্দুলিমাৰি, হেঁচামৰা, ভূৰবন্ধা, কৰকণী, হেকেৰাজান, কাটৰী চাপৰী, খুৰাচুক ইত্যাদি গাওঁ সোৱণশিৰি নদীৰ গৰাখহনীয়াৰ কৱলত। ইয়াৰে কেইবাখনো গাঁৱৰ চিন চাপ নাইকিয়া হ'ল। গৰাখহনীয়াৰ ফলত জাহ যোৱা লোকসকলৰ পুনঃসংস্থাপনৰ বাবে চৰকাৰে যেনে ধৰণৰ ব্যৱস্থা হাতত ল'ব লাগে তাকে দেখা নাযায়। দীৰ্ঘম্যাদী পৰিকল্পনাৰে চৰকাৰে ব্যৱস্থা হাতত নল'লে নদীপৰীয়া ৰাইজৰ বাবে সোৱণশিৰি নদীখন জীৱন-জীৱিকাৰ উৎসৰ পৰিৱৰ্তে হৈ পৰিব জীৱন সংগ্ৰামত ধৰা দিয়া প্ৰতিবন্ধৰ প্ৰতীক।

জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ সোৱণশিৰি অকল মানুহেই যে নদীখনৰ ওপৰত নিৰ্ভৰশীল তেনে নহয়। মাছ-কাছ, চৰাইৰ উপৰিও আপুৰোগীয়া শিহু (River Dolphin) নদীৰ পানীৰ ওপৰত নিৰ্ভৰশীল। এইসমূহক সংৰক্ষণৰ স্বাৰ্থত হ'লেও সোৱণশিৰি নদীৰ সুৰক্ষাৰ প্ৰয়োজন আছে। সোৱণশিৰি ঐতিহ্য ৰক্ষা, ইয়াৰ আদৰ্শ বাসস্থল হিচাপে থকা শিহুৰ ৰক্ষণাবেক্ষণ, জলধাৰাৰ ওপৰত নিৰ্ভৰ কৰি নাও খেল, ৰৰশী বোৱা ইত্যাদি পৰিকল্পনাৰে সোৱণশিৰিকো পৰ্যটন উদ্যোগ হিচাপে গঢ়িব পৰাৰ থল আছে।

দুলুং-সোৱণশিৰি মহোৎসৱৰ জৰিয়তে আমি সবিনয়ে আহ্বান জনাব বিচাৰিছো বনজ-জলজ সম্পদসমূহৰ সংৰক্ষণৰ দ্বাৰাই জীৱকুল বৰ্তাই ৰাখিবৰ বাবে পৰিৱেশ সৃষ্টি কৰিব পাৰিম। বন-জংঘল ধ্বংসৰ বাবে আমিয়েই দায়ী আৰু সুৰক্ষাৰ কথাও আমিয়েই ভাবিব লাগিব। 'দুলুং সোৱণশিৰি কনজাৰভেচন ছ'চাইটি'ৰ এই প্ৰক্ৰীয়াৰ অংশদায়ীত্বত অংগীকাৰৱদ্ধ।

If you plan for three hours
go to a cinema hall
If you plan for a day
go for a picnic
If you plan for hundred years
plant a plant.

ম'বাইল ঃ ৯৯৫৪৪০৮১৭৩

সোৱণশিৰি—
ভৌগোলিক-বুৰঞ্জীমূলক অৱস্থিতি

শৈলেন বৰুৱা

সোৱণশিৰি— ব্ৰহ্মপুত্ৰৰ আটাইতকৈ ডাঙৰ উপনৈ বুলি স্বীকৃত। ধেমাজি জিলাৰ গেৰুকামুখৰ (খেনোৰ মতে গেৰগুবা) অলপ নামনিয়েদি সোৱণশিৰি অসমত সোমাইছে। নদীখন পোনতে ধেমাজি জিলাৰ সীমাৰ মাজেৰে সোমাইছে যদিও অলপ দূৰ বৈ আহি লখিমপুৰ জিলাৰ চাউলধোৱাৰ কাষেদি বৈছে। এই ঠাইতে ৫১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত সোৱণশিৰি পকী দলং আৰু সামান্য উজনিত ৰে'লৰ দলং আছে। পূৰ্বে সোৱণশিৰিৰ আগলি ভাগক চাংপো বুলি ভবা হৈছিল। ১৮৭৭ চনত কেপ্তেইন উদথ্ৰপে অৰুণাচলৰ মাজেৰে তিৰ্ব্বত পৰ্যন্ত অভিযান চলাই ভেদ ভাঙিছিল যে সোৱণশিৰিখন চাংপো নহয়। সোৱণশিৰিৰ উৎস হ'ল তিৰ্ব্বতৰ পো ৰোম শৃংগ। সাগৰ পৃষ্ঠৰ পৰা ৫,০৫৯ মিটাৰ উচ্চতাত সোৱণশিৰিৰ জন্ম হৈ ব্ৰহ্মপুত্ৰত পৰোতে নৈখনৰ উচ্চতা সাগৰ পৃষ্ঠৰ পৰা ৫৮ মিটাৰ। সোৱণশিৰি নৈক পূৰ্বে স্বৰ্ণশ্ৰী নামেৰেও জনা গৈছিল। অৰুণাচলৰ অন্যান্য নদীৰ নাম থলুৱা ভাষাৰ পৰা উৎপত্তি হোৱা দেখা যায় যদিও অসমীয়া 'সোৱণশিৰি' শব্দটো অৰুণাচলত কেনেদৰে দুখন জিলা আৰু এখন নৈৰ নামৰ লগত মিলি গ'ল সেয়া তাৎপৰ্যপূৰ্ণ। 'সোৱণশিৰি' নামেৰে অৰুণাচল প্ৰদেশত দুখন জিলাও আছে। পূৰ্বৰ অবিভক্ত লখিমপুৰ জিলাৰ উত্তৰে অৰুণাচল প্ৰদেশত 'সোৱণশিৰি এলেকা' বুলি ১৯৪৬ চনত এটুকুৰা ভূখণ্ড গঠন কৰা হয়। এই সোৱণশিৰিৰ মুখ্য কেন্দ্ৰ আছিল জিৰ'। পিছত এই ভূখণ্ডকে সোৱণশিৰি ফন্টিয়াৰ ডিভিজন

বুলি জনা গৈছিল। ১৯৮০ চনত 'সোৱণশিৰি' জিলা হিচাপে স্বীকৃত হয় যদিও পিছত এইখন জিলাক দুভাগ কৰি আপাৰ সোৱণশিৰি আৰু ল'ৰাৰ সোৱণশিৰি জিলা ৰূপে গঠন কৰা হয়। আকৌ ল'ৰাৰ সোৱণশিৰি জিলাৰ পৰা এক ভূখণ্ড ফালি পাপুমপাৰে জিলা গঠন কৰা হয়।

অসমত ব্রহ্মপুত্রক বাদ দি একো একোখন নদীৰ নাম কেইবাটাও থকা দেখা যায়। যেনেদৰে ঢকুৱাখনাত চাৰিকড়ীয়া বোলা নদীখনক মাছখোৱাত লাইপুলীয়া বুলি কোৱা হয়। ইয়াৰ বিপৰীতে তিৰ্ব্বতৰ পৰা ওলাই ভাৰতৰ ভূখণ্ডত প্ৰৱেশ কৰাৰ পিছৰে পৰা সোৱণশিৰি এটা নামেৰেই ব্রহ্মপুত্রত পৰিছে। দুখন ৰাজ্যৰ মাজেৰে বৈ অহা স্বত্বেও সোৱণশিৰিয়ে নাম সলোৱা নাই। এই তথ্যই গৱেষণাৰ এটা বাট কাটি থৈ গৈছে। সোৱণশিৰি অৰুণাচল প্ৰদেশেৰে ভাৰতলৈ বৈ অহাৰ পূৰ্বৰ আগলি ভাগ অৰ্থাৎ উৎসত নদীখনক অৱশ্যে 'লকচু' বুলি জনা যায়।

সোৱণশিৰিৰ গতিপথ আৰু ঢাল—

সোৱণশিৰি গতিপথ সন্দৰ্ভত ব্রিটিছ ৰাজত্বৰ সময়ত বহু বিৰ্তকৰ সৃষ্টি হৈছিল। তদ্রুপ সমস্যাৰ সৃষ্টি হৈছিল ব্রহ্মপুত্রৰ ক্ষেত্রত। দুয়োখন নদীৰ উৎস সন্ধানত ব্রিটিছে একাধিকবাৰ জৰীপৰ চেষ্টা চলায়ো সফল হ'ব পৰা নাছিল। ইয়াৰ মূল কাৰণ যেনেদৰে দুৰ্গম অটব্য অৰণ্য আছিল, ঠিক একেদৰে তিৰ্ব্বত বিদেশীৰ বাবে নিষিদ্ধ আছিল বাবে সেই অভিযানবোৰ সফল হোৱা নাছিল। ইংৰাজো শুদাই এৰা ভকত নাছিল। তিৰ্ব্বতত সেই সময়ত বিদেশী দেখিলেই কচু কটা দিয়াৰ প্রথা আছিল। চতুৰ ইংৰাজে সোঁশৰীৰে তিৰ্ব্বতত প্ৰৱেশ কৰিব নোৱৰাত ভূটীয়া আৰু চিকিমৰ লেপচা লোকক প্রশিক্ষণ দি নদীৰ উৎসৰ সন্ধানত পঠাইছিল। তেনে এজন চিকিমৰ লোক আছিল— কিনতাপ। যাৰ বাবে আমি আজিৰ ব্রহ্মপুত্রখন জানো, বুজো। কিনতাপে বছৰ বছৰ ধৰি চলোৱা ৰোমাঞ্চকৰ পদ যাত্রাৰ কাহিনী পঢ়িলে শৰীৰৰ নোম দাং খাই উঠে।

সোৱণশিৰিয়ে সমগ্র গতিপথত প্রায় ৫ কিলোমিটাৰ ঢাল লৈছে। লক্ষণীয় কথা যে উৎসৰ পৰা মোহনালৈ নৈখনৰ ঢাল প্রায় ৫ কিলোমিটাৰ হ'লেও অসমত নদীখনে ন্যূনতম ঢালৰ সৃষ্টি কৰিছে। চাউলধোৱা ঘাটত আমি লোৱা জোখমতে নৈখনৰ উচ্চতা ৭৬ মিটাৰ (সাগৰ পৃষ্ঠ পৰা)

আৰু সোৱণশিৰিৰ মোহনাত এই উচ্চতাৰ পৰিমাণ ৫৮ মিটাৰ। সেইসূত্রে চাউলধোৱা ঘাট আৰু মোহনাৰ মাজত নদীখনৰ ঢাল ১৮ মিটাৰ। তিৰ্ব্বতৰ ভিতৰত সোৱণশিৰিৰ বহু সংখ্যক উপনৈ থকাৰ দৰে অৰুণাচলত প্ৰৱেশ কৰাৰ পিছৰে পৰা নৈখনে অনেক সৰু-বৰ নৈ, জানক দুয়োপাৰে লগত লৈ প্ৰবাহিত হৈ আহিছে। নামনি সোৱণশিৰি জিলাৰ বাগা ৰাজহ চক্ৰত সোৱণশিৰিত মিলিত হয় কমলা নামৰ এখন নদী। জিলাখনৰ দুলংমুখ চক্ৰ অতিক্ৰম কৰাৰ পিছতে নদীখন অসমত সোমায়। ব্ৰহ্মপুত্ৰৰ মূল জলভাগৰ ১০ শতাংশ পানী সোৱণশিৰিয়ে যোগান ধৰে। সোৱণশিৰিৰ মুঠ দৈর্ঘ্য ৫২০ কিলোমিটাৰ। ইয়াৰে ১৯০ কিলোমিটাৰ গতিপথ তিৰ্ব্বতৰ অন্তৰ্ভুক্ত। অৰুণাচল প্ৰদেশত ইয়াৰ গতিপথ ২০০ কিলোমিটাৰ আৰু অসমত ১৩০ কিলোমিটাৰ। গেৰুকামুখত নদীখন সাগৰ পৃষ্ঠৰ পৰা ৯৯ মিটাৰ উচ্চতাৰে অসমত সোমাইছে। ইপিনে প্ৰায় ১০ কিলোমিটাৰ ভটিয়াই চাউলধোৱাত নদীখনৰ উচ্চতা ৭৬ মিটাৰ। অৰ্থাৎ গেৰুকামুখ আৰু চাউলধোৱাৰ মাজত নদীখনে ২৩ মিটাৰ ঢালৰ সৃষ্টি কৰিছে। আপেক্ষিকভাৱে মাত্ৰ ১০ কিলোমিটাৰ গতিপথত ২৩ মিটাৰ ঢাল সৃষ্টি হোৱাটো ধেমালি কথা নহয়। সেয়েহে পাহাৰৰ পৰা নদীখনে বল্ডাৰ, মধ্যমীয়া আৰু সৰু শিল খৰতকীয়াকৈ নমাই আনি নদীৰ বুকুত সিঁচি দিছে। গেৰুকামুখৰ পৰা প্ৰায় ১৭ কিলোমিটাৰ নামনিৰ কাটৰী চাপৰি পৰ্যন্ত নদীখনৰ বেদিকা মূলতঃ সৰু-বৰ শিলেৰে পৰিপূৰ্ণ। ইয়াৰ পিছৰ পৰাই নদীখনৰ বেদিকা মূলতঃ বালিৰ। সোৱণশিৰিৰ অৱবাহিকাই মুঠ ৩৭ হাজাৰ বৰ্গকিলোমিটাৰ এলেকা সামৰি লৈছে। ইয়াৰে ১৯,১৯৯ বৰ্গ কিলোমিটাৰ অৰুণাচলত আৰু ১০ হাজাৰ বৰ্গ কিলোমিটাৰ অসমত। বাকী ৭,৮০১ বৰ্গ কিলোমিটাৰ তিৰ্ব্বতৰ অধীনত। অসমৰ ধেমাজি-লখিমপুৰ জিলাৰ মাজেৰে বৈ থকা সোৱণশিৰিৰ মুঠ দৈর্ঘ্য ১৩০ কিলোমিটাৰ। ইয়াৰে সোৱণশিৰিৰ মোহনাৰ পৰা চাউলধোৱা ঘাটলৈ সুদীর্ঘ ১২০ কিলোমিটাৰ গতিপথত নদীখনৰ ঢাল ১৮ মিটাৰ। সেই সূত্রে এইচোৱা গতিপথত নদীখনে প্ৰতি ১ কিলোমিটাৰত গড়ে ১৫ ছেণ্টিমিটাৰ ঢালৰ সৃষ্টি কৰিছে। ইপিনে চাউলধোৱাৰ পৰা গেৰুকামুখলৈ নদীখনে ১০ কিলোমিটাৰ গতিপথত নদীখনে প্ৰতি ১ কিলোমিটাৰত গড়ে ২.৩

মিটাৰ ঢালৰ সৃষ্টি কৰিছে। আনহাতে গেৰুকামুখত অসমত সোমোৱা সোৱণশিৰিয়ে গেৰুকামুখৰ পৰা ব্ৰহ্মপুত্ৰত মিলিত হোৱালৈকে সুদীৰ্ঘ ১৩০ কিলোমিটাৰত মুঠ ৪১ মিটাৰ ঢালৰ সৃষ্টি কৰিছে। সেই সূত্ৰে সামগ্ৰিকভাৱে অসমত সোৱণশিৰিয়ে প্ৰতি ১ কিলোমিটাৰত গড়ে প্ৰায় ৩২ ছেণ্টিমিটাৰ ঢালৰ সৃষ্টি কৰিছে।

গেৰুকামুখৰ পৰা চাউলধোৱা ঘাটলৈ ১০ কিলোমিটাৰ গতিপথত সোৱণশিৰিৰ ঢালৰ পৰিমাণ ২৩ মিটাৰ। ইয়াৰ বিপৰীতে চাউলধোৱা ঘাটৰ পৰা মোহনালৈ ১২০ কিলোমিটাৰ গতিপথত নদীখনৰ ঢাল মাত্ৰ ১৮ মিটাৰ। এই দুয়োছোৱা নদী পথৰ দূৰত্ব আৰু ঢালত যথেষ্ট তফাৎ আছে। অৰ্থাৎ প্ৰথম ১০ কিলোমিটাৰত নদীখন যিমান জোৰেৰে নামি আহিছে পিছৰ ১২০ কিলোমিটাৰত নদীখনৰ বেগ কমি আহিছে। নদীখনৰ পানীৰ পৰিমাণ যিহেতু একেই আছে, সেয়েহে জোৰেৰে বৈ অহা পানীভাগৰ কি হ'ব। ইয়াৰ সাধাৰণ সমাধান হ'ব যে (১) নদীখনে গৰাখহনীয়াৰ সৃষ্টি কৰিব। (২) নতুন সুঁতিৰ সৃষ্টি কৰিব। (৩) বাৰিষা দুয়োকুল উপচি পানী যিকোনো ফালে গতি কৰিব। লক্ষণীয় কথা যে সোৱণশিৰিৰ ক্ষেত্ৰতো এই কাৰ্য চলি আছে। দ্বিতীয়তে অসমত নদীখন আপেক্ষিকভাৱে চুটি বাবে ওখ পাহাৰৰ পৰা নামি অহা পানীভাগ এৰাল ছিঙা ভতৰা দমৰাৰ দৰে যেনি-তেনি ববলৈ ধৰে। ফলত সোৱণশিৰিত একাধিক ন-সুঁতি, মৰা সুঁতি দেখিবলৈ পোৱা যায়। সুদীৰ্ঘ গতিপথৰ বিপৰীতে অসমত নদীখনৰ ঢাল অতি কম। গতিকে কম ঢালৰ চুটি নদী এখনৰ পানী ওখ স্থানৰ পৰা বহন কৰাৰ ক্ষেত্ৰত নদীখনৰ বেদিকা দ নে বাম তাৰ ওপৰত বহু কাৰক নিৰ্ভৰ কৰে। সোৱণশিৰিৰ বেদিকা যিহেতু পাৰৰ পৰা গড়ে ১৫-২০ ফুট দ সেয়েহে নদীখনে বহন কৰা পানী নদীখনৰ নলাটোৰ তুলনাত অধিক। সেয়েহে বাৰিষা কালত সোৱণশিৰিৰ দুয়োপাৰে বানপানী হোৱাটো স্বাভাৱিক।

এই তথ্য বিশ্লেষণ কৰিলে দেখা যায় যে তুলনামূলকভাৱে চুটি অথচ বৃহৎ নদীখনে উৎসৰ পৰা প্ৰচণ্ড জোৰেৰে নামি আহিছে। সেয়েহে গতিপথত একাধিক জলপ্ৰপাত (Waterfalls) বা ঢাপ (Rapids) থাকিব পাৰে। তদুপৰি পাহাৰীয়া অঞ্চলত ঠেক নদীখনে পাদদেশত বালিয়া

আৱৰণ পাই ফালি চিৰি আগবাঢ়িছে। গেৰুকামুখৰ পিছৰে পৰা নদী উপত্যকাটো বালি-পলসুৰা বাবে নদীখনে খহনীয়াৰ সৃষ্টি কৰাৰ লগতে ইয়াৰ প্রস্থ সম্প্রসাৰিত কৰি আছে। চাউলধোৱা দলঙৰ ওচৰত নদীখনৰ প্রস্থ ৮১০ মিটাৰ। নামনিত নদীখনৰ প্রস্থ ঠাইভেদে কেইবা কিলোমিটাৰলৈ প্রসাৰিত হৈছে। নেদেখিলে বিশ্বাস কৰিব নোৱাৰি যে চেলাজৰী গুঠা সোৱণশিৰিৰ বুকুত এনে একোটা চাপৰি আছে যিবোৰ চাপৰি বসবাসৰ উপযোগী হৈ উঠিছে।

সোৱণশিৰি ব্রহ্মাম্মপুত্রত মিলিত হৈছে জামুগুৰি´ ঘাটৰ ওচৰত। এই ঠাই লখিমপুৰ জিলাৰ একেবাৰে পশ্চিম প্রান্তত। জামুগুৰি ঘাটৰ ভৌগোলিক অবস্থিতি 26°51´ 118´´ উত্তৰ অক্ষ্যাংশ আৰু 93°48´ 1490´´ পূৰ্ব দ্রাঘিমাংশ। জামুগুৰি ঘাটটো সাগৰ পৃষ্ঠৰ পৰা ৫৯ মিটাৰ উচ্চতাত অৱস্থিত।

জামুগুৰি ঘাটৰ ওচৰত সোৱণশিৰিৰ মোহনা দুটা বুলি ক'লে বহুতেই হয়তো উচপ খাই উঠিব। কিন্তু এয়া বাস্তৱ। সোৱণশিৰিৰ মোহনা বিস্তৃত এলেকাজুৰি আছে। চেলাজৰী গুঠা নদীখনে বাৰিষা কালত এঠাইৰে ব্রহ্মপুত্রত সংযোজিত হোৱাৰ বিপৰীতে খৰালি কালত আন এঠাইত ব্রহ্মপুত্রত পৰে। দুয়োটা মোহনাৰ ভৌগোলিক অৱস্থিতি প্রায় ১ মিনিটৰ (অক্ষাংশ, দ্রাঘিমাংশ হিচাপমতে) ব্যৱধানত আছে। একেদৰে নদীখনৰ ঢাল দুয়োটা মোহনাত ৩ মিটাৰ উচ্চতাৰ ব্যৱধানত আছে। বাৰিষাকালৰ মোহনাটোৰ অৱস্থিতি 26°48´766´´ উত্তৰ অক্ষ্যাংশ আৰু 93°48´878´´ পূৰ্ব দ্রাঘিমাংশ। এই ঠাই সাগৰ পৃষ্ঠৰ পৰা ৫৮ মিটাৰ উচ্চতাত অৱস্থিত। একেদৰে খৰালি কালৰ মোহনাৰ ভৌগোলিক অৱস্থিতি 26°49´711´´ উত্তৰ অক্ষ্যাংশ আৰু 93°49´047´´ পূৰ্ব দ্রাঘিমাংশ। এই মোহনাটো সাগৰ পৃষ্ঠৰ পৰা ৫৫ মিটাৰ উচ্চতাত।

জামুগুৰিঘাটৰ উজনিত শিলিখাগুৰি ঘাট। শিলিখাগুৰি ঘাটৰ উজানিত বদতি ঘাট। বদতি ঘাটটো ব্রিটিছৰ দিনৰ এটা পুৰণি ঘাট। ইয়াত কেন্দ্রীয় জল আয়োগৰ জল-মাপনী আছে। বাৰিষা কালত আয়োগে এই মাপনীৰে সোৱণশিৰিৰ জলপৃষ্ঠ বিপদ সীমাৰ ওপৰেৰে বৈছে নে নাই তাক বুলেটিন যোগে জনাই থাকে।

বদতি ঘাটৰ পূবে সামান্য উজায়ে পোৱা যায় ডিক্রঙৰ মোহনা। বহুতে ভাবে যে ডিক্রং আৰু ৰঙানদী ব্রহ্মপুত্রৰ উপনৈ। আচলতে কথাটো শুদ্ধ নহয়। দুয়োখন সোৱণশিৰিৰ উপনৈ। ডিক্রঙখন বদতিৰ পৰা দুই কিলোমিটাৰ পূবৰ বটুম চুকত সোৱণশিৰিত পৰিছে। ডিক্রঙৰ মোহনাটোৰ অৱস্থিতি 26°56´793´´ উত্তৰ অক্ষ্যাংশ আৰু 93°59´493´´ পূব দ্রাঘিমাংশ। মোহনাটো সাগৰ পৃষ্ঠৰ পৰা ৬২ মিটাৰ উচ্চতাত আছে। উল্লেখ্য যে ১৮০০ চন মানত ডিক্রংখন ব্রহ্মপুত্রত পৰিছিল বুলি ডাঃ জে পি ৰেডে অসমৰ নদীসমূহৰ বিৱৰণত লিপিবদ্ধ কৰি থৈ গৈছে। ৰেডৰ সেই সময়ৰ ভৌগোলিক বিৱৰণ আজিকালি নিমিলে।

সোৱণশিৰি-স্বর্ণশ্রী-অৱনৰি

পুৰণি কালত সোৱণশিৰিক স্বর্ণশ্রী বা স্বর্ণদী বোলা হৈছিল। 'স্বর্ণ' শব্দৰ অর্থ সোণ আৰু 'শ্রী'ৰ অর্থ সৌন্দর্য অথবা জিলিকা। এই স্বর্ণ আৰু শ্রী লগ লাগি স্বর্ণশ্রী শব্দটোৰ উৎপত্তি হৈছে। ইয়াৰ অর্থ হ'ব সোণ জিলিকা নৈ। পাহাৰৰ পৰা সোণৰ চেকুৰা কঢ়িয়াই অনা এই নদীখনৰ নাম কালক্রমত 'সোণচিৰি' হ'ল। মিচিং ভাষাত চিৰি মানে সৰু জানত বৈ থকা পানীৰ সোঁত। সেয়ে শব্দটো মিচিং ভাষাৰ পৰা অহা যেন লাগে। দ্বিতীয়তে শ্রী শব্দৰ কোমল মধুৰ ৰূপ চিৰি। সেইসূত্রে স্বর্ণ বা সোণৰ পিছত চিৰি শব্দ যোগ হৈ সোণচিৰি হ'ব পাৰে। এই শব্দই ধ্বনি পৰিৱর্তন হৈ 'সোৱণশিৰি' হ'ল বুলি ধৰিব পাৰি। আনহাতে সোৱণশিৰিক মিচিংসকলে অৱনৰি বুলি কয়। সেইসূত্রে মিচিং ভাষাৰ চিৰি শব্দই শ্রী শব্দৰ কোমল ধ্বনি নুবুজাব পাৰে।

অসমৰ নদী জৰীপ কৰাৰ সময়ত সোৱণশিৰিৰ উৎস সন্দর্ভত বিভিন্ন বির্তকৰ সৃষ্টি হৈছিল। সেই সময়ত চাংপোখন সোৱণশিৰিৰ আগলি ভাগ বুলি ভবা হৈছিল। ১৮৭৭ চনত কেপ্টেইন উদথ্রপ নামৰ এজনে সোৱণশিৰিৰ উজনিৰ দুর্গম গতিপথত অভিযান চলাই চাংপোখন যে সোৱণশিৰি নহয় তাক নিশ্চিত কৰে।

১৯৫০ চনৰ ১৫ আগষ্টত সংঘটিত বৰভূঁইকঁপৰ ফলত সোৱণশিৰি উপত্যকাৰ ভৌগোলিক পৰিৱেশ ওলট-পালট হ'ল। ভূমিকম্পৰ ফলত পাহাৰৰ মাজৰ চিপোমুখত ভূমিস্খলন হ'ল। সোৱণশিৰিৰ বোঁৱতী জলধাৰা

শুকাই পৰিল। মহা অথন্তৰ ঘটিল বুলি নামনিৰ গঞাই প্ৰমাদ গণিলে। পথালিপাম চাহ বাগিছাৰ ইংৰাজ পৰিচালকে উৰাজাহাজেৰে পাহাৰত নিৰীক্ষণ কৰি ৰাইজক সৰ্তক কৰি দিলে— যিকোনো মুহূৰ্ততে সোৱণশিৰিৰ বান্ধ ভাগি মহাপ্ৰলয়ৰ সৃষ্টি হ'ব। সেই খবৰ বনজুইৰ দৰে বিয়পি পৰাত নদীপৰীয়া গাঁৱৰ ৰাইজ পলাবলৈ ধৰিলে। তিনিদিনৰ পিছতো মহাপ্ৰলয় নহাত ৰাইজ পুনৰ ঘৰমুৱা হৈছিল। কিন্তু চাহ বাগিছাৰ পৰিচালকজনৰ ভৱিষ্যদ্বাণী ফলিয়ালে। ১৯ আগষ্টত পাহাৰত ভূমিস্খলন সৃষ্ট বান্ধৰ বিস্ফোৰণ ঘটিল। মুহূৰ্ততে সোৱণশিৰিৰ বলিয়া বানে সমগ্ৰ অঞ্চলটো ধুৱাই নিলে। এই বান প্ৰায় ২৩ ফুট উচ্চতাৰে বৈ আহিছিল আৰু ৫৩৬ জন লোকৰ জীৱন কাঢ়ি নিছিল। পশুধন আৰু অন্যান্য সা-সম্পত্তি ধ্বংসৰ পৰিমাণ আছিল অলেখ। 'সোৱণশিৰিৰ বলিয়া বান' বুলি সৰ্বত্ৰ প্ৰচাৰিত এই ছুনামি সদৃশ বানে বিজুলী বেগেৰে কাষৰীয়া গাঁওবোৰ মহতিয়াই উচন কৰিলে। আচম্বিত বানত যিসকল মানুহে ওখ গছত উঠিব পাৰিলে, সেইসকলৰ প্ৰাণ ৰক্ষা পৰিল। জীয়াই থকা মানুহবোৰে পিছত আন ঠাইত গাঁও পাতিলে। সোৱণশিৰিয়ে পূৰ্বৰ গতিপথ সলাই প্ৰায় ৪ কিলোমিটাৰ পশ্চিমেৰে ব'বলৈ ধৰিলে। নতুন গতিপথত পূৰ্বে থকা গাঁওবোৰ নিঃশ্চিহ্ন হ'ল। উল্লেখযোগ্য কথা যে কেইবছৰমান আগলৈকে চাউলধোৱা ঘাটৰ দলঙৰ ওচৰত নদীৰ বুকুত এটা পকী কুঁৱা দেখা গৈছিল। এই কুঁৱাটো ১৯৫০ চনৰ পূৰ্বৰ গাঁওবাসীৰ কুঁৱা আছিল। সম্প্ৰতি কুঁৱাটোৰ অস্তিত্বও নোহোৱা হ'ল।

সোৱণশিৰিৰ বলীয়া বানে নদীপৰীয়া মিচিং, চুতীয়া গাঁওবোৰ উছন কৰাত আৰ্থ-সামাজিক ক্ষেত্ৰত ৰাইজ যথেষ্ট লোকচানৰ সন্মুখীন হৈছিল। সোৱণশিৰি দুয়োপাৰৰ সেউজ কোমল দলিচাত আপোন পাহৰা হৈ অই-নিঃতমৰ তালত নচা মিচিং ডেকা-গাভৰুবোৰ বানত ভাগ ভাগ হ'ল। নৈ বালি চাপৰিৰ শুভ্ৰ কহুঁৱাৰ ফাঁকে ফাঁকে বিধৌত হৈ থকা বহু জংকি-পানেই প্ৰেম গাঁথা সোৱণশিৰিৰ বানে ধুই নিলে। সমগ্ৰ অঞ্চলটো জনবসতিৰে পৰিপূৰ্ণ হ'বলৈ দুটা দশকৰ প্ৰয়োজন হ'ল। এই বানৰ পাছতেই গোগাপুৰ মৌজাদাৰৰ নামৰ পৰা উদ্ভৱ হোৱা গোগামুখ নামৰ আজিৰ বাণিজ্যিক নগৰখন ঠন ধৰি উঠিল। ১৯৬২-৬৪ চনত চাউলধোৱা ঘাটত

সোৱণশিৰিৰ বুকুত দুখন দলং স্থাপন হ'ল। এখন পথ পৰিবহণৰ বাবে আনখন ৰে'ল পৰিবহণৰ বাবে।

বলিয়া বানৰ পিছত সোৱণশিৰিৰ গুৰুত্ব বাঢ়িবলৈ ধৰিলে। যোৱা শতিকাৰ সপ্তম-অষ্টম দশকত সোৱণশিৰিক ভেটি জলবিদ্যুৎ উৎপাদনৰ লক্ষ্য লৈছিল অসম চৰকাৰে। সেইসূত্রে গেৰুকামুখত ব্রহ্মাপুত্র বর্ডে এখন নগৰ পাতি বান্ধ নির্মাণৰ প্রস্তুতি চলাই বহুখিনি আগবাঢ়িছিল। কিন্তু গেগং আপাং নেতৃত্বাধীন অৰুণাচল চৰকাৰে এই বান্ধ নির্মাণত হেঙাৰ ৰূপে থিয় দিলে। ফলত বহুমুখী প্রকল্প নির্মাণৰ বাবে থানিকা পতা ব্রহ্মপুত্র বর্ডৰ গেৰুকামুখ নগৰ ক্রমশঃ পৰিত্যক্ত হ'বলৈ ধৰিলে। ২০০০ চনৰ পৰা গেৰুকামুখ পুনৰ উজ্বলি উঠিল। নেচনেল হাইড্র ইলেকট্রিক পাৱাৰ কর্প'ৰেচনে নামনি সোৱণশিৰি জলবিদ্যুৎ প্রকল্প নির্মাণ কৰিবলৈ লোৱাৰে পৰা গেৰুকামুখ আৰু গোগামুখৰ গুৰুত্ব বৃদ্ধি পালে। আনহাতে জাতীয় সংগঠন-প্রকৃতিপ্রেমী একাধিক সংগঠনে এন এইছ পি চিৰ দ্বাৰা নির্মীয়মান বান্ধৰ বিৰোধিতা কৰি আন্দোলন অব্যাহত ৰাখিলে।

সোৱণশিৰিৰ অর্থনীতি ঃ

নামনি সোৱণশিৰি জলবিদ্যুৎ প্রকল্প সন্দর্ভত বিশেষজ্ঞ সমিতিয়ে প্রতিবেদন দাখিল কৰাৰ পিছত প্রকল্পটোৰ সন্দর্ভত বিভিন্ন বির্তকই ৰাজ্য তথা কেন্দ্রত প্রবল প্রতিক্রিয়াৰ সৃষ্টি কৰি আছে। ধেমাজি জিলাৰ সীমান্তৰ গেৰুকামুখত বৃহৎ জলবিদ্যুৎ প্রকল্প নির্মাণ কোনো কাৰণতে সম্ভৱ নহয় বুলি অসমৰ বিশেষজ্ঞ সমিতিয়ে স্পষ্ট মত প্রকাশ কৰাৰ পিছত তদানীন্তন শক্তিমন্ত্রী প্রদ্যুৎ বৰদলৈ অথবা ৰাজ্য চৰকাৰে প্রকল্পটো বন্ধ কৰাৰ ক্ষেত্রত পদক্ষেপ গ্রহণ নকৰিলে। আনহাতে তদানীন্তন কেন্দ্রীয় বন আৰু পৰিৱেশ দপ্তৰৰ স্বতন্ত্র মন্ত্রী জয়ৰাম ৰমেশে পাৰিপার্শ্বিক ক্ষেত্রত নামনি সোৱণশিৰি জলবিদ্যুৎ প্রকল্পই বিৰূপ প্রভাৱ পেলালে প্রকল্পটো বন্ধ কৰা হ'ব বুলি মত প্রকাশ কৰিছিল যদিও কেইদিনমানৰ পিছত তেওঁ দপ্তৰ হেৰুৱাব লগা হয়। আন্দোলনৰ ফলত কেবাবছৰ প্রকল্প নির্মাণ বন্ধ হোৱাৰ পিছত দিল্লীত বিজেপি চৰকাৰ গঠন হোৱাৰ লগে লগে প্রকল্পৰ কাম পুনৰ আৰম্ভ হয়। যোৱা বছৰ কেইটাত মূলত বাৰিষা কালত গেৰুকামুখত ব্যাপক প্রাকৃতিক বিপর্যয় সংঘটিত হয়। ২০২৩ চনৰ ২৭ অক্টোবৰত এন এইচ পি চিয়ে

কৌশলেৰে অন্তিমটো টাৰ্নেল বন্ধ কৰি দিয়াৰ পিছত বান্ধৰ নামনিত সোৱণশিৰিখন একেবাৰে শুকাই যায়। এই ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ লগতে সোৱণশিৰিৰ জৈৱ বৈচিত্ৰ্যত নেতিবাচক প্ৰভাৱ পেলায়।

উল্লেখযোগ্য বিষয় যে সোৱণশিৰি নদীখনক কেন্দ্ৰ কৰি প্ৰায় ১০,৯৫০ জন লোক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে বিভিন্ন ব্যৱসায়ত নিয়োজিত হৈ আছে। একেদৰে সোৱণশিৰি নদীখনৰ পৰা বছৰি প্ৰায় ৪১ কোটি ৩৪ লাখ টকাৰ ব্যৱসায় চলি আছে। এই ব্যৱসায় মূলতঃ থলুৱা লোক জড়িত হৈ থকাৰ সূত্ৰে জলবিদ্যুৎ প্ৰকল্পটো চালু হ'লে এইসকল লোকৰ ব্যৱসায়ৰ ভিকাচন ভাগিব। সোৱণশিৰিত আছে পাঁচটা শিল-বালিৰ মহল। এই মহলত বছৰি সৰ্বোচ্চ ৯ কোটি টকাৰ ব্যৱসায় চলে আৰু ইয়াত প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে নিয়োজিত হৈ আছে ৬ হাজাৰ জন লোক। একেদৰে সোৱণশিৰি আৰু ইয়াৰ দাঁতিকাষৰীয়া জলাহ ভূমিৰ পৰা বছৰি প্ৰায় ৪৫৩.৮ মেট্ৰিকটন মাছ উৎপাদন হয় আৰু এই মৎস্য ব্যৱসায়ত প্ৰায় ২৩ কোটি টকা আয় হয়। মৎস্য ব্যৱসায়ত জড়িত লোকৰ সংখ্যা প্ৰায় ২,২০০ জন। সোৱণশিৰিৰ পাৰত আছে ৪৬ টা ম'হৰ খুঁটি। এই খুটিসমূহৰ পৰা প্ৰতিদিনে সৰ্বোচ্চ ১,৭০০ লিটাৰ গাখীৰ উৎপাদন হয়। সেইসূত্ৰে বছৰি খুঁটিসমূহৰ পৰা উৎপাদন হয় প্ৰায় এক কোটি ২২ লাখ টকাৰ দুগ্ধজাত সামগ্ৰী। গাখীৰ ব্যৱসায়ত জড়িত হৈ আছে চাৰি শতাধিক লোক। সোৱণশিৰিত দেশীয় নাও চলা ঘাটৰ সংখ্যা প্ৰায় ১৫ টা। এনে ঘাটত বছৰি ৫ লাখ ৪ হাজাৰ টকাৰ ব্যৱসায় চলে। ৫০ জন লোক এই ঘাটসমূহত কৰ্মৰত হৈ আছে। বতৰীয়া ব্যৱসায় হিচাপে খেৰ উৎপাদন হয় সোৱণশিৰি চাপৰি আৰু দাঁতিকাষৰীয়া অঞ্চলত। এই ব্যৱসায়ত তিনিশ লোক নিয়োজিত হৈ আছে আৰু বছৰি প্ৰায় ৩ লাখ ৬০ হাজাৰ টকাৰ ব্যৱসায় চলে। সোৱণশিৰিয়েদি উটি অহা কাঠক কেন্দ্ৰ কৰি চলি আছে এক বিশাল ব্যৱসায়। ভাল কাঠসমূহৰ পৰা আচবাব নিৰ্মাণ কৰা হয় আৰু বেয়া কাঠসমূহ খৰি হিচাপে ব্যৱহাৰ কৰা হয়। আচবাব নিৰ্মাণত ব্যৱহাৰ হোৱা কাঠৰ ব্যৱসায়ত প্ৰতি বছৰে ৮ কোটি টকাৰ লাভ হয়। একেদৰে খৰি বিক্ৰী কৰি জীয়াই থকা ৮শ লোকৰ বছৰি আয় হয় প্ৰায় ১ লাখ ৩৬ হাজাৰ টকা। সামগ্ৰিকভাৱে কাঠ ব্যৱসায়ত জড়িত হৈ আছে প্ৰায় দুহেজাৰ লোক।

আনহাতে সোৱণশিৰিৰ পাৰত উৎপাদন হোৱা ধান, শাক-পাচলি, ৰবি শস্য, গৰুৰ গাখীৰ আদিৰ সামগ্রিক মূল্যায়ন হোৱা নাই। সেইসূত্রে এই খণ্ড সমূহত কিমান টকা আয় হয় সেয়া একেষাৰে কোৱা টান। নামনি সোৱণশিৰি জলবিদ্যুৎ প্রকল্প চালু হ'লে উল্লিখিত ব্যৱসায়সমূহত কুঠাৰাঘাত পৰিব আৰু বহু সংখ্যক লোক নিবনুৱা হৈ পৰাৰ আশংকাই অধিক।

সোৱণশিৰিৰ অর্থনীতিৰ বিজ্ঞানসম্মত অধ্যয়ন অদ্যপি সম্পূর্ণ হোৱা নাই। সেইসূত্রে ক'ব পাৰি সোৱণশিৰি নদীক ব'বলৈ নিদি বান্ধ প্রকল্পৰ জৰিয়তে নদীখনক নিয়ন্ত্রণ কৰিলে লখিমপুৰ, ধেমাজি আৰু মাজুলীৰ আর্থ-সামাজিক দিশত ভয়াৱহ প্রভাৱ পৰিব। ইয়াৰ লগে লগে আর্থ-সামাজিক ক্ষেত্রত অপৰাধৰ সংখ্যা বৃদ্ধি পাব। কাৰণ জলবিদ্যুৎ প্রকল্পত বিদ্যুৎ উৎপাদন সম্ভৱ হ'লে নদীখনক কেন্দ্র কৰি গঢ়ি উঠা ব্যৱসায়ত নিয়োজিত লোকসকল নিবনুৱা হৈ পৰিব।

সোৱণশিৰি বান্ধ বির্তক ঃ

সোৱণশিৰি খৰস্রোতা নদী হিচাপে জলবিদ্যুৎ উৎপাদনৰ বাবে আদর্শ নদী যদিও জলবিদ্যুৎ প্রকল্প নির্মাণৰ ফলত সৃষ্টি হ'ব পৰা ভূ-জনিত কাৰণসমূহ ইতিমধ্যে বিশেষজ্ঞ সমিতিয়ে বিশ্লেষণ কৰি বান্ধ নির্মাণৰ বিৰোধিতা কৰিছে। উৎসৰ পৰা মোহনা পর্যন্ত ৫২০ কিলোমিটাৰ দৈর্ঘ্যৰ নদীখন অসমৰ মাজেদি বৈ গৈছে মাত্র ১৩০ কিলোমিটাৰ। উপত্যকাটোৰ কৃষিজীৱী লোকলৈ প্রভূত বৰঙণি আগবঢ়াই অহা নদীখনক কেন্দ্র কৰি নামনি সোৱণশিৰি জলবিদ্যুৎ প্রকল্প নির্মাণকাৰী সংস্থা এন এইছ পি চিয়ে পাৰিপার্শ্বিক প্রভাব মূল্যায়ন প্রতিবেদনত উদ্দেশ্য প্রণোদিতভাৱে ভুল তথ্য সংযোজিত কৰিছে। মাত্র দুটা উদাহৰণেই যথেষ্ট। কেন্দ্রীয় বন আৰু পৰিৱেশ মন্ত্রণালয়ৰ পৰা অনুমোদন আদায়ৰ স্বার্থত এন এইছ পি চিয়ে ই আই এ ৰিপ'র্টত নদীখনত ৫৫ বিধ মাছ আছে বুলি উল্লেখ কৰি ২০০৩ চনত অনুমোদন আদায় কৰে। বাস্তৱত সোৱণশিৰিত ১২১ টা প্রজাতিৰ মাছ পোৱা গৈছে। দ্বিতীয়তে জলবিদ্যুৎ প্রকল্পটোৱে অৰুণাচলৰ টালে-ভেলি অভয়াৰণ্যখন জলমগ্ন কৰি তোলাৰ আশংকা থকাত এন এইছ পি চিয়ে উক্ত অভয়াৰণ্যখন সোৱণশিৰি সংৰক্ষিত বনাঞ্চললৈ স্থানান্তৰ কৰাৰ আজৱ প্রস্তাব দিছিল। সোৱণশিৰি সংৰক্ষিত বনাঞ্চলৰ ৬৫ হেক্টৰ ভূমিত

১৪ খন গাঁও আছে যদিও এন এইছ পি চিয়ে উল্লিখিত ভূমি জনশূন্য বুলি প্রতিবেদনত উল্লেখ কৰি টালে-ভেলি অভয়াৰণ্যখন স্থানান্তৰৰ প্রস্তাৱ দিয়া ঘটনাই প্রমাণ কৰে এন এইছ পি চিৰ অসৎ উদ্দেশ্য।

১৯৫০ চনৰ বৰভূইকঁপৰ পিছতে অহা বলিয়া বানত সোৱণশিৰি উপত্যকাত ৫৩৬ জন লোক নিহত হৈছিল বুলি আন্তঃৰাষ্ট্রীয় ভূকম্পলিখ কমিটীৰ প্রতিবেদনত প্রকাশ। উল্লেখ্য যে সেই সময়ৰ অসুচল যোগাযোগ ব্যৱস্থাৰ বাবে উক্ত বলিয়া বানত নিহত লোকৰ সংখ্যা সম্পূর্ণভাৱে আজি পোৱাটো দুৰূহ। প্রায় ২৩ ফুট উচ্চতাৰে নামি অহা সোৱণশিৰিৰ বলিয়া বানে সমগ্র অঞ্চলটো ধ্বংস কৰি পেলাইছিল। বিধ্বংসী বান সংঘটিত হৈছিল গেৰুকামুখৰ পৰা উজনিৰ চিপোমুখত ভূমিস্খলন হৈ কৃত্রিমভাৱে বন্ধ হৈ পৰা এটা বান্ধৰ জৰিয়তে। বলিয়া বানৰ দুখৰ স্মৃতি আজিও লখিমপুৰ-ধেমাজিবাসীৰ বাবে এক মচিব নোৱৰা দুখৰ অধ্যায়। আগন্তুক সময়ত সোৱণশিৰিৰ পানীৰ হেঁচাত পাহাৰ ভাগি সোৱণশিৰিখনে দিশ সলাব পাৰে। কাৰণ বিগত ৬০ বছৰত সোৱণশিৰিখনে ১৬ কিলোমিটাৰ ভিতৰত দিশ সলনি কৰাৰ নজিৰ আছে। তদুপৰি গেৰুকামুখৰ পাহাৰৰ বালিয়া শিল থুনুকা বাবে সোৱণশিৰিয়ে পাহাৰ ভাঙি বৈ অহাতো অসম্ভৱ নহয়।

সোৱণশিৰি নদী লখিমপুৰ-ধেমাজি আৰু মাজুলীবাসীৰ বাবে আশীৰ্বাদ স্বৰূপ হৈ থকাৰ সময়তে জলবিদ্যুৎ প্রকল্প নির্মাণ কৰি সোৱণশিৰিক জনগণৰ চকুলো কৰি তোলাৰ বাবে চৰকাৰে লোৱা পদক্ষেপে ভৱিষ্যতে পাৰিপার্শ্বিক আৰু আর্থ-সামাজিক দিশত ক্ষতি কৰিব। সেই কথা বিশেষজ্ঞ সমিতিৰ প্রতিবেদনত স্পষ্টভাৱে কোৱা হৈছে। সমগ্র বিষয়টো সুস্থিৰভাৱে পর্যালোচনা কৰি সোৱণশিৰিক প্রকৃতি প্রদত্তভাৱে বৈ যাবলৈ দিয়াটোৱেই আজিৰ সভ্য সমাজৰ বাবে হ'ব লাগিছিল দূৰদর্শী কাম। কিন্তু বাস্তৱত সোৱণশিৰিক তিল তিলকৈ হত্যা কৰা হৈছে।

লেখক 'শতাব্দ ডি জি মিডিয়া'ৰ সম্পাদক

লুইতত কিমান শিহু আছে?

ড° আব্দুল ৰাকিদ

(এক)

বিগত দহ বছৰে মই সর্বাধিক সন্মুখীন হোৱা প্রশ্ন এইটো। বন্যপ্রাণীৰ প্রতি সহানুভূতিশীল সহস্রজনৰ মনত এই প্রশ্নই ভুমুকি মাৰে। এৰা, লুইতত টুপাই বুৰ মৰা শিহু এতিয়া কিমান আছেগৈ? নে নাইকিয়াই হ'ল?

প্রশ্নটোৰ উত্তৰ দিবলৈ অলপ অতীতলৈ উভতি যাওঁ আহক। ২২ ফেব্রুৱাৰী, ২০১০। স্থান ঃ পাটনা।

পাটনা বিশ্ববিদ্যালয়ে গংগাৰ শিহু সন্দর্ভত অনুষ্ঠিত কৰা এখন আলোচনাচক্রত আশী উর্দ্ধৰ এজন বিশেষ ব্যক্তিয়ে মোৰ দৃষ্টি আকর্ষণ কৰিলে। বৃদ্ধ ব্যক্তিজনে যেতিয়া নিজকে ড° আৰ এছ লালমোহন বুলি চিনাকি দিলে, মোৰ দৃষ্টি থৰ হৈ গ'ল। হয় এওঁয়েই ড° লালমোহন, যিয়ে ১৯৯৩ চনত ব্রহ্মপুত্রত প্রথমবাৰৰ বাবে শিহু জৰীপ কৰিছিল। এক কথাত অসমত শিহু সংৰক্ষণৰ ক্ষেত্রত ড° লালমোহনেই বাটকটীয়া আছিল।

সভক্তিৰে চিনাকি হ'লো মই ড° লালমোহনৰ সৈতে। ক'লোঁ যে তেওঁ আৰম্ভ কৰি থৈ যোৱা ক্ষেত্রখনত মই কাম কৰি আছোঁ ২০১০ চনৰ পৰা।

বহু কথাই আলোচনা হ'ল তেতিয়াৰ ব্রহ্মপুত্র আৰু ইয়াৰ শিহু সন্দর্ভত। কিমান প্রতিকূল পৰিস্থিতিত তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্রফেছাৰ এছ চি দে', সুজিত বৈৰাগী, ড° সত্যেন ৰায় আদিৰ সৈতে মিলি তেওঁ ধুবুৰীৰ পৰা শদিয়ালৈ না�ৰেৰে ব্রহ্মপুত্রত শিহুৰ হিচাপ কৰিছিল তাক তেওঁ আবেগেৰে ৰোমন্থন কৰিলে।

১৯৯৩ চনৰ সেই জৰীপত ড° লালমোহনৰ দলে ব্রহ্মপুত্রত শিহু পালে

২৬৪টা।

বিদায় পৰত ড° লালমোহনে মূৰত হাত ফুৰাই আশীৰ্বাদ কৰি ক'লে- 'শিহুৰ ভৱিষ্যৎ তোমালোক অসমীয়া যুৱকসকলৰ ওপৰতে। মনপুতি কাম কৰা। এসময়ত ফল পাবা। ভৱিষ্যৎ প্ৰজন্মই তোমালোকক মনত ৰাখিব।' কথাষাৰে অন্তৰ চুই গ'ল।

২০০১ চনৰ পৰা ব্ৰহ্মপুত্ৰৰ উজনি অংশত থকা শিহু সন্দৰ্ভত মোৰ গৱেষণাৰ কাম শেষ কৰি ২০০৪ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত মোৰ গৱেষণা পত্ৰ জমা দি সমগ্ৰ ব্ৰহ্মপুত্ৰ জুৰি মই শিহু জৰীপৰ পৰিকল্পনা কৰোঁতে মোৰ বয়স ত্ৰিছৰ ডেওনা চোওঁ চোওঁ। লগত চাৰি সহযোগী ক্ৰমে- সঞ্জয় দাস, ধ্ৰুৱ ছেত্ৰী, চক্ৰপতি দাস আৰু অশোক দে'ক লগত লৈ ২০০৫ চনৰ ১৪ ফেব্ৰুৱাৰীত মই নাওঁ মেলি দিলো শদিয়াত, ব্ৰহ্মপুত্ৰত কিমান শিহু আছে আৰু কি অৱস্থাত আছে, তাৰ জৰীপ কৰিবলৈ। ব্ৰহ্মপুত্ৰৰ উজনি অংশৰ এটা সৰু এলেকাত কৰা মোৰ গৱেষণাৰ অভিজ্ঞতাৰ আধাৰত বিশাল ব্ৰহ্মপুত্ৰত কৰিবলৈ লোৱা এই জৰীপত মোৰ অৱস্থা আছিল 'নাদৰ ভেকুলী সাগৰত পৰা'ৰ দৰে। অসংখ্য ঘাত-প্ৰতিঘাত, প্ৰতিকূল পৰিৱেশৰ মাজত সফলতাৰে ধুবুৰীত সমাপ্ত কৰা সেই অভিযানৰ বিশদ বৰ্ণনা প্ৰকাশ হৈছিল ২০০৯ চনত 'আমাৰ অসম'ৰ দেওবৰীয়া সংখ্যা— 'পূৰ্বাচলত' প্ৰায় ছমাহ জুৰি; যাক মই পিছত 'শিশুৰ সন্ধানত লুইতেদি' বুলি এখন কিতাপ আকাৰে প্ৰকাশ কৰিছিলোঁ।

২০০৫ চনত সেই জৰীপত ব্ৰহ্মপুত্ৰত আমি পালো মাত্ৰ ১৯৭ টা শিহু।

ব্ৰহ্মপুত্ৰৰ অভিযান শেষ কৰি আমি কলচী আৰু সোৱণশিৰি নদীত জৰীপ চলাই ক্ৰমে ২৭ আৰু ২৬ টা শিহু গণনাত পালোঁ।

অৰ্থাৎ ২০০৫ চনত ব্ৰহ্মপুত্ৰ উপত্যকাত আমি মুঠ ২৫০ টা শিহু গণনা কৰি পালোঁ।

তাৰ তিনি বছৰৰ পিছত আমি আৰম্ভ কৰিলোঁ লুইতত শিহু জৰীপৰ আমাৰ দ্বিতীয়টো অভিযান। সংগী সঞ্জয় দাস, ধ্ৰুৱ ছেত্ৰী আৰু আব্দুল মজিদ। চৈখোৱা ঘাটত নাওঁ লৈ শদিয়াৰ পৰা আৰম্ভ কৰিলোঁ সেই জৰীপ। শদিয়াৰ পৰা দিচাংমুখলৈ প্ৰথমখন, দিচাংমুখৰ পৰা তেজপুৰলৈ দ্বিতীয়খন আৰু তেজপুৰৰ পৰা গুৱাহাটীলৈ তৃতীয়খন আৰু গুৱাহাটীৰ পৰা ভাৰত-

বাংলাদেশ সীমান্তলৈ চতুর্থখন মেচিন নাওঁ ভাৰাত লৈ সেই জৰীপ শেষ কৰিলোঁ। তাৰ লগতে আন এখন মেচিন নাৱেৰে চাউলধোৱা ঘাটৰ পৰা জামুগুৰিঘাটলৈ সোৱণশিৰি নদীৰ ১০০ কিলোমিটাৰ অংশত জৰীপ কৰিলোঁ।

এই জৰীপৰ অন্তত ব্রহ্মপুত্রত ২১২ টা, সোৱণশিৰিত ২৩ টা আৰু কলহীত ২৯ টাৰে মুঠ ২৬৪ টা শিহু ব্রহ্মপুত্র নদীত পালোঁ।

২০১০ চনত হাতলৈ এক অভাৱনীয় সুযোগ আহিল- ব্রহ্মপুত্রত শিহু জৰীপ নাওঁ বনোৱাৰ মোৰ এক স্বপ্ন প্রকল্প গৃহীত হ'ল। একান্তই প্রয়োজন। কাৰণ ভাৰাতীয়া নাৱৰ ভাৰা অত্যন্ত ব্যয়বহুল আৰু একেখন নাৱেই শদিয়াৰ পৰা ধুবুৰীলৈ যাবলৈ ভয় কৰে — যাত্রাপথৰ সন্মুখীন হ'ব লগা সম্ভাব্য বিপদৰ কথা ভাবি। তদুপৰি মাহজোৰাকৈ থাকিবলৈ এইবোৰ নাৱত সুবিধা নাথাকে। ক'ৰবাত এটা দিন এনেয়ে বহি থাকিবলগীয়া হ'লেও উচ্চ হাৰত ভাৰা আদায় দিব লাগে।

সেয়েহে আর্থিক অনুদান পাই নিজৰ জৰীপ নাওঁ বনোৱাৰ কাম আৰম্ভ কৰিলোঁ। ২০১০ চনৰ অক্টোবৰৰ পৰা। পঁয়সত্তৰ ফুট দীঘল, দুটা ইঞ্জিন, ছটা কেবিন, দুখন পর্যবেক্ষণ মঞ্চ, তিনিটা বাথৰুম আৰু এটা ৰান্ধনি ঘৰেৰে একেলগে ২০ জন যাত্রী মাহদিয়েক থাকিব পৰা এই সুদৃশ্য মেচিন নাওঁখন বনাবলৈ মোৰ লাগিছিল প্রায় ১৫ মাহ। অর্থাৎ ২০১১ চনৰ ডিচেম্বৰত শেষ হোৱা এই নাওঁখনৰ নাম থলোঁ 'কহুঁৰা'। কঁহুৱা চলাবলৈ দায়িত্ব ল'লে গোবর্ধন, দিলীপ, সন্তোষ আৰু সোণেৰে গঠিত এক চাৰিজনীয়া নাবিকৰ দলে।

২০১০ চনৰ পৰা আমি শিহু গণনাৰ নতুন জৰীপ পদ্ধতি উদ্ভাৱনৰ কাম আৰম্ভ কৰিছিলোঁ। নদী ডলফিন থকা পৃথিৱীৰ অন্যান্য দেশ (যেনে — চীন, ইণ্ডোনেছিয়া, পাকিস্তান, ব্রাজিল)ত ইতিমধ্যে ডলফিন জৰীপৰ নতুন পদ্ধতিৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলি আছিল। কেৱল ভাৰততহে পুৰণিকলীয়া পদ্ধতিৰ প্রয়োগ চলি আছিল। কাজেই আমি নতুন আৰু বৈজ্ঞানিকভাৱে নির্ভুল পদ্ধতিৰ সন্ধানত লাগিলোঁ।

আমাৰ লগত যোগ দিলেহি ডেৰাডুনস্থিত Wildlife Institute of India ৰ প্রসিদ্ধ বিজ্ঞানী প্রফেছাৰ কমৰ কুৰেশী, Zoological Society of

London ৰ ৰাজন আমিন আৰু জাপানৰ Narional Marine Fishery Research Institute ৰ বিজ্ঞানী ড° টম'নাৰী আকামটিছু। তিনিও বিশেষজ্ঞই সপ্তাহজুৰি অসমত থাকিল। তেওঁলোকক ব্রহ্মপুত্রলৈ লৈ গলোঁ। শিহু জৰীপৰ আমাৰ আগৰ পদ্ধতি আৰু ভৱিষ্যতৰ পদ্ধতিৰ ওপৰত বিস্তৃত আলোচনা আৰু পৰীক্ষা-নিৰীক্ষা চলিল।

২০০৫ আৰু ২০০৮ চনত আমি যি পদ্ধতিৰে ব্রহ্মপুত্রত শিশু জৰীপ কৰিছিলোঁ, সেয়া আছিল সৰল। তিনিজনীয়া এক জৰীপ দল আমি নাৱৰ সন্মুখত বহিছিলোঁ। তাৰে মাজৰজনে তথ্য ভর্তি কৰিছিল আৰু কাষৰ দুজনে নিজৰ নিজৰ ফালে ৯০ ডিগ্রীলৈকে শিহু নিৰীক্ষণ কৰিছিল। দুয়োজনে দেখা পোৱা শিহুৰ সংখ্যা তথ্যভর্তি কৰোঁতাজনে লিপিৱদ্ধ কৰিছিল। জৰীপৰ শেষত মুঠ শিহু সংখ্যা মুঠ জৰীপৰ দৈর্ঘ্যৰে পূৰণ কৰি আমি ব্রহ্মপুত্রৰ প্রতি কিঃমিঃত শিহুৰ সংখ্যা নিৰ্দ্ধপণ কৰিছিলো। বৈজ্ঞানিক ভাষাত এই পদ্ধতিৰ নাম হ'ল Direct Count Method, পিছে এই Direct Count Method ৰ পর্যবেক্ষক দুজনৰ দৃষ্টিত নপৰাকৈ জৰীপ চলাই পানীৰ তলত সোমাই থকা শিহুৰ সংখ্যা নিৰ্দ্ধপণৰ কোনো ব্যৱস্থা নাছিল। তেনেদৰে অমনোযোগিতাৰ বাবে পর্যৱেক্ষকৰ দৃষ্টিত নপৰি গণনাত নহা শিহুৰ সংখ্যা নিৰ্দ্ধপণৰো কোনো ব্যৱস্থা নাছিল। জীৱ বিজ্ঞানৰ ভাষাত এই দুবিধ আসোঁৱাহক কোৱা হয় Availability আৰু Perception Basis। কাজেই ২০০৫ আৰু ২০০৮ চনত আমি ব্রহ্মপুত্রত কৰা শিহু জৰীপত পোৱা শিহুৰ সংখ্যা আছিল সেই সময়ত ব্রহ্মপুত্রত পোৱা শিহুৰ ন্যূনতম সংখ্যা। যিহেতু আমাৰ সেই সময়ৰ জৰীপ পদ্ধতি Perception basis আৰু Availability ৰ পৰা মুক্ত নাছিল।

সেয়েহে ২০১২ চনৰ জৰীপত এই আসোঁৱাহসমূহ নাইকিয়া কৰি বৈজ্ঞানিকভাৱে সম্পূর্ণ শুদ্ধ শিহুৰ সংখ্যা নিৰ্দ্ধপণৰ বাবে মই বদ্ধপৰিকৰ হলোঁ।

৬ এপ্রিললৈকে আমাৰ হাতত সম্পূর্ণ তথ্য আহি পৰিল। এতিয়া ডাটা বিশ্লেষণৰ সময়।

লগত ছানী, অনুস্মিতা আৰু চন্দনক লৈ মই বাহৰ পাতিলোগৈ ডেৰাদুনত থকা Wildlife Institute of India ত। এই অনুষ্ঠানৰ প্রফেছাৰ কমৰ কুৰেশ্বী

বিশ্বৰ ভিতৰতে এজন নামজ্বলা পৰিসংখ্যা বিজ্ঞানী। তেওঁৰ গৱেষণাগাৰত আমি গোটেই কেইজন বহি ল'লো তথ্য বিশ্লেষণ প্রক্রিয়াত আৰু ই সঁচাকৈয়ে এক কঠিন প্রক্রিয়া। এক সুদীর্ঘ তথ্য বিশ্লেষণৰ অন্তত অৱশেষত আমাৰ জৰীপৰ ফলাফল ওলাল। এই ফলাফল মতে ব্রহ্মপুত্রত ৫৮৩ টা, সোৱণশিৰিত ৩৫ টা আৰু কলহীত ১৭ টা শিহু পোৱা গ'ল। অর্থাৎ ২০১২ চনত ব্রহ্মপুত্র নদীতন্ত্রত মুঠ ৬৩৫ টা শিহু পালোঁ। ইয়াৰ বহু আনুষংগিক তথ্যও (যেনে- শিহুৰ বাসস্থানৰ প্রাধান্যতা, নদীৰ গভীৰতাৰ প্রাধান্যতা, মানুহৰ কার্যকলাপৰ ওপৰত নির্ভৰশীল শিহুৰ বিস্তৃতি আদি) আমি উদ্ভাৱন কৰিলোঁ, যিবোৰ পৰৱর্তী এটা প্রৱন্ধত পাঠকক জনোৱা যাব।

এতিয়া আচল কথালৈ আহোঁ। ২০০৫ চনৰ জৰীপত ব্রহ্মপুত্র নদীতন্ত্রত আমি মুঠ ২৫০ টা শিহু পাইছিলোঁ। তাৰ সাত বছৰৰ পিছত ২০১২ চনত একেই ব্রহ্মপুত্র নদীতন্ত্রত আমি পালোঁ ৬৩৫ টা শিহু। সাত বছৰ ব্যৱধানত লুইতত আঢ়ৈগুণ বাঢ়ি গ'ল নেকি?

বাঢ়িছে, কিন্তু আঢ়ৈ গুণ হাৰত নহয়। তেনেহ'লে? ইতিমধ্যে মই উল্লেখ কৰিছোঁ যে ২০০৫ চনৰ আমাৰ জৰীপ পদ্ধতিটো আছিল সৰল, য'ত আমি পর্যবেক্ষক দলৰ দৃষ্টিৰ পৰা সাৰি যোৱা শিহুকেইটা (যি সময়ত সেই কেইটা ওলাইছিল পানীৰ পৰা, কিন্তু পর্যবেক্ষকৰ সামান্য অমনোযোগিতাৰ বাবে দৃষ্টিত নপৰিল) আৰু পর্যবেক্ষণৰ সময়ত পানীৰ তলত সোমাই থকা শিহুৰ সংখ্যা (২৫০ টা) আছিল। সর্ব নিম্ন সংখ্যা। ইয়াৰ বিপৰীতে ২০১২ চনৰ জৰীপত আমি ব্যৱহাৰ কৰা পদ্ধতিত ২০০৫ আৰু ২০০৮ চনত পর্যবেক্ষকৰ দৃষ্টিত ধৰা নপৰাকৈ পানীৰ ওপৰত আৰু পানীৰ তলত নেদেখাকৈ থাকি যোৱা সকলো শিহু আমি গণনা কৰিবলৈ সক্ষম হ'লোঁ।

দ্বিতীয়তে, ২০০৫ আৰু ২০০৮ চনৰ জৰীপত আমি ভাৰা নাওঁ ব্যৱহাৰ কৰিছিলোঁ। ব্রহ্মপুত্রৰ বিভিন্ন প্রতিকূল আৰু সকলো পৰিৱেশৰ বাবে কোনো নাৱৰ মালিকেই বেছি দূৰলৈ নাও ভাৰাত নিদিয়ে। যাৰ বাবে আমি ২০০৫ চনৰ জৰীপত ব্রহ্মপুত্রত তিনিখন আৰু ২০০৮ চনৰ জৰীপত চাৰিখনকৈ নাও সলাবলগীয়া হৈছিল।

এইক্ষেত্রত প্রধান অসুবিধাটো হ'ল এয়ে যে প্রতিখন নাৱতে পর্যবেক্ষণ

মঞ্চৰ উচ্চতা বেলেগ বেলেগ, যাৰ বাবে শিহুৰ সংখ্যা গণনাত খেলিমেলিৰ সৃষ্টি হয়। তাৰ বিপৰীতে ২০১২ চনৰ আমাৰ জৰীপত নিজস্ব জৰীপ নাও ব্যৱহৃত হ'ল আৰু একেখন নাৱেৰে আমি শদিয়াৰ পৰা ধুবুৰীলৈ জৰীপ কৰিলোঁ। পূৰ্ব তুলনাত এইবাৰৰ জৰীপ দল বেছি প্ৰশিক্ষিত আৰু শৃঙ্খলাবদ্ধ আছিল। যাৰ বাবে আমাৰ গণনা নিৰ্ভুল আছিল।

(দুই)

এটা বছৰৰ অনুসন্ধান, বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা তথা তিনি আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞ ক্ৰমে প্ৰফেছৰ কুৰেশ্বী, ড° ৰাজন আৰু ড° আকামাটিছুৰ পৰামৰ্শ অনুসৰি ২০১২ চনৰ জৰীপৰ বাবে আমি দুটা প্ৰধান জৰীপ পদ্ধতি প্ৰয়োগৰ সিদ্ধান্ত ললোঁ। (ক) Independent Double Observes Based Capture Recapture method আৰু (খ) Under water line Transect Method। তাৰে প্ৰথমটো পদ্ধতিত আমি দুটা পৰ্যবেক্ষকৰ দল একে সময়তে ব্যৱহাৰ কৰিম। যিয়ে পৰস্পৰৰ সম্পৰ্ক নথকাকৈ একে সময়তে একেখন জৰীপ নাৱৰ পৰা শিহু পৰ্যবেক্ষণ কৰিব, যাতে পানীৰ পৰা সেই সময়ত ওপৰলৈ ভুমুকি মৰা কোনো শিহু পৰ্যবেক্ষণৰ পৰা সাৰি নাযায়। দ্বিতীয়টো পদ্ধতিত আমি টুপাই বুৰ মৰা শিহু কেইটা গণনা কৰিব পাৰো। হাইড্ৰফোন নাৱৰ পাছফালে প্ৰায় ৯০ মিটাৰ দূৰত্বত ৰছীত বান্ধি দিম। হাইড্ৰফোনৰ দ্বাৰা তথ্য সংগ্ৰহ সহজ, কিন্তু তাৰ বিশ্লেষণ যথেষ্ট জটিল। তাৰ বাবে ড° আকামটিছু আৰু তেওঁৰ সহযোগী টকিঅ' বিশ্ববিদ্যালয়ৰ বিজ্ঞানী ড° চটিক কিমোৰাই মাজতে আমাৰ গৱেষক দলটোক এক দীঘলীয়া প্ৰশিক্ষণ দি থৈ গ'লহি।

অৱশ্যে ওপৰত উল্লেখিত দুই জৰীপ পদ্ধতিৰ উপৰিও একে সময়তে আমি আন দুটা পদ্ধতিৰেও শিহু জৰীপ কৰাৰ মনস্থ কৰিলো। তাৰে এটা দল ২০০৫ আৰু ২০০৮ চনত আমি ২০০৫ ৰ পৰা ২০১২ চনলৈ ব্ৰহ্মপুত্ৰত শিহুৰ সংখ্যা বৃদ্ধি বা হ্ৰাসৰ আভাস পাব পাৰোঁ। Direct Count Method আমাৰ দ্বিতীয় পদ্ধতিটো হ'ল— Distance Sampling Method। স্কটলেণ্ডৰ ছেইণ্ট বিশ্ববিদ্যালয়ে আৱিষ্কাৰ কৰা এই পদ্ধতি বন্যপ্ৰাণী জৰীপত বহুলভাৱে এণ্ড্ৰুক ব্যৱহৃত হৈছে। আৰু সামুদ্ৰিক ডলফিন, তিমি আদিৰ গণনাত ইয়াৰ প্ৰয়োগ যথেষ্ট হয়। শিহু গণনাৰ সমান্তৰালকৈ

শিহুৰ বাসস্থানৰ বিতং তথ্য আৰু তাত মানুহৰ কার্যকলাপৰ সূক্ষ্ম বিশ্লেষণৰ বাবে আমি তথ্য সংগ্রহৰ পৰিকল্পনা কৰিলোঁ। তাৰ বাবে আমি ব্রহ্মপুত্রৰ প্রতি কিলোমিটাৰত পানীৰ গুণাগুণ (দ্রৱনীয় অক্সিজেন), উষ্ণতা, পি এইছ, কণ্ডাকটিভিতি, টি ডি এছ, নদী গঠনৰ প্রকাৰ, নদীৰ গভীৰতা, প্রস্থ আদিৰ লগতে শিহুৰ বাসস্থানৰ ক্ষতিকাৰক মানুহৰ বিভিন্ন কার্যকলাপৰ তথ্য সংগ্রহৰ ব্যৱস্থা কৰিলোঁ। এইটো জৰীপৰ বাবে লগা বিভিন্ন ধৰণৰ বৈজ্ঞানিক যন্ত্রপাতি গোটোৱাৰ কাম আমি সমান্তৰালভাৱে আৰম্ভ কৰিলোঁ। পানীৰ তলত শিহুৰ সংখ্যা নিৰূপণৰ বাবে লগা অত্যাধুনিক দুযোৰ হাইড্রফ'ন কিনিলোঁ জাপানৰ পৰা। জি পি এছ, বাইন'কুলাৰ, ৰেঞ্জ ফাইণ্ডাৰ, চাটপ্লটাৰ কিনা হ'ল ইংলেণ্ডৰ পৰা। পানীৰ গুণাগুণ আদি নিৰূপণৰ বাবে প্রয়োজনীয় যন্ত্রপাতি কিনিলোঁ আমেৰিকাৰ কোম্পানীৰ পৰা। এই অভিলাষী অভিযান সফলতাৰে সমাপন কৰিবলৈ মোৰ প্রয়োজন আছিল এটা শক্তিশালী জৰীপ দল। এই দল গঠনৰ কাম আৰম্ভ কৰিছিলো ২০১১ চনৰ আৰম্ভণিৰ পৰাই। ডেৰাডুনস্থিত Forest Research Institute ৰ পৰা এম এছ চি উত্তীর্ণ হোৱা নামৰূপৰ জীয়ৰী ছানী দেউৰী আৰু জয়সাগৰৰ (শিৱসাগৰ) জীয়ৰী অনুমিত্রা ফুকনে মোৰ দলত গৱেষিকা হিচাপে যোগ দিলে। তাৰ লগতে গৱেষক হিচাপে যোগ দিলে মাদ্রাজ বিশ্ববিদ্যালয়ৰ পৰা এম এছ চি পাছ কৰি অহা পশ্চিমবংগৰ চন্দন ৰিয়ে। মোৰ লগত ইতিমধ্যে ২০০৫ আৰু ২০০৮ চনৰ জৰীপৰ অভিজ্ঞতাৰে পুষ্ট ধ্রুৱ ছেত্রী (ছৈখোৱা) আৰু ২০০৮ চনৰ অভিজ্ঞতাৰে পুষ্ট চামগুৰি (শিৱসাগৰ)ৰ আব্দুল মজিদ আছিলেই। কুকুৰমাৰাৰ যুৱক মনোজ দাস আৰু বোকাখাতৰ যুৱক বিশ্ব দাসে ইতিমধ্যে মোৰ দলত শৈক্ষিক সমন্বয়ক হিচাপে যোগ দিছিল। বাংলাদেশৰ পৰা মোৰ দলত যোগ দিলেহি জাকিৰ বৰা আৰু তামিলনাডুৰ পৰা নৰসীময়াৰাজন কেন্নাৰাচনে। এই গোটেই দলটোক জৰীপ পদ্ধতি, তথ্য সংগ্রহ, শিহু পর্যবেক্ষণ আৰু তথ্য বিশ্লেষণৰ ওপৰত বিশেষভাৱে প্রশিক্ষিত কৰি তোলা হ'ল।

সকলো আয়োজন শেষ কৰি অৱশেষত ২০১২ চনৰ ১০ ফেব্রুৱাৰীত আমাৰ নিজৰ জৰীপ নাও কঁহুৱাৰ দ্বাৰা ব্রহ্মপুত্রত শিহু জৰীপৰ এই তৃতীয়টো অভিযান আৰম্ভ কৰিলোঁ শদিয়াৰ পৰা। এটা পর্যবেক্ষক দলৰ

নেতৃত্বত থাকিলে চন্দন ৰি। লগত দুই পর্যবেক্ষক জাকিৰ আৰু নৰসিংহ। আনটো জৰীপ দলৰ নেতৃত্বত থাকিল অভিজ্ঞ ধ্ৰৱ ছেত্ৰী। লগত দুই পর্যবেক্ষক মজিদ আৰু দীজেন। হাইড্ৰফ'নৰে জৰীপ চলোৱাৰ দায়িত্বত থাকিল মনোজ আৰু বিশ্ব। পানীৰ গুণাগুণ, বাসস্থানৰ ভিন্নতা আৰু মানুহৰ কার্যকলাপ আদি তথ্য আহৰণত থাকিলে ছানী আৰু অনুমিত্রা। নাৱৰ ষ্টিয়েৰিং হুইল চম্ভালিলে গোবর্ধনে। ইঞ্জিন চলোৱাৰ দায়িত্বত দিলীপ তথা নাও সহযোগী হিচাপে থাকিলে সন্তোষ আৰু সোণ।

শীতৰ কোমল ৰ'দৰ সেই দিনটোত আমি প্ৰথমে শদিয়াৰ পৰা লোহিতেদি জৰীপ কৰিলোঁ। তাৰ পৰা চিয়াঙেদি উজাই অসম-অৰুণাচল সীমান্তৰ পৰা ৰহমৰিয়ালৈকে জৰীপ কৰিলোঁ। তাৰ পিছৰ পৰা মূল ব্ৰহ্মপুত্ৰইদি ভটিয়াই জৰীপ কৰিলোঁ। পাৰ হ'লোঁ বগীবিল, দিচাংমুখ, দিখৌ মুখ, জাঁজীমুখ। তাৰ পৰা ক্ৰমাৎ ভটিয়াই এদিন জিৰণি ললোঁহি নিমাতীত। নিমাতীৰ পৰা ক্ৰমে মাজুলী, জামুগুৰিঘাট, ধনশিৰিমুখ, পাৰ হৈ কাজিৰঙাত এদিন জিৰণি ললোঁ। কাজিৰঙাৰ পৰা ক্ৰমে ফাগুনৰ পছোৱাই আমাক কোবাবলৈ ধৰিলে। পছোৱাৰ বাবে এদিন পাণপুৰত ৰৈ দিব লগা হ'ল। তাৰ পৰা বিশ্বনাথঘাট, শিলঘাট, ভোমোৰাগুৰি, তেজপুৰ, ওৰাং। গুৱাহাটী আহি পালোহি তিনি মার্চত। অর্থাৎ শদিয়াৰ পৰা গুৱাহাটীলৈ এই প্ৰায় ৬৫০ কিলোমিটাৰ জৰীপ কৰোঁতে আমাক সময় লাগিল মুঠ ২২ দিন। ফাগুনৰ তীব্ৰ পছোৱাৰ বাবে আমি দুদিনমান গুৱাহাটীত ৰ'ব লগা হ'ল। অৱশেষত ১০ মার্চত গুৱাহাটীৰ পৰা ধুবুৰীলৈ ব্ৰহ্মপুত্ৰৰ এই প্ৰায় ২২৫ কিলোমিটাৰত জৰীপ আৰম্ভ কৰিলোঁ। শুৱালকুছি পলাশবাৰী, গুমি, বহৰি, বাঘবৰ, গোৱালপাৰা, সোণাৰীয়েদি পাৰ হৈ ১৫ মার্চত ভাৰত বাংলাদেশ সীমান্তত আমাৰ জৰীপ শেষ হ'ল। মুঠ ২৮ দিনত আমি শদিয়াৰ পৰা ধুবুৰীলৈ ব্ৰহ্মপুত্ৰৰ মুঠ ৮৭৭ কিলোমিটাৰ অংশত জৰীপ কৰিলোঁ।

ব্ৰহ্মপুত্ৰৰ জৰীপ শেষ কৰি লখিমপুৰত নাওঁ আদি যোগাৰ কৰি সোৱণশিৰিত আমি শিহু জৰীপ কৰিলোঁ ২৭ আৰু ২৮ মার্চত। তাৰ পৰা আমি কলহী নৈত দুখন হাত নাও লৈ জৰীপ শেষ কৰিলোঁ ১ ৰ পৰা ৬ এপ্ৰিলৰ ভিতৰত। জৰীপৰ কেইদিন আমাৰ অৱস্থা যুদ্ধৰত সৈনিকৰ দৰে। প্ৰতিদিনে পুৱা ৭-৩০ বজাৰ ভিতৰত আমি খাই মেলি সাজু হওঁ। তাৰ

পিছত আমি পর্যবেক্ষক দলটোৰ Distance Calibration কৰোঁ, যন্ত্রপাতিবোৰ সাজু কৰি লোৱা হয়। জৰীপ দলৰ প্রত্যেকে নিজৰ নিজৰ যন্ত্রপাতি, তথ্যভর্তি তালিকা লৈ সাজু হয়। তাৰ পিছত কুঁৱলীৰ আচ্ছাদন আঁতৰিলে জৰীপ আৰম্ভ হয়। দুপৰীয়া ১ বজাত খাবৰ বাবে কোনো বালিচৰত নাও ৰখাও। তাৰ পৰা খাই উঠি ২ বজাৰ পৰা ৪ বজালৈ আকৌ জৰীপ আৰম্ভ হয়। ৪ বজাৰ পাছত আমি থাকিবলৈ লোকালয়ৰ পৰা আঁতৰত নির্জন চাপৰিৰ সন্ধান কৰি লংগৰ পেলাওঁ। তাৰ পিছত সকলোৱে (ছানী, অনুমিত্রালৈকে) ফুটবল লৈ ব্যস্ত হৈ পৰে খেলাত, দৌৰাত— দিনটোৰ জঠৰতা ভাঙিবলৈ। আন্ধাৰ নমাৰ লগে লগে আৰম্ভ হয় দিনটোৰ সংগৃহীত তথ্যসমূহ একত্রিত কৰাত। সকলো তথ্য লেপটপত ভৰাব লাগে। হাইড্রফ'নকেইটা সাজু কৰিব লাগে। মুঠতে বহুত কাম। সকলো কৰি উঠি শেষ হয় মানে ৰাতি ভাত খোৱাৰ ডাক পৰে সোণৰ পৰা। খাই মেলি অলপ আড্ডা মাৰি সকলো শুই পৰে প্রকৃতিৰ কোলাত-বিশাল ব্রহ্মপুত্রৰ কোনো এক কোণত থকা আমাৰ সৰু নাওঁখনত। ৬ এপ্রিললৈকে আমাৰ হাতত সম্পূর্ণ তথ্য আহি পৰিল। এতিয়া ডাটা বিশ্লেষণৰ সময়। লগত ছানী, অনুস্মিতা আৰু চন্দনক লৈ মই বাহৰ পাতিলোগৈ ডেৰাডুনত থকা Wildlife Institute of India ত। এই অনুষ্ঠানৰ প্রফেছাৰ কর্মৰ কুৰেশ্বী বিশ্বৰ ভিতৰতে এজন নামজলা পৰিসংখ্যা বিজ্ঞানী। তেওঁ গৱেষণাগাৰত আমি গোটেইকেইজন বহি ল'লোঁ তথ্য বিশ্লেষণত। প্রায় দুমাহ লাগিল আমাৰ তথ্য বিশ্লেষণ প্রক্রিয়াত। সর্বাধিক সময় ল'লে হাইড্র'ফনৰ তথ্য বিশ্লেষণত। প্রায় দুমাহ লাগিল আমাৰ তথ্য বিশ্লেষণ প্রক্রিয়াত। ই সঁচাকৈ এক কঠিন প্রক্রিয়া।

এক সুদীর্ঘ তথ্য বিশ্লেষণৰ অন্তত অৱশেষত আমাৰ জৰীপৰ ফলাফল ওলাল। এই ফলাফল মতে ব্রহ্মপুত্রত ৫৮৩ টা, সোৱণশিৰিত ৩৫ টা আৰু কলহীত ১৭ টা শিহু পোৱা গ'ল। অর্থাৎ ২০১২ চনত ব্রহ্মপুত্র নদীতন্ত্রত মুঠ ৬৩৫ টা শিহু পালোঁ। ইয়াৰ আনুষংগিক বহু আনুষংগিক তথ্যও (যেনে— শিহুৰ বাসস্থানৰ প্রাধান্যতা, নদীৰ গভীৰতাৰ প্রাধান্যতা, মানুহৰ কার্যকলাপৰ ওপৰত নির্ভৰশীল শিহুৰ বিস্তৃতি আদি) আমি উদ্ধাৰন কৰিলোঁ, যিবোৰ পৰৱর্তী এটা প্রৱন্ধত পাঠকক জনোৱা যাব।

এতিয়া আচল কথালৈ আহোঁ। ২০০৫ চনৰ জৰীপত ব্রহ্মপুত্র নদীতন্ত্রত আমি মুঠ ২৫০ টা শিহু পাইছিলোঁ। তাৰ সাত বছৰৰ পিছত ২০১২ চনত একেই ব্রহ্মপুত্র নদীতন্ত্রত আমি পালোঁ ৬৩৫ টা শিহু। সাত বছৰৰ ব্যৱধানত লুইতত শিহু আঢ়ৈ গুণ বাঢ়ি গ'ল নেকি?

বাঢ়িছে, কিন্তু আঢ়ৈ গুণ হাৰত নহয়। তেনেহ'লে? ইতিমেধ্যে মই উল্লেখ কৰিছোঁ যে ২০০৫ চনৰ আমাৰ জৰীপ পদ্ধতিটো আছিল সৰল, য'ত আমি পর্যবেক্ষক দলৰ দৃষ্টিৰ পৰা সাৰি যোৱা শিহুকেইটা (যি কেইটা সেই সময়ত ওলাইছিল পানীৰ পৰা, কিন্তু পর্যবেক্ষকৰ সামান্য অমনোযোগিতাৰ বাবে দৃষ্টিত নপৰি) আৰু পর্যবেক্ষণৰ সময়ত পানীৰ তলত সোমাই থকা শিহুকেইটাৰ সংখ্যা গণনা কৰিব পৰা নাছিলোঁ, যাৰ বাবে ২০০৫ চনৰ আমাৰ জৰীপত প্রকাশ পোৱা শিহুৰ সংখ্যা (২৫০ টা) আছিল সর্বনিম্ন সংখ্যা। ইয়াৰ বিপৰীতে ২০১২ চনৰ জৰীপত আমি ব্যৱহাৰ কৰা Capture-Recapture method আৰু Acoustic method ত পর্যবেক্ষকৰ দৃষ্টিত ধৰা নপৰাকৈ পানীৰ ওপৰত আআৰু পানীৰ তলত নেদেখাকৈ থাকি যোৱা সকলো শিহু আমি গণনা কৰিবলৈ সক্ষম হ'লোঁ।

দ্বিতীয়তে, ২০০৫ আৰু ২০০৮ চনৰ জৰীপৰ আমি ভাৰা নাও ব্যৱহাৰ কৰিছিলোঁ। ব্রহ্মপুত্রৰ বিভিন্ন প্রতিকূল আৰু সকলো পৰিৱেশৰ বাবে কোনো নাৱৰ মালিকেই বেছি দূৰলৈ নাও ভাৰাত নিদিয়ে। যাৰ বাবে কোনো নাৱৰ মালিকেই বেছি দূৰলৈ নাও ভাড়াত নিদিয়ে। যাৰ বাবে আমি ২০০৫ চনৰ জৰীপত ব্রহ্মপুত্রত তিনিখন আৰু ২০০৮ চনৰ জৰীপত চাৰিখনকৈ নাও সলাবলগীয়া হৈছিল। এই ক্ষেত্রত প্রধান অসুবিধাটো হ'ল এয়ে যে প্রতিখন নাৱতে পর্যবেক্ষণ মঞ্চৰ উচ্চতা বেলেগ বেলেগ, যাৰ বাবে Observer bias ৰ সৃষ্টি হৈ শিহুৰ সংখ্যা গণনাত খেলিমেলিৰ সৃষ্টি হয়। তাৰ বিপৰীতে ২০১২ চনৰ আমাৰ জৰীপত নিজস্ব জৰীপ নাও ব্যৱহৃত হ'ল আৰু একেখন নাৱেৰে আমি শদিয়াৰ পৰা ধুবুৰীলৈ জৰীপ কৰিলোঁ। পূর্বৰ তুলনাত এইবাৰৰ জৰীপ দল বেছি প্রশিক্ষিত আৰু শৃঙ্খলাবদ্ধ আছিল। যাৰ বাবে আমাৰ গণনা নির্ভুল আছিল। তৃতীয়তে, ব্রহ্মপুত্রত শিহুৰ সংখ্যা নিশ্চিতভাৱেই বাঢ়িছে। এই লেখকৰ নেতৃত্বত ২০০৮ চনৰ পৰা অসমৰ শিহুৰ ৩০ টা গুৰুত্বপূর্ণ আৱাসস্থলৰ সংৰক্ষণৰ কাম চলি আছে

নিৰৱচ্ছিন্নভাৱে, স্থানীয় জনসাধাৰণৰ সহযোগত Dolphin Conservation Network নামৰ এই প্ৰচেষ্টাৰ অন্তৰ্গত প্ৰশিক্ষিত স্থানীয় যুৱকৰ দলৰ দ্বাৰা। এই ৩০ টা অতিকৈ গুৰুত্বপূৰ্ণ শিহুৰ আৱাসস্থলৰ নিৰৱচ্ছিন্ন পৰ্যবেক্ষণ কৰা হয় যাতে উক্ত আৱাসস্থলসমূহৰ ক্ষতি কৰা নহয়, তাত শিহু হত্যা নহয়। সেই এলেকাবিলাকত শিহু জালত লাগি মৰিলে লগে লগে স্থানীয় বন বিভাগ বা পুলিচৰ হাতত শিহুৰ মৃতদেহ গতোৱা হয়। এনেবিলাক কাৰ্যপন্থাৰ ফলত এই ৩০ টা গুৰুত্বপূৰ্ণ আবাসস্থলত শিহুৰ মৃত্যুৰ হাৰ বিগত চাৰি বছৰত (২০০৮-১২) প্ৰায় ৬০ শতাংশ কমি আহিল। তদুপৰি আমাৰ সুপ্ৰশিক্ষিত পৰিৱেশ শিক্ষণ দলে বিগত বছৰসমূহত কেইবা শতাধিক শিহু সংৰক্ষণ কাৰ্যসূচী হাতত ল'লে শদিয়াৰ পৰা ধুবুৰীলৈ। এইবিলাক কাৰ্যৰ প্ৰতিফল পোৱা গ'ল ২০১২ বৰ্ষৰ জৰীপত। অৱশ্যে শিহুৰ সংখ্যা বৃদ্ধি ব্ৰহ্মপুত্ৰৰ সকলো অংশতে একে নহয়। ২০০৫ আৰু ২০০৮ চনৰ লগতে তুলনা কৰি আমি পালো যে ২০১২ চনত শিহুৰ সংখ্যা সৰ্বাধিক হাৰত বৃদ্ধি হৈছে। ব্ৰহ্মপুত্ৰৰ দিখৌমুখৰ পৰা ধনশিৰিমুখ অংশত (৮৬ কিলোমিটাৰ) আৰু দ্বিতীয় সৰ্বাধিক বৃদ্ধি হৈছে ব্ৰহ্মপুত্ৰ, গোৱালপাৰাৰ পৰা ধুবুৰী অংশত (১২৯ কিলোমিটাৰ)। অনহাতে, শিহুৰ সংখ্যা হ্ৰাস হৈছে অসম-অৰুণাচল সীমান্তৰ পৰা বালিজানলৈ, চিয়াং, লোহিত আৰু দিবাঙৰ অংশত (১১৭কিলোমিটাৰ)। ইয়াৰ বাদে ব্ৰহ্মপুত্ৰৰ বাকী অংশত শিহুৰ বৃদ্ধিৰ হাৰ আশাজনক। ব্ৰহ্মপুত্ৰত শিহুৰ আশাজনক বৃদ্ধিৰ বিপৰীতে কলহী আৰু সোৱণশিৰিত শিহুৰ অৱস্থা বিপদজনক। ২০০৫ আৰু ২০০৮ ৰ তুলনাত ২০১২ ত শিহুৰ সংখ্যা আৰু বিস্তৃতি হ্ৰাস পাইছে কলহীত। এই নদীত পূৰ্বৰ দৰেই প্ৰথম প্ৰায় ২০ কিঃমিঃ অংশত (প্ৰধানতঃ কুকুৰমাৰাৰ আশে-পাশে) শিহুৰ সংখ্যা সৰ্বাধিক। তাত নিম্নভাগলৈ শিহুৰ সংখ্যা সৰ্বাধিক। নিম্ন ভাগলৈ শিহুৰ সংখ্যা বহু সংযোজিত হৈছে। অনিয়ন্ত্ৰিত হাৰত এই নদীত চলা মেচিনৰ দ্বাৰা বালিৰ খনন প্ৰক্ৰিয়া, নদীৰ পৰা অত্যধিক জলসিঞ্চন ব্যৱস্থা আদিৰ বাবেই কলহীত শিহুৰ বাসস্থান যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে।

কলহীত শিহুৰ বিস্তৃতি প্ৰধানতঃ নদীৰ উজনী ভাগত সীমাবদ্ধ হোৱাৰ বিপৰীতে সোৱণশিৰিত শিহুৰ বিস্তৃতি সংকোচিত হৈছে ক্ৰমাৎ নিম্নভাগলৈ।

২০০৫-২০০৮ চনৰ তুলনাত নদীখনৰ প্ৰথম প্ৰায় ৩৫ কিঃমিঃ অংশত এটাও শিহু নোপোৱাটো মন কৰিবলগীয়া কথা। ২০০৫ ৰ তুলনাত সোৱণশিৰিত গভীৰতাৰ বহু পৰিৱৰ্তন ঘটিছে । ইয়াৰ বাবে নিৰ্মীয়মান সোৱণশিৰিৰ বৃহৎ নদীবান্ধৰ পৰা নদীত পেলোৱা আৱৰ্জনা যথেষ্ট পৰিমানে দায়ী। যিয়ে নদীৰ উজনী অংশটো যথেষ্ট বাম কৰি তুলিছে। আৰু সেয়েহে পানীৰ গভীৰতা ভালপোৱা শিহুৰ বিস্তৃতি নদীখনৰ নিম্নভাগলৈ সংকুচিত হৈছে।

কলহী-সোৱণশিৰিত উদ্ভৱ হোৱা এই সমস্যাবোৰৰ বিপৰীতে ব্ৰহ্মপুত্ৰত শিহুৰ মূল সমস্যাটো হ'ল জালত লাগি শিহু মৰা, শিহুৰ বাসস্থানত বৃহদাকাৰ ফাঁচি জাল, আঠুৱা জাল ব্যৱহাৰ আদি। এই সমস্যাসমূহ নাইকীয়া কৰি লুইতৰ শিহু ভৱিষ্যৎ উজ্জ্বল কৰিবলৈ আমাক প্ৰয়োজন এক দীৰ্ঘম্যাদী সংৰক্ষণৰ কাৰ্যসূচীৰ। এই লেখকৰ নেতৃত্বত আৰণ্যকৰ শিহু গৱেষণা আৰু সংৰক্ষণ বিভাগে অসমৰ শিহু সংৰক্ষণৰ বাবে বিগত দহ বছৰে নিৰৱচ্ছিন্নভাৱে চেষ্টা চলাই আছে। কিন্তু বে-চৰকাৰী স্তৰত চলা এই প্ৰচেষ্টাই যথেষ্ট নহয়; লুইতৰ দৰে বিশাল নদীতন্ত্ৰত শিহুৰ দৰে এক জলচৰ প্ৰাণী আৰু সিঁহতৰ বাসস্থান সুৰক্ষিত কৰিবলৈ প্ৰয়োজন চৰকাৰী সহযোগ আৰু প্ৰচেষ্টাৰ। দুৰ্ভাগ্যবশতঃ অসম চৰকাৰে ২০০৮ চনত শিহুক অসমৰ 'ৰাজ্যিক জলচৰ প্ৰাণী'ৰ মৰ্যাদা দিয়াৰ বিপৰীতে আজিলৈকে একো পদক্ষেপেই নল'লে। ইয়াৰ বিপৰীতে উত্তৰ প্ৰদেশ, বিহাৰ আৰু পশ্চিমবংগ চৰকাৰে তেওঁলোকৰ ৰাজ্যত শিহু সংৰক্ষণৰ বাবে যথেষ্ট উদ্যোগ লৈছে। তেওঁলোকে আনকি ভাৰত চৰকাৰৰ সহযোগত শিহুক 'ক্লিন গংগা' প্ৰকল্পৰ এক ইণ্ডিকেটৰ স্পাইচিছ হিচাপে লৈছে। অসম চৰকাৰেও শিক্ষক বাঘ, গঁড়ৰ দৰে সংৰক্ষণ ব্যৱস্থা লোৱাৰ প্ৰয়োজন। কাৰণ ব্ৰহ্মপুত্ৰৰ পৰিস্থিতিতন্ত্ৰৰ বাবেই শিহু অত্যন্ত গুৰুত্বপূৰ্ণ প্ৰাণী। পৃথিৱীত বৰ্তমান বাছি থকা মাত্ৰ ২০০০ মান এই বিধ বিলুপ্তপ্ৰায় নদী শিহুৰ কিমান সংখ্যক লুইতত বাচি আছে তাক জনাটো প্ৰতিজন সচেতন অসমীয়াৰ বাবে অতি জৰুৰী।

ম'বাইল ঃ ৮৮১১০২৩৫৪৫

আমাৰ দেশৰ বিপন্ন প্ৰাণী আৰু ইহঁতৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা

ৰত্নকান্ত পেৰমে

বন্য জীৱ বহুধৰণৰ পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল। যথাযোগ্য জলবায়ু, খাদ্য, পানী আৰু আশ্রয় হ'ল সকলো জীৱৰে মৌলিক উপাদান। প্ৰাকৃতিক পৰিৱেশত প্ৰাণী আৰু উদ্ভিদে মৌলিক উপাদানসমূহক কিদৰে সমভাৱে ভগায় লয়, কিদৰে বিপজ্জনক পৰিস্থিতি অতিক্ৰম কৰাৰ বাবে নিজকে উপযুক্ত কৰি গঢ়ি তোলে আৰু সুস্থ আবাদীৰ গুণ ধাৰণ কৰি চলে তাৰ একোটা দৃষ্টান্ত। জীৱৰ আবাদী নিয়ন্ত্রণ কৰা কাৰকসমূহে শেষান্তত পৰিৱেশৰ বহন শক্তি নিৰূপণ কৰে। এনে কাৰকসমূহৰ ভিতৰত প্ৰতিকূল জলবায়ু, প্ৰাকৃতিক দুৰ্যোগ, বাসভূমিৰ বিনাশ ইত্যাদি প্ৰধান। প্ৰাকৃতিক পৰিৱেশে উপলব্ধ খাদ্য সম্ভাৰকে এক নিৰ্দিষ্ট সংখ্যাৰ প্ৰাণীক দিব পাৰে। চৌপাশৰ প্ৰাকৃতিক পৰিৱেশৰ ঘটনা চক্ৰত জড়িত বিভিন্ন প্ৰকাৰৰ জীৱক ভৰণ, পোষণ কৰে। প্ৰাকৃতিক পৰিৱেশত জীৱসমূহে মৃত্যুৰ ঠাইত নতুন জীৱন গঢ় লৈ উঠে। বছৰৰ পিছত বছৰ, শতিকাৰ পিছত শতিকাজুৰি লাখ লাখ বছৰ জটিল প্ৰক্ৰিয়া সংঘটিত হৈ আহিছে যাক আমি সৰল ভাষাত কওঁ প্ৰাকৃতিক ভাৰসাম্য।

আমাৰ দেশৰ বিলুপ্তি ঘটা বন্যপ্ৰাণীৰ প্ৰজাতিসমূহ ঃ বিলুপ্তি হ'ল প্ৰাণী বিৱৰ্তনৰ এক স্বাভাৱিক ঘটনা। পৰিৱেশৰ সৈতে ভালদৰে খাপ খোৱা প্ৰজাতিবোৰৰ লগত প্ৰতিযোগিতাত তিষ্ঠিব নোৱাৰি কিছুমান প্ৰজাতি লাহে-লাহে লোপ পায়। যি দৰে সাত কোটি বছৰ পূৰ্বে ডাইনোছৰ লোপ পাইছিল ঠিক সেইদৰে মেমথ আৰু মাষ্টানচৰ স্তন্যপায়ী প্ৰাণীও

লোপ পাইছিল। এইয়া প্রজাতিৰ স্বাভাৱিকভাৱে বিলুপ্তি। যি কি নহওক বিশ্বব্যাপি সভ্যতাৰ বিস্তাৰ আৰু প্রাকৃতিক বর্ধিত শোষণৰ ফলত বন্য জীৱনৰ ওপৰত বিৰূপ প্রতিক্রিয়া সৃষ্টি হয়। চিকাৰ, পৰিৱেশৰ পৰিৱর্তন, বাস ভূমিৰ বিনষ্ট সাধন, মাটি, পানী আৰু বায়ু প্রদূষণ, জনসংখ্যা বৃদ্ধি আদিয়ে প্রাণী জগতৰ ধ্বংসৰ ঘাই কাৰণ। শিল্প বিপ্লৱৰ আৰম্ভণিৰ পৰা মানুহৰ হস্তক্ষেপৰ ফলত প্রাণী জগতৰ বিলুপ্তি হোৱা আমাৰ দেশত বন্যপ্রাণী প্রজাতিসমূহ—চিতা বাঘ (Acinonyx Jubantus Venaticus),এশিঙিয়া গড় (Rhinoceros Sondaicus Desmarset), গুলপীয়া মূৰৰ হাঁহ (Rhodonessa Caryophyllaces), পাহাৰীয়া বতা চৰাই (Ophrysis Superciliosa), সিংহনেজীয়া বান্দৰ (Macaca Silenus) (Linnaeus), সোণালী হনুমান (Golden Langur) (Presbytis geei) (Khajuria), লাজুকী বান্দৰ (Nycticebus Coucang (Boddaert), ঢেঁকীয়াপতীয়া বাঘ (Panthera tigris (Linnaceus), গোধা ফুটুকী বাঘ (Neofelis nebulosa (Griffith), সোণালী মেকুৰী Felis Timmincki Vigors, পল্লাশ মেকুৰী Felis manul Pallas, বনৰীয়া কুকুৰ Cuon alpinus (Pallas) মুগা ভালুক Ursus arctos isabellinus Horsfield, কৃষ্ণসাৰ Antilope Cervicapra (Linnaeus), কস্তুৰী মৃগ Moschus moschiferus Linnaeus, ধনেশ পক্ষী - Buceros bicornis homrai Hodgsom, ধর্ম পখী Ardeotis nigriceps (Vigors), কলা ডিঙীয়া বগলী Grus nigricollis Przevalski, ঘঁৰিয়াল Gavialis gangeticus (Gmelin), মালাবাৰ পাতভেকুলী Nectophryne tuberculosa (Gunther)।

অমেৰুদণ্ডী প্রজাতি ঃ কীট-পতংগ, পখিলা আৰু চকৰী (Lepidoptera), ৰজা পখিলা- Apatura Ulupiulupi, শাকনি পখিলা- Pieris krueperi (Devta), জিয়াঁ- Epliophtetria laidlowi। কাৰাবিডি পৰিয়ালৰ অন্তর্ভুক্ত গুবৰুৱা এই শতিকাত লোপ পাবলৈ ধৰা প্রাণী। যিমানেই বনাঞ্চল ধ্বংস হৈ আহিছে সিমানে প্রাণী আৰু চৰাই বিপদাপন্ন হৈ আহিছে।

প্রাণীবোৰ কিদৰে বিপন্ন হ'বলৈ পাইছে ঃ ক্রমবিকাশ প্রক্রিয়াৰ অংশ

হিচাপে কিছুমান প্রজাতি বিলুপ্ত হয় কাৰণ পৰিৱর্তিত পৰিৱেশত নিজকে অধিক খাপ খুৱাই ল'ব পৰা উন্নত প্রজাতিয়ে বিলুপ্ত প্রজাতিৰ ঠাই গ্রহণ কৰে। কিন্তু আধুনিক যুগত মানুহৰ ধ্বংসাত্মক কার্যকলাপৰ পৰিণতি স্বৰূপে বহু বন্যপ্রাণীৰ প্রজাতি ইতিমধ্যে লোপ পাবলৈ দ্রুত গতিত অগ্রসৰ হৈছে। বিলুপ্ত পথত অগ্রসৰ হোৱা মূল কাৰণসমূহ এনেদৰে থুলমূলকৈ ভাগ কৰিব পাৰি। যেনে—

(ক) বাসভূমিৰ বিনাশ ঃ বন বিনাশ হ'ল বন্যপ্রাণী বিলুপ্তিৰ প্রধান কাৰণসমূহৰ এটা। জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে মানুহে কৃষিকর্মৰ বাবে হওক নাইবা বাসস্থানৰ বাবেই হওক বনাঞ্চল ধ্বংস কৰা বাবে বন্যপ্রাণীৰ বাসভূমিৰ ওপৰত যথেষ্ট প্রভাৱ পৰে। বাসভূমি ধ্বংসৰ ফলত বন্যপ্রাণীৰ ওপৰত বিৰূপ প্রতিক্রিয়া সৃষ্টি হয়। খাদ্য আৰু সন্তান লালন-পালনৰ বাবে প্রজনন ভূমিৰ লগতে পৰিৱেশ বিনষ্ট হয়। বন্যপ্রাণীৰ এনে এক পৰিস্থিতি হয়- য'ত সিহঁতে পৰিস্থিতিৰ সৈতে খাপ খাব লাগিব, নহয় অন্য ঠাইলৈ যাব লাগিব আৰু নহ'লে মৃত্যুক সাৱতি ল'ব লাগিব। সমগ্র দেশজুৰি হোৱা বিস্তৃত বাসভূমিৰ বিনাশৰ ফলত বহু প্রজাতিৰ সংখ্যা কমি আহিছে। বিৰল আৰু বিপন্ন হৈছে। গতিকে প্রগতি আৰু প্রাচুর্য আহৰণৰ দৌৰত ভোলগৈ আমি প্রকৃতিৰ ভাৰসাম্যত আঘাত হানিছো।

(খ) চিকাৰ আৰু চোৰাং চিকাৰ ঃ বিনোদন, আহাৰ, ছাল, শিং, দাঁত আদিৰ বাবে বন্যপ্রাণীৰ চিকাৰ হ'ল বন্যপ্রাণীৰ জীৱন ধাৰণৰ প্রতি ভয়ংকৰ ভাবুকি। ভাৰতত চিতা বাঘ চিকাৰ কৰি নিঃশেষ কৰিলে। জন্তুৰ ছালৰ বাবে অবৈধ ব্যৱসায়ৰ ফলত বৃহৎ সংখ্যক বাঘ, হৰিণ, উট, ঘঁৰিয়াল, সাপ আৰু ধুনীয়া পাখিৰ চৰাইৰ বিনাশ ঘটিছে। আমাৰ দেশত এনে অবৈধ ব্যৱসায়ৰ ৰোধ কৰাৰ বাবে আইন আছে, কিন্তু এনে কঠোৰভাৱে প্রয়োগ কৰাৰ ব্যৱস্থা নাই।

(গ) প্রদূষণ ঃ বিভিন্ন উদ্যোগিক কাম-কাজত উৎপন্ন হোৱা দ্রব্যই বায়ু, পানী আৰু মাটি প্রদূষিত কৰি মানুহৰ লগতে বন্যপ্রাণীৰো স্বাস্থ্য হানি কৰে। অনিষ্টকৰ উদ্যোগিক আৱর্জনা হ্রদ, নদী আৰু সাগৰত পেলোৱাৰ ফলত জলচৰ প্রাণীৰ ওপৰত কু-প্রভাৱ পৰে। ডি ডি টি বা অন্য কীটনাশক দ্রব্যই বহু উপকাৰী কীট পতংগৰ বিনাশ আৰু বন্যপ্রাণীৰ আবাদীৰ অনিষ্ট

সাধন কৰে।

বিপন্ন প্ৰাণীসমূহক সংৰক্ষণ পন্থা ঃ অশোক, গৌতম বুদ্ধ আৰু মহাত্মা গান্ধীৰ দেশ ভাৰতবৰ্ষ সকলো জীৱৰ প্ৰতি শ্ৰদ্ধা আৰু আদৰৰ ঐতিহ্যবাহী দেশ। পৰিতাপৰ বিষয় আজি আমাৰ দেশত প্ৰাণীৰ অৱস্থিতি সংশয়জনক হৈ উঠিছে। আচলতে সংৰক্ষণ মানে কেৱল বন্যপ্ৰাণীৰেই সংৰক্ষণ নহয়। সংৰক্ষণে বুজায় প্ৰাকৃতিক সম্পদ পৰিৱেশ বিহিতভাৱে ব্যৱহাৰ কৰা। সংৰক্ষণক চাৰিটা স্তৰত প্ৰতিষ্ঠিত কৰিব পৰো।

প্ৰথমটো স্তৰ হ'ল— নৈতিকতা; ভৱিষ্যতৰ সতি-সন্ততিসকললৈ আমাৰ প্ৰাকৃতিক ঐতিহ্যদীনতা যাতে এৰি থৈ নাযাওঁ- ই হ'ল আমাৰ নৈতিককৰ্তব্য। দ্বিতীয় স্তৰটো হ'ল— সৌন্দৰ্যমূলক মনোভাৱৰ। প্ৰকৃতি সৌন্দৰ্যময়। প্ৰকৃতিয়ে দিয়া সকলো নান্দনিক আনন্দ আমি উপভোগ কৰোঁ, যেনে ধুনীয়া ফুল, মন পৰশা সেউজ, চৰাই আৰু পখিলাৰ সৌন্দৰ্য। সিহঁতৰ যত্ন আৰু সংৰক্ষণে আমাৰ জীৱন উজ্জ্বল কৰে। তৃতীয় স্তৰটো হ'ল- আমাৰ জীয়াই থকাৰ প্ৰয়োজনীয়তা, দৈনন্দিন ব্যৱহাৰৰ সা-সামগ্ৰী, খাদ্য আৰু লাগতিয়াল বয়বস্তু। যদি আমি এই সম্পদ ৰাজিক সংৰক্ষণ নকৰো তেনেহ'লে সোনকালে ইহঁতৰ অৱক্ষয় ঘটিব। চতুৰ্থ স্তৰ হ'ল— বৈজ্ঞানিক স্তম্ভ। প্ৰাকৃতিক সম্পদৰাজিৰ অবিহনে প্ৰযুক্তি বিদ্যা উদ্ভাৱন আৰু বৈজ্ঞানিক প্ৰগতি সম্ভৱ নহ'লহেঁতেন। গতিকে বন্যপ্ৰাণী আৰু উদ্ভিদৰ সংৰক্ষণ হ'ল প্ৰগতিৰ চাবি কাঠি।

সংৰক্ষণ আৰু জনজাগৰণ ঃ বন্যপ্ৰাণী বিপন্ন বা লুপ্ত হ'লেনো কি হ'ব? এই বন্যপ্ৰাণীসমূহ কি, কেনেকৈ আৰু কিয় উপকাৰী এই প্ৰশ্নৰ উত্তৰ বিচাৰিলে আমি জৈৱ-বৈচিত্ৰ্যৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব লাগিব আৰু জগতখনৰ ওপৰত মানুহৰ প্ৰভাৱ সম্পৰ্কে জনসাধাৰণৰ মাজত সচেতনতা জগাই তুলিব লাগিব। সংৰক্ষণৰ শিক্ষা আৰু সচেতনতা, আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়োটা স্তৰতে অধ্যয়ন কৰিব লাগিব। শিশু আৰু ডেকা-গাভৰুসকল হ'ল এই ক্ষেত্ৰত আমাৰ অতি অমূল্য সম্পদ আৰু ভৱিষ্যতৰ আশা ভাৰসাৰ স্থল। বাতৰি কাকত আৰু আলোচনী, ৰেডিঅ' আৰু দূৰদৰ্শন, ৰাষ্ট্ৰীয় উদ্যান আৰু বন্যপ্ৰাণীৰ অভয়াৰণ্য, প্ৰাণী উদ্যান আৰু প্ৰাকৃতিক ইতিহাসৰ যাদুঘৰ গণ মাধ্যমে জনসাধাৰণৰ মাজত সংৰক্ষণ সচেতনতা

সৃষ্টি কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। বন্যপ্ৰাণী আৰু সংৰক্ষণৰ বিষয়ে উপলব্ধি আৰু সচেতনতা গঢ়িতোলাৰ বাবে প্ৰাথমিক প্ৰয়োজন হ'ল প্ৰকৃতিৰ প্ৰশংসা, কৃতজ্ঞতা, শ্ৰদ্ধা আৰু ভালপোৱা জগাই তোলা। বেছিভাগ মানুহৰ দৈনন্দিন দেখি থকা প্ৰাণী আৰু গছ-গছনিৰ নামবোৰ জনাৰ ন্যূনতম কৌতুহলৰো অভাৱ। অনুসন্ধিৎসু মন এটা গঢ়ি তোলা, পৰ্যবেক্ষণৰ ইচ্ছা আৰু উদ্ভিদ আৰু প্ৰাণীৰ প্ৰতি অনুসন্ধিৎসা অতিশয় প্ৰয়োজন। প্ৰকৃতিৰ প্ৰতি ভালপোৱা আৰু মানুহকে ধৰি সকলো প্ৰাণী আৰু উদ্ভিদৰ সম্পৰ্কৰ নিৰ্ভৰশীলতাৰ প্ৰতি সচেতনতা জগাই তুলিব পাৰিলেহে সংৰক্ষণৰ দায়বদ্ধতা সাৰ্থক হ'ব।

মহা প্ৰকৃতি, ক্ৰমবিৱৰ্তন আৰু সোৱণশিৰি উপত্যকাৰ বৰ্ণিল ইতিহাস ঃ এক চমু বিশ্লেষণ

ৰবি দাস

প্ৰকৃতিখনেই হ'ল পৰমব্ৰহ্মৰ প্ৰতিভু। এই পৰম ব্ৰহ্মৰ ৰূপান্তৰ আছে কিন্তু নতুন সৃষ্টি বা বিনাশ নাই। পৰম ৰহস্যময় কিন্তু দুৰ্ভেদ্য। সৃষ্টিৰ আদি কিন্তু অনন্ত। প্ৰকৃতিৰ চিৰন্তন প্ৰৱাহে ধৰাৰ বুকুত ক্ৰমবিৱৰ্তনৰ চক্ৰাকাৰ পৰিমণ্ডল ভেদ কৰি অহৰহ আগুৱাই আহিছে। ক্ৰমবিকাশ আৰু ইয়েই হ'ল ক্ৰমোন্নতিৰ নামান্তৰ। বিকাশৰ সৌধত বিনাশ, বিনাশৰ বেদীত বিকাশ, দিবা-ৰাত্ৰিৰ পোহৰ-আন্ধাৰৰ বিৰামহীন লুকাভাকু, জন্ম-মৃত্যুৰ বলুকাৰ মায়া দলিচাত নিৰ্দয় খোজ পেলাই মহাকাল আগুৱাবই লাগিছে। ইয়াক প্ৰতিৰোধ কৰিব পৰা ক্ষমতা কাৰোৰেই নাই। এই মহাজাগতিক শক্তিৰ ফলতেই সাগৰত নগৰ হৈছে, প্ৰৱাল প্ৰাচীৰৰ দৰেই মানৱ সভ্যতাৰ বিকাশ আৰু বিনাশৰ সৌধত গৰীত মানৱ ইতিহাসবোৰ ভু-লুণ্ঠিত হৈ মৰহা জাঁজিৰ জয়াল পিতনিত অবৰুদ্ধ হৈ অবলুপ্তি ঘটিছে কাল-সন্ধ্যা বেলাত। সত্য, শিৱ, সুন্দৰৰ প্ৰতিভু এই মায়া প্ৰকৃতি সত্যধাম। এই প্ৰকৃতি জগতখন সত্যৰ উপৰতেই প্ৰতিস্থিত। সত্যৰ পৰিমণ্ডলৰ মাজতেই আছে জীৱ অনুসৰি জন্ম-মৃত্যু, ঋতু পৰিৱৰ্তন, পদাৰ্থৰ মৌলিক সূত্ৰ, সৃষ্টি আৰু বিকাশৰ সীমাবদ্ধ স্তৰ ইত্যাদিবোৰৰ বাহিৰেও অদৃশ্য বৈজ্ঞানিক সূত্ৰবাদ। য'ত জীৱ ত'ত শিৱ, প্ৰকৃতিত প্ৰভাৱ বিস্তাৰ। জীৱনৰ বিনাশ হ'লে হয়তো মাৰ্গীয় জন্মান্তৰবাদে কয় দেৱত্ব-ব্ৰহ্মত্ব-অমৰত্ব-শ্ৰেষ্ঠত্ব। এই সকলোবোৰ জীৱশ্ৰেষ্ঠ

মানৱৰ মাৰ্গীয় দৰ্শনবাদৰ অনুভূতি। মানৱৰ মনোময় জগতৰ তথাকথিত তৃতীয় নেত্ৰৰ পৰ্দাত উদ্ভাষিত হোৱা অপাৰ্থিব সৌন্দৰ্যৰ সুষমাবোৰ কবিৰ কল্পনাৰ তুলিকাৰে নিগৰি ওলায় পাৰ্থিৱ ৰূপত মূৰ্ত্তিমান হয়, জীৱনমৰুৰ শান্তিৰ মৰুদ্যান ৰূপে। ইয়াৰ কোনো স্থান, কাল, পাত্ৰৰ পৰিসীমা নেথাকে। সত্য, শিৱ সুন্দৰৰ কাণ্ডাৰীসকল সদায় বস্তুবাদী জগতৰ পৰিসীমাৰ বাহিৰত। অনাদি কালৰ নিছিগা ধাৰৰ এই মায়াময়-মোহময় ধৰাখনি এখন বিশাল ৰঙ্গমঞ্চ। অনন্ত কাললৈকে ইয়াৰ মঞ্চ পৰিৱেশন ধাৰাবাহিকভাৱে চলিয়েই থাকিলেও ইয়াত স্থায়ীত্ব নাই। মাথোন জীৱনটো একোটা নাটঘৰ, একোটা সপোন। সপোন হেৰাই গ'লে ৰঙ্গমঞ্চৰ পোহৰ নিৰ্বাপিত হ'লে, আন্ধাৰে আবৰা মঞ্চত ৰূপ প্ৰতিভাৰ সমাপ্তি ঘটে। কিন্তু সৃষ্টিৰ দেউলত থাকি যায় ইয়াৰ ছাঁয়া চিত্ৰবোৰ। অতীত হেৰাই যায় অলক্ষিতে। ভাগি গ'ল বীণখনি, ছিগি গ'ল তাঁৰ, বৈ গ'ল মাথো তাৰ অমিয়া ঝংকাৰ। ত্ৰি-তাল দগ্ধ অনিত্য অসাৰ এই মনুষ্য জনম। তথাপি কবিৰ ভাষাত 'মৰিতে চাইনা আমি এই সুন্দৰ ভুৱনে'। এই বসুন্ধৰাত জোন-বেলি সদায়েই ওলাই থাকিব, গছত ফুলিব ফুল, বতাহ বলিব, কুলি-কেতেকীৰ মাতত বিৰিখৰ ডালত বসন্তই ভুমুকি মাৰিব। নান্দনিক প্ৰাচুৰ্যৰে অপৰূপাজনী হৈ প্ৰতিবছৰে ধৰাধামলৈ আহি থকা ব'হাগীজনীক আদৰিবলৈ কিয় আমি ইমান উথপ থপ লগাওঁ? শৰত, শেৱালীৰ প্ৰাণ প্ৰাচুৰ্যৰে ভৰা স্নিগ্ধ পূৰ্ণিমা ৰাতি ধৰালৈ নামি অহা বৃন্দাবনৰ অপাৰ্থিৱ অনঙ্গ কেলিত আমি আত্মহাৰা হ'ব পাৰো, অথচ অতীতৰ প্ৰেৰণাময় উপজা মাটিৰ জীৱন পৰিক্ৰমাত পাৰ্থিব কেলিবোৰ আমি উপেক্ষা কৰি চলো। কাল্পনিক স্বৰ্গতকৈ জননী জন্মভূমি চিৰ শ্ৰেষ্ঠ। ঋষিক বাদ দি ঋষিবাদৰ চৰ্চা হোৱাৰ সমান্তৰালকৈ প্ৰাণহীন প্ৰতিমাবাদে মুক্তিকামী বস্তুক বাদ দি অবস্তুত ডুবাই ৰাখি মহা অথন্তৰ ঘটাইছো। ফলত বস্তুবাদী জগতখনত আজি মানৱীয় প্ৰমূল্যসমূহ সংকটাপন্ন। ইয়ো যুগধৰ্ম পৰিপন্থী ক্ৰমৱিতৰ্তনৰ এক মল যুগৰ প্ৰভাৱ।

অপৰূপা সোৱণশিৰি উপত্যকা ঃ উত্তৰে অৰুণাচলৰ নীলিম পাহাৰ পুঞ্জ, য'ত ফেঁহুজালী পুৱাই প্ৰভাতি সুৰুযৰ ৰঙী আচলখনি ধৱল গিৰি শিখৰত প্ৰৱেশ ঘটি জগত পোহৰাই পাহাৰৰ বৰ্ষাৰণ্যত খৰস্ৰোতা জান-জুৰিবোৰে হেপাহৰ ভৈয়ামখনৰ পাদস্পৰ্শ কৰি ধন্য হয়।

পূবে কুণ্ডিল আৰু ৰক্ত আকাশী গঙ্গাৰ পৱিত্ৰ জলেৰে বিধৌত পুৰাণ প্ৰসিদ্ধ গাই নৈ অৱবাহিকা। মহাবাহু লোহিত্যৰ একালৰ ৰম্যভূমি ইয়াৰ বিশাল বলুকা বক্ষ। দক্ষিণে বৈষ্ণৱপীঠ মাজুলী ভূখণ্ড, লুইত-খেৰকটিয়াৰ সঙ্গমস্থল থাবলু। বলকাৰ বিয়লি বেলা হাজাৰ জলচৰ পক্ষীৰ কলৰৱ হয় মাজুলীৰ সত্ৰৰ সন্ধ্যাৰ আৰতিত। পূবে চিৰ প্ৰৱহমান সোৱণশিৰি (স্বৰ্ণ গংগা) বগী নৈ (স্বেতগংগা) আৰু ৰঙানৈ (ৰক্তগংগা) অৱবাহিকা। এই ভুখণ্ড গংগাধাম নামেৰে অভিহিত আৰু পৰম পৱিত্ৰ। বৈদিক যুগত সোৱণশিৰিৰ পানীক পৱিত্ৰ কমণ্ডলুৰ জল ৰূপে (তান্ত্ৰিক উপাচাৰ) ব্যৱহাৰ কৰিছিল। উক্ত পৰিসীমাৰ ভূখণ্ডই বৃহত্তৰ সোৱণশিৰি উপত্যকাৰূপে অভিহিত। বিভিন্ন পৰিৱেশত যুগ যুগান্তৰ ধৰি সোৱণশিৰিৰ কাম্যভূমিত প্ৰব্ৰজনকাৰী আৰ্য-মঙ্গোলীয় গোটৰ সমন্বয়ত গঢ় লৈ উঠা বিভিন্ন জাতি-জনগোষ্ঠীৰ আবাস ভূমি। বাৰ্মোদা ত্ৰিভূজ আকৃতিৰ এই ভূ-খণ্ডৰ উত্তৰাঞ্চল অসংখ্য শক্তিপীঠ, দক্ষিণে মাজুলীৰ বৈষ্ণৱপীঠ, পূবে সোৱণশিৰিৰ মুক্তিপীঠ অতীব ৰহস্যময়। কামাখ্যা ধামৰ পৰা আৰম্ভ কৰি পৰশুকুণ্ড পৰ্যন্ত সমগ্ৰ উত্তৰখণ্ড অসংখ্য শক্তিপীঠেৰে আবৃত বাবে শক্তি শৈৱৰ উপাসনাৰ থলীৰূপে ভাৰত বিখ্যাত। প্ৰাচীন সৌমাৰপীঠৰ অন্তৰ্গত এই ভূখণ্ডত আৰ্য-মঙ্গোলীয় গোষ্ঠীৰ সংমিশ্ৰণত গঢ় লৈ উঠা জাতি সত্তাসমূহৰ অতি আদিম আবাস ভূমি এই ভূ-ভাগত অতীজত সমৃদ্ধিশালী ৰাজতন্ত্ৰৰ শাসনৰ ঐতিহাসিক বিৱৰণ পোৱা যায়। পৰৱৰ্তী সময়ত চুতীয়া জাতিৰ কেইবাশ বছৰীয়া শাসনৰ অন্তত সমগ্ৰ বৰ অসম আহোম সাম্ৰাজ্যৰ অন্তৰ্গত হৈ পৰে। তেতিয়া সমগ্ৰ সোৱণশিৰি উপত্যকা হাবুং নামেৰে বিখ্যাত হৈ উঠে। মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমনে যৱনিকা পেলোৱা আহোম সাম্ৰাজ্যৰ শাসনভাৰ অৱশেষত ইয়াণ্ডাবু সন্ধিৰযোগে ব্ৰিটিছৰ হাতলৈ যোৱাত স্বাধীন অসমৰ ইতিহাস সলনি হৈ পৰে।

ৰত্নগৰ্ভা সোৱণশিৰি উপত্যকা, ইয়াৰ জৈৱ-বৈচিত্ৰ্য ঃ সোৱণশিৰিৰ (স্বৰ্ণশ্ৰী) নিৰ্মল জলধাৰাত চিৰন্তন সোণৰ চেকুৰা বৈয়েই আছে। পাহাৰ পুঞ্জৰ গভীৰ ভূ-ভাগত দুস্প্ৰাপ্য খনিজ সম্পদৰ আকৰে ঠাহ খোৱা। মূল্যৱান বনজ সম্পদৰ প্ৰজাতিৰে সমৃদ্ধ ইয়াৰ বৰ্ষাৰণ্য অঞ্চল। নদী, জলাশয়ত হেজাৰ প্ৰজাতিৰ জীৱকুলৰ মুক্ত বিচৰণৰ সমান্তৰালকৈ বিদেশী

পৰিভ্ৰমী পক্ষীৰ কাকলিৰে মুখৰিত ইয়াৰ বিৰিখ, জলাহনীসমূহ। প্ৰচুৰ উৰ্বৰা ভূমি সমন্বিতে শস্যে-মৎস্যে ভোগৰ ভোগালী ক্ষেত্ৰ এই বিশাল সোৱণশিৰি উপত্যকা আজিও বহিৰাগতৰ প্ৰব্ৰজনকাৰীৰ সুলভ উপাৰ্জনৰ আকৰ্ষণৰ কেন্দ্ৰ ৰূপে পৰিগণিত হৈ আহিছে। শংকা-বিষাদৰ মাজেদি সোৱণশিৰি আজিও বৈয়েই আছে। কিন্তু অতীতৰ প্ৰকৃতি প্ৰদত্ত গৌৰৱময় অৱদানসমূহৰ পুনৰীক্ষণ এতিয়া মাথোন এক ৰুমন্থনহে।

সামাজিক বিৱৰ্তনত সোৱণশিৰি উপত্যকা ঃ মানৱ সভ্যত্যৰ ইতিহাস নদীকেন্দ্ৰিক। পুৰাণ প্ৰসিদ্ধ সোৱণশিৰিৰ পুণ্য সলিলাৰ পৰশত মানৱী দেহা প্ৰাপ্তি হোৱাটো মহাভাগ্যৰ ফল বুলি কালিকা পুৰাণত উল্লেখ আছে। দেহান্তৰৰ ক্ষেত্ৰতো গয়াধাম (গংগাধাম) পৱিত্ৰ এখন শান্তিধাম। অটব্য অৰণ্য, খৰস্ৰোতা পাহাৰীয়া নদীৰে পৰিবেষ্টিত ইয়াৰ স্থলভাগ, প্ৰতিকূল পৰিৱেশৰ বাবে এই ভূখণ্ড বহিঃজগতৰ বাবে সদায়েই অগম্য তথা অজেয় হৈ ৰৈ গ'ল। ইতিহাস সেইবাবে ইয়াত নিমাত। উত্তৰৰ শক্তিপীঠসমূহত হাজাৰ যুগ ধৰি শংখ ঘণ্টা, আৰতিৰ দৈৱ ধ্বনী নিনাদিত হ'ল। দক্ষিণৰ বৈষ্ণৱ পীঠ মাজুলী কাঁহ দবা হৰিনাম কীৰ্ত্তনেৰে মুক্তিৰ দ্বাৰ হ'ল। তেতিয়া গয়াধাম সোৱণশিৰিৰ (স্বৰ্ণগংগা) কমণ্ডলু জ্বল সগৰবংশৰ দৰে হাজাৰজনৰ তাপিত প্ৰাণক উদ্ধাৰ কৰাৰ ভূমিকা লৈছিল। কিন্তু হঠাতে এদিন সকলোৰে ছন্দ পতন ঘটিল। মহাভাৰত যুদ্ধৰ শেষ পৰিণতিৰ শোকাবহ সন্ধ্যাযোগে সমগ্ৰ পৃথিৱীত বহু যুগলৈকে কাল অমানিশা নমাই অনাৰেই হয়তো নির্মম ফলশ্রুতি বুলি ইতিহাসে ঠাৱৰ কৰিছে।

মৰহা অতীতৰ চিনাকি সুবাস ঃ বৈদিক যুগৰ সোৱণশিৰিৰ নামনি ভৈয়ামত 'স্বাতী' নামৰ বিশাল সৰোবৰ এখন থকাৰ বিৱৰণ কালিকা পুৰাণত আছে। মানস সৰোবৰৰ হাজাৰ প্ৰজাতিৰ পৰিভ্ৰমী পক্ষীৰ আশ্রয়স্থল এই 'স্বাতী' সৰোবৰ। সোৱণশিৰিৰ গভীৰ গিৰিখাদৰ মৎস্য কূল আৰু স্বাতী সৰোবৰৰ সংযোগী পথ আছিল দুলুংমুখ। সোৱণশিৰিৰ দুলুংমুখ এতিয়া এৰাসুঁতী। 'স্বাতী' সৰোবৰৰ পৰাই বিৰল প্ৰজাতিৰ মাছ, কাছ, শিহু উত্তৰপুৰ সমগ্ৰ জলাশয়লৈ প্ৰব্ৰজন ঘটে। অতীতৰ সেই বিশাল 'স্বাতী' সৰোবৰ যুগৰ অৱক্ষয়ৰ গৰাহত পৰি ভীমপৰা নামেৰে অতীত স্মৃতি জীয়াই। ৰাখিছে। সোৱণশিৰিৰ লগত নিবিড় সম্পর্ক থকা ঘাগৰ, ভীমপৰা, দেউডুবি,

গাগলডুবি, পূর্ণাপাঘাট, বিলমুখ, ৰঙাজান, ঘুনাসুঁতি, হাবুং, ঘাগৰ ইত্যাতিবোৰ প্ৰকৃতাৰ্থত আমাৰ পূৰ্বপুৰুষ গণজীৱনৰ প্ৰাচুৰ্যৰে সমৃদ্ধ।

কতনা যুগৰ ৰাজগড় আলি, ৰুক্মিণীআলি, নকয়চোন কথা অতীত কাহিনী। কোন পথেদি কুণ্ডিল কুৱৰী ৰুক্মিনীক দ্বাৰকাৰ কৃষ্ণই হৰণ কৰি নিলে তাক স্বয়ং বাসুদেৱ প্ৰভু কলীয়া গোসাঁইয়েহে ক'ব পাৰিব। অতীত হেৰাই গ'ল, তাৰ কথা অন্ত হ'ল বুলি আন কোনোবাই হয়তো উপেক্ষা কৰি চলিব। ৰত্নগৰ্ভা সোৱণশিৰিৰ ৰত্নৰ আকৰ মাজুলীৰ ৰতনপুৰ। ৰতনপুৰ (ৰত্নপুৰ) একালৰ চুতীয়া ৰাজ্যৰ ৰাজধানী আছিল বুলি ইতিহাসবিদে কয়। শিয়ালী ক'ত ৰতনপুৰত। ৰতনপুৰত এতিয়া শিয়ালী নাই আৰাও দিবলৈ। বৰ লুইতৰ আগ্ৰাসনত সমগ্ৰ মাজুলী আজি চৰম কোলাহল পূৰ্ণ।

১৯৫০ চনৰ ৰৰভূইকপ আৰু ৰৰদলনি মৌজাত ইয়াৰ প্ৰভাৱ ঃ ১৯৫০ চনৰ ১৫ আগষ্টৰ প্ৰলয়ংকৰী ভূমিকম্পই সমগ্ৰ উত্তৰ পাৰত এক যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰিলে। উল্লেখনীয় কাৰণ কেইটা হ'ল—

(ক) কোমল শৈল পৰ্বতবোৰ ভাগি যোৱাত সেইবোৰৰ মাটিৰে গঠিত পলসে বাৰিষাকালত ত্ৰাসৰ সৃষ্টি কৰিবলৈ ল'লে।

(খ) বানপানীত অহা পলসে পিতনি, উহনি, বিল, জলাশয়বোৰ এফালৰ পৰা পুতি বিশাল বালী চাপৰিত পৰিণত কৰিলে। গাঁও-ভূঁইও বাদ নপৰিল।

(গ) নদীৰ বক্ষ তৰাং হোৱাত মথাউৰিৰ ব্যৱস্থাটো ভেটিবলৈ গৈ বিভাগৰ বাবে সোণৰ কণী পৰা হাঁহলৈ ৰূপান্তৰ ঘটি মৃত্যুৰ পৰোৱানা জাৰি কৰিছে।

(ঘ) আগৰ মূলসুঁতিৰ পৰা সোৱণশিৰিয়ে ৪ কিঃমিঃ পশ্চিমলৈ গতি কৰি আজিও বৈ থাকি বৃহত্তৰ গোগামুখ অঞ্চলৰ পৰিসৰ বৃদ্ধি কৰিলে।

বৃহত্তৰ ৰৰদলনি মৌজাৰ অতীত আৰু বৰ্তমান ঃ ব্ৰিটিছ শাসনতেই সৃষ্টি হোৱা ৰৰদলনি এটা বৃহৎ ৰাজহ মৌজা। এই মৌজাৰ প্ৰথম মৌজাদাৰ আছিল স্বনামধন্য ৰায় চাহাব গোগাপুৰ দাস। ৰায়চাহাব উপাধী ব্ৰিটিছেই দিয়া। দল ঘাহেৰে পৰিপূৰ্ণ এক সু-বিশাল দলনি থকাৰ বাবেই হাবুং নামৰ সাৰ্থকতা ৰাখি ৰৰদলনি তথা ৰৰদলনি মৌজা হ'ল। দুৰ্গম যাতায়াতী ব্যৱস্থা, ধাৰাবাহিক বানপানীৰ লগত সহ-অৱস্থান কৰি যুগ যুগ ধৰি আমাৰ পূৰ্বপুৰুষসকলৰ হেপাহৰ আৱাসভূমি, আশাৰ মৰুদ্যান এই ৰৰদলনি অঞ্চল। শস্যে, মৎস্যে, গাখীৰেৰে উৰ্ভেনদী ভোগৰ ভোগালী ঠাই, অভাৱ একোতে

নাই। ৰঙালী-ভোগালীয়ে তৃপ্তিৰে সান্দহ, চিৰা, দৈ খাবলৈ বহুৰত একোবাৰ অহাৰ সময়ত ঢেকী, ধোল-পেপাৰ শব্দত দশোদিশ মুখৰিত হৈ থাকে। অৱশ্যে এতিয়া পৰিৱেশ সলনি হ'ল। কুমটিয়া, জীয়াঢলৰ পলসে উত্তৰৰ অভয়াৰণ্য বৰবিলা আৰু বিশাল দলনিখন (বৰদলনি) পুতি নিঃশেষ কৰি পেলোৱাত সেইবোৰ এতিয়া চৰ চাপৰিৰে পৰিপূৰ্ণ হৈ গ্ৰাম্যভূমিলৈ ৰূপান্তৰ হ'ল। ব্যতিক্ৰম মাথোন পদুমণিৰ বৰপুখুৰী। একালত পদুম ফুলেৰে জাতিষ্কাৰ পদুমণিৰ বৰপুখুৰীৰ পদুমৰ সুবাসে এতিয়া চৌদিশ আমোল-মোলাই তুলিছে। কেন্দ্ৰীয় মহাবিদ্যালয়, উন্নয়ন খণ্ড, জুনিয়ৰ কলেজ ইত্যাদিবোৰ ইয়াত শেহতীয়া সংযোজন। এই অনুষ্ঠানসমূহ বৰদলনিৰ নতুন প্ৰজন্মৰ শিক্ষিত চামৰ নেৰা-নেপেৰা প্ৰচেষ্টাৰ লগতে সমাজৰ নেতৃস্থানীয় লোকসকলৰ দীৰ্ঘ দিনীয়া প্ৰচেষ্টাৰ ফলশ্ৰুতি।

নদীৰ গতি পথ সলনিত ভূমিকম্পৰ অৱদান ঃ প্ৰাকৃতিকভাৱে ভূমিকম্পই নদীৰ গতিপথ সলোৱাত মুখ্য ভূমিকা যোগাই আহিছে। তেতিয়াই নদীৰ কান্ধত থকা গধুৰ ভাৰখন যেন ইকান্ধ-সিকান্ধ কৰিবলৈ সুযোগ আহে। মথাউৰিবোৰ নদীক নিয়ন্ত্ৰণ কৰিবলৈ বন্ধা হয় যদিও বান্ধ ভাগিলে নদীখনৰ গতিপথ সলনি হৈ যোৱাৰ লগতে হিতে বিপৰীত হৈ সম্পদৰ বিস্তৰ ক্ষতি সাধন হয়। জন-জীৱনৰ অভিশাপ স্বৰূপ মথাউৰিবোৰ নোহোৱা হ'লে ঠাইবোৰো ইমান বহুৰে সমান হৈ বানপানীৰ সংকট নেথাকিলেহেঁতেন। সোণৰ কণী পৰা হাঁহজনী চৰকাৰেই পুঁহি ৰাখিছে।

ভূ-পৃষ্ঠৰ অস্বাভাৱিক পৰিৱৰ্তন ঃ ১৯৫০ চনৰ ১৫ আগষ্টৰ বৰ ভূইকপ আৰু ১৯ আগষ্টৰ সোৱণশিৰিৰ কাল অমানিশাৰ প্ৰলয়ৰ ফলত সমগ্ৰ সোৱণশিৰি উপত্যকাৰ বিশালবক্ষ মৰুভূমিত পৰিণত কৰাৰ লগতে জীয়াঢল নদীৰ পলসে দল ঘাঁহেৰে পৰিপূৰ্ণ প্ৰায় ২০০ মাইল পৰিসীমাৰ 'বৰদলনি'খনো পুতি কঁহুৱাৰ চাপৰিত পৰিণত কৰিলে। অতীতৰ অজস্ৰ কাহিনীৰ ইতিহাস বুকুত বান্ধি, বিদায়ী গণৰ অস্থিবোৰ আলফুলে সাৱতি বৰদলনিখন লুকাই গ'ল বৰচাপৰি হৈ। কেৱল নামটো হে থাকিল। যুগ যুগান্তলৈ।

প্ৰগতিৰ সোপানত সোৱণশিৰি উপত্যকা ঃ ১৯৫০চনৰ পৰা ১৯৬২ চন পৰ্যন্ত এক সুদীৰ্ঘ পৰিক্ৰমা ধৰি সোৱণশিৰি উপত্যকাত জয়াল জংঘল

ৰাজৰ বিভীষিকা। মান ভগনৰ সময়ৰ দৰে প্ৰায় জনশূন্য এই বিশাল বলুকা উপত্যকা। চীনা আক্ৰমণৰ পটভূমিত মুৰ্কংচেলেক পৰ্যন্ত ৰে'ল লাইন সম্প্ৰসাৰণ হ'ল। সমান্তৰালভাৱে লুইতৰ ওপৰৰ বগীবিল দলঙক সংযোগ কৰি দক্ষিণ পাৰলৈকে ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ লগতে বিদ্যুতৰ যোগানকে ধৰি গ্ৰাম্য ৰাস্তা-ঘাটৰ আধুনিকীকৰণ হ'বলৈ ধৰিলে। সুযোগ সুবিধা বুজি বাহিৰৰ পৰা অহা বিহাৰী, নেপালী, দেচুৱালী, মাৰোৱাৰী, চাওতালী, মিঞা ইত্যাদি সম্প্ৰদায়ৰ লোকে সুবিধাজনক ঠাই চিনাক্ত কৰি বৰপীৰা পাৰি বহি ল'লে। আমাৰ থলুৱা মখাই পৈত্ৰিক মাটি কেইডাকে সাৱতি থাকোতেই গ'ল। ইয়ো হ'ল আমাৰ তথাকথিক থলুৱামখাৰ চৰম অদূৰদৰ্শিতাৰ পৰিচয়।

শৈক্ষিক উত্তৰণ তথা নিবনুৱা সমস্যা ঃ বৃহত্তৰ সোৱণশিৰি উপত্যকাৰ ভিতৰত বিশাল বৰদলনি অঞ্চল শৈক্ষিক দিশত পূৰ্বৰ পৰা আগবঢ়া যদিও শিক্ষানুষ্ঠানৰ সংখ্যা তেনেই সেৰেঙা আৰু বৰদলনি উচ্চ মাধ্যমিক বিদ্যালয়খনেই ধেমাজি মহকুমাৰ ভিতৰত একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান আছিল। গাঁওবোৰত প্ৰৰেশিকাত পাচৰ সংখ্যা এজন বা দুজনহে। সেই সময়ৰ শিক্ষাব্যৱস্থাত পাঠ্যপুথি জ্ঞানৰ সমান্তৰালকৈ জীৱননিৰ্বাহৰ প্ৰয়োজনীয় জ্ঞানকেই ছাত্ৰ-ছাত্ৰীসকলে আয়ত্ত কৰিবলগীয়াত পৰিছিল। বোৱা-কটাৰ পৰা আৰম্ভ কৰি কৃষি কাৰ্যৰ লগত জড়িত হৈ গ্ৰাম্য জীৱনৰ সম্পদ আহৰণত অৰিহনা যোগাইছিল। ভূগোল, বুৰঞ্জী শিক্ষাৰ যোগেদি ৰাজ্যখনৰ ভৌগোলিক আৰু অতীত ইতিহাসৰ জ্ঞান আয়ত্ত কৰিব পৰাকৈ পাঠ্যপুথিবোৰ প্ৰস্তুত হৈছিল। বৰ্তমানৰ শিক্ষা ব্যৱস্থাত এইবোৰৰ ওপৰত গুৰুত্ব কমাই দিয়া হৈছে। উপজা মাটিৰ চিনাকি আৰু অতীত ইতিহাসৰ যেন কোনো প্ৰয়োজন নাই। আজি বিশ্বায়নৰ প্ৰভাৱে সমগ্ৰ দেশৰ শিক্ষা ব্যৱস্থাটোৰেই আমূল পৰিৱৰ্তন ঘটাই পেলাইছে। বিদেশী বহুজাতিক কোম্পানীৰ ব্যৱসায়িক- বাণিজ্যিক স্বাৰ্থ ৰক্ষাৰ বাবেই যেন বৰ্তমানৰ সমগ্ৰ শিক্ষাব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। আমাৰ গাঁৱে-ভূঞে বৰ্তমান অসংখ্য বিদ্যালয়, মহাবিদ্যালয় স্থাপিত হৈছে যদিও ইয়াৰ দ্বাৰা ডিগ্ৰীধাৰী নিবনুৱাৰ হে সৃষ্টি কৰা হৈছে। স্ব-নিৰ্ভৰশীল হোৱাৰ শিক্ষা তথা সুবিধা নথকা হেতুকে লাখে লাখে অসমৰ শিক্ষিত যুৱক-যুৱতীসকলে সংস্থাপনৰ কাৰণে বহিঃ

ৰাজ্যলৈ ঢাপলি মেলি হাৰাশাস্তি খাইছে। গোলকীয় প্ৰভাৱে আমাৰ কৃষি সভ্যতা-সংস্কৃতি বিনাশ কৰি ভৰিৰ তলৰ মাটিকণৰ চিনাকিও নোহোৱা কৰিছে। দেশৰ সৰ্বাঙ্গীন বিকাশৰ নামত বিনাশৰ আখৰা চলিছে। আদিম যুগৰ বৰ্বৰতাৰে হত্যা, হিংসা, লুণ্ঠন, ধৰ্ষণ, অপহৰণ, দুৰ্নীতি ইত্যাদি অপকৰ্মত আজি মানৱীয় প্ৰমূল্যসমূহ ভূ-লুণ্ঠিত। আমাৰ পূৰ্বৱৰ্তীগণে আগতে বহুত শান্তিৰে ভোগৰ প্ৰাচুৰ্যতাৰ মাজত জীৱননিৰ্বাহ কৰিছিল। এতিয়া কেৱল অশান্তিৰ পয়োভৰ। আমাৰ উত্তৰ পাৰত ইতিমধ্যে পকী ৰাষ্টা-ঘাট, চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান, ব্ৰডগজ ৰে'ল ইত্যাদিবোৰ স্থাপন হৈ জিলিকি উঠিছে। সেই অনুসৰি উদ্যোগ-কাৰিকৰী প্ৰতিষ্ঠানৰ সংখ্যাত শূন্য। প্ৰগতিৰ অন্যতম হিচাপে বগীবিলৰ দলঙো সম্পূৰ্ণ। মুঠতে সমগ্ৰ উত্তৰ পাৰত ক্ৰমবিকাশৰ নতুন দিগন্তৰ সূচনাৰে সমুজ্জ্বল হোৱাৰ সময়তে সোৱণশিৰি নদীৰ ওপৰত নিৰ্মাণৰত বৃহৎ নদীবান্ধে আমাৰ ভৱিষ্যত প্ৰজন্ম তথা জনসাধাৰণৰ বাবে এক ভয়াবহ অশনি সংকেত কঢ়িয়াই অনাৰ লগতে আমি যেন এক অনিশ্চিত ভৱিষ্যতৰ দিশে আগবাঢ়ি গৈ আছো, য'ত প্ৰগতিৰ আশীৰ্বাদ আমাৰ বাবে অভিশাপ স্বৰূপে কালান্তক হৈ উঠিব পাৰে।

ম'বাইল ঃ ৯৮৫৯৬২২৩১২

পৰিৱেশ প্ৰদূষণ
মানৱ সমাজ আৰু বনাঞ্চল

ফটিক শৰ্মা

প্ৰকৃতি আৰু জীৱ তথা মানৱ সমাজৰ সম্পৰ্ক অবিচ্ছেদ্য। প্ৰকৃতিৰ বুকুত আমি লালিত-পালিত হৈছো। আমি এই পৃথিৱীখন উপৰি পুৰুষৰ পৰা পৈতৃক সূত্ৰে পাইছোঁ। আমাৰ ল'ৰা-ছোৱালী বা নাতি-পুতিহঁতৰ বাবে এই পৃথিৱীখন সুন্দৰ কৰি ৰাখিব লাগিব।

বায়ু, মাটি আৰু পানীৰ সমষ্টিয়েই আমাৰ পৰিৱেশ। পৰিৱেশৰ গছ-গছনি অৰ্থাৎ উদ্ভিদেই হ'ল মুখ্য উপাদান। উদ্ভিদে পৃথিৱীৰ মুঠ মাটিকালিৰ প্ৰায় এক তৃতীয়াংশ পাৰিৱেশিক অৱস্থা এটাৰ গঢ় দিছে। উদ্ভিদ আৰু জীৱ দুয়ো আন্তঃনিৰ্ভৰশীল। প্ৰকৃতিত প্ৰাণী বা উদ্ভিদ কোনোবা এটাৰ অস্তিত্ব বিপন্ন হোৱা মানে আনটোৰো অস্তিত্ব লোপ পোৱা।

উদ্ভিদ প্ৰজাতি বা গছ-গছনি নোহোৱাকৈ জীৱ-জন্তু তথা মানৱ জাতি জীয়াই থকা সম্ভৱ নহয়। উদ্ভিদে প্ৰাণীৰ আহাৰ যোগান ধৰাৰ লগতে বায়ুমণ্ডলৰ উপাদানসমূহ নিৰ্দিষ্ট আনুপাতিক হাৰত অটুট ৰাখে। আমি উশাহত অক্সিজেন গ্ৰহণ কৰোঁ আৰু নিশাহত কাৰ্বনডাই অক্সাইড এৰি দিও। জীৱ মাত্ৰেই এই কাম কৰে। আনহাতে প্ৰায় সকলোবোৰ উদ্ভিদে আহাৰৰ কাৰণে কাৰ্বন ডাই অক্সাইড গ্ৰহণ কৰে আৰু অক্সিজেন এৰি দিয়ে। লাখ লাখ বছৰ জোৰা ক্ৰমবিকাশৰ ফলত স্থাপিত কাৰ্বনডাই অক্সাইড আৰু অক্সিজেনৰ এই ভাৰসাম্যৰ বৰ্তমান পৰিৱৰ্তন ঘটিছে। অতি ক্ষুদ্ৰ জীৱৰ পৰা আৰম্ভ কৰি ডাঙৰ প্ৰাণীসমূহক ধৰি মানুহ গছ-গছনি আদি সকলো জীৱই জীয়াই থাকিবৰ বাবে নিজৰ সুবিধা অনুসৰি উপযুক্ত ঠাই পৰিৱেশ

সাপেক্ষে. বাচি লৈ বসতি স্থাপন কৰে।. উদ্ভিদ আৰু প্ৰাণীৰ মাজত পাৰস্পৰিক নিৰ্ভৰশীলতাৰ মূলতঃ বসতি বা আৱাসস্থলৰ বাবে, খাদ্যৰ বাবে।

গছ-গছনি তথা অৰণ্যসমূহ জীৱ-জন্তুৰ স্বাভাৱিক বাসস্থান। পৃথিৱীৰ প্ৰায় সৰহ সংখ্যক জীৱ-জন্তুৱে উদ্ভিদে প্ৰদান কৰা আশ্ৰয়ত বাস কৰে। পৰজীৱী জীৱৰ পৰা আৰম্ভ কৰি সৰু সৰু পোক-পৰুৱা, কীট-পতঙ্গ সকলোৱে উদ্ভিদৰ আশ্ৰয়ত জীয়াই থাকি বংশ বৃদ্ধি কৰাৰ পৰা সকলো কাম গছ-বনতেই হয়। অৰণ্যৰ বুনিয়াদ হ'ল- গছ-গছনি। অৰণ্যৰ আধাৰতেই আদিম মানুহে জীৱননির্বাহ কৰিছিল। ইয়াৰ উপৰিও আজিৰ আধুনিক যুগতো আন্দামান দ্বীপপুঞ্জ, আফ্ৰিকাৰ ঘন অৰণ্য, ৰুটলেণ্ট দ্বীপ আদিত বাস কৰা জাৰৱা আৰু অংগে জনগোষ্ঠীৰ লোকসকল আজিও অৰণ্যৰ আধাৰত বাস কৰে।

প্ৰকৃতিত উদ্ভিদ আৰু প্ৰাণীৰ পাৰস্পৰিক সম্পৰ্কৰ এটা মুখ্য কাৰণ হ'ল খাদ্য। মানৱ জাতিকে আদি কৰি সকলো জীৱ-জন্তুৱে প্ৰত্যক্ষ বা পৰোক্ষভাৱে হ'লেও উদ্ভিদৰ ওপৰত নিৰ্ভৰশীল। উদ্ভিদ জাতিয়ে সালোক সংশ্লেষণৰ দ্বাৰা নিজৰ আহাৰ নিজে তৈয়াৰ কৰে। মানৱ জাতি আৰু অন্যান্য জীৱ-জন্তুৱে আহাৰৰ বাবে উদ্ভিদে সালোক সংশ্লেষণৰ দ্বাৰা তৈয়াৰ কৰা আহাৰৰ ওপৰত নিৰ্ভৰশীল। তৃণভোজী প্ৰাণীয়ে ঘাঁহ খায়, মাংসহাৰীয়ে তৃণভোজী জীৱ ভক্ষণ কৰে। এনেদৰে প্ৰত্যক্ষ বা পৰোক্ষভাৱে সকলো জীৱই উদ্ভিদৰ ওপৰত নিৰ্ভৰশীল। 'প্ৰদূষণ' অথবা 'প্ৰদূষণকাৰী' এই শব্দ দুটাৰ সঠিক সংজ্ঞা দিবলৈ সহজ নহয়। পল্যুৎ আৰু পল্যুশ্যন শব্দ দুটাৰ ইংৰাজী অভিধানত এনেদৰে দিয়া হৈছে— পৱিত্ৰতা বা নিৰ্মলতা নষ্ট কৰা অৰ্থাৎ দূষিত কৰা কাৰ্য। প্ৰদূষণ সম্পৰ্কত প্ৰখ্যাত লেখক কে ডি নাৰায়ণে কৈছে যে 'আমাৰ পৃথিৱীখন এটা অতি ৰুগীয়া গ্ৰহত পৱিণত হৈছে আৰু জৰুৰীভাৱে ধ্বংসৰ আগজাননী। যেনেকৈয়ে নহওক ইয়াক যদি ৰোধ কৱিব পৰা নাযায়, তেন্তে গোটেই গ্ৰহটোৱেই জীৱৰ বসবাসৰ অনুপযোগী হৈ পৱিব'।

জীৱমণ্ডলত মানুহৰ উপৰিও গছ-গছনি, জন্তু, চৰাই, মাছ, পোক-পতংগ আৰু শেলুৱৈ, বেক্টেৰীয়া, ভাইৰাছ আদিৰ দৰে অনুজীৱসমূহো থাকে। বায়ুমণ্ডলে অক্সিজেন যোগান ধৰে। পানী, খাদ্য, বাসস্থান আদিৰ কাৰণে

বাৰিমণ্ডল আৰু শিলামণ্ডলৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। যেতিয়াই বায়ুমণ্ডল, বাৰিমণ্ডল আৰু শিলামণ্ডলৰ কিবা পার্থিৱ বা ৰাসায়নিক পৰিৱর্তন হয় তেতিয়াই সকলো জীৱৰ ওপৰত তাৰ প্ৰভাৱ পৰে। এই পৰিৱর্তনৰ নামেই হ'ল প্ৰদূষণ আৰু যিবিলাক বস্তুৱে এনে প্ৰদূষণ ঘটাই সিহঁতেই হ'ল প্ৰদূষক।

ঊনৈশ শতিকাৰ শেষ ভাগলৈকে বায়ুমণ্ডলত কোনো ধৰণৰ বেয়া প্ৰতিক্ৰিয়া নহৈছিল। শিল্পবিপ্লৱৰ পিছতেই প্ৰদূষণ লাহে লাহে বৃদ্ধি হৈ আহিল। কিন্তু এতিয়া ইয়াৰ পৰিসৰ ইমান বাঢ়িল যে আমাৰ পৃথিৱীৰ সকলো জীৱই বিপদগ্ৰস্ত হৈ পৰিছে।

মানুহ এজনে আহাৰ নোখোৱাকৈ এমাহ, পানী নোখোৱাকৈ দুদিন বা তিনিদিন থাকিব পাৰে কিন্তু উশাহ নোলোৱাকৈ এক মিনিটো থাকিব নোৱাৰে। এজন পূৰ্ণ বয়স্ক মানুহে দৈনিক গড়ে ১৫ কি.গ্ৰাম বায়ু উশাহত গ্ৰহণ কৰে। এতিয়া আমি যি বায়ু উশাহত সেৱন কৰো সি মাত্ৰ বিহ। ইয়াৰ বাবে দায়ী কোন? উত্তৰত আমি ক'ব লাগিব মানুহ, কেৱল মানুহেই ইয়াৰ বাবে দায়ী। আদিম দিনত মানুহে পৰিৱেশৰ লগত মিলিজুলি বাস কৰিছিল কিন্তু পৰৱর্তী কালত যুগে যুগে মানৱৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাই আহিল। যিয়ে মানুহক অধিক পৰিমানে প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ কৰিবলৈ একপ্ৰকাৰ বাধ্য কৰিলে। জনসংখ্যা বৃদ্ধি আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়ন এই দুয়োটাৰ ফলত মানুহে পৃথিৱীৰ পৰা অধিক পৰিমানে শক্তি আৰু কেঁচামাল আহৰণ কৰিবলৈ ধৰিলে। তাৰেই ফলত মানুহ আৰু মানুহৰ চাৰিওফালে থকা উদ্ভিদ আৰু প্ৰাণী সকলোৰে জীৱন বিপদাপন্ন হৈ পৰিল। কিছুমান সামগ্ৰী এবাৰ ব্যৱহাৰ কৰাৰ পিছত পুনৰ উদ্ধাৰ কৰি ব্যৱহাৰ কৰিব পাৰি। কিন্তু মনুষ্য জাতিয়ে পুনৰ উদ্ধাৰ কৰিব নোৱৰা মূল্যৱান সামগ্ৰীসমূহকতো জধে মধে ব্যৱহাৰ কৰিবলৈ লৈছেই আনকি কীটনাশক ঔষধৰ ব্যৱহাৰ আৰু তেজস্ক্ৰিয় আৱর্জনা সৃষ্টি কৰি ভৱিষ্যতৰ মানৱ সমাজকো নানা বিপদৰৰ মুখলৈ ঠেলি দিছে। বর্তমান পৃথিৱীৰ প্ৰায় সকলো দেশতেই আৰু সকলো ঠাইতেই প্ৰদূষণৰ বিৰুদ্ধে এক চিঞৰ-বাখৰ আৰম্ভ হৈছে। প্ৰদূষণে বায়ু দূষিত কৰে আৰু পানী বিষাক্ত কৰি তোলে। প্ৰদূষণে বিষাক্ত দ্ৰব্য জীৱমণ্ডললৈ এৰি দিয়ে যাৰ বায়ু শ্বসনৰ অনুপযোগী হৈ পৰে যিবোৰ মানুহ, উদ্ভিদ আৰু লগতে আন জীৱবোৰ স্বাস্থ্য অনিষ্ট কৰে। দ্ৰুত

উদ্যোগীকৰণ, যান-বাহন ইত্যাদিৰ ব্যৱহাৰ পৰিসৰ বৃদ্ধিৰ লগে লগে প্ৰদূষণ মাত্ৰাধিক হৈছে। উদ্যোগসমূহত অধিক পৰিমানে জীৱাশ্ম ইন্ধন পোৰে ফলত প্ৰদূষণৰ সমস্যাটো অধিক জটিল কৰি তোলে। আমাৰ বায়ুমণ্ডলক আমি এটা পেলনীয়া বস্তুৰ পাৰ্চি যেন ব্যৱহাৰ কৰো য'ত ধূলি, দূষিত ধোঁৱা, বিষাক্ত গেছ আৰু অন্যান্য প্ৰদূষকবোৰ যধে মধে পেলাই দিও। এইবোৰৰ উপৰিও জীৱাশ্ম ইন্ধন দহনৰ ফলত বায়ুত উপস্থিত প্ৰদূষক আৰু প্ৰদূষকে সৃষ্টি কৰা সমস্যাৰ বিষয়ে তলত থুলমূল আভাস দিয়া হৈছে।

১। ছালফাৰ ডাই অক্সাইড উপস্থিতিৰ ফলত জীৱৰ শ্বাসতন্ত্ৰৰ ৰোগ, চকুৰ পোৰণি, কাঁহ, উশাহৰ অসুবিধা।

২। কাৰ্বন মন অক্সাইড নামৰ প্ৰদূষকৰ উপস্থিতিৰ ফলত তেজত অক্সিজেনৰ পৰিমাণ হ্ৰাস পায়।

৩। সীহৰ উপস্থিতিৰ ফলত স্নায়ুৰ বেমাৰ হয়।

৪। নাইট্ৰজেন অক্সাইড উপস্থিতিৰ ফলত হাওঁফাওঁৰ বেমাৰ হয়।

৫। হাইড্ৰ কাৰ্বন উপস্থিতিৰ ফলত হাওঁফাওঁৰ কৰ্কট ৰোগ হয়।

৬। কপাৰ ছালফেটৰ উপস্থিতিৰ ফলত শৰীৰ বিষক্ৰিয়া হয়।

৭। এমনিয়া প্ৰদূষক বিধ উপস্থিতিৰ ফলত শ্বাসজনিত ৰোগ হয়।

৮। হাইড্ৰ'জেন ছালফাইড উপস্থিতিৰ ফলত শৰীৰ দুৰ্বলতা হয়।

৯। এছবেষ্টছ উপস্থিতিৰ ফলত এছবেষ্ট'ছিছ ৰোগ আৰু কৰ্কট ৰোগ হয়।

১০। মেংগানিজ উপস্থিতিৰ ফলত স্নায়ু আৰু জননতন্ত্ৰৰ ৰোগ হয়।

১১। মেলাথিয়ন উপস্থিতিৰ ফলত স্নায়ুৰোগ, বিষক্ৰিয়া হয়।

১২। ক্লৰিনৰ উপস্থিতিৰ ফলত শ্বাসজনিত ৰোগ হয়।

১৩। বেনজিনন উপস্থিতিৰ ফলত লিউকেমিয়া ৰোগ হয়।

১৪। এলড্ৰিনৰ উপস্থিতিৰ ফলত স্নায়ুৰোগ, বিষক্ৰিয়া হয়।

১৫। উপঙি ফুৰা ধূলিকণাৰ ফলত শ্বাসজনিত ৰোগ হয়।

হাইড্ৰকাৰ্বনে হাওঁফাওঁৰ কেন্সাৰ ৰোগ সৃষ্টি কৰে। মটৰ গাড়ীৰ ধোঁৱাৰ বিশেষকৈ কণ কণ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত এইবোৰে মগজুৰ অনিষ্ট সাধন কৰে। লগত ওলোৱা পীছে পাছে পাছে বিট অতিকৈ ভয়ানক, হাওঁফাওঁ কেশান, ব্ৰংকাইটিছ, হাওঁফাওঁত থকা মোনাবোৰ বহল হৈ যোৱা আৰু হাপানীৰ দৰে লেলেতিয়া বেমাৰবোৰ হয় এই প্ৰদূষিত বায়ু সেৱন কৰি

থাকিলে প্রদূষণৰ ফলত হোৱা অন্য এবিধ বিকাৰ হ'ল সঞ্চিত ব্রংকাইটিছ। এই ৰোগত অতি বেছি পৰিমানে কফ ওলাই শ্বাসনলীত জমা হয় ইয়াৰ উপৰিও প্রদূষণৰ ফলত সর্বসাধাৰণতে পানীলগা আৰু নিমোনিয়া হয়। জীৱাশ্ম ইন্ধন আৰু তেল দহনৰ পৰিমাণ নিতৌ বাঢ়ি যোৱাৰ ফলত বায়ুমণ্ডলত যোৱা কেইটামান বছৰৰ ভিতৰত কার্বনডাই অক্সাইডৰ মাত্রা বাঢ়ি গৈছে। কার্বনডাই অক্সাইডে অতি বেছি তাপ শোষণ কৰে আৰু সূর্যৰ ৰশ্মি পৃথিৱীৰ পৃষ্ঠত প্রতিফলিত হৈ ভূপৃষ্ঠখন শীতল কৰি ৰখাৰ প্রক্রিয়াটোত ই বাধা প্রদান কৰে। গণনা কৰি পোৱা গৈছে যে বর্তমান থকা কার্বনডাই অক্সাইডৰ পৰিমাণ ভৱিষ্যতে দুগুণ হৈ পৰিব আৰু তাৰ ফলত ভূ-পৃষ্ঠৰ উষ্ণতা প্রায় ১৩০ ছেলছিয়ালৈ বৃদ্ধি পাব। যদি পৃথিৱীৰ সমষ্ট জীৱাশ্ম ইন্ধন যদি জ্বলাই দিয়া হয় তেন্তে নির্গমন হোৱা কার্বনডাই অক্সাইডৰ আধাখিনি মহাসমূদ্রত দ্রৱীভূত হয় আৰু বাকী আধাখিনি বায়ুমণ্ডলত ৰৈ যায় তেন্তে ভূ-পৃষ্ঠৰ উষ্ণতা ২০ ৰ পৰা ৩০ ছে. বাঢ়ি যাব পাৰে যাৰ ফলত মেৰু অঞ্চলৰ ৰফবোৰ গলি যাব আৰু সাগৰৰ জলপৃষ্ঠ উচ্চত বাঢ়ি যাব আৰু পৃথিৱীৰ বহু ঠাই পানীত বুৰ যাব। এই প্রদূষণবোৰ উপস্থিতিৰ ঘাই কাৰণ হৈছে জনসংখ্যা বৃদ্ধি। ১৯৭২ চনত পৃথিৱীত জনসংখ্যা আছিল ৩২০ কোটি আৰু এই জনসংখ্যা ১৯৯২ চনত বৃদ্ধি হৈ হ'লগৈ ৫৬০ কোটি। অর্থাৎ দুটা দশকৰ ভিতৰত ২৮০ কোটি জনসংখ্যা বৃদ্ধি পালে। মানুহৰ এই জনসংখ্যা বৃদ্ধিয়ে পৃথিৱীত থকা সম্পদ উৎসসমূহ শুকুৰাই পেলালে আৰু আৱর্জনাৰ পৰিমাণ বৃদ্ধি কৰিলে। এই দ্রুত গতিত বাঢ়ি অহা জনসংখ্যাই ৰাষ্ট্রসংঘক চিন্তিত কৰি তুলিছে। সেয়ে ৰাষ্ট্রসংঘই এটা টোকাত কৈছে যে 'বৃদ্ধি হোৱা জনসংখ্যাৰ কাৰণে যি পৰিমাণৰ খাদ্য, পানী, খনিজাত দ্রব্য, ইন্ধন আৰু আন আন বস্তুৰ প্রয়োজন হ'ব- সি পৃথিৱীৰ সকলো ঠাইৰ ওপৰতে এক হেঁচা দিব। সেই কাৰণেই সুচিন্তা, পৰিকল্পনা আৰু প্রাকৃতিক সম্পদৰ সু-পৰিচালনাৰ প্রয়োজন হ'ব। এই আন্তর্জাতিক হেঁচাৰ পৰা কোনো ৰাষ্ট্রই সাৰি যাব নোৱাৰিব'। আমি বায়ু পানী আৰু মাটিক নানা ধৰণৰ প্রদূষণেৰে বিষাক্ত কৰি তুলিছোঁ। স্বাভাৱিক অৱস্থাত থকা বহুতো জীৱ-গোষ্ঠীৰ জীৱন বিপদাপন্ন কৰি তুলিছো, অথচ আমি নিজেই ভবা নাই তাৰ পৰা আমাৰেই অপকাৰ হৈছে। এই জটিল তন্ত্রটোত নানা ধৰণৰ জীৱ-উদ্ভিদ আৰু মানুহ সকলোৱেই সোমাই আছে।

জীৱনৰ সেই ডাঙৰ চক্ৰটোতে আমি সকলোৱেই অংশীদাৰ। অচিৰে আমি এই মানুহ নামৰ প্ৰাণীটোৱে পৃথিৱী, বায়ুমণ্ডল আৰু সাগৰৰ প্ৰাকৃতিক সম্পদসমূহৰ ভাৰসাম্যতাত আউল লগাম আৰু সিয়েই মানৱ সমাজক ধ্বংস কৰি পেলাব। আমি এনে এটা অৱস্থাত উপনীত হৈছোঁহি, য'ত আমাক ৰক্ষা কৰিবৰ কাৰণেই পৰিৱেশক ৰক্ষা কৰিব লাগিব। আমি মানুহবোৰে প্ৰকৃত জ্ঞানীৰ দৰে জীৱন যাপন কৰিছোঁনে? এনে প্ৰশ্ন দুৰ্ভাগ্যক্ৰমে বহুত পলমকৈহে আমাৰ মনত উদয় হৈছে? বায়ু, পানী আৰু মাটি প্ৰদূষণৰ কাৰকবোৰ ফু-মন্ত্ৰৰে নাইকিয়া কৰিব পাৰিলে পৃথিৱীখন সুখ আৰু স্বাচ্ছন্দ্যৰে ভৰি পৰিলেহেঁতেন। কিন্তু প্ৰকৃততে তেনে কোনো যাদুমন্ত্ৰ নাই। শৃঙ্খলাবদ্ধ আৰু সুদৃঢ় চেষ্টাৰ দ্বাৰাহে প্ৰদূষণ বন্ধ কৰিব পৰা যাব। চৰকাৰী আইন আৰু ব্যক্তি তথা সমাজৰ গঠনমূলক প্ৰচেষ্টাৰো খুবেই প্ৰয়োজন। পৰিৱেশ প্ৰকৃতিৰ অমূল্য দান। পৰিৱেশৰ সংৰক্ষণক আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰাতো আমাৰ সকলোৰে কৰ্তব্য। আমি পৃথিৱীখন চিৰসেউজ কৰি ৰাখিব লাগিব যাতে প্ৰদূষণমুক্ত এক পৰিৱেশত আমি সকলো জীৱই জীয়াই থাকিব পাৰো। আনি নিজক ৰক্ষা কৰিবৰ কাৰণেই পৰিৱেশক ৰক্ষা কৰিব লাগিব। তাকে নকৰিলে অদূৰ ভৱিষ্যতলৈ মানুহ নিজেই লুপ্তপ্ৰায় প্ৰজাতি হৈ পৰিব।

বনাঞ্চল আমাৰ সম্পদ ঃ জাতি এটাৰ উন্নতি হয় বৃক্ষৰ লগত; ৰক্ষা কৰা বৃক্ষ, ৰক্ষা কৰা জাতি। বনাঞ্চলবোৰক দেশ এখনৰ সেউজীয়া সোণ বুলি কোৱা হয়। মানুহ আৰু অন্যান্য প্ৰাণীৰ অস্তিত্ব উদ্ভিদৰ ওপৰত নিৰ্ভৰ কৰে, কাৰণ উদ্ভিদেই আমাৰ শ্বাস-প্ৰশ্বাসৰ মূল উৎস। মানুহ আৰু অন্যান্য প্ৰাণী তথা উদ্যোগ-যান বাহনৰ পৰা ওলোৱা কাৰ্বন ডাই অক্সাইডখিনিও উদ্ভিদেই গ্ৰহণ কৰে।

ভাৰত উপমহাদেশৰ মুঠ মাটিকালি পাঁচভাগৰ এভাগ বনাঞ্চল। ১৫,০০০ প্ৰজাতিৰ উদ্ভিদৰ সৈতে ভাৰত এখন চহকী ৰাষ্ট্ৰ। আমাৰ জীৱন ৰক্ষা কৰাৰ আৰু লগতে ৰাষ্ট্ৰীয় অৰ্থনীতি সৱল কৰাত বনাঞ্চলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বনাঞ্চলে অক্সিজেন যোগান ধৰাৰ ফলত পৃথিৱীৰ জীৱ-জন্তু জীয়াই থাকে। বনাঞ্চলে বায়ুমণ্ডলত গেছীয় ভাৰসাম্য আৰু জলবায়ু সঞ্চালন ৰক্ষা কৰে। গছ-গছনিৰ উন্মুক্ত অংশবোৰৰ পৰা হোৱা বাষ্পীভৱনৰ ফলত বায়ুৰ আদ্ৰতা বাঢ়ি যায়। বনাঞ্চলে বহুলভাৱে মাটিৰ

ক্ষয় আৰু ভূমিস্খলন নিয়ন্ত্রণ কৰে। পাহাৰীয়া অঞ্চলৰ বনাঞ্চলৰ চাৰিওফালে বিস্তাৰিত হৈ পৰা শিপাৰ সহায়ত নৈ পাৰৰ মাটিবোৰ ধৰি ৰখাত সহায় কৰে। পাহাৰৰ গৰাবোৰ স্থিৰ অৱস্থাত ৰখাতো সহায় কৰে। মাটিৰ ওপৰত থকা গছ-গছনিৰ অংশটোৱে মাটিত পোনে পোনে বৰষুণ পৰাত বাধা দিয়ে ফলত মাটিৰ ক্ষয় ৰোধ বা মাটিত থকা গছ-গছনি আৰু মাটিৰ ওপৰৰ কোমল আৰু হিউমাছ অংশটো বৰষুণৰ পানী শুহি লয়। এনেদৰে পানী শুহি লোৱা বাবেই ভৈয়ামত পানী হোৱা প্ৰতিৰোধ কৰে। পাহাৰোৱা নৈবোৰ বনাঞ্চলৰ মাজেদি অহাৰ বাবেই পানীৰ সোঁতৰ বেগ কমি যায় ফলত ভৈয়ামত থকা মাটিয়েই পানীখিনি ধৰি থোৱাত সহায়ক হয়। তদুপৰি ই খৰাং হোৱাত বাধা দিয়ে। মাটিয়ে যিহেতু জলীয় বাষ্পবোৰ ধৰি ৰাখে আৰু লাহে লাহে এৰি দিয়ে। সেয়েহে জিৰ জিৰকৈ বৈ থকা পানীৰ সৈতে বছৰৰ সকলো সময়তে জান জুৰি নিজৰাও দেখা যায়।

বনাঞ্চলৰ পৰা পোৱা সুবিধাসমূহৰ কথা উল্লেখ কৰি আদায় কৰিব নোৱাৰি। উদ্ভিদে আমাক খৰি, খেৰ, পোহনীয়া জন্তুৰ খাদ্য, ঘৰৰ আচবাবৰ বাবে কাঠৰ যোগান ধৰে। বনাঞ্চলৰ ওপৰত ভিত্তি কৰি বহুতো উদ্যোগ গঢ় লৈ উঠিছে। উদ্ভিদে আমাক ঔষধ, মছলা, ফলমূল, আঁহ, আঠা, ৰবৰ, আমলখি, শিলিখা, ঘিলাগুটি, মৌজোল, বিড়িৰ পাত, চন্দন কাঠ ইত্যাদি দিয়ে। বনাঞ্চলৰ পৰা ৰাষ্ট্ৰীয় উপাৰ্জন বছৰি ৬০০ কোটিতকৈ অধিক।

প্ৰায় ৪০ নিযুত জনজাতি লোক আমাৰ দেশত বিভিন্ন বনাঞ্চলত বাস কৰে। এওঁলোকৰ জীৱন যাত্ৰাত লগা সকলো মৌলিক প্ৰয়োজনীয়তাখিনি বনাঞ্চলৰ পৰাই আহৰণ কৰি চলে। জনসংখ্যাৰ বৃদ্ধিৰ ফলত প্ৰয়োজন বহু বাঢ়িছে ফলত উন্নয়ন আৰু উৎপাদনৰ নামত উদ্ভিদবোৰ কাটি তহিলং কৰিছে। আমাৰ ভাৰতৰ জনসংখ্যা বৃদ্ধি আৰু দৰিদ্ৰতাৰ ফলত উদ্ভিদবোৰ বেছিকৈ ধ্বংস হৈছে। আমাৰ বছৰি প্ৰয়োজন হোৱা খৰিৰ পৰিমাণ ৩৩০ নিযুত বৰ্গ মি. । আমাৰ কাঠৰ বায়সায়ী সকলেওঁ ধনৰ লোভত জধে-মধে অপৈণত মূল্যৱান গছবোৰ কাটি ধ্বংস কৰিছে। চোৰাংভাৱে কটা গছ-গছনি ধ্বংসই একোটা অঞ্চলৰ বনাঞ্চল টকলা কৰি পেলাইছে। বহু হাজাৰ বছৰৰ মূৰত সৃষ্টি হোৱা মাটিৰ ওপৰৰ সাৱঁৰা অংশটো গছ-বন নোহোৱাৰ ফলত ক্ষয় গৈ শেষ হোৱাৰ উপক্ৰম হৈছেহি।

বনাঞ্চল ধ্বংস হোৱাৰ এটা কাৰণ হ'ল- খনিবোৰত চলা খনন কাৰ্য।

সংৰক্ষিত বনাঞ্চল আৰু অভয়াৰণ্যসমূহত চলা খনন কাৰ্যই ইয়াক ধ্বংস কৰি পেলাইছে। বনাঞ্চলসমূহ ধ্বংস কৰি বৃহত্তৰ কৃষিভূমিলৈ ৰূপান্তৰ কৰাৰ ফলত বনাঞ্চলবোৰ ধ্বংস হৈ টকলা হৈ পৰিছে। হিমালয় পৰ্বতৰ বহু অঞ্চল আপেল আৰু চাহখেতিৰ কাৰণেই ধ্বংস কৰা হৈছে।

বনাঞ্চল ধ্বংসৰ মাৰাত্মক পৰিণতিৰ বিষয়টো গুৰুত্ব পোৱা উচিত। বনাঞ্চলে আমাৰ পৰিৱেশ ৰক্ষা কৰে, পৰিৱেশৰ ভাৰসাম্য অটুত ৰাখে, প্ৰদূষণ, কোলাহল হ্ৰাস কৰে, বৰষুণ-ধুমুহাৰ কাৰণে মাটিৰ যি ক্ষয় হয় তাক ৰক্ষা কৰে, মৰুভূমি আৰু বালিচৰ সৃষ্টি হোৱাত বাধা দিয়ে, ভূমিখণ্ডৰ সৌন্দৰ্য ৰক্ষা কৰে, আমাৰ শক্তিৰ সমস্যাটো বহু পৰিমাণে সমাধান কৰে। কিন্তু এই দেশৰ এই পৰোপকাৰি সম্পদবোৰ অতি ক্ষিপ্ৰ গতিত হ্ৰাস পায় আহিছে। এই বনাঞ্চল ধ্বংসৰ পৰা ৰক্ষা পাবলৈ প্ৰয়োজনীয় কথাটো হৈছে, সৰ্বজনীন শিক্ষা, সাধাৰণ মানুহৰ শিক্ষা হ'লেহে বে-আইনীভাৱে গছ কটা আৰু লগতে বনাঞ্চল, বৰষুণ, বন্যপ্ৰাণী আৰু কৃষিৰ আন্তঃসম্পৰ্ক সম্পৰ্কে জানিব; লগতে জানিব যে আমাৰ পৰিৱেশতন্ত্ৰ আৰু মানুহৰ জীৱনৰ আন্তঃসম্পৰ্ক।

বৰ্তমান চৰকাৰে বন সংৰক্ষণ আইণ প্ৰণয়ন কৰিছে। বৃক্ষ ৰোপণৰ নানা আঁচনি চৰকাৰে গ্ৰহণ কৰিছে। তদুপৰি পৰিৱেশ সংক্ৰান্তত মেধা পাটকাৰৰ নৰ্মদা বচাও আন্দোলন, সুন্দলাল বহুগুনাই গুৰি ধৰা চিপকো আন্দোলন জনপ্ৰিয় হৈ পৰিছে। ঠিক তেনে এক আন্দোলন কৰ্ণাটকত জনপ্ৰিয় হৈ উঠিছে সেয়া হৈছে অপ্পিকো।

পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ আমাৰ দেশত এক তৃতীয়াংশ মাটিত গছ-গছনি থাকিব লাগিব অথচ মাত্ৰ শতকৰা দহ ভাগ মাটিতহে গছ-গছনি আছে। আমাৰ দেশে প্ৰতি বছৰে ১২ নিযুত বৰ্গমিটাৰকৈ বনাঞ্চল হেৰুৱাইছে, গতিকে এই হেৰুৱাৰ পৰিমাণ কমাবলৈ হ'লে সকলো খালী থকা মাটিত উদ্ভিদ ৰোপণৰ আঁচনি ল'ব লাগিব।

মানুহে অধিক বৃক্ষ ৰোপণ কৰাৰ লগতে বৰ্তমানে থকা গছবোৰকো ৰক্ষা কৰিব লাগিব। উঠি অহা ল'ৰা-ছোৱালীবোৰক ঘৰৰ ওচৰে পাজৰে, বিদ্যালয়ত গছ-পুলি ৰুবলৈ শিক্ষা দিয়া উচিত। আমি কেৱল উদ্ভিদৰ পৰা পোৱা উপকাৰবোৰৰ কথা ভাৱিলেই নহ'ব আমি বনাঞ্চলৰ সম্পদসমূহৰ ৰক্ষাৰ দায়িত্ব কান্ধ পাতি ল'ব লাগিব। এইমুহূর্তৰ পৰা ধ্বনি হ'ব লাগিব

আজি এটা গছ পুলি ৰোৱা আৰু প্ৰতিদিনে ইয়াক পালন কৰা।

এসময়ত ভাৰতৰ ভিতৰত আটাইতকৈ বেছি অৰণ্য থকা ৰাজ্য আছিল অসম কিন্তু আজিৰ দিনত এইটো সত্য হৈ থকা নাই। কিন্তু শেহতীয়াকৈ হ'লেও অসমতো অৰণ্য ৰক্ষাৰ আন্দোলন আহি পৰিছে। অৰণ্যৰ স্বাৰ্থত কেইবাজনো নিস্বাৰ্থ ব্যক্তিৰ নেতৃত্বত বিভিন্ন পৰ্যায়ত সমিতি, ক্লাববোৰ গঢ় লৈ উঠিছে। বিভিন্ন ধৰণৰ আলোচনা চক্ৰ, অভয়াৰণ্য উৎসৱ আদি অনুষ্ঠিত কৰি আমাৰ ৰাজ্যবাসীৰ মাজত গছ-গছনি ৰক্ষাৰ সজাগতা সৃষ্টি কৰিবলৈ প্ৰয়াস কৰিছে। অসমৰ অৰণ্য মানৱ যাদৱ পায়েঙে আমাৰ ৰাজ্যৰ নাম উজ্জ্বলাই তুলিছে। আমাৰ এইবোৰ অঞ্চলতো বহুতো অৰণ্য প্ৰেমিক ব্যক্তি আছে যিসকলক সন্মান যাঁচিলে নিশ্চয় প্ৰেৰণাৰ উৎস হ'ব। আমাৰ এই দুলুং সংৰক্ষিত বনাঞ্চল এটা সময়ত বহু অমূল্য সম্পদ তথা জৈৱ-বৈচিত্ৰ্যৰে ভৰপুৰ আছিল; কিন্তু অবাধ গতিত চোৰাং কাৰবাৰ, চোৰাং চিকাৰীৰ অবাধ গতিত দুষ্পাপ্য বন্যপ্ৰাণী হত্যা, বেদখল ইত্যাদি এশ এবুৰি সমস্যাৰে ভৰপুৰ। ৰক্ষকেই ভক্ষক হৈ এফালৰ পৰা এই বনাঞ্চল ধ্বংস কৰি গৈছে। ৫১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰ-পূব দিশত অৱস্থিত তথা ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা দৃষ্টি নিক্ষেপ কৰিলেই বিস্তৃত এটা বনাঞ্চলৰ নৈসৰ্গিক দৃশ্যই মন প্ৰশান্তিৰে ভৰি পৰিছিল, কিন্তু এতিয়া মাত্ৰ দুডাল মান লঠঙা গছ তথা টকলা পাহাৰকেইটা দেখি মন বেদনাৰে ভাৰাক্ৰান্ত হৈ পৰে। অন্ধবিশ্বাসৰ কবলত পৰি দুষ্প্ৰাপ্য পহু, বান্দৰ, নেউল ইত্যাদিবোৰ বৰ্তমান লুপ্ত প্ৰায়। দুলুং-সোৱণশিৰি মহোৎসৱে নিশ্চয় এই ক্ষেত্ৰত অলপ হ'লেও আমাৰ অঞ্চলৰ ৰাইজক সহায় কৰিব বুলি আশা কৰিলো। দুলুং-সোৱণশিৰি বন মহোৎসৱৰ উদ্দেশ্য সফল হওক তাৰে কামনাৰে শেষত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ এটি গীতৰ কলিৰে সামৰিছো।

চহৰ বন্য জন-অৰণ্য
মানৱ হৈ যায় যন্ত্ৰ
জংলী য'ত জানোৱাৰেও
প্ৰেমৰ দিব পাৰে মন্ত্ৰ।।
ই তুলনাত জংঘল সুন্দৰ
জংঘলেই মোৰ ঘৰ...।

'কাকৈ'—বৈ যায়, লৈ যায়, দি যায়

ড° বন্তি গগৈ হাওবৰা

অসমৰ ইমূৰৰ পৰা সিমূৰলৈ যি মহিমামণ্ডিত গ্রাম্য সংস্কৃতিয়ে সমাজক চহকী কৰি ৰাখিছে তাৰ মূলতঃ হৈছে নৈপৰীয়া সংস্কৃতি। নৈক কেন্দ্র কৰিয়েই নৈপৰীয়া সমাজৰ সমস্ত জীৱন যাত্রা প্রবাহিত হয়। সেইসকল লোকৰ জীৱনৰ ছন্দ জ্ঞাতে বা অজ্ঞাতে নৈৰ সোঁতৰ লগত একেসুৰীয়া। নৈয়েই চহা জীৱনৰ প্রাণ আৰু জীৱনৰ দিনপঞ্জী। নদীৰ ৰহস্যময়তা, বিভিন্ন ঋতুৰ সৌন্দর্য আৰু অপৰূপ মায়াময়তাই দুয়োপাৰৰ জনজীৱনক দিছে অলিখিত ইতিহাস। দূৰ ধূসৰ অতীতৰ পৰা অনাগত ভৱিষ্যতলৈ নদীয়ে দান কৰিছে কাষৰীয়া জীৱনক কোমলতা আৰু সৰলতা। খ্যাত-অখ্যাত কবিৰ হৃদয়ত দিছে অনির্বচনীয় আনন্দ, কল্পনাৰ ঐশ্বর্য, কেতিয়াবা বিষাদৰ সঞ্চাৰ। নৈসমূহ অপৰূপ ৰূপৰ আকৰ, যাৰ সৌন্দর্য অনন্য, অনবদ্য। বিশাল ব্রহ্মপুত্রই প্রবাহী সিৰা-উপসিৰাৰ দৰে অসম মাতৃৰ দেহতো নানান নদী, জান-জুৰি প্লাবিত হৈ আছে।

অকাই-পকাই, অনাই-বনাই, খহাই-উটুৰাই অলিয়া-বলিয়া হৈ বৈ যোৱা নৈপৰীয়া জীৱন প্রবাহৰ আপোন এখনি নৈ 'কাকৈ'। কাকৈক জানিবলৈ আৰু কাকৈৰ সম্পর্কে আনকো জনাবলৈ শাওনৰ এটি মেঘাচ্ছন্ন পুৱাত লগ ধৰিছিলো শিক্ষাবিদ, সমাজ সচেতন, অসম শিশু সাহিত্য ন্যাসৰ বঁটাপ্রাপক উত্তৰ লখিমপুৰ কদমৰ বাসিন্দা ভৰত চন্দ্র ৰাজখোৱাক। গভীৰ চিন্তাশীল ব্যক্তি ৰাজখোৱাৰ অন্য এক পৰিচয় হৈছে অসমৰ সাহিত্য জগতত প্রতিষ্ঠা লাভ কৰিবলৈ সক্ষম হোৱা পুণ্য বৰা স্মাৰক শিশু সাহিত্য বঁটা বিজেতা নর্থ লখিমপুৰ কলেজৰ সহযোগী অধ্যাপক ড° অৰবিন্দ

ৰাজখোৱাৰ পিতৃ।

আমি ঢাপলি মেলিলো কাকৈৰ উৎসস্থললৈ। ৰাজখুৱাই পৰম আগ্রহেৰে অনৰ্গল কৈ গ'ল তেখেতৰ জীৱনৰ স্মৃতিৰ এবখলা আৱৰি ৰখা হেঁপাহৰ কাকৈৰ সম্বন্ধে। কৈ গ'ল সেই অঞ্চলত বসবাস কৰা নানা জাতি, উপ-জাতি, ধৰ্ম সম্প্রদায়ৰ লোকসকলৰ জীৱন প্রণালীৰ কথা। লিখিত সংক্ষিপ্ত ৰূপ- 'কাকৈ'— বৈ যায়, লৈ যায়, দি যায়।

উত্তৰ লখিমপুৰ চহৰৰ পৰা উত্তৰ দিশে দহ কিলোমিটাৰ দূৰত্বত কদম তিনিআলি। কদম তিনিআলিৰ পৰা উত্তৰ-পশ্চিম দিশে কদম চিয়াজুলি পথ। এই পথেৰেই প্রায় চৈধ্য কিলোমিটাৰ গৈয়ে পোৱা যায় কাকৈৰ উৎসস্থল। আমি গৈ আছো ৰাজখুৱাই কৈ গৈ আছে কাকৈৰ সম্বন্ধে। কাকৈৰ উৎস হ'ল দীৰ্ঘা পাহাৰ। ১৯৫০ চনৰ আগতে কাকৈ নদী দীৰ্ঘা পাহাৰৰ পৰা ওলাই লীলাবাৰী অঞ্চলেৰে বৈ গৈ উত্তৰ লখিমপুৰ চহৰৰ মাজেদি বৈ যোৱা সোমদিৰি নৈত পৰিছিলগৈ। ১৯৫০ চনত বৰভূঁইকপত লখিমপুৰৰ ভূ-খণ্ডৰ বিস্তৰ পৰিৱৰ্তন হ'ল। অন্যান্য পৰিৱৰ্তনৰ লগতে কাকৈ নদীৰ গতিপথৰ পৰিৱৰ্তন হ'ল উল্লেখনীয়। ভূ-খণ্ডৰ জোকাৰণিয়ে কাকৈক লৈ আহিল শিয়ালবাৰী মাউত গাঁৱেদি বধাকৰা হৈ ঘাগৰ নদীলৈ। লীলাবাৰী যি অঞ্চলেদি কাকৈয়ে এদিন গতি কৰিছিল, তাত এতিয়া লীলাবাৰী বিমান বন্দৰ স্থাপন হ'ল। এই বিমান বন্দৰত স্থানীয় লোকসকলে কাকৈ নদীৰ স্মৃতি পাহৰি যাব নোৱাৰি কাকৈ ফিল্ড বুলিয়েই কয় যদিও বিমান বন্দৰৰ মানচিত্রত ইয়াৰ নাম লীলাবাৰী এয়াৰ পর্ট।

চিয়াজুলি পথৰ কাষতে আছিল চিনাতলা বাগান। কাকৈ নদীয়ে চিনা তলা বাগানৰ বিস্তৰ ক্ষতি সাধন কৰিলে। নদীৰ বিধ্বংসী ৰূপত তিষ্ঠিব নোৱাৰি চিনাতলা বাগান নিঃশ্চিহ্ন হৈ গ'ল। বাগানখনৰ চিন-চাব চিয়াজুলি পথৰ আশে-পাশে বহু ঠাইত দেখিবলৈ পোৱা যায়। বর্তমান কাকৈৰ গতিপথ পৰিৱর্তনৰ বাবে চিনাতলা বাগানৰ ঠাইত যিখন গাঁও স্থাপন হ'ল তাৰ নাম বাগান গাঁও। এই বাগান গাঁৱত বসবাস কৰা লোকসকলৰ সৰহ সংখ্যকেই আহোম সম্প্রদায়ৰ। বানপানীৰ সংহাৰী ৰূপ আৰু তাৰ প্রতিবন্ধকতাৰ বাবেই বর্তমান কাকৈক যি ঠায়েদি এৰি মথাউৰি আৰু কদম চিয়াজুলি পথৰ দ্বাৰা গতি নির্ধাৰণ কৰি দিয়া হ'ল তাৰ আগতে কাকৈয়ে

চৰাইমৰীয়া অঞ্চলকো প্লাৱিত কৰিছিল।

বৰ্তমান কাকৈ নদী আৰু চৰাইমৰীয়াৰ দূৰত্ব প্ৰায় চাৰি কিঃমিঃ। চৰাইমৰীয়াত কাকৈ উচ্চ ইংৰাজী বিদ্যালয় নামেৰে এখন বিদ্যালয় আছে। এটা সময়ত কাকৈ চৰাইমৰীয়া অঞ্চলক টোৱাই যোৱাৰ স্মৃতি ৰক্ষার্থে স্কুলখনৰ নামকৰণ কৰা হ'ল কাকৈ হাইস্কুল। লীলাবাৰীৰ পৰা লখিমপুৰ চহৰৰ সেই গতি ৰোধ কৰি কাকৈক আৱদ্ধ কৰিবৰ কাৰণে কদম তিনিআলিৰ পৰা দক্ষিণ ফালে প্ৰায় দুই কিঃমিঃ দূৰত্বত বৰ্তমান মথাউৰি নিৰ্মাণ কৰা হয়। কদম চিয়াজুলি পথ আৰু মথাউৰিৰ মাজৰ বিস্তৃত এলেকাতেই বৰ্তমান কাকৈয়ে ইফালে-সিফালে বিচৰণ কৰি আছে। কাকৈ নদীত গোম নদী নামৰ এখনি ৰঙা পানীৰ অতি পুৰণি সৰু নৈ লগ লাগিছেহি। সেই অঞ্চলত এটা সময়ত কদম নৈ নামেৰে এখন নৈ আছিল। কাকৈ আহি কদম অঞ্চলতে কদম নৈৰ লগত মিলিত হৈ কদম নদীৰ অস্তিত্ব নিঃচিহ্ন কৰিলে। কদম নদী এতিয়া মাথোঁ স্মৃতি। সেই কদম নৈখনৰ বাবেই ঠাইখনৰ নামো কদম হ'ল বুলি বহু লোকে কয়। কদম নদী কাকৈয়ে সামৰি লৈ নিজৰ প্ৰবলতাক প্ৰতিপন্ন কৰি সগৌৰৱে বৈ আছে সোৱণশিৰি ধিয়াই।

কদম গোমনদী পাহাৰ-পৰ্বতৰ পৰা বৈ অহা নদী নহয়। এই নদী কেইখন বাৰিষা বৰষুণ, পথাৰৰ পানী দ' ঠায়েদি বৈ গৈ হোৱা নদী। কাকৈৰ উৎস স্থল দীৰ্ঘা পাহাৰ হোৱাৰ বাবে কাকৈৰ সোঁত প্ৰবল আৰু ইয়াক প্ৰতিহত কৰাটো সহজ নহয়। শিয়ালবাৰী, কদম, ন-আলি মাজগাঁও, বৈছাগাঁও, লীলাবস্তি, আজাৰগুৰি আদি ঠাইসমূহ কাকৈয়ে ধুই যায়। ইয়াৰ উপৰিও শিমলুদগা, কদম গোহাঁই গাঁও, কদম বাগান গাঁও, কদমন-ভগনীয়া গাঁও, বৰগুৰি চুক, লাইমেকুৰী চুক আদি গাঁওসমূহ কাকৈয়ে প্ৰায় থান-বান কৰি পেলালে। বৰ্তমান ৫১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষে-কাষে এই গাঁওসমূহৰ লোকসকলে বাসস্থানৰ ঠিকনা বিচাৰি লৈছে। কাকৈয়ে নিচিহ্ন কৰা গাঁও সমূহে নতুনকৈ পতা গাঁওখনৰ নাম ন-ভগনীয়া আহোম গাঁও। সোৱণশিৰিৰ পানীয়ে খেদা লোকসকলে পতা গাঁওখন হ'ল ন-ভগনীয়া মিচিং গাঁও। বৰগুৰি চুকৰ পৰা কাকৈয়ে বিধ্বস্ত কৰা চিনাতলা বাগানৰ ঠাইত যিখন গাঁও স্থাপন হ'ল সেইখন গাঁৱৰ নাম বাগান গাঁও। এনেদৰে

কাকৈয়ে বিভিন্ন সময়ত বিভিন্ন গাঁৱৰ লোকসকলক জুলুকা-জুলুকে পানী খুৱায়। বানাক্রান্তই ঠিকনা হেৰুৱাই পুনৰ ঠিকনা বিচাৰি পায়। সুবিধামতে পুনৰ থিতাপি লৈ জীৱন যুঁজত আগবাঢ়ে। ৰাজ সাহায্য নাপালেও আক্ষেপ নকৰে। প্ৰৱল বাঢ়নী পানীয়ে ৰাইজক দৃঢ় হ'বলৈ শিকায়। নৈপৰীয়া ৰাইজে তথাপি কাকৈক ভাল পায় প্ৰাণ ভৰি, পানীৰ লগত কৰা সংগ্ৰামে শিকায় সংগ্ৰামত জয়ী হ'বলৈ।

কাকৈৰ উৎস দীৰ্ঘা পাহাৰৰ নামনি আদী, নিচি, আপাতানি, মিচিং, নেপালী লোকৰ বসতি স্থল। নৈৰ কাষে কাষে সকলো সম্প্ৰদায়ৰ লোকে বসবাস কৰে। চিনাতলা বাগানৰ কাষে-কাষে চাহ মজদুৰসকলৰ বসতি স্থল। লীলাবাৰীৰ তিনিআলিৰ ওচৰত ইছলাম ধৰ্মী লোকসকলৰ বাসস্থান। মথাউৰিৰ কাষে-কাষে আহোম সম্প্ৰদায়ৰ লোকসকলে থিতাপি লৈছে।

কাকৈ চাৰিআলিৰ পৰা দক্ষিণ-পশ্চিম ফালে প্ৰায় পাঁচ কিলোমিটাৰ দূৰত্বত বধাকৰা হাবি। বৰ্তমান সেই ঠাইত সংৰক্ষিত বনাঞ্চল আৰু কাকৈৰ অধ্যুষিত। কাকৈ ভটিয়াই ঘাগৰত পৰিছেহি যদিও এতিয়া ঘাগৰ নদী সোৱণশিৰিৰ বুকুত বিলীন হ'ল। কাকৈৰ বালিত বধাকৰা হাবিৰ মাজত কিছুমান ঐতিহাসিক চিহ্ন থকাৰ প্ৰমাণ পোৱা গৈছে। সেই অঞ্চলত থকা এজোপা বৃহৎ এজোপা ৰুদ্ৰাক্ষৰ গছ, এটা বৃহৎ পুখুৰী আৰু এটা বৰ্গক্ষেত্ৰাকাৰ ঘৰ আছিল বুলি বহুতে কয়। এতিয়া এই সকলো কাকৈৰ কৰাল গ্ৰাসত।

কাকৈৰ উৎস বিচাৰি আমি যি ঠাইত উপস্থিত হৈছিলোগৈ তাতে কাকৈ নদীৰ ইপাৰ-সিপাৰ হ'বৰ বাবে এখন বাঁহৰ দলং। ৰাইজৰ সহযোগিতাত নিৰ্মাণ কৰা প্ৰায় তিনিফুট বহল বাহৰ দলংখনি একমাত্ৰ যাতায়াতৰ উপায়। দলংখন পাৰ হৈ চাৰতি অঞ্চলেদি লখিমপুৰ চহৰলৈ যাব পাৰি। স্বাধীনতাৰ প্ৰায় সত্তৰ বছৰ হ'ল কিন্তু বাঁহৰ দলংখনৰ ওপৰেদি বিপদ সংকুল অৱস্থাত আজিও পাৰা-পাৰ হোৱাটো অতি দুৰ্ভাগ্যজনক।

মাত্ৰ এঘণ্টা পানী বাঢ়োতেই কাকৈ নদীয়ে ৫১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু কদম চিয়াজুলি ৰাস্তাৰ চুকতেই কদম অঞ্চলৰ আটাইতকৈ ভাল দুটা বাটামী ঘৰ পকনীয়াই ডুবাই পেলাই তাত ডুবিৰ সৃষ্টি কৰিলে। এই ধ্বংস চকুৰ পচাৰতে হৈ গ'ল। এতিয়াও তাৰ কাহিনী লখিমপুৰৰ মানুহৰ মুখে-

মুখে। হিন্দু মাজগাঁৱৰ পিছফালে চিয়াজুলিৰ মাজেদি কাকৈ বৈ গৈছে। প্রতাপগড়, মৰিদিঙা, বাঁহবাৰী আদি বিভিন্ন সম্প্রদায়ৰ বসতিস্থল। নদীখনৰ গতি এটা সময়ত কাকৈয়ে কাষৰীয়া ৰাইজক নগুৰ-নাগতি কৰিলে। বর্তমান পাহাৰত গছ-গছনি নাই। কাকৈৰ বুকু আগতকৈ তৰাং হ'ল। পৰিৱেষ্টিত এলেকাত কাকৈ নীৰৱে বয়। বানপানীৰ পিছত কাষৰীয়া পথাৰত পলস পৰি খেতিয়কৰ মাটিডৰা ঠন ধৰি উঠে। ধ্বংসৰ বেদনা পাহৰি পোৱাখিনিক লৈ গ্রাম্য লোকসকল সন্তুষ্ট হয়। নানা ধৰণৰ বামি, টোৰা, শিঙৰা, এলেং আদি মাছে শাৰীৰিক পুষ্টি দিয়ে। পানী উঠাৰ লগে লগে মাছ উঠে। আগৰ দৰে গাঁৱৰ ল'ৰা-ছোৱালীয়ে কাকৈত সাঁতুৰিবলৈ নাযায়। যান্ত্রিকতাৰ কাকৈৰ প্রতি থকা আত্মীয়তাক বিঘ্নিত কৰিছে।

যোৱা প্রায় কুৰি বছৰৰ আগলৈ কাকৈপৰীয়া গাঁওবাসী আর্থ-সামাজিক দিশটো কাকৈয়ে নিয়ন্ত্রণ কৰিছিল। বর্তমান ব্যৱসায়-বাণিজ্য, চাকৰি আদিৰ নতুন চামক নতুন গতি দিছে। একমাত্র কৃষিৰ ওপৰত নির্ভৰশীল লোকৰ সংখ্যা হ্রাস পাইছে। কাকৈ উপার্জনৰ পথ হিচাপে এতিয়াও কিছু লোকে বাচি লৈছে। বাঢ়নি পানীয়ে অনা মাছ সংৰক্ষণৰ বাবে চাৰিবিঘাৰ পৰা ছয় বিঘা পর্যন্ত দ' ঠাই ঢাপ মাৰি ৰাখি মাছ আৱদ্ধ কৰি পানী কমিলে কিছু লোকে মাছ ব্যৱসায়ৰ পথ মুকলি কৰি ৰাখিছে।

কাকৈ চাৰিআলিৰ পৰা আগলৈ গৈ পকা মৰা চুকৰ আগৰ পৰা বধাকৰা ৰিজার্ভ এতিয়া নাই। সেই অঞ্চলত হাজং সম্প্রদায়ৰ লোকসকলে বসবাস কৰিছে। হাজং সমাজৰ ওপৰত কাকৈৰ প্রভাৱ উল্লেখযোগ্য। হাজংসকল অতি সংস্কৃতিৱান। হাজংসকলৰ সংস্কৃতি অসমীয়া সংস্কৃতিৰ লগত যথেষ্ট মিল আছে। জাতিটো পৰিশ্রমী হোৱাৰ বাবে অর্থনৈতিকভাৱেও যথেষ্ট টনকিয়াল। অসমৰ বিভিন্ন ঠাইত স্বাস্থ্য বিভাগে যেনেধৰণে সেৱা আগবঢ়াইছে তেনেধৰণৰ সেৱা কাকৈপৰীয়া ৰাইজেও পাইছে। স্বাস্থ্য বিষয়ত লোকসকল বিশেষভাৱে সজাগ নহয়। কদম অঞ্চলৰ পৰা প্রায় আঠ কিঃমিঃ দূৰৰ বগীনদীত থকা প্রাথমিক স্বাস্থ্য কেন্দ্রই ৰাইজৰ চিকিৎসাৰ স্থল। লখিমপুৰ চহৰলৈ প্রতি ৰোগীক স্থানান্তৰ কৰে। লগতে কদম কছাৰী, লীলাবাৰী, চিৰাজুলিত থকা স্বাস্থ্য উপকেন্দ্রই ৰাইজক সেৱা আগবঢ়াই। গোটেই অঞ্চলটোকে মেলেৰীয়া অধ্যুষিত অঞ্চল বুলি ক'ব

পাৰি যদিও ইয়াৰ প্ৰকোপ বৰ্তমান কমিছে। গ্ৰহণী ৰোগ হয় প্ৰতিটো বানৰ পিছতে। তুলনামূলকভাৱে বিভিন্ন জনগোষ্ঠীৰ মাজত অন্ধবিশ্বাস কম। অতিৰিক্ত উপাযুক্ত হেমকান্ত পেগুৰ প্ৰচেষ্টাত স্থানীয় সমাজ সচেতন লোকে অন্ধবিশ্বাস নিৰ্মূলৰ বাবে যথেষ্ট সজাগতা আনিছে। এটা সময়ত মংকিমেনৰ সন্ত্ৰাস নিৰ্মূল কৰি অন্ধবিশ্বাস দূৰ কৰে। ডাইনী বিশ্বাসমুক্ত আদিবাসী জনগোষ্ঠীৰ মাজত বিভিন্ন পূজা-পাতল প্ৰচলিত আছে।

শিক্ষাৰ ক্ষেত্ৰত ১৯৩২ চনতে স্থাপিত হৈছিল কদম এম ভি স্কুল। ১৯৫৯ চনত এইখন বিদ্যালয় উচ্চ ইংৰাজী বিদ্যালয়লৈ উন্নীত হয়। ১৯৮০ চনত প্ৰাদেশীকৰণ হৈ উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে স্বীকৃতি পায়। প্ৰায় ২০খন গাঁৱৰ প্ৰত্যেকতে একোখনকৈ প্ৰাথমিক বিদ্যালয় আছে। ইয়াৰ উপৰিও দীৰ্ঘা উচ্চ ইংৰাজী বিদ্যালয়, লীলাবাৰী উচ্চ ইংৰাজী বিদ্যালয়, কদমীয়াল উচ্চ ইংৰাজী বিদ্যালয়, কদম জনজাতি উচ্চ ইংৰাজী বিদ্যালয়, বধাকৰা উচ্চ ইংৰাজী বিদ্যলয় আদিয়েই সেই অঞ্চলত শিক্ষাৰ পোহৰ বিলাইছে। ইয়াৰ উপৰিও বগীনদীত এখন কনিষ্ঠ মহাবিদ্যালয় স্থাপন হৈছে। সেই অনুপাতে শিক্ষিতৰ হাৰ প্ৰায় চল্লিছৰ পৰা পঞ্চাশ শতাংশ।

কাকৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ এখনি বলিয়া নৈ হ'লেও কাকৈ গাঁওবাসীৰ হৃদয় আৰু আত্মাৰ জিৰণিৰ স্থল। কাকৈয়ে চুই গৈছে সুবিস্তীৰ্ণ অঞ্চলৰ প্ৰায় কুৰিখন গাঁও। কাকৈৰ চৌপাশে প্ৰকৃতিৰো এক অপৰূপ লীলাভূমি। নৈৰ বালিত বালিমাহী, মাছৰোকা, পানী কাউৰী আদি চৰাইৰ খেলা। ঠায়ে ঠায়ে ঝাওবন, স্নিগ্ধ বনভূমি, ঠায়ে-ঠায়ে শিমলু, আজাৰ আদি গছ। গাঁৱৰ জাক জাক ল'ৰা-ছোৱালীয়ে নৱৈ দশকলৈকে সাঁতুৰি-নাদুৰি মায়াপুৰি কাকৈক এৰি সহজে ঘৰমুৱা হোৱা নাছিল। বেলি মাৰ যোৱালৈকে কাকৈৰ মায়াত আৱদ্ধ হৈ সোণালী শৈশৱৰ মধু পাণ কৰিছিল বহুজনে। অনাদি কালৰ পৰা বৈ থকা কাকৈৰ পাৰৰ শীতল বতাহ জাকে পৰম প্ৰশান্তি দিয়ে ডেকা-ডোমা, বুঢ়া-আদহীয়া সকলোকে। বহুজন বাধ্য হৈ কাকৈ পাৰ এৰি দেশ-বিদেশত থিতাপি লৈছে যদিও চেনেহৰ কাকৈৰ অতীতৰ মধুৰ স্মৃতি বিৰহ বেদনাৰ বুজা বঢ়াই থ'ব পৰা নাই।

খৰালি কাকৈ শুকায়, নৈৰ বক্ষ তৰাং হয়। অস্তিত্ব ৰাখি মাথোঁ এসোঁতা

পানী বৈ থাকে। বাৰিষাত ফেনে-ফুটুকাৰে বাঢ়ে, সোঁত প্ৰবল হয়। পাহাৰৰ বাঁহ কাটি কাষৰীয়াই পানীৰ সোঁতত এৰি দি ঘৰলৈ আনে। কাকৈত মাছ আহে। দ' ঠাইত মাছ বৈ যায়। মাছবোৰ অতি সোৱাদ, তেলেতীয়া। কাকৈৰ পানীৰে বানপানীৰ পিছত খেতি মাটি উৰ্বৰা কৰে। খেতি মষীমূৰ কৰিলেও অৱশিষ্ট ৰোৱাবোৰ ঠন ধৰি উঠে। খেতিয়কৰ মনত পুনৰ আশাৰ সঞ্চাৰ হয়। এনেদৰে কাকৈ নৈপৰীয়া গাঁওসমূহৰ আৰ্থ-সামাজিক দিশটো নিয়ন্ত্ৰণ কৰি জীৱনৰ আৰ্জন-উপাৰ্জন দি জীয়াই ৰাখিছে। কাকৈয়েদি কিমান যে পানী বৈ গ'ল। উটুৱাই লৈ গ'ল কাষৰ বাসিন্দাৰ সুখ-দুখৰ কাহিনী, হাঁহি-কান্দোনৰ স্মৃতি, ক'তজনৰ ক'ত আশা, ক'ত যে ইতিহাস। নৈৰ কাষে কাষে শুই আছে ল'ৰা-বুঢ়া, পুৰুষ-মহিলা চিৰনিদ্ৰাত। শ্মশানৰ ছাঁই, এঙাৰ উটুৱাই নিয়ে কাকৈৰ সোঁতে। চিন মোকাম নাইকিয়া কৰে জীৱনৰ, অস্তিত্বৰ। শৈশৱৰ ধেমালি, জলকেলি কৰা কাকৈৰ জলৰাশি যৌৱনৰ কোনোবা মুহূৰ্তত প্ৰেয়সীৰ সান্নিধ্য পোৱাৰ ঠিকনা, বাৰ্ধক্যত ইয়াৰ পা�ৰতে বহি অতীত ৰোমন্থন বহুজনেই কৰিছে। কাকৈৰ পা�ৰত বহুজনে ৰহস্যময়, ৰমণীয় সৌন্দৰ্যত নিজকে বিলাই দিছে।

নৈখনৰ দৰে নৈ কাষৰীয়া মানুহবোৰৰ জীৱনলৈও পৰিৱৰ্তন আহিছে। গাঁৱৰ লোকসকলৰ পুৰণা ৰীতি-নীতি, কৃষ্টি-সংস্কৃতিৰ পৰিৱৰ্তন ঘটিছে। ৰূপলৈ ৰূপান্তৰ আহিছে। গাঁৱৰ লোকসকলৰ মাজত পাৰস্পৰিক সম্পৰ্ক, সহযোগিতা আগৰ দৰে নাই, আনুষ্ঠানিকতা আছে, আন্তৰিকতা নাই, পৰিৱৰ্তন হৈছে। বৃত্তিমুখী হৈ পৰা জনসাধাৰণ নগৰমুখী হৈছে। গ্ৰাম্য সংস্কৃতিক নগৰীয়া পছোৱাজাকে বাৰুকৈয়ে কোবাইছে। তথাপি সকলো দেখিও নীৱৰে কাকৈ বৈ আছে। কেতিয়াবা খৰাং হৈ, কেতিয়াবা কোবাল হৈ, কেতিয়াবা ধীৰে-সুস্থিৰে।

কাকৈৰ পাৰত জন্ম-মৃত্যু, আশা-নিৰাশা, ৰোগ-শোক, সুখ-ভাগৰ, হা-হুমুনিয়াহৰ নাট চলে ঘৰে-ঘৰে। জীৱনৰ যুঁজখন পুৰুষে পুৰুষে চলি থাকে। সমাজৰ গতিও আগবাঢ়ে। নৈয়ে খহায়, পানীয়ে বুৰাই, থানবান কৰে, অভাৱ অনাটনে চেপি-খুন্দি গাঁওবোৰ টকলা কৰে। পুনৰ আশাৰ গজালি মেলে, জ্ঞানৰ পোখা মেলি গাঁওবাসী পুনৰ ঠন ধৰি উঠে।

ম'বাইল ঃ ৯৪৩৫৫৪১৯০০

গান্ধীতোলা উপত্যকাত জোনাকৰ এনিশা

ডাঃ মতিলাল পাতিৰ

সোৱণশিৰি নদীৰ দুয়ো পাৰৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ আৰু নদীৰ সোঁতৰ বিপৰীতে বহু দূৰ আগুৱাই গৈ গান্ধীতোলা উপত্যকাত দুটামান দিন অৱসৰ বিনোদন কৰিবলৈ মনত আশা পুঁহি ৰাখিছিলো। কেতিয়াবা গধূলিৰ আড্ডাত লগ বন্ধুৰ লগত এই সম্পৰ্কে মাজে মাজে আলোচনা কৰিছিলো। এইদৰে আলোচনা কৰি থাকোঁতে এদিন অভিযানটোৰ দিন-বাৰ ঠিক কৰিলো।

তেতিয়া আছিল জানুৱাৰী মাহ। পানী কম হৈ থাকোঁতেই নদীৰ সোঁতৰ বিপৰীতে নাৱেৰে ওপৰলৈ যোৱাতো বেছি সুবিধাজনক। অভিযানটোৰ বাবে আমি প্ৰথমে এখন ডাঙৰ মাঝি নাও আৰু দুখন সৰু নাও লগত ল'লো। কেইদিনমান আগৰ পৰাই প্ৰয়োজনীয় ৰেচন-পাতি, যথেষ্ট পৰিমাণৰ গৰম কাপোৰ আৰু অত্যাৱশ্যকীয় কিছুমান ঔষধ-পাতি যোগাৰ কৰি ল'লো। যিহেতু নদীখনৰ গতি-বিধিৰ ওপৰত আমাৰ বিশেষ কোনো অভিজ্ঞতা নাই তাৰ বাবে আমি দিপাই আদী গাঁৱৰ পৰা কেইজনমান গাইড আৰু তিনিজনমান সুনিপুণ চিকাৰী লগত ল'লো।

নির্দিষ্ট দিনা আমি সোৱণশিৰি নদীৰ পাহাৰ আৰু ভৈয়ামৰ সঙ্গম স্থল গেৰুকামুখত ৰাতিপুৱা আঠ বজাত পালোগৈ। ইতিমধ্যে তাত আমাৰ নাও, গাইড আৰু চিকাৰী কেইজন সাজু হৈ আছিল। অভিযানটোত মোৰ লগত আছিল ডাঃ গুণীন গগৈ, ৰবীন পেৰমে, ৰঞ্জিত গগৈ, সুৰেশ দত্ত আৰু মহেন্দ্ৰ বৰা। আমি গৈ পোৱাৰ লগে লগে আমাৰ গাড়ীৰ পৰা

সকলোবোৰ টোপোলা নমাই নাৱত উঠালোহি। আমাৰ নাও যাবলৈ সাজু হ'ল। ঠিক সেই মুহূর্ততে এটা ঘটনা ঘটিল। দেখিলো আমাৰ দুজনমানে বালিত দৌৰি দৌৰি বমি কৰি আছে। তেওঁলোকৰ ওচৰ গৈ পোৱাৰ লগে লগে তেওঁলোকৰৰ মুখৰ পৰা যিটো গোন্ধ ওলাল ময়ো বালিত বহি বমি কৰিবলৈ আৰম্ভ কৰিলো। আচলতে আমাৰ নাও ৰখোৱা ঠাইডোখৰৰ ওচৰতে এজনী আদী মাইকী মানুহে পাহাৰৰ মৰুৱা আপং আৰু তেলত ভজা গান্ধী পোক বিক্রী কৰি আছিল তাকে খাই তেওঁলোকৰ এই দশা। তিনিওজনে বমি কৰি লেবেজান হোৱাৰ পাছত নদীৰ পানীত হাত মুখ ধুই বালি চৰতে বহি অলপ জিৰণি ল'লো। প্রথম অৱস্থাত মই যাত্রা বাতিল হ'ব বুলিয়েই ভাবিছিলো, কিন্তু পিছত যেনিবা উপশম হ'ল।

আমি সকলো নাৱত উঠি যাত্রা কৰিলো। সোৱণশিৰি নদীৰ পানী নীলা। স্ফটিকৰ দৰে স্বচ্ছ। পানীৰ বহু তলতো ৰংছঙীয়া পাহাৰীয়া মাছে শেলুৱৈ খাই থকা দেখা পোৱা যায়। এইদৰে আমাৰ নাও কিছুদূৰ আগুৱাই যোৱাৰ পাছত নদীৰ দুই পাৰৰ পাহাৰৰ বুকুত সোমাই পৰিলো। আমি নদীৰ দুয়োপাৰৰ প্রাকৃতিক মনোৰম দৃশ্যৰাজি চাই চাই আগুৱাই গ'লো। নীৰৱ, নিস্তব্ধ, জনপ্রাণীহীন। মাজে মাজে মাথোঁ নাও বাই যোৱা চপ্-চপ্ শব্দ আৰু নদীৰ দুয়োফালৰ পৰা অহা অচিন পক্ষীকুলৰ মাত শুনা পাইছিলো। এইদৰে আৰু কিছুদূৰ যোৱাৰ পিছত আমি পাভমুখ পালোগৈ। ইয়াত নদীখন অলপ বহল। নদীৰ উত্তৰ পাৰত শিল আৰু কিছু সমতল ভূমি। ইয়াতে তিনিবছৰমান আগতে মাছ আৰু পহু চিকাৰ কৰিবলৈ আহি ৰাতি কটাইছিলো। আমি নদীৰ গুহা এটাত ৰাতি শুইছিলো যদিও হাতীৰ চিঞৰ গোটেই ৰাতি শুনিছিলো। ইয়াত মাছ ধৰা চৰাই চিকাৰ কৰাৰ বহু আমোদজনক কাহিনী আছিল যদিও ইয়াত অতিৰিক্তভাৱে অৱতাৰণা নকৰো। পাভমুখ পাৰ হৈ আমি আৰু আগুৱাই গ'লো। নদীখন ঠেক হৈ আহিল লগতে দুয়ো পাৰৰ গৰাবোৰ ওখ হ'বলৈ ধৰিলে। এটা সময়ত পানীৰ গভীৰতাও বাঢ়ি আহিল আৰু পানীবোৰৰ ৰং গাঢ় নীলা হ'বলৈ ধৰিলে। মাজে মাজে পাহাৰৰ ওপৰৰ পৰা নিজৰাৰ পানী তীব্র বেগত নামি আহি নদীৰ বুকুত পৰিছেহি। ইয়াৰ দুয়োপাৰৰ পাহাৰবোৰ অটাইতকৈ ওখ আৰু পাহাৰত থকা ওখ গছবোৰৰ জোঙা আগবোৰে আকাশ ভেদ

কৰি থকা যেন লাগিছিল। তেতিয়া আমি মূৰৰ ওপৰত কেৱল নীলা আকাশ দেখা পাইছিলো আৰু তাৰ মাজে মাজে কিছুমান শুকুলা ডাৱৰে ধেমালি কৰি আছিল। বোধকৰোঁ ইয়াতেই নদীখনৰ গভীৰতা আটাইতকৈ বেছি। কাৰণ ইয়াত নদীখনৰ জলধাৰা আটাইতকৈ শান্ত, শীতল, নীলাভ। ইয়াৰ প্ৰাকৃতিক অনুপম সৃষ্টি দেখি তন্ময় হৈ কিছুপৰ চাই ৰৈছিলো। ইয়াক বৰ্ণনা কৰিবলৈ আমাৰ হাতত নিৰ্দিষ্ট ভাষা বা শব্দ নাছিল। সেই মুহূৰ্তত মোৰ মনলৈ আহিছিল বিখ্যাত ইংৰাজ মানৱতাবাদী আৰু প্ৰকৃতিপ্ৰেমী ছাৰ ভেৰিয়াৰ এলৱিনলৈ।

আমি নদীখনৰ ঠেক ঠাই ডোখৰৰ পৰা লাহে লাহে ওলাই আহিলো আৰু নদীখনৰ বুকু বহল হ'বলৈ আৰম্ভ কৰিলে। নদীৰ দুয়ো পা�ৰৰ দৃশ্যবোৰ উপভোগ কৰি আমি বহুদূৰ আগুৱাই গ'লো। এটা সময়ত আমি এডোখৰ ঠাই পালো য'ত নদীখনত যেন কিবা বিস্ফো�ৰণ ঘটি আছে। নদীখনৰ উত্তৰ ফালে ওপৰৰ পৰা তীব্ৰ বেগেৰে বৈ অহা পানীয়ে প্ৰকাণ্ড প্ৰকাণ্ড শিলত খুণ্ডা খাই ওখ ওখ টোৰ সৃষ্টি কৰিছে আৰু পিছত ই একো একোটা প্ৰকাণ্ড চাকনৈয়ালৈ ৰূপান্তৰিত হৈছে। নদীখনৰ বহু আগলৈকে হাজাৰ হাজাৰ গছ-বিৰিখ পৰি আছে। যুদ্ধ বিধ্বস্ত সৈনিকৰ দৰে। এয়া হ'ল ১৯৫০ চনৰ বিধ্বংসী ভূঁইকঁপৰ সাক্ষী। ইয়াত দুয়োফালৰ পাহাৰ খহি নদীখন সম্পূৰ্ণ ৰূপে বন্ধ হৈ গৈছিল। আমাৰ নৌকা যাত্ৰা এইখিনিতেই সামৰিব লগা হ'ল।

পৰি থকা গছ-বিৰিখবোৰৰ মাজেৰে তীব্ৰ বেগী পানীৰ সোঁতত ৰেচন কঢ়িয়াই সৰু নাও দুখন ৰছীৰ সহায়ত নাৱৰীয়া কেইজনক টানি লৈ যাবলৈ দিয়া হ'ল। তাৰ পাছত নদীৰ দক্ষিণ ফালে থিয় গৰালৈ আগবাঢ়ি গ'লো য'ত আছিল এক প্ৰকাণ্ড পাহাৰ সদৃশ শিল। ই নদীৰ বুকুলৈকে সোমাই থকা। এতিয়া আমাৰ প্ৰথম কাম হ'ল থিয় গৰাৰ কাষে কাষে বগাই গৈ শিলটোৰ ওপৰত উঠা।

আমি সকলোৱে শিল আৰু বালিৰে মিশ্ৰিত থিয় গৰাৰ কাষে কাষে ওপৰলৈ বগাবলৈ আৰম্ভ কৰিলো। বহু কষ্টৰে আমি ওপৰলৈ বগাই গ'লো আৰু শেষ মুহূৰ্তত গাইড কেইজনে আমাক হাতত ধৰি টানি শিলৰ ওপৰত উঠাই দিলে। আমি সকলোৱে শিলবোৰৰ ওপৰত বহিলৈ কিছুপৰ জিৰণি

ল'লো। পাহাৰ বগোৱাৰ প্ৰথম ৰাউণ্ডতে মোৰ ধৰাশায়ী হোৱা যেন লাগিল। এইদৰে কিছুপৰ জিৰণি লোৱাৰ পিছত আমি থিয় হৈ ল'লো আৰু মুকলি মূৰিয়াকৈ চাৰিওফালৰ দৃশ্যবোৰ চালো। সেই দিনা আছিল আকাশখন পৰিছন্ন। নিৰ্মল নীলিম আকাশৰ তলৰ নীলা নীলা পাহাৰৰ নীলৰঙী চূড়াবোৰ আমাৰ সন্মুখত সম্পূৰ্ণভাৱে ধৰা পৰিছিল। এইদৰে কিছুসময় পাহাৰৰ দৃশ্যবোৰ উপভোগ কৰাৰ পাছত আমি আকৌ আমাৰ অভিযান আৰম্ভ কৰিবলৈ সাজু হ'লো। প্ৰথমে গাইড কেইজনে নিজৰ নিজৰ কান্ধত বন্দুকবোৰ ওলোমাই ল'লে। অভিযানটোৰ নেতৃত্ব ল'লে চিকাৰী টাৰ্ম জিৰ'দই। তেওঁৰ পাছে পাছে আমাৰ দলটো আৰু মাজে মাজে গাইড কেইজন। তেতিয়া আমি সৰু সৈনিকৰ দললৈ ৰূপান্তৰিত হ'লো। পাহাৰৰ গভীৰ অৰণ্যৰ মাজেৰে আমি বগাই যাবলৈ আৰম্ভ কৰিলো। দিনৰ মাজ ভাগতো কুঁৱলীৰে আৱৰি আছিল অৰণ্য আৰু নিয়ৰৰ টোপাল টোপ-টোপ কৈ পৰিছিল আমাৰ মুৰৰ ওপৰত। সূৰ্যৰ পোহৰে কোনোদিন ইয়াত ভূমুকি মৰা নাই। এইদৰে আমি অসূৰ্যস্পৰ্শা প্ৰকাণ্ড প্ৰকাণ্ড শিলৰ ওপৰত পিচল শেলুৱৈৰ ওপৰেদি ভৰি দুটাৰে খুপি খুপি আগবাঢ়িলো। অৱশ্যে অতিকৈ অসুচল ঠাইবোৰত গাইডসকলে আগদিনাই বাঁহ-বেত বান্ধি থৈছিল যাতে আমি হাতেৰে ধৰি ধৰি আগবাঢ়ি যাব পাৰোঁ। এইদৰে বহু সময় বগাই যোৱাৰ পিছত এডোখৰ মুকলিমূৰীয়া ঠাই পালোগৈ। সেই ঠাইখিনিতে পাহাৰখনে নদীৰ সংগ এৰি পশ্চিমৰ ফালে আগুৱাই গৈছে। আমি কিন্তু নদীখনৰ সংগ এৰি যাব বিচৰা নাছিলো। গতিকে এই ঠাই ডোখৰতে আমি পাহাৰ বগাই নামি আহিলো আৰু পাহাৰৰ দাঁতিতে থকা কিছুমান শিলৰ ওপৰত বহি কিছু সময় জিৰণি ল'লো। কিছুপৰ জিৰণি লোৱাৰ পিছত আমি আকৌ যাত্ৰা আৰম্ভ কৰিলো। এইবাৰ আমি কঁহুৱা-ঝাওবন আৰু খাগৰিৰ জোপোহাৰ মাজৰ লুংলুঙিয়া বাটেৰে আগবাঢ়ি গ'লো। মাজে মাজে কিছুমান বালিচৰ। এই ৰূপ দেখি আমি কিছু সময় অভিভূত হৈ চাই ৰ'লো। তাৰ পিছত আমি অতি কষ্টৰে সেই বালিচৰটো খোজ কাঢ়ি পাৰ হ'লো। পাৰহৈ কিছুদূৰ যোৱাৰ পাছত আমি এজোপা বগৰী গছৰ তলত জিৰণি ল'লো। তেতিয়ালৈকে আমাৰ পেটে ভোকত কলমতিয়াবলৈ আৰম্ভ কৰিছিল। আমাৰ খাদ্য বস্তু সকলো

নাৱত গুছি গ'ল। আমি দিনৰ সাজ ভাত ক'ত খাম, কোন সময়ত খাম গাইডসকলে আমাক জনোৱা নাছিল। আমাৰ হাতত আছিল মাত্ৰ এটা পানীয়ৰ বটল আৰু কেইবটলমান পানী। তাকে খাই আমি দেহৰ ভাগৰখিনি পলুৱাবলৈ চেষ্টা কৰিলো। খোৱা পৰ্ব শেষ হোৱাৰ পিছত আমি খৰ ধৰকৈ আকৌ যাত্ৰা আৰম্ভ কৰিলো। এইবাৰ আমি গছ আৰু সৰু সৰু পাহাৰৰ টিলাৰ ওপৰেদি বগাই বগাই আগবাঢ়িলো। এই দৰে বহু সময় যোৱাৰ পিছত আমি নদীখনৰ নিচেই কাষ পালোহি। কিন্তু নাৱৰীয়া কেইজন তেতিয়ালৈকে সেই ঠাই পোৱাহি নাছিল। আমি তেওঁলোকলৈ অপেক্ষা নকৰি খৰ-ধৰকৈ আগবাঢ়িলো। কাৰণ ইতিমধ্যে বেলিটো পাহাৰৰ ডাঙৰ চূড়া এটাৰ পিছফালে লুকাই গৈছিল। এইদৰে নদীৰ পাৰে পাৰে আগুৱাই গৈ থাকোঁতে কেইজনীমান মাইকী মানুহ, ল'ৰা-ছোৱালী স'তে কাঠৰ টুকুৰাবোৰ আৰু শিলবোৰ লুটিয়াই-বগৰাই কিবা বিচাৰি ফুৰা দেখিলো। তেওঁলোকৰ ওচৰ পাই গম পালো যে গান্ধীপোক বুটলিছে। ইয়াত যথেষ্ট পৰিমাণে গান্ধীপোক পোৱা যায় কাৰণে গান্ধীতোলা নাম দিয়া হৈছে।

গান্ধীতোলা পোৱা বুলি জানি আমাৰ মনবোৰ ভাল লাগি গৈছিল। কিন্তু আমাৰ শিৰিৰ পাবলৈ তেতিয়াও যথেষ্ট দূৰ আছিল। নদীৰ পৰে-পাৰে কৰল বালি আৰু শিল। শিলৰ ওপৰেদি আমি জাঁপ মাৰি মাৰি আগবাঢ়িলো। আমাৰ শিৰিৰ পোৱালৈকে সন্ধিয়া লাগিল। কিন্তু শিৰিৰটো আছিল নদীৰ সিপাৰে। দুদিনমানৰ পূৰ্বে আমি এজন চিকাৰীক পঠিয়াইছিলো এডোখৰ সুচল ঠাই বিচাৰি এটা শিৰিৰ সাজি উলিয়াবলৈ। গতিকে আমি নদীৰ পাৰতে থিয়হৈ চিকাৰীক উদ্দেশ্যি বহুবাৰ চিঞৰিলো কিন্তু কোনো সঁহাৰি নাপালো আৰু পোৱাটোও প্ৰায় অসম্ভৱ। কিয়নো সেইঠাই ডোখৰত নদীখন ইমানেই তৰ্জন-গৰ্জন কৰি বৈ আছে যে আমি কাষত থিয় হৈ থকা জনৰ মাতো ভালকৈ নুশুনি। আমি সিপাৰলৈ যোৱাৰ আশা এৰিলো; কিন্তু ৰাতিটো কিদৰে কটোৱা হয় তাৰে আলোচনা আৰম্ভ কৰিলো। গাইড কেইজনেৰে আলোচনা কৰি আমি এটা সিদ্ধান্তলৈ আহিলো। আমি থিয়হৈ থকা ঠাইত ডোখৰৰ পৰা প্ৰায় দুই কিলোমিটাৰ মান দূৰৈত পাহাৰৰ টিলা এটাৰ ওপৰত এটা আদী পৰিয়াল বাস কৰে।

গতিকে ৰাতিটো তাতে কটোৱা হওক।

ইতিমধ্যে আমাৰ ৰেচন কঢ়িওৱা নাও দুখন আহি পালেহি। নাৱৰ পৰা টোপোলা নমাই ব্ৰেড-বিস্কুট, ফল-মূল যি আছে সকলোৱে অলপ খাই ল'লো। কাৰণ ৰাতিপুৱা দহটা বজাতে ঘৰত খৰধৰকৈ অলপ কিবা খাই আহিছিলো আৰু এই গধূলিহে কিবা এটা পেটত পৰিছে। তাৰ পাছত আমি সকলোৱে খৰ-ধৰকৈ টিলাটোৰ ফালে আগবাঢ়িলো। পাহাৰীয়া লুংলুঙীয়া বাটেৰে গাইড কেইজনৰ পাছে পাছে খোজ লৈ আছো, কাৰো মুখত একো মাত নাই। কাৰণ গাইড কেইজনে আমাক আগতেই সতর্ক কৰিছিল। কিবা ক'ব লগা থাকিলে ইংগিত আকাৰেহে দিব পাৰিব। কাৰণ ইয়াতে বনৰীয়া জীৱ-জন্তুলৈ ভয়। প্ৰায় ডেৰ ঘণ্টামান সময়ৰ পিছত আমি মানুহ ঘৰৰ পদুলিত গৈ ওলালোগৈ। পদুলিতে আমি কোনোবাই কাঠৰ টুকুৰাৰ ওপৰত কোনোবাই শিলৰ ওপৰত য'ত যি পাই তাতে বহি পৰিলো। কাৰণ তেতিয়ালৈ আমাৰ সকলোৰে অৱস্থা শোচনীয়। এইদৰে বহি থাকোঁতে হঠাৎ আদী ভাষাতে এক তুমুল বাক্‌বিতণ্ডাৰ সৃষ্টি হ'ল। অলপ পিছত গম পালো যে গৃহস্থই আমাক তেওঁ লোকৰ ঘৰত আশ্রয় দিব বিচৰা নাই। আমি সকলো নিমাতে বহি ৰ'লো। আৰু গাইড কেইজনে গৃহস্থৰ লগত আলোচনাত ব্যস্ত হ'ল। অলোচনাৰ শেষত গৃগস্থই মূল অভিযাত্রী কেইজনক চাঙৰ ওপৰলৈ নিমন্ত্রণ কৰিলে। চাঙৰ ওপৰত উঠি বহাৰ লগে লগে ঘৰৰ বুঢ়ীজনীয়ে মোক আৰু ডাঃ গুণীন গগৈক চিনি পালে। তেওঁলোক মাজে মাজে বেমাৰ-আজাৰ দেখুৱাবলৈ আহি থাকে।

জুহালৰ ওচৰত বহিলৈ মই চাৰিওফালে চকু ফুৰালো। ঘৰখন আদী পৰম্পৰা শৈলীৰে বনোৱা আৰু যথেষ্ট আহল-বহল। মূল ঘৰৰ লগতে ছাগলী গঁড়াল আৰু কুকুৰা গড়ালটো নিখুঁতভাৱে সংলগ্ন কৰা আছিল। অলপ পিছত বুঢ়ীয়ে আমাক মৰোৱা আপং দি আপ্যায়ণ কৰিলে। ৰাতি অলপ দেৰিকৈ পানী খাই আটাই কেইজনে চাঙৰ ওপৰতে শুলো।

ৰাতিপুৱা সোনকালে উঠি প্ৰাতকৃত্য সম্পন্ন কৰাৰ পিছত সকলোৱে ব্ৰেডেৰে স'তে একাপ একাপ চাহ খাই লৈ গৃহস্থৰ পৰা বিদায় ল'লো। ৰাতিপুৱা পুহমহীয়া জাৰ। চাৰিওফালে কুঁৱলীৰে আৱৰা আৰু ওপৰৰ পৰা বৰষুণৰ দৰে নিয়ৰৰ টোপাল। সকলো বাধা-বিঘিনি নেওচি শীতৰ

কুঁৱলী ফালি নদীৰ ফালে খোজ ল'লো। যেতিয়া আমি নদীখনৰ কাষ পালোহি তেতিয়া তাই সূর্যৰ ওমাল আলিংগন গ্রহণ কৰিবলৈ গাৰ পৰা কুঁৱলীৰ আৱৰণটো আলফুলকৈ এৰুৱাই লৈছিল আৰু সূর্যৰ আলিংগন পোৱাৰ লগে লগে তাই হৈ পৰিছিল চঞ্চলা-চফলা। এইদৰে নদীখনৰ দৃশ্য শিলৰ ওপৰত বহি উপভোগ কৰি থাকোঁতে আনফালে আমাৰ গাইড কেইজনে সিপাৰৰ চিকাৰীজনক উদ্দেশ্যি চিঞৰি আছিল। অলপ সময়ৰ পাছত চিকাৰীজন নদীৰ সিপাৰে দেখা দিলেহি। তেওঁক দেখাৰ লগে লগে আমি আমাৰ শিৰিৰৰ অৱস্থান সম্পর্কে নিশ্চিত হ'লো। প্রথমে গাইড কেইজন আৰু তাৰ পাছত নাৱৰীয়া কেইজনক দুজন দুজনকৈ পাৰ কৰাবলৈ আৰম্ভ কৰিলে। নদীৰ সোঁতৰ তীব্রতা দেখি প্রথমে আমি পাৰ হ'বলৈ ভয় কৰিছিলো। গতিকে আমি একেবাৰে শেষত পাৰ হ'লো।

নদীখন পাৰ হৈয়েই আমি আমাৰ লক্ষ্যস্থান গান্ধীতোলা উপত্যাকাত ভৰি দিলোহি। চাৰিওপালে কেৱল শুভ্র বালি। উপত্যকাৰ সোঁ-মাজেদি আমি ধীৰ খোজেৰে আগ বাঢ়িলো। তেতিয়ালৈকে পুৱাৰ ৰ'দ কাঁচলিয়ে গোটেই উপত্যকাটো বুৰাই পেলাইছিল। উপত্যকাৰ এফালে আছিল ওখ পাহাৰ আৰু ঘন সেউজীয়া অৰণ্য, মাজত শুভ্র বালি আৰু সন্মুখেদি বৈছে কল্লোলিত ধ্বনিৰে সু�ৰৰ মূর্চনা তুলি নদীখন। কিযে সন্মোহিনী, কি যে অপূর্ব আছিল সেই দৃশ্য। আমি সূর্যৰ উমাল তাপৰ তলত থিয়হৈ কিছুপৰ এই দৃশ্য উপভোগ কৰিলো। তাৰ পাছত আমি আগবাঢ়িলো পাহাৰৰ ফালে, শিৰিৰলৈ বুলি। শিৰিৰ গৈ পাই সকলো ব্যস্ত। কিছুমান ভাত ৰন্ধাত, কেইজনমানে মাংস কটাত আৰু বাকী কেইজন শিৰিৰটো অলপ আহল বহল কৈ বনোৱাত।

আমি পিছত অহা কেইজনে শিৰিৰ বনোৱাত সহায় কৰিবলৈ ধৰিলো। শিৰিৰটো সাজি শেষ হোৱাৰ পিছত আমি নিজৰ নিজৰ বেগ লৈ শিৰিৰৰ ভিতৰত সোমাই থান-থিত হৈ ল'লো আৰু বালিতে বাগৰি জিৰণি ল'লো। এইদৰে জিৰণিলৈ থাকোঁতে চিনাকি-অচিনাকি কিবা সুস্বাদু ব্যঞ্জনৰ গোন্ধ এটা নাকত লাগিল। লগে লগে আমাৰ পেটে কলমলাবলৈ আৰম্ভ কৰিলে। কৰাৰ কাৰণো আছে। যিহেতু তিনি সাজকৈ ভাত আমি ভালকৈ খাবলৈ পোৱা নাছিলো। অলপ পিছত আমাক ভাত খাবলৈ মাতিলে। বালিৰ

ওপৰতে কলপাতত ভাত বাঢ়ি সজাই থোৱা আছিল। ভাতৰ লগত বনৰীয়া পাতেৰে সিজোৱা মাংসৰে উদৰ পুৰাই খালো। কিযে এক অপূর্ব সোৱাদ আৰু অপূর্ব পৰিৱেশ। আমি সকলোৱে প্রয়োজনতকৈ বেছি খালো আৰু আগদিনাখনৰ ভাগৰ মাৰিবলৈ শিৰিৰত সোমালো। টোপনিৰ পৰা সাৰ পোৱালৈকে বেলি বহুত হ'ল। হাত-মুখ ধুই একাপ একাপ চাহ খাই ল'লো আৰু গোটেই উপত্যকাটো অধ্যয়ন কৰিবলৈ ওলালো। প্রথমে আমি পাহাৰৰ কাষে কাষে গৈ দেখিলো ডাঙৰ ডাঙৰ গছবোৰ ঘেৰি থকা পানীৰ দাগ। বাৰিষা কিমান উচ্চতালৈ পানী উঠে তাৰ পৰাই অনুমান কৰিলো। ইয়াত প্রকৃতিৰ ৰেহ-ৰূপ হেনো প্রতিবছৰে সলনি হয়। উপত্যকাৰ চাৰিওফালে ঘূৰি ফুৰা পিছত আমি আকৌ শিৰিৰলৈ ঘূৰি আহি দেখিলো সকলোৱে খৰি গোটোৱাত ব্যস্ত। আৰু খৰিবোৰ শিৰিৰৰ চাৰিওফালে দ'ম কৰি থোৱা আছিল। ইয়াত ৰাতি হাতীলৈ ভয়। গতিকে জুই জ্বলোৱা নিতান্তই আৱশ্যক।

সন্ধিয়া হোৱাৰ লগে লগে আমি কেইজনমানে উত্তৰৰ দিশে ফুৰিবলৈ ওলাই আহিলো। নদীখনে পাহাৰত খুন্দাখাই ৯০ ডিগ্রী কোণ কৰি নামনিলৈ ঢাপলি মেলিছে। সেইখিনিতে থিয় হৈ কিছুপৰ নদীখনৰ গতি-বিধি চালো। ইতিমধ্যে পাহাৰৰ সিপাৰে সেন্দূৰীয়া আভাৰে জোনটোৱে ভূমুকি মাৰিছেহি। আমি লাহে লাহে নদীৰ পাৰে পাৰে শিৰিৰৰ পিনে আগবাঢ়িলো। লাহে লাহে জোনটো আৰু উচ্চতালৈ আৰোহণ কৰিলে। যেতিয়া পাহাৰৰ উচ্চতা অতিক্রম কৰি জোনটো মুকলি আকাশলৈ ওলাই আহিল তেতিয়া এনে লাগিছিল যেন সদ্যস্নাতা গাভৰুৰ কপালৰ ৰঙা সেন্দূৰৰ ফোঁট। সেই নীলা আকাশত ডাৱৰৰ চিন-চাব নাছিল বাবে জোনটো বেছি উজ্জ্বল দেখা গৈছিল। আৰু জোনৰ পোহৰে গোটেই উপত্যকাটোকেই বুৰাই পেলাইছিল।

ৰূপালী বালি চন্দাৰ দলিচাৰ ওপৰতেই বহি আমি কিছুপৰ জিৰণি ল'লো। তেতিয়া নদীখন আমাৰ নিচেই কাষেৰে বৈ আছিল। জোনৰ পোহৰ পৰাৰ লগে লগে নদীখন হৈ পৰিল চঞ্চলা-চ'পলা। দিনৰ দিনটো সূর্যৰ পৰা সকলো প্রাপ্তিৰ পাছত নদীখন যেন এতিয়া হৈ পৰিছে উন্মনা যৌৱনা। উদ্বাউল হৈ পৰিছে জোনৰ পোহৰক আলিংগন কৰিবলৈ তেতিয়া

দেহত যেন একো পৰিধান কৰা নাছিল। উলংগ দেহাৰে নদীয়ে বুকু তুলি নাচিছিল আৰু জোনৰ পোহৰক আলিংগন কৰিছিল। জোনৰ পোহৰ ....বাঞ্জি অহাৰ লগে লগে উন্মাদিনীৰ দৰে নাচিছিল আৰু খিল-খিলাই হাঁহিছিল। তাইৰ নাচোন দেখি মোৰো মন গৈছিল তাইৰ লগতে নাচিম আৰু গাম। কিন্তু নোৱাৰি। তথাপি মনৰ আৱেগক ধৰি ৰাখিব নোৱাৰি এক মুহূর্তৰ বাবে তাইক আলিংগন কৰিলো। সেই নীলা আকাশৰ পৰা অযুত তৰাই তাইলৈ চাই আছে। আমিও বহু পৰলৈ অপলক নেত্রে চাই আছিলো। তাইৰ সেই মায়াবী নীলাৰ নাচোন। আমাৰ সেই সুখ আৰু অনন্দ বেছি সময় নাথাকিল। নৈমিত্তিকভাৱে অহা বতাহজাকে আমাক আমনি কৰিবলৈ ধৰিলে। বতাহৰ প্রাবল্য বাঢ়ি অহাৰ লগে লগে বালিৰ ধুমুহাই আমাৰ গায়ে-মূৰে কোবাবলৈ আৰম্ভ কৰিলে। আমি বহাৰ পৰা উঠি শিৰিৰলৈ ৰাওনা হ'লো। তেতিয়া শিৰিৰৰ চাৰিওফালে জুইবোৰ দপ-দপাই জ্বলিবলৈ আৰম্ভ কৰিছিল। শিৰিৰত থকা আটাইকেইজনে বেলেগ বেলেগ কামত ব্যস্ত। তেতিয়া কিজানি ৰাতি নটা বাজিছে। আমি জুইৰ কাষত বালিৰ ওপৰত বহি ল'লো। আমি ইটোৰ পিছত সিটো কথা। ৰাতি অতিপাত ঠাণ্ডা যদিও জুইৰ উত্তাপত আমি ঠাণ্ডা অনুভৱ কৰা নাছিলো। ইতিমধ্যে আমি বহি থকা ঠাইত আমাক ভাত দি গ'ল হি। ভাত খাই উঠি আমি শিৰিৰত সোমায় য'তে পাই ত'তে শুই পৰিছিলো।

মাজনিশা সাৰ পাই মই এটা প্রাকৃতিক কাৰণত বাহিৰলৈ ওলাই আহিলো। তেতিয়া গোটেই উপত্যকাটোৱেই জোনৰ পোহৰত বুৰ গৈ আছিল। অলপ দূৰৈৰ পৰাই চালো নদীখনে কুঁৱলীৰ আৱৰণটো যেন লাহে লাহে মেৰিয়াই লৈছে। চাৰিওফালে নীৰৱতা ভংগ কৰিছিল মাত্র আমাৰ অভিযাত্রী কেইজনৰ পথালিকৈ শুই থাকোঁতে নাকৰ পৰা ওলোৱা ঘেৰ-ঘেৰণিয়ে। এজনৰ নাকৰ পৰা ওলোৱা ঘেঘেৰণি ইমানেই তীব্রতৰ আছিল যে তাহানি যুগৰ চীনৰ ডেংপো কোম্পানীয়ে বনোৱা পুৰণা ষ্টিম ইঞ্জিন এটা ষ্টার্ট কৰি থোৱা যেন লগিছিল। মোৰ নিদ্রা ভংগ হ'ল। বিছনাত বাগৰিছিলো, কিন্তু টোপনি নাহিল। অৱশ্যে শেষ নিশা সেই অপূর্ব সুৰৰ ঝংকাৰত মূর্চা গৈ চিল-মিল টোপনি আহিছিল।

চিলমিলিয়া টোপনিৰ পৰা সাৰ পাই দেখিলো আমাৰে এজন অকলশৰে

জুইৰ কাষত বহি লৈ ইটো-সিটো কিবা কৰি আছে। অলপ পিছত দেখিলো শোৱাৰ পৰা বহিলৈ দুজন মানে টিকা চুঁচৰাই গৈ সিজনৰ দুয়োফালে বহি ল'লে। পিছৰ দুজন গৈ লগে লগে হাঁহিৰ গির্জনী উঠালে। লগে লগে আমি সকলো সাৰ পাই গ'লো আৰু সকলোৱে জুইৰ চাৰিওফালে বহি ল'লো। প্ৰথমজনৰ উদ্দেশ্য আছিল কোনো শুই উঠাৰ আগতে পোৰা গাহৰিৰ মাংসৰে এসাজ তৃপ্তিৰে খোৱা। কিন্তু সফল নহ'ল। আটাইকেইজনে জুইৰ চাৰিওফালে বহি লৈ মাংস পো�ৰাত লাগি গ'লো। পোৰা মাংসৰ স'তে আগ নিশা ৰাহি হোৱা এক চৰু ভাত উদং কৰিলো। অলপ পিছত হাতে হাতে ব্ৰাচ লৈ দাঁত মাজিবলৈ ওলাই গ'লো। মুখ ধুই শিবিৰ সোমোৱাৰ লগে লগে আমাক ব্ৰেকফাষ্ট কৰিবলৈ মাতিলে। সকলোৱে ব্ৰেকফাষ্টৰ কাৰণে বহি ল'লো। ব্ৰেকফাষ্ট খাই থিয় হোৱাৰ লগে লগে খাদ্যখিনি ডিঙিলৈ পোৱা যেন লাগিল। কিছুপৰ থিয়হৈ ৰ'লো। আমি তেতিয়ালৈকে প্ৰাতঃ ভ্ৰমণৰ কাৰণে সময় উলিয়াব পৰা নাছিলো। আটাইকেইজন ব্ৰেকফাষ্ট খাই উঠাৰ পাছত আমি প্ৰাঃত ভ্ৰমণৰ বাবে ওলাই গ'লো। কিন্তু খাদ্যৰ ভৰত ভৰি দুখন বালিত সোমাই গৈ থকা যেন লাগিল। প্ৰথমে আমি পাহাৰৰ কাষে কাষে আগবাঢ়ি গ'লো। বাৰিষাৰ পানীয়ে কঢ়িয়াই অনা কিবা আপুৰুগীয়া বস্তু বিচাৰি পোৱাৰ। এনেদৰে কিছু সময় ঘূৰি ফুৰাৰ পিছত আকৌ শিৱিৰলৈ ঘূৰি আহিলো।

শিৱিৰত বহি লৈ সকলোৱে দিনটোৰ কাৰ্যসূচীৰ কথা আলোচনা কৰিলো। কেইবাজনৰো মত আহিল আৰু এনিশা থাকি যোৱাৰ আৰু আন কেইজনৰ কিছুমান অসুবিধা। ইতিমধ্যে ঘৰৰ পৰা ওলাই অহা আজিলৈকে তিনিদিনত ভৰি দিলেহি। সকলো দিশ চাই-চিতি আমি ঘৰলৈ ঘূৰি যোৱাৰ সিদ্ধান্ত ল'লো। গাইড আৰু নাৱৰীয়া কেইজনক বয়-বস্তু সামৰিবলৈ নিৰ্দেশ দিয়া হ'ল।

গান্ধীতোলাক বিদায় জনাই আমি নদীখন পাৰ হ'লো। অহা বাটেৰে পুনৰ উভতি গৈ আমি প্ৰায় দুটামান বজাত ৰাক্ষক মুখ পালোহি। ইতিমধ্যে আমাক নিবলৈ ৰাক্ষক মুখত ডাঙৰ নাওখন ৰৈ আছিল। সৰু নাও দুখন আহি পোৱাৰ লগে লগে আমাৰ সকলো বয়-বস্তু ডাঙৰ নাৱত উঠাই লোৱা হ'ল। এনেতে হঠাৎ এজন আদী মানুহে এহাল ল'ৰা-ছোৱালী লৈ

নাৱৰ ওচৰলৈ আহিল আৰু তেওঁলোকক লগত লৈ যাবলৈ অনুৰোধ কৰিলে। আমিও আপত্তি নকৰিলো। নাও এৰিবৰ সময়ত নাওখন কোনফালে এৰিব লাগে তাক লৈ বাদানুবাদ চলিল। নাৱৰীয়াসকলে নাওখন ৰাক্ষক মুখ গাগৰিৰ কাষেদি এৰি দিব বিচাৰিলে। কিন্তু আদী মানুহজনে ঘোৰ আপত্তি কৰিলে। এই ৰাক্ষক মুখৰ গাগৰিত কিমান মানুহৰ সলিল সমাধি হৈছে সেইবিষয়ে নাৱৰীয়া কেইজনক জনাই দিলে। কিন্তু নাৱৰীয়া কেইজনৰ যুক্তি যে তেওঁলোকৰ নাও বহুত ডাঙৰ গতিকে কোনোধৰণৰ বিপদ হ'ব নোৱাৰে। আমিও নাৱৰীয়াৰ কথাত সন্মতি জনালো। আমি সন্মতি জনোৱাৰ লগে লগে আদী মানুহজনে ডিঙিত থকা কাপোৰখনেৰে ল'ৰা-ছোৱালী হালৰ হাত দুখন নাৱৰ ভৰটোত বান্ধি দিলে। লগে লগে ল'ৰা-ছোৱালীহাল চিঞৰি চিঞৰি কান্দিবলৈ আৰম্ভ কৰিলে। মানুহজনক কিয় বান্ধিলি বুলি প্ৰশ্ন কৰাত ক'লে যে যিহেতু ইহঁত দুটা মৰিবই গতিকে ইহঁতৰ মৰা শটো লাগিব। লগে লগে আৰু জোৰেৰে আৰু জোৰেৰে ল'ৰা-ছোৱালী দুটাই কান্দিবলৈ ধৰিলে। ইতিমধ্যে নাৱৰীয়া কেইজনে নাওখন এৰি দিলে। নাওখন এৰি দিয়াৰ কেইটামান মুহূর্তৰ পিছতে গুৰিয়ালজন উফৰি আহি নাৱৰ মজিয়াত পৰিল আৰু তৎ মুহূর্ততে আমাৰ নাওখন মূল গাগৰিত সোমাই পাকঘূৰণি খাবলৈ আৰম্ভ কৰিলে। লগে লগে আমাৰ মূৰৰ ওপৰেদি পানী বাগৰিবলৈ আৰম্ভ কৰিলে। কিছুসময় এইদৰে পাক ঘূৰণী খোৱাৰ পিছত নাওখন গাগৰিৰ পৰা ওলাই আহিল আৰু শান্ত হ'বলৈ আৰম্ভ কৰিলে। ইতিমধ্যে আমাৰ নাৱত পানী সোমাই বুৰো—বুৰো হ'ল। আমাৰ সকলোৰে মুখৰ মাত হেৰাল। নাৱৰীয়া কেইজনে সম্বিত ঘূৰাই পাই পানী সিঁচিবলৈ আৰম্ভ কৰিলে। গুৰীয়াল নোহোৱা নাওখন অথালি-পথালিকৈ পানীৰ সোঁতত যাবলৈ ধৰিলে। আমি সকলোৰে হুমুনিয়াহ কাঢ়িলো। আমাৰ সমাপ্তি মধুৰ নহ'ল। তথাপি এক নিশ্চিত মৃত্যুৰ পৰা যে বাছি আহিলো তাকে লৈ আমি সান্ত্বনা লভিলো। ইতিমধ্যে আমাৰ নাও গেৰুকামুখ পালেহি আৰু আমাক নিবলৈ গাড়ী ৰৈ আছিল। আমি ইজনে-সিজনক কমৰ্দন কৰি ঘৰাঘৰি হ'লো।

শতিকা গৰকা দুলুঙৰ নতুন চিনাকি

দ্বীপৰাজ পেগু

অসমৰ সংৰক্ষিত বনাঞ্চলসমূহৰ ভিতৰত অন্যতম গভীৰ, বিশাল আৰু জৈৱ-বৈচিত্র্যৰে ভৰপুৰ বনাঞ্চল হৈছে দুলুং। লখিমপুৰ জিলাৰ কদম ৰাজহ চক্রৰ অন্তর্গত দুলুং বনাঞ্চল লখিমপুৰ নগৰৰ পৰা প্রায় ২০ কিলোমিটাৰ আৰু ধেমাজি জিলাৰ গোগামুখ নগৰৰ পৰা ৬ কিলোমিটাৰ নিলগত অৱস্থিত চিৰ সেউজ দুলুং বনাঞ্চল। বনাঞ্চলখনৰ উত্তৰে অৱস্থিত অৰুণাচল প্রদেশৰ নামনি সোৱণশিৰি জিলাৰ দুলুং সংৰক্ষিত বনাঞ্চল। দুলুং শব্দটো ক'ৰ পৰা উৎপত্তি হ'ল তাৰ ঐতিহাসিক সমল পাবলৈ নাই। অৱশ্যে অৰুণাচল প্রদেশৰ তানি গোষ্ঠীৰ লোক তথা অসমৰ মিচিংসকলৰ ভাষাত দলুং মানে— গাঁও। জনা যায় যে ১৯৫০ চনৰ বৰ ভূঁইকঁপৰ আগলৈকে দুলুঙৰ পাৰে পাৰে তানি গোষ্ঠীৰ বহু সংখ্যক গাঁও আছিল। এই তানি গোষ্ঠীৰ লোকসকলে অৰুণাচল প্রদেশৰ উজনি সোৱণশিৰি জিলাৰ পৰা আৰম্ভ কৰি নামনি সোৱণশিৰি জিলাক সামৰি বিস্তৃতভাৱে বসবাস কৰি আছে। অৰুণাচল প্রদেশৰ সোৱণশিৰি নদীৰ পাৰে পাৰে বসবাস কৰা তানি গোষ্ঠীৰ বসতিৰ সীমা শেষ হৈছে দুলুংমুখত। পূর্বে অৰুণাচল প্রদেশত অসমীয়া ভাষাৰ বহুল প্রচলন আছিল কাৰণে এই দলুং নাম বাচক শব্দৰ পৰাই অসমীয়া ভাষাৰ মুখ সংযোগ হৈ দুলুংমুখ হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। দুলুংমুখক এতিয়াও অৰুণাচল প্রদেশৰ লোকসকলে দলুংমুখ বুলিয়েই কয়। সি যি কি নহওক দুলুং হৈছে শতিকা গৰকা প্রাণপ্রাচুর্যৰে ভৰা এক সুবিশাল সংৰক্ষিত বনাঞ্চল। বিশিষ্ট প্রকৃতিবিদ, লেখক তথা লখিমপুৰ এল টি কে মহাবিদ্যালয়ৰ অৱসৰপ্রাপ্ত সহযোগী অধ্যাপক নাৰায়ণ বৰুৱাৰ পৰা পোৱা তথ্য অনুযায়ী ১৯১৩ চনৰ ১ মে'ত

ব্রিটিছসকলে দুলুঙক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰিছিল। তথ্য অনুযায়ী ১৮২৩ চনত ভাৰতৰ গবর্ণৰ জেনেৰেল হিচাপে ডেভিড স্কটক দায়িত্ব অর্পণ কৰা হয়। স্কট চাহাবৰ আশাসুধীয়া প্রচেষ্টাতে ১৮৪৩ চনত অসমৰ সকলোবোৰ বনাঞ্চল আৰু ভূমিৰ জৰীপ কৰা হয়। ১৮৫১ চনত আন এগৰাকী ইংৰাজ পর্যটক তথা প্রকৃতিপ্রেমী ছাৰ যোচেফ মার্গান অসমলৈ আহিছিল আৰু উত্তৰ লখিমপুৰলৈও আহিছিল। সেই সময়ত উত্তৰ লখিমপুৰত চিকিৎসা সেৱা আগবঢ়াই থকা ইংলণ্ডৰ চিকিৎসক ডাঃ কেম্বেলৰ লগত লৈ হৈছিল পর্যটক যোচেপ মার্গান। মার্গানে লখিমপুৰৰ প্রাকৃতিক সৌন্দর্য উপভোগ কৰি অভিভূত হৈ পৰিছিল আৰু তেতিয়াৰ উজনি অসমৰ প্রশাসক কলনেল কুপে চাহাব আৰু কেপ্টেইন নিউ ফ'ৰেল চাহাবক অসমৰ কেইবাখনো বনাঞ্চল সংৰক্ষণ কৰিবলৈ অনুৰোধ জনাইছিল। ১৯১১ চনত অসমৰ দায়িত্বত থকা ব্রিটিছৰ মুখ্য সচিব ডব্লিও এম কেনেডিয়ে অসমৰ কেইবাখনো অৰণ্যক সংৰক্ষিত বনাঞ্চল হিচাপে স্বীকৃতি প্রদান কৰিবলৈ ব্রিটিছ গভর্ণৰক অনুৰোধ কৰে। উক্ত অনুৰোধ মর্মে দুলুং বনাঞ্চলৰ লগতে উজনি অসমৰ ন খন বনাঞ্চলক সংৰক্ষিত বনাঞ্চল হিচাপে ১৯১৩ চনত ঘোষণা কৰে। দুলুঙক বনাঞ্চল হিচাপে ঘোষণা কৰা শতিকা গৰকি গ'ল যদিও দুলুঙৰ সংৰক্ষণৰ ব্যৱস্থাটো চৰকাৰে গ্রহণ কৰা পৰিলক্ষিত নহ'ল। ১৯,৫৮৪ একৰ ভূমিত বিস্তৃত হৈ আছে দুলুং বনাঞ্চল। সোৱণশিৰি নদীৰ গাতে লাগি থকা এই বনাঞ্চলখন জৈৱ-বৈচিত্র্যৰে ভৰপুৰ। দুলুঙৰ বুকুত পোৱা যায় পৃথিবীৰ পৰা বিলুপ্ত প্রায় উদ্ভিদ চিঁয়া নাহৰ। উদ্ভিদ বিজ্ঞানীসকলে চিঁয়া নাহৰক বিশ্বৰ বনাঞ্চলসমূহৰ পৰা বিলুপ্ত প্রায় উদ্ভিদৰ তালিকাত অন্তর্ভূক্ত কৰিছে। এনে পৰিপ্রেক্ষিতত চিঁয়া নাহৰ গছ সংৰক্ষণ কৰি ৰখাতো উত্তৰ অসমবাসীৰ বাবে ডাঙৰ কর্তব্য হৈ পৰিছে। অৰুণাচল প্রদেশৰ নামনি সোৱণশিৰি জিলাৰ দুলুং বনাঞ্চলৰ মজলীয়া পাহাৰ আৰু চিৰ সেউজ গছেৰে আবৃত্ত বনাঞ্চলখনৰ সীমা গৰকি থকা দুলুং বনাঞ্চলৰ তথ্য পাবলৈ নাই। চৰকাৰীভাৱেও দুলুং বনাঞ্চলৰ তথ্য বিস্তৃতভাৱ পাবলৈ নাই। গুগ'লৰ দৰে শক্তিশালী চার্ছ ইঞ্জিনটো দুলুং বনাঞ্চলৰ বিষয়ে উল্লেখ নাই। বুৰঞ্জীয়েও দুলুং বনাঞ্চলক ঢুকি নাপালে। লেখক-সাহিত্যিক, সাংবাদিকসকলৰ লেখাতো দুলুং বনাঞ্চল অৱহেলিত। দুলুঙৰ গাতে লাগি থকা সোৱণশিৰি নদীৰ বিষয়ে অতীতৰ পৰা যিমান

চর্চা আৰু লেখা-মেল হৈছে তাৰ তুলনাত দুলুঙক দেখ-দেখকৈ অৱহেলাৰ চকুৰে চোৱা পৰিলক্ষিত হয়। মাজে-সময়ে বৃত্তিৰ খাতিৰত দুই-এজন সাংবাদিকে দুলুঙত চলি থকা প্ৰকৃতি ধ্বংসযজ্ঞৰ বাতৰি পৰিৱেশন কৰা দেখা যায় যদিও তথ্যসমৃদ্ধ নহয়। তাৰ বিপৰীতে লেখক-প্ৰকৃতিবিদ নাৰায়ণ বৰুৱাৰ দুলুং বনাঞ্চলৰ ওপৰত সংগ্ৰহ কৰি থোৱা তথ্য অত্যন্ত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। নাৰায়ণ বৰুৱাই সংগ্ৰহ কৰি থোৱা তথ্য সকলোবোৰ শুদ্ধ তথ্য নহ'লেও তেওঁৰ লেখা তথা বক্তব্যৰ পৰা দুলুং বনাঞ্চলৰ বিষয়ে বিস্তৃত বিৱৰণ পাব পাৰি। পাহাৰ-ভৈয়ামক চিৰ সেউজ কৰি ৰখা দুলুং বনাঞ্চলত বৰ্তমানেও পোৱা যায় ভিন্ন প্ৰজাতিৰ জলজ আৰু স্থলপ্ৰাণী, উদ্ভিদ আৰু অৰ্কিড। প্ৰাপ্ত তথ্যমতে দুলুং বনাঞ্চলৰ জান-জুৰি-জলাশয়সমূহত পোৱা যায় ১১০ ৰ পৰা ১৫ বিধ থলুৱা মাছ। লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড°দেৱজিৎ বৰুৱাই সোৱণশিৰি নদীৰ মাছৰ ওপৰত চলাই থকা গৱেষণাত আৱিস্কাৰ কৰা মাছৰ প্ৰজাতিৰ তালিকা সংযোগ কৰিলে দুলুং বনাঞ্চলত মাছৰ সংখ্যা আৰু অধিক হ'ব। বনাঞ্চলখনত বৰ্তমানেও বনৰীয়া হাতী পোৱা যায়। বন বিভাগৰ তথ্য অনুযায়ী ৫০ৰ পৰা ১০০ মান হাতী বৰ্তমান দুলুং বনাঞ্চলত বিচৰণ কৰি আছে। পূৰ্বে বনাঞ্চলখনত বাঘ-ভালুক আদি হিংস্ৰ জন্তুবোৰ বিচৰণ কৰিছিল যদিও জন-কোলাহল আৰু যান্ত্ৰিকতাৰ ৰজনজননিত বাঘ-ভালুক চিৰ দিনৰ বাবে বিলুপ্ত হৈ গ'ল। অৱশ্যে মাজে সময়ে হিমালয়ান ক'লা ভালুক আৰু বাঘে বনাঞ্চলখনৰ অতিথি হৈ ঘূৰিফুৰা পৰিলক্ষিত হয়। বনাঞ্চলখনত পাঁচটা প্ৰজাতিৰ কাছ আৰু বিভিন্ন প্ৰজাতিৰ একৈশ বিধ বেং অথবা ভেকুলী পোৱা যায়। বনাঞ্চলখনত পোৱা অন্যতম বিৰল প্ৰজাতিৰ চৰাই হৈছে অৰুণাচল প্ৰদেশে ৰাজ্যিক প্ৰতীক হিচাপে ধনেশ পক্ষী। অসম-অৰুণাচলত দুষ্প্ৰাপ্য হৈ পৰা এইবিধ চৰাইক যদিহে সংৰক্ষণৰ ব্যৱস্থা নকৰে তেন্তে অচিৰেই ই বিলুপ্ত হৈ পৰিব। দুলুঙত পোৱা আন কেইবিধমান চৰাই হৈছে ফেঁচা, হুদু, হাঁইঠা, কণামুচৰি, শালিকা, কপৌ, বগলী, ডাউক, মইনা, বাঢ়েটোকা, শৰালী, চাকৈচকোৱা, ভাটো, কুলি, কেতেকী, ফেঁচু আদি। বনাঞ্চলখনত পূৰ্বে কাউৰী দেখিবলৈ পোৱা গৈছিল যদিও বৰ্তমান কাউৰী নোহোৱা হৈ পৰিল। সম্প্ৰতি বিশ্বৰ ভিতৰতে বিলুপ্তপ্ৰায় চৰাইৰ তালিকাত থকা শগুণৰো বিচৰণ ভূমি আছিল দুলুং বনাঞ্চল। কিন্তু বৰ্তমান দুলুঙত

শগুণ দেখা পোৱা নাযায়। অৱশ্যে হিমালয়ৰ পৰা অহা বিশেষ প্ৰজাতিৰ শগুণ বিধ দুলুঙৰ আশে-পাশে মাজে-সময়ে বিচৰণ কৰি ফুৰা পৰিলক্ষিত হয়। সৰু সৰু বন্যপ্ৰাণী দুলুঙত সদা বিৰাজমান। তাৰে ভিতৰত বোন্দা, শিয়াল, নল গাহৰি, বন-গাহৰি, বন-মেকুৰী, হেপা, লতামাকৰি, জহামাল, নেউল, কেৰ্কেটুৱা, কেঁটেলা পহু, গুই, মেথোন, বনৰীয়া ম'হ, মেকাক বান্দৰ আদি বহুবোৰ দুষ্প্ৰাপ্য বন্যপ্ৰাণী পোৱা যায়। কিন্তু সম্প্ৰতি বনাঞ্চলখনত বনৰীয়া ম'হ, মেথোন আদি দুষ্প্ৰাপ্য প্ৰাণীবোৰ নাইকিয়া হ'ল। বনাঞ্চলখনত এতিয়াও বিৰাজমান ৩০-৪০ প্ৰজাতিৰ পখিলা, ২০-৩০ টা প্ৰজাতিৰ ফৰিং, ৭ টা প্ৰজাতিৰ বৰল, ৫ টা প্ৰজাতিৰ হুদু আৰু অসংখ্য কীট-পতংগ। এনেবোৰ জৈৱ-বৈচিত্ৰ্যই দুলুঙক প্ৰাণ-প্ৰাচুৰ্যৰে ভৰাই তুলিছে। দুলুঙৰ নিজা প্ৰাকৃতিক সৌন্দৰ্যৰ উপৰিও অৰুণাচল প্ৰদেশৰ প্ৰাকৃতিক সৌন্দৰ্যয়ো দুলুঙক সোণত সুবাস চ'ৰাইছে। অৰুণাচল পাহাৰৰ পৰা নামি অহা খৰস্ৰোতা নৈ বাঘিনী জান, সোণজুৰি, হাতীহোলা, মেতেকা হোলা, দুলুংজান, বগীজান আদি জান-জুৰিসমূহে দুলুঙক চিৰ সেউজ কৰি ৰখাত সহায় কৰিছে। ওখ ওখ হোলোং গছ, ভিন্ন প্ৰজাতিৰ ঔষধি গুণযুক্ত তৰু-তৃণ আৰু ভিন্ন প্ৰজাতিৰ অৰ্কিডেৰে ভৰপুৰ দুলুং বনাঞ্চল। উপযুক্ত গৱেষণা আৰু অধ্যয়নৰ অভাৱত বনাঞ্চলখনৰ ঔষধি গুণযুক্ত উদ্ভিদ আৰু অৰ্কিডৰ পৰিমাণ ঠাৱৰ কৰিব পৰা নাই যদিও উপযুক্ত গৱেষণা হ'লে দুলুং বনাঞ্চলখন বিশ্বৰ ভিতৰতে এক লেখত ল'বলগা বনাঞ্চল ৰূপে স্বীকৃতি লাভ কৰাৰ সম্ভাৱনা আছে।

দুলুঙৰ প্ৰাকৃতিক সৌন্দৰ্য অধিক চহকী কৰি ৰাখিছে সোণৰ নৈ খ্যাত সোৱণশিৰিয়ে। বগীনদীৰ পৰা আৰম্ভ হোৱা দুলুং বনাঞ্চলখন সোৱণশিৰি নদীলৈকে বিস্তৃত হৈ আছে। ফলত বাৰিষা-খৰালি দুয়োটা কালতে দুলুঙৰ নৈসৰ্গিক সৌন্দৰ্য উপভোগ্য হৈ থাকে। কিন্তু সম্প্ৰতি বহুজাতিক কোম্পানী, চোৰাং চিকাৰী, চোৰাং বেপাৰীৰ দৌৰাত্ম্যত ক্ৰমশঃ নিশেষ হোৱাৰ দিশে আগবাঢ়িছে দুলুং বনাঞ্চল আৰু সোৱণশিৰি নৈ। চৰকাৰৰ বন বিভাগৰ অন্যায়-অৱহেলাত দুলুং চোৰাং চিকাৰী আৰু কাঠ বেপাৰীৰ ৰম্যভূমিত পৰিণত হৈছে। স্বয়ং বন বিভাগৰ ছত্ৰ ছাঁয়াতে দুলুং-সোৱণশিৰি পাৰে পাৰে স্থাপন হৈছে দহটাৰো অধিক শিল ভঙা সৰু-বৰ যন্ত্ৰ। এই যন্ত্ৰবোৰৰ ভয়ংকৰ শব্দ আৰু বায়ু প্ৰদূষণেও দুলুঙৰ প্ৰাণীকুলৰ ওপৰত

ব্যাপক বিৰূপ প্ৰভাৱ পেলোৱাৰ বিপৰীতে মানুহৰ জীৱনলৈও আনিছে মাৰাত্মক বীজাণু। যিবিলাক বীজাণুৱে অদূৰ ভবিষ্যতে মাৰাত্মক ৰূপত মানৱদেহত আক্ৰমণ কৰাৰ সম্ভাৱনা আছে। দুলুঙক ধ্বংস আৰু সংকোচিত কৰাত সহায় কৰিছে অসম আৰু অৰুণাচল প্ৰদেশৰ বে-দখলকাৰীসকলেও। অসমৰ পাহাৰীয়া অঞ্চলৰ বনাঞ্চলসমূহত বে-দখল কৰিলে আমি কেৱল অৰুণাচল বা চুবুৰীয়া ৰাজ্যৰ বে-দখলকাৰীসকলকে সমালোচনা কৰা দেখা পাও। কিন্তু অসমৰ বহু কেইখন বনাঞ্চল চুবুৰীয়া ৰাজ্যসমূহৰ লগতে অসমৰ লোকেও বে-দখল চলাই আছে। তাৰে ভিতৰত দুলুং বনাঞ্চলো ব্যতিক্ৰম নহয়। অসমৰ দুলুং বনাঞ্চলৰ শিল-বালিৰ কুৱেৰী আৰু সোৱণশিৰি নদীৰ শিল-বালিৰ কুৱেৰীত যি অবাধ হাৰত অত্যাধুনিক যন্ত্ৰৰে শিল-বালি তুলি ট্ৰাকে ট্ৰাকে ৰাজ্যখনৰ ভিন্ন প্ৰান্তলৈ সৰবৰাহ কৰি আছে তাৰ তুলনাত অৰুণাচল প্ৰদেশৰ দুলুং বা সোৱাণশিৰি কুৱেৰীত বহু কম পৰিমাণেহে শিল-বালি সংগ্ৰহ কৰা হয়। এনে পৰিপ্ৰেক্ষিতত কেৱল চুবুৰীয়া ৰাজ্যসমূহৰ বে-দখলকাৰীলৈ অসমবাসীয়ে সমস্ত দোষ ঠেলি দিলেই দুলুঙৰ দৰে বনাঞ্চল এখন ৰক্ষা কৰিব নোৱাৰে। বনাঞ্চলসমূহ ৰক্ষা কৰিবলৈ আমি প্ৰতিজনে কিছু ত্যাগ স্বীকাৰ কৰি প্ৰকৃতিপ্ৰেমৰ নিদৰ্শন দাঙি ধৰিব লাগিব আৰু ইয়াৰ অন্যথা অসমৰ অন্যান্য বনাঞ্চলসমূহৰ লগতে দুলুং বনাঞ্চলখন ৰক্ষা কৰা সহজ নহ'ব। সুখৰ বিষয় যে দুলুং-সোৱণশিৰি কনজাৰভেছন ছ'চাইটিৰ উদ্যোগত আৰু মিচিং স্বায়ত্তশাসিত পৰিষদৰ সহযোগত ২৭-৩০ ডিচেম্বৰ, ২০১৫ ত দুলুং বনাঞ্চলখনৰ ৰক্ষণাবেক্ষণ, প্ৰসাৰ আৰু প্ৰচাৰ, দুলুঙক বিশ্ব দৰবাৰত প্ৰতিষ্ঠাৰ লক্ষ্যৰে লখিমপুৰ জিলাৰ বগীনদীত অনুষ্ঠিত হয় প্ৰথম দুলুং-সোৱণশিৰি মহোৎসৱ-২০১৫। মিচিং স্বায়ত্তশাসিত পৰিষদে তেওঁলোকৰ কৰ্মসূচীৰ পৰিসৰত প্ৰকৃতি সুৰক্ষাৰ দিশটো অতি গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। সেইমতে বিগত দিনবোৰত কাজিৰঙা চৰাই মহোৎসৱ, পবা বৰ্ষাৰণ্য মহোৎসৱ উদযাপন কৰি তেওঁলোকৰ প্ৰকৃতিপ্ৰেমৰ নিদৰ্শন দাঙি ধৰিছে। আমি আশা কৰিছো দুলুং-সোৱণশিৰি মহোৎসৱ হওক সঁচাৰ্থত প্ৰকৃতি ৰক্ষা আৰু দুলুং-সোৱণশিৰিক জীয়াই ৰখাৰ মহোৎসৱ।

কাকতী ফৰিং

অর্পণ দত্ত

আন বহু ফৰিঙৰ দৰেই কাকতী ফৰিঙো এবিধ ফৰিং। ইহঁতৰ আকাৰ ডাঙৰ। পাখিত আখৰৰ দৰে চিন থকাৰ বাবেও ইহঁতক কাকতী ফৰিং বুলি কোৱা হয়। আন ফৰিঙৰ দৰেই ইহঁতেও বিপদৰ কথা গম পালেই 'ফৰিং চিটিকা' দিব জানে নাইবা জুইৰ প্ৰতি আকৰ্ষিত হৈ সমূহীয়াভাৱে 'ফৰিং জাহ' যোৱাটো প্ৰবৃত্ত হ'ব জানে। ইহঁতৰ প্ৰধান বৈশিষ্ট হৈছে— অকলে থকাৰ সময়ত আন ফৰিঙৰ দৰে স্বাভাৱিক ৰূপত আহাৰ-বিহাৰ কৰাত থাকি সময় বিশেষে জুমপাতি আকাশেদি উৰণীয়া মৌৰ দৰে বহুদূৰ অতিক্ৰম কৰিব পৰাটো। উৰাৰ সময়ত কেইবাটাও প্ৰজাতি একগোট হৈ দলৱদ্ধভাৱে আগুৱাব ধৰে। কিন্তু কাকতী ফৰিঙৰ এনে প্ৰৱণতাৰ মূলগত কাৰণ কি হ'ব পাৰে, সেয়া আজিও ৰহস্য হৈ আছে। অৱশ্যে এনে নহয় যে এই ফৰিঙৰ লক্ষ্য কেৱল পৰিভ্ৰমণ কৰাটোহে। এনে পৰিভ্ৰমণৰ সময়ত সিহঁতৰ তীক্ষ্ণ দৃষ্টি থাকে তলত ক'ত উদ্ভিদ শস্য থাকে। তেনে দ্ৰব্যৰ সন্ধান পালে বা প্ৰত্যক্ষ কৰিলে সিহঁত সিবিলাকৰ ওপৰত হেলিকপ্তাৰ পৰা দি পৰি সকলো ঢাঁহি-মুহি খাই এফালৰ পৰা শেষ কৰি যায়। তেতিয়া সিহঁতে কৃষকৰ দুখৰ কথা ভাবি একোভাগ এৰি যোৱাৰ পোষকতা নকৰে আৰু যেতিয়া জাকপাতি খেতি পথাৰত পৰে তেতিয়া সাধাৰণ বাধা-বিঘিনি, ঔষধ বা মৃত্যুলৈও কেৰেপ নকৰা হৈ পৰে। কেৰেপ কৰে কিছু পৰিমাণে আন্ধাৰৰ মাজত পোৱা জুইৰ শিখাকহে, য'ত জঁপিয়াই পৰি চগাৰ দৰে জাহ যোৱাৰ ইচ্ছা প্ৰকাশ কৰে। ইহঁতে অতি দ্ৰুতভাৱে বংশ বৃদ্ধি কৰিব পাৰে। বিশেষকৈ অনুকূল পৰিৱেশ, যেনে— বৰষুণৰ পিছত

গছ-গছনি, খেতিবাতি হোৱাৰ আভাস পালে সিহঁতে দুর্বাৰ গতিৰে প্রজননত লিপ্ত হৈ পার্যমানে মাটিত কণী পৰাৰ ব্যৱস্থা কৰে আৰু পিছত সেই কণীৰ পৰাই পোৱালিৰ সৃষ্টি হয়। অৱশ্যে কণীৰ পৰা পোৱালী জগাবৰ বাবে লগা সময় সদায় সমানে নাথাকে। কেতিয়াবা বাৰিষা কালত পৰা কণী খৰালিতহে নিষিক্ত হয়। তাৰ পিছত ডাঙৰ সৰু সকলো একগোট হৈ ঘাইকৈ খাদ্যৰ সন্ধানত এফালৰ পৰা চলাথ আৰু টহিলং কৰি যাব ধৰে। সেয়েহে খেতিত কাকতী ফৰিং পৰা দেখিলে কৃষকে মূৰে কপালে হাত থৈ হতাশগ্রস্ত হ'ব ধৰে আৰু বহু সময়ত আন উপায় নেদেখি দেৱ-দেৱীৰ ওচৰত শৰণাপন্ন হোৱাত লাগে। এনে ফৰিঙে আমাৰ ৰাজ্যতো কৃষিক্ষেত্রত উপদ্রৱ চলাই কৃষকৰ মুখৰ মাত হৰাৰ অৱস্থা কৰাৰ তথ্য পোৱা যায়। সেই বিষয়ে আজিৰ পৰা প্রায় ডেৰশ বছৰ পূর্বে প্রকাশিত অসমৰ প্রথমখন সংবাদ পত্র 'অৰুণোদই'ত (১৮৪৬-১৮৮২) সুন্দৰ বর্ণনা পোৱা যায়। তাত উল্লেখ থকা মতে ১৯৪৪ চনৰ ২৭ জানুৱাৰীত ভাটিৰ ফালৰ পৰা এজাক কাকতী ফৰিং ('অৰুণোদই'ৰ ভাষাত কাকতি ফৰিং) আহি শিৱসাগৰ পায়হি। সেই ফৰিং দেখি প্রজাগণৰ মুখ শুকাই যায় আৰু হা-হুতাশ কাঢ়িবলৈ ধৰে পৰম বিপর্যয়ৰ আশংকা কৰি। কিয়নো পূর্বৰ লোকৰ অভিজ্ঞতা মতে, কাকতী ফৰিং আহিলে ৰাইজৰ দুখ-দুর্দশা, অভাৱ অনাটন বঢ়াৰ লগতে ৰাজনৈতিক দ্বন্দ্ব-খেয়াল, ৰজা ভঙা-পতাকে ধৰি আলৈ আহুকাল আৱশ্যম্ভাৱী হৈ পৰে। কিন্তু তেনে ধাৰণা যে অমূলক আৰু অদৰকাৰী আৰু দিন বেয়াৰ সলনি যে ভালহৈ আহিছে, তাক বুজনি দিয়াৰ বাবে ১৯৪৬ চন অর্থাৎ অৰুণোদই প্রকাশৰ প্রথম বছৰৰ জুনৰ সংখ্যাত 'কাকতী ফৰিং কথা' শীর্ষক নিবন্ধৰ জৰিয়তে যুক্তিসহকাৰে আশ্বাস প্রদান কৰা হয় যে ৰাইজে ভৱামতে কথাবোৰ হোৱা নাই; কিয়নো বেয়া দিনৰ পৰিৱর্তে কোম্পানীৰ আমোলত ভাল দিনহে চলিছে, মানুহৰ সুখ-সম্পদ বৃদ্ধি পাইছে ইত্যাদি। গতিকে, তেনে ধাৰণাৰ বশৱর্তী হৈ চিন্তাক্লিষ্ট হোৱাৰ কাৰণ নাই, যিহেতুকে যি সময়ত যি হ'ব লগা থাকে, তাক জনাৰ সামর্থ মানুহৰ নাথাকে, থাকে অন্তর্যামী পৰমেশ্বৰৰহে। এতেকে সেইবোৰ চিন্তা কৰি লাভ নাই।

কাকতী ফৰিং প্রকৃততে তৃণভোজী যদিও দুই-এক প্রজাতি বোলে

সর্বভোজীও। সর্বভোজীয়ে তৃর্ণ ভোজনৰ উপৰি প্ৰাণীৰ দেহৰ কোমল অংশত তথা মল-মুত্ৰাদি ভক্ষণ কৰে। সামগ্ৰিকভাৱে ইহঁতে সময় বিশেষে গাৰ বৰণ সলাই ল'বও পাৰে। জঁপিয়াব পাৰে আৰু বেগেৰে আকাশত উৰিবও পাৰে। ইহঁতৰ মূৰৰ দুয়োকাষে থকা দুটা পুঞ্জাক্ষিৰ জৰিয়তে দেহৰ সকলো ফালৰ দৃশ্য প্ৰত্যক্ষ কৰাৰ সুযোগ পোৱাৰ দৰেই সিহঁতে সন্মুখত থকা তিনিটা সাধাৰণ চকুৰ জৰিয়তে দিন-ৰাতি দেখা পোৱাৰ সুযোগ পায়। তেনেকৈ মূৰত থকা এণ্টেনা দুডালৰ জৰিয়তে সিহঁতে সহজেই স্পৰ্শানুভূতি লাভ কৰিব পাৰে। পাখিৰ সহায়ত উৰে যদিও পাখিৰ সহায় নোলোৱাকৈ একোটা জাঁপৰ দ্বাৰা তিনি ফুটৰ অধিক দূৰত্ব অতিক্ৰম কৰিব পাৰে। ইহঁতৰ কেইবাটাও প্ৰজাতি থাকিলেও জাক পাতি উৰাব সময়ত সিহঁতে মিল হৈ উৰিবলৈ ধৰে। ইহঁতৰ ভিতৰত উত্তৰ আমেৰিকাৰ ৰাক পৰ্বতমালাৰ নিবাসী ফৰিং প্ৰজাতিটো ঊনৈছ শতিকাৰ শেষভাগত বিলুপ্ত হয় বুলি জনা যায়। তাৰ কাৰণ বোলে সেই পাহাৰৰ ভূমিভাগত কৃষিকৰ্ম কৰিবলৈ লোৱাত তাৰ মাটিত থকা ফৰিঙৰ কণীসমূহ ধ্বংস হৈ যোৱাটো।

কাকতী ফৰিঙৰ শত্ৰু বহুত আছে। চৰাই, নেউল, সাপ, বান্দৰ প্ৰজাতি বিশেষে লগতে সৰ্বাধিক শত্ৰু হৈছে মানুহ। মানুহে ইহঁতক নিধন কৰাৰ বাবে ৰাসায়নিক তথা জৈৱিক ব্যৱস্থাকৰণ, খেতিপথাৰত জুই ধৰি জাহ যোৱাৰ উপায়কৰণৰ উপৰি বিশেষ উপায়েৰে ধৰি সিবিলাকক খাদ্যৰূপে গ্ৰহণ কৰাৰ ব্যৱস্থা কৰে। জনা যায় যে সাধাৰণভাৱে পুৰি, উত্তাপ দি বা ভাজি খোৱাৰ বাহিৰেও সুস্বাদু তৰকাৰী কৰি খোৱাৰ লগতে বাণিজ্যৰো উপায়ত প্ৰবৃত্ত হ'ব লাগিছে মানুহ। বিশেষকৈ, ইয়াৰে প্ৰস্তুত কৰা দ্ৰব্যৰ বাণিজ্যিক চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি দক্ষিণ মেক্সিকো, চীন, ইণ্ডোনেচিয়া, আৰু মধ্যপ্ৰাচ্যৰ কেইবাখনো দেশত ইয়াৰ এখন সুন্দৰ বজাৰো গঢ় লৈ উঠিছে। ইয়াৰ প্ৰস্তুত দ্ৰব্য সুস্বাদু হোৱাৰ উপৰি যথেষ্ট পুষ্টিকাৰকো। ইয়াত প্ৰচুৰ পৰিমাণে প্ৰটিন, অসংপৃক্ত ফেটি এচিড যেনে— অলেয়িক, লিন 'লিক, মেগনেছিয়াম, আইৰণ, জিংক আদিও পোৱা যায়। গতিকে এইটো সহজবোধ্য হৈ উঠিছে যে কাকতী ফৰিঙৰ বিস্তাৰ শেষ হ'বলৈ আৰু বেছিদিন নালাগিব।

ফোন-৯৪৩৫৩৪৯৯২৯

শিপিনী আমৰলি পৰুৱা

কবিতা ফুকন

প্ৰাণীজগতৰ অতি ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰাণীবোৰৰ জীৱন-ধাৰণৰ পদ্ধতিবোৰ অতি শৃঙ্খলাৱদ্ধ, বিস্ময়কৰ আৰু মনোমোহাও। প্ৰকৃতিবিদসকলে প্ৰাণীবোৰৰ বিষয়ে পৰ্যৱেক্ষণ কৰি সিহঁতৰ ব্যস্ত জীৱন কাহিনীবোৰ প্ৰকাশ কৰি মানুহক প্ৰকৃতিৰ প্ৰতি সজাগতা আনিবলৈ যৎপৰোনাস্তি চেষ্টা কৰি আহিছে। প্ৰকৃতিৰ ক্ষুদ্ৰ পৰুৱাবোৰ মানুহৰ বৰ উপকাৰত নাহিলেও পৰুৱাবোৰৰ জীৱনৰ পৰাও শিকিবলগীয়া কিছু কথা আছে যেন লাগে। বিখ্যাত কবি ওমৰ খায়ামে লিখিছিল— 'জাৰকালি খাবলৈ সাঁচে পৰুৱাই, ধন-ধান সাঁচিবলে আমাক শিকায়'। আকৌ কুকুৰক লৈ কৈছে— 'সৌ যে কুকুৰবোৰ দুৱাৰ দলীত, তাৰ প্ৰভু ভক্তি দেখি হও আচৰিত।' ইংৰাজ প্ৰকৃতিবিদ যোছেফ বেংকছে অষ্ট্ৰেলিয়া মহাদেশত আমৰলি পৰুৱাৰ জগতখনৰ বিষয়ে অধ্যয়ন কৰি পোৱা মনোৰম কাহিনীবোৰেৰে এটা প্ৰবন্ধ প্ৰকাশ কৰিছিল।

আমৰলি পৰুৱাক শিপিনী পৰুৱা বুলিও কোৱা হয়। কাৰণ আমৰলি পৰুৱাই গছৰ ডালত পাত জোৱা দি বাহ তৈয়াৰ কৰি সমাজ ইকফাইলা, পৰিয়াল ফমিচিদা আৰু গোত্ৰ হাইমেন পটেৰা। ইহঁতৰ দুটা প্ৰজাতি আছে। এটা সেউজীয়া— অষ্ট্ৰেলিয়া মহাদেশ, দক্ষিণ-পূব এছিয়া, দক্ষিণ ভাৰততে পোৱা যায়। আনটো জাত ৰঙচুৱাৰ পৰা মুগাবৰণৰ। প্ৰায় ঠাইতে দেখা যায়। আমৰলি পৰুৱাবোৰ দীঘল আৰু তিনিটা খণ্ডত বিভক্ত— মূৰ, বুকু আৰু পেট। মূৰটো ডাঙৰ। মুখত টান চেপেনা বা মেণ্ডিবল আৰু দীঘল এযোৰ শুৰ বা প্ৰব'ছিছ আছে। বুকুৰ অংশৰ পৰা তিনিযোৰ দীঘল সন্ধিযুক্ত

ঠেং ওলাইছে। একেবাৰে শেষৰযোৰ সকলোতকৈ দীঘল। পেটটো ডাঙৰ, পেটুৰা শংকু আকৃতিৰ আৰু জুলীয়া পদাৰ্থৰে পৰিপূৰ্ণ। ইহঁতৰ কোনো শুং নাই। মুখেৰে কামুৰিলে অলপ বিষ অনুভৱ হয়। আমৰলি পৰুৱাবোৰ সাধাৰণতে দুই প্ৰকাৰৰ। এবিধ ডাঙৰ— আঠ মিলিমিটাৰৰ পৰা দহ মিলিমিটাৰ দীঘল হয়। সৰুবিধ ডাঙৰবিধৰ আধা। ডাঙৰ আকাৰৰ পৰুৱাবোৰৰ কাম বহুত। ইহঁতে বাহবোৰ তৈয়াৰ কৰা, খাদ্য সংগ্ৰহ কৰা, বাহ কেইটা শত্ৰুৰ পৰা ৰক্ষা কৰা আৰু পৰুৱাবোৰক যি কোনো কামতে সহযোগ কৰা, পলুবোৰক আহাৰ যোগান ধৰা আদি। সৰু আমৰলি পৰুৱাবোৰে পলুবোৰক পহৰা দি থকা আৰু বাকলি থকা পতংগবোৰকো চকু দি থাকিব লাগে। পৰুৱাবোৰে পৰস্পৰে অহা-যোৱা কৰা পথত স্পৰ্শৰ দ্বাৰা অনুভূতি প্ৰকাশ কৰে। পৰস্পৰ মুখামুখি সংঘৰ্ষৰ দ্বাৰা বহু সংকেত লাভ কৰি সিহঁতে কামত ব্যস্ত থাকিব পাৰে। বাহিৰৰ পৰা কোনো শত্ৰু আহিলে পৰুৱাবোৰে আগতেই আক্ৰমণ কৰে। খেতিৰ অনিষ্টকাৰী পোক-পৰুৱাবোৰ আমৰলিয়ে ধৰি খায় আৰু কিছুমান পতংগক ইহঁতে ৰক্ষাও কৰে। বাকলি থকা হেমিপটেৰা গোত্ৰৰ পতংগ-ছাক্শ্বন ফৰিং বা ডাঁহ আদিৰ পৰা আমৰলিবোৰে কাৰ্বহাইড্ৰেট আৰু চেনিটোপাল আহৰণ কৰে বা ইহঁতৰ চিকাৰৰ পৰা ৰক্ষা কৰি বাহত থাকিবলৈ দিয়ে বুলি জনা যায়। আমৰলি পৰুৱাই কোনো খাদ্যৰ সন্ধান পালে গাটো ডাঙি জোকাৰি সংকেত দিয়াৰ উপৰিও ফেৰ'মন নামৰ এবিধ ৰাসায়নিক পদাৰ্থ নিঃসৰণ কৰে। এই পদাৰ্থবিধৰ বাবেই বাকী খাদ্য অন্বেষণকাৰী পৰুৱাবোৰৰ খাদ্যৰ সন্ধানত সহায় হয়। তদুপৰি যি কোনো কাম কৰাতো ফেৰ'মনে আমৰলিবোৰক সহায় কৰে।

আমৰলিৰ বাহটো তৈয়াৰ কৰোঁতে ডাঙৰ আমৰলিবোৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বাহটোত একতকৈ অধিক ৰাণী থাকে। ৰাণীয়ে এখিলা পাতত যৌন মিলনৰ পিছত এথুপা পলু একেবাৰতে জন্ম দিয়ে, যিবোৰ ঘোলা নাথাকে। মাখি, মহ আদি পতংগবোৰেও পলুহে জন্ম দিয়ে। আমৰলিৰ পলুবোৰ ৰাণীয়ে উমনি দিয়ে যেতিয়ালৈকে পলুবোৰ আমৰলিৰ পূৰ্ণাঙ্গ অৱস্থা নাপায়।

সেই আমৰলিবোৰেই ডাঙৰ হৈ বাহটো সাজিবৰ বাবে সাজু হয়। প্ৰথমে

এখিলা পাত বেঁকা কৰি জোৰ লগোৱাৰ চেষ্টা কৰে। আনহাতে, ৰাণীক পলু পৰাত সহায় কৰিও থাকে। আমৰলি পৰুৱাই এবিধ বগা ছিল্ক সূতাৰ দৰে আঠা নিঃসৰণ কৰে, যিয়ে পাতবোৰৰ কাষটো জোখা লগোৱাত সহায় কৰে। এটা বাহ সম্পূৰ্ণ হ'লে অলপ আঁতৰে আঁতৰে একে প্ৰজাতিৰ গছত এশতকৈও অধিক বাঁহ তৈয়াৰ কৰে। এনে পৰুৱাৰ বাহবোৰক ক'মনী বুলি কয়। এটা বাহৰ আকৃতি আধামিটাৰমান হয়। গছজোপাৰ পাতৰ আকৃতিৰ লৈহে বাহটো সৰু-ডাঙৰ হয়। পাতবোৰ জোৰা লগাওতে বৃহৎ সংখ্যক পৰুৱাই একেলগে পাতৰ কাষবোৰ মেণ্ডিবলৰ সহায়ত চপাই আনে। পাতৰ কাষটো চপাওঁতে ফাঁকটো ডাঙৰ হ'লে আমৰলিৰ ডাঙৰ পৰুৱাবোৰে এটাৰ কঁকালত আন এটাই সাৱতি ধৰি চেইন বনাই হ'লেও পাতৰ কাষবোৰ জোৰা লগায়। এই কাম কৰোঁতে বৃহৎসংখ্যক আমৰলি পৰুৱাই পৰস্পৰক সহায় কৰে। পাতবোৰ চপাই আনোতে মেণ্ডিবলৰ সহায়ত কামটো সহজ হয়। আনহাতে আমৰলি পৰুৱাৰ এজাকে পাতবোৰ ধৰি ৰাখে আৰু আন কিছুমান বগা কুমলীয়া টোপবোৰ ধৰি আনি গাৰ ওপৰতে এনেদৰে হাতোৰা বুলাই যায়, যাতে পলুবোৰৰ শৰীৰৰ পৰা বগা ছিল্ক সূতাবোৰ নিৰ্গত হয়। পলুবোৰৰ পৰা যথেষ্ট পৰিমাণৰ আঠাজাতীয় পদাৰ্থৰে পৰুৱাবোৰৰ বাহটো জোৰা লগাই বুলি জনা যায়। আমৰলিৰ বাহটো পানী নোসোমোৱাকৈ থাকে বাবে আমৰলিৰ পলুবোৰে আমৰলিৰ বাহৰ ভিতৰত খোলা বা লেটা তৈয়াৰ নকৰাকৈয়ে পূৰ্ণাঙ্গ আমৰলিলৈ ৰূপান্তৰ হয়। আমৰলিৰ বাহত কেইবাহাজাৰো আমৰলি থাকে। আমৰলিবোৰে পৰস্পৰক সহায়-সহযোগ কৰি ভাল পায়। কোনো কাৰণত আঘাত পোৱা পৰুৱাক এটাই আনটোক দাঙি আনি বাহত থয়। যাতে ভালদৰে মনোযোগ দিব পাৰে। বতাহ-বৰষুণত ভাগি গ'লে নতুনকৈ বাহটো সাজিবলৈ আমবলিব চৌব্বিছ ঘণ্টাৰ প্ৰয়োজন হয়।

আমৰলি পৰুৱাবোৰে খেতিয়কৰ বাবে উপকাৰী বুলি ক'ব পাৰি। ফল-মূলৰ বাগিছাত আশ্ৰয় লোৱা গছজোপাক আক্ৰমণ কৰা অনিষ্টকাৰী কীট-পতংগবোৰক আৰমলিয়ে খায় বা ধৰি বাহত ৰাখে। সেইবাবে কিছুমান দেশত আমৰলিক 'বায়'কণ্ট্ৰল এজেণ্ট হিচাপে খেতিয়কসকলে ব্যৱহাৰ কৰে বুলি জনা যায়। পৰুৱাবোৰৰ ঋণাত্মক দিশ এটাও আছে। গছৰ পাত

শোষণ কৰা, ফৰিং বা ছাকশ্বন নামৰ প্ৰাণীবোৰক চিকাৰীৰ পৰা ৰক্ষা কৰি নিজে খাদ্যবস্তু আহৰণৰ বাবে আশ্রয় দিয়াৰ বাবে সেই প্ৰাণীবোৰৰ বংশবৃদ্ধিত সহায়হে কৰে। ভাৰত, চীন, থাইলেণ্ড আদি দেশত এই পৰুৱাক খাদ্য আৰু ঔষধ তৈয়াৰত ব্যৱহাৰ কৰে। অসমৰ ব'হাগ বিহুত পৰম্পৰাৰ নামত টোপবোৰ ভাজি খাই তৃপ্তি পায়। টোপবোৰত অধিক প্ৰটিন আৰু ফেটি এছিড থাকে বুলি জনা যায়। এশ এবিধ শাকৰ সলনি টোপ খালেই হয় বুলি কয়। পৰম্পৰা ৰক্ষা কৰিবলৈ যাওঁতে যাতে আমৰলি পৰুৱাবোৰ লুপ্ত নহয়, তাৰ বাবেও মানুহেই প্ৰচেষ্টা হাতত ল'ব লাগিব।

ম'বাইল ঃ ৯৫০৮৬৯৫৭৭২

শতিকা গৰকা দুলুঙৰ বৈভৱ

ৰয়েল পেগু

অসমৰ প্ৰাকৃতিক মানচিত্ৰত এখন অন্যতম সমৃদ্ধিশালী অৰণ্যৰ নাম দুলুং সংৰক্ষিত বনাঞ্চল। ব্ৰিটিছৰ দিনতে অৰ্থাৎ ১৯১৩ চনতে সংৰক্ষিত বনভূমি হিচাপে ঘোষণা কৰা শতবৰ্ষগৰকা দুলুং সংৰক্ষিত বনাঞ্চল জীৱ-বৈচিত্ৰ্যৰে ভৰপূৰ এখন চিৰসেউজীয়া অৰণ্যভূমি। লখিমপুৰ জিলাৰ কদম ৰাজহ চক্ৰৰ অন্তৰ্গত তথা মহাবাহু ব্ৰহ্মপুত্ৰৰ সৰ্ববৃহৎ উপনদী সোৱণশিৰিৰ পাৰত পাহাৰ-ভৈয়াম সংলগ্ন হৈ অৱস্থান কৰা দুলুং সংৰক্ষিত বনাঞ্চলখন বিশেষকৈ বিশ্বখ্যাত চিঁয়া নাহৰৰ বাবে বিখ্যাত। নদী কাষৰীয়া অৰণ্য, পাহাৰ আৰু ভৈয়ামৰ অৰণ্য বিশিষ্ট দুলুং সংৰক্ষিত বনাঞ্চলৰ নৈসৰ্গিক সৌন্দৰ্য আৰু প্ৰকৃতিৰ অপূৰ্ব বৈভৱে প্ৰতিগৰাকী প্ৰকৃতিপ্ৰেমিকে আকৰ্ষণ কৰে। ৰজনীকান্ত বৰদলৈৰ অমৰ সৃষ্টি 'মিৰি জীয়ৰী'ৰ পানৈ-জংকীৰ যুগমীয়া প্ৰেম কাহিনীৰ পটভূমি সোৱণশিৰি অৱবাহিকাৰ চিৰসেউজীয়া অৰণ্য দুলুং সংৰক্ষিত বনাঞ্চলক উপযুক্ত সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা আৰু প্ৰকৃতিভিত্তিক পৰ্যটন উদ্যোগ বিকাশ বাবে মিচিং স্বায়ত্তশাসিত পৰিষদৰ পৃষ্ঠপোষকতাত আৰু দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ উদ্যোগত বিগত ২০১৫ চনৰ ২৭-৩০ ডিচেম্বৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ মাজেৰে প্ৰথম 'দুলুং-সোৱণশিৰি মহোৎসৱ' আয়োজন কৰে। মিচিং স্বায়ত্তশাসিত পৰিষদে দুলুং-সোৱণশিৰিক লৈ ইতিবাচক পদক্ষেপ গ্ৰহণ কৰাৰ সময়তে চিঁয়া নাহৰ গছৰ বাবে বিখ্যাত দুলুং সংৰক্ষিত বনাঞ্চলত যোৱা ২৩-২৪ অক্টোবৰ, ২০১৫ ত উত্তৰ অসমৰ অগ্ৰণী পৰিৱেশ সংৰক্ষণকাৰী গোষ্ঠী 'ছেভ পবা ৰেইন ফৰেষ্ট'ৰ উদ্যোগত এক দুঃসাহসিক অৰণ্য ভ্ৰমণৰ অভিযান সম্পন্ন কৰা হয়। ধেমাজি জিলাৰ একমাত্ৰ বৰ্ষাৰণ্য

তথা চিয়াং নদীৰ পাৰত অৱস্থিত পৰা সংৰক্ষিত বনাঞ্চলৰ উপযুক্ত সুৰক্ষা, পৰাক ৰাষ্ট্ৰীয় বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণাৰ লগতে পৰ্যটন উদ্যোগ বিকাশৰ বাবে নিৰৱচ্ছিন্নভাৱে প্ৰকৃতি আন্দোলনত জড়িত 'ছেভ পৰা ৰেইন ফৰেষ্ট'ৰ প্ৰকৃতিকৰ্মীৰ দলটো ২৩ অক্টোবৰৰ পুৱাৰ ভাগতে দুলুং সংৰক্ষিত বনাঞ্চলৰ তাৰিয়নি বন খণ্ড কাৰ্যালয়ত উপস্থিত হয়। বন খণ্ড কাৰ্যালয়টোত প্ৰকৃতিকৰ্মীৰ দলটো উপস্থিত হোৱাৰ পিচতে দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ লগতে তাৰিয়নি বন খণ্ড কাৰ্যালয়ৰ বন বিষয়া-কৰ্মীয়ে আদৰণি জনায়। বনকৰ্মীসকলে সকলোকে ৰঙা চাহ একাপকৈ যাচিলে। এই সময়তে আমাৰ লগত সমল ব্যক্তি হিচাপে অহা প্ৰকৃতিকৰ্মী তোষেশ্বৰ আগৰৱালাই প্ৰকৃতি, অৰণ্য, নদী, জীৱ-জন্তু, চৰাই আদি সম্পৰ্কিত বহুকেইখন মূল্যৱান গ্ৰন্থ এখন টেবুলৰ ওপৰত সজাই এক ক্ষুদ্ৰ গ্ৰন্থমেলাৰ আয়োজন কৰিলে। উপস্থিত উৎসুকসকলে প্ৰকৃতি-পৰিৱেশ সম্পৰ্কিত গ্ৰন্থবোৰ লিৰিকি-বিদাৰি চালে আৰু কেইবাগৰাকী আগ্ৰহী ব্যক্তিয়ে কেইবাখনো গ্ৰন্থ ক্ৰয় কৰিলে। ইয়াৰ পিচত আমি সকলোৱে বন খণ্ড কাৰ্যালয়টোৰ চৌহদটোৰ মুকলি ঠাইত হাতে হাতে ধৰি চক্ৰাকাৰে থিয় হ'লো। প্ৰথমতে মিচিং স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ সদস্য অনিল পায়েঙে দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ সভাপতি গোপাল চন্দ্ৰ দলে, সম্পাদক তথা সাংবাদিক মজিন সোণোৱাল, গকুল পামেগাম, প্ৰদীপ গগৈ, সাংবাদিক দ্বীপৰাজ পেগু, গ্ৰাম পেগু, মাইকেল পেগু, লোহিৰাম নৰহ, তাৰিয়নি খণ্ড বন বিষয়া বীৰেন বৰুৱা আদি উপস্থিতসকলক চিনাকি কৰি দিলে। আমিও ছেভ পৰা ৰেইন ফৰেষ্টৰ সভাপতি হিচাপে আমাৰ প্ৰকৃতিকৰ্মীৰ দলটোক উপস্থিত ৰাইজৰ আগত চিনাকি কৰাই দি দুলুঙত জংঘল ট্ৰেকিঙৰ বাবে অহাৰ উদ্দেশ্য সম্পৰ্কে চমুকৈ ব্যক্ত কৰাৰ লগতে এই জংঘল ট্ৰেকিঙৰ দলটোক নেতৃত্ব দিবলৈ নেচাৰ্ছ বেকনৰ সদস্য তোষেশ্বৰ আগৰৱালা আৰু ছেভ পৰা ৰেইন ফৰেষ্টৰ সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি টায়েঙক দায়িত্ব অৰ্পণ কৰা হয়। এই সময়তে সমল ব্যক্তি হিচাপে অহা প্ৰকৃতিকৰ্মী তোষেশ্বৰ আগৰৱালাই জংঘল ট্ৰেকিঙৰ কিছু নীতি-নিয়ম আৰু সাৱধানতা সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। অৱশেষত বন খণ্ড কাৰ্যালয়টোৰ পৰা দলটো তাৰিয়নি-ৰাজগড়

পথেৰে আগবাঢ়িল দুলুং অভিমুখে। অৰণ্যৰ পাৰত পুনৰ হাতে হাত ধৰি চক্রাকাৰে থিয় হৈ নামৰ বিপৰীতে প্রত্যককে ক্রমিক নম্বৰ দিয়া হ'ল। যিহেতু অৰণ্যৰ ভিতৰত নামৰ সলনি এই ক্রমিক নম্বৰেই হ'ব আমাৰ চিনাকি আৰু আমাৰ মাজত কিমান সদস্য জংঘলত প্রৱেশ কৰিছে এই ক্রমিক নম্বৰৰ দ্বাৰাই মনত ৰখা হ'ব। প্রথম দিনৰ ট্রেকিঙত আমাৰ লগত আছিল ছেভ পবা ৰেইন ফৰেষ্টৰ উপদেষ্টা পি কে মিলি, ৰাজীৱ পেগু, হলধৰ মিলি, ছেভ পবা ৰেইন ফৰেষ্টৰ সাধাৰণ সম্পাদক তথা সাংবাদিক ভাস্কৰজ্যোতি টায়েং, সদস্য তথা সাংবাদিক বিজয় বৰি, সদস্য স্বপ্নৰঞ্জন ময়েঙীয়া, ফৰেষ্ট গার্ড যোগেন দত্ত, মাউত কৃষ্ণকান্ত বৰুৱা, বনকর্মী দিব্যধৰ বৰুৱা, বলীন দত্ত আৰু আমাকে ধৰি মুঠ এঘাৰগৰাকী। উল্লেখযোগ্য যে দুলুং সংৰক্ষিত বনাঞ্চলৰ পূব দিশে আছে চিৰ প্রৱহমান সোৱণশিৰি নদী আৰু পশ্চিমে বগীনদী। উত্তৰে অৰুণাচল প্রদেশৰ পর্বতমালা আৰু দক্ষিণে ৫১৫ নং ৰাষ্ট্রীয় ঘাইপথ। আমি দুলুঙৰ পশ্চিম দিশৰ দক্ষিণ কোণৰ পৰা উত্তৰ দিশলৈ ট্রেকিং কৰিবলৈ অগ্রসৰ হ'লো। ঘন, চিৰসেউজীয়া অৰণ্য দুলুঙৰ গছে-বনে যেন আমাক হাত বাউলি মাতিছে। প্রথমতে আমি দুলুঙৰ অৰণ্যৰ দাঁতিৰ নৈৰ পাৰেৰে কিছুদূৰ আগবঢ়াৰ পিচত অৰণ্যৰ অভ্যন্তৰত প্রৱেশ কৰিলো। দুলুঙৰ অভ্যন্তৰত প্রৱেশ কৰিয়েই আমি উমান কৰিব পাৰিলো দুলুঙৰ সমৃদ্ধি, বন্যপ্রাণীৰ উপস্থিতি। আমি ক্রমান্বয়ে অৰণ্যৰ বুকুৰে বন্যপ্রাণীয়ে অহা-যোৱা কৰা বাটেৰে অগ্রসৰ হ'লো। বিভিন্ন চৰাই-চিৰিকটিৰ মাত আমাৰ কাণত ভাহি আহি মন ব্যাকুল কৰি তুলিলে। অৰণ্যৰ বুকুত আমি সকলোৱে হাতে হাত ধৰি এক মিনিট নীৰৱতা অৱলম্বন কৰিলো। অৰণ্যৰ নীৰৱতা, তলসৰা পাতৰ শব্দ, চৰাই-চিৰিকটি, অনেক পোক-পৰুৱাৰ মাতে মায়াৰী সুৰৰ সৃষ্টি কৰি আমাৰ কাণলৈ ভাহি আহিল আৰু মন-প্রাণত অনির্বচনীয় সুখ-আনন্দ অনুভৱ কৰিলো। আমি পুনৰ খোজ দিলো। বহু ঠাইত বনৰীয়া গাহৰিয়ে মাটি খান্দি থোৱা দৃশ্যৰ লগতে পহুৰ খোজ দেখিবলৈ পালো। বিভিন্ন মূল্যৱান গছ-লতাৰ লগতে বিশেষকৈ চিঁয়া নাহৰৰ পূৰঠ-অপূৰঠ অসংখ্য গছ। কিন্তু কিছু সময়ৰ আগতে অহা কিন্‌কিনীয়া বৰষুণ জাকত অৰণ্যৰ গছ-লতা আৰু ভূমি তিতি যোৱাৰ ফলত অসংখ্য জোক অৰণ্যৰ

বাটত আমাক আগুৰি ধৰিলে। তথাপি আমি অৰণ্যৰ বুকুৰে বহুদূৰ ভ্ৰমণ কৰি দুলুঙৰ অভ্যন্তৰত অৰণ্যৰ জীৱ-বৈচিত্ৰ্য, নৈসৰ্গিক সৌন্দৰ্য হিয়া উজাৰি উপভোগ কৰিলো। এনেদৰে প্ৰায় দুঘণ্টা ঘন অৰণ্যৰ মাজৰে খোজ কাঢ়ি ভ্ৰমণ কৰাৰ পিচত নৈৰ পাৰলৈ ওলাই আহিলো। এই সময়তে আমাৰ অৰণ্য ভ্ৰমণৰ লগত লখিমপুৰৰ সাংবাদিক কুশল শইকীয়া, জিতু দত্ত, ৰূপম গগৈ, অৰুণ কুমাৰ ডেকাই সহযোগ কৰিলে। ইয়াৰ পিচত শীৰ্ণ বগীনদীৰ বুকুৰে আমি দুলুঙৰ শেষ সীমান্ত তথা অসম-অৰুণাচলৰ সীমা নেফা কেম্পৰ অভিমুখে খোজ দিলো। এনেদৰে গৈ থকাৰ সময়তে আমাৰ সকলোৰে নাকত পৰিল বন্যহস্তীৰ উপস্থিতিৰ গোন্ধ। আমি সকলোৱে সতৰ্ক হ'লো। তেতিয়া ভৰ দুপৰীয়া। বন্যহস্তীয়ে নদীৰ পাৰলৈ পানী খাবলৈ ওলাই অহাৰ সময়। আমি সতৰ্কতাৰে সেই ঠাই পাৰ কৰি এটা সময়ত সীমান্তৰ নেফা কেম্পত উপস্থিত হ'লো।

সীমান্তৰ নেফা কেম্পত পাহাৰৰ পৰা নামি অহা বগীনদীৰ লগত সোঁহাতে মেঠোন নলা নামৰ আন এক জুৰি লগ লাগিছে। পাহাৰৰ ভিতৰত উক্ত নলাৰ পাৰত ওলোৱা নিমখ মেঠোনে চেলেকি থকাৰ বাবে উক্ত নলাৰ নাম মেঠোন নলা হ'ল বুলি স্থানীয় পাহাৰীয়া ৰাইজে আমাক জানিবলৈ দিলে। পাহাৰৰ ওপৰত থকা লালি গাঁৱলৈ আমি পাহাৰ বগাই উঠিলো। গাঁওখনত অৰুণাচল প্ৰদেশৰ বন বিভাগৰ বগীনদী বন খণ্ড কাৰ্যালয়ৰ লগতে শিক্ষা বিভাগৰ লালি নামে প্ৰাথমিক বিদ্যালয় এখন আছে। বন খণ্ড কাৰ্যালয়টোৰ চৌহদত বিভিন্ন গছৰ এখন নাৰ্ছাৰী। নাৰ্ছাৰীখন এবাৰ নিৰীক্ষণ কৰিলো— শলখ, গমাৰি, চেগুন আদি গছৰ বহু পুলি। বহু সময় অসম-অৰুণাচল সীমান্তৰ পাহাৰ, অৰণ্যৰ নৈসৰ্গিক সৌন্দৰ্য উপভোগ কৰিলো। পাহাৰৰ টিলাত থকা পাহাৰীয়া মানুহৰ লগত কথা পাতিলো। মেঠোন নলাৰ ওপৰত এখন সৰু ওলমা সাঁকো আছে। সাঁকোত উঠি আমি ফটো ল'লো। বগীনদী আৰু মেঠোন নলাৰ সংগমস্থলৰ দুয়োপাৰে পাহাৰৰ টিলাত আছে যোগাযোগ বিচ্ছিন্ন এজাক মানুহ। অৰুণাচলৰ চোলুং জনগোষ্ঠীৰ প্ৰায় একুৰি পৰিয়ালে উক্ত পাহাৰৰ ওপৰত অৱস্থিত লালি নামৰ গাঁৱত বসবাস কৰি আছে। যোগাযোগ বিচ্ছিন্ন এই পাহাৰীয়া গাঁওবাসীৰ বহিঃজগতৰ লগত যোগাযোগৰ নামত নাই কোনো

পথ। প্ৰথমতে মানুহখিনি বগীনদীৰ বুকুৰেই বহুদূৰ বাটকুৰি বাই অসমলৈ আহিব লাগে। তাৰ পিচত বগীনদীৰ পৰা ৰে'লেৰে বা বাছেৰে বহিঃবিশ্বৰ লগত যোগাযোগ স্থাপন কৰিব লাগে। খৰালিৰ দিনত শীৰ্ণ বগীনদীৰ বুকুৰে যাতায়াত চলোৱাটো কিছু সহজ যদিও বাৰিষাৰ দিনত পানীৰে ওফন্দি থকা বগীনদীৰ বুকুৰে লালি গাঁওবাসীয়ে কেনেদৰে যোগাযোগ চলাই জীৱন সংগ্ৰামত লিপ্ত হৈ আহিবলগা হৈছে তাক ভাষাৰে বৰ্ণনাতীত। অৰুণাচল প্ৰদেশৰ বিশেষকৈ তিব্বত সীমান্তত বাস কৰা চোলুং জনগোষ্ঠীৰ লোকসকল কেতিয়া কেনেকৈ আহি তাত থিতাপি ল'লে সেয়াও যেন মানুহখিনিয়ে পাহৰি পেলাইছে। আমি নিশাটো উক্ত লালি প্ৰাথমিক বিদ্যালয়ত থকাৰ কথা চিন্তা কৰিছিলো। কিন্তু জানিব পৰিলো যে 'দামদোম' নামৰ বিশেষ মহ এবিধ তাত আছে। সন্ধিয়া-ৰাতিৰ ভাগত মহবিধৰ উপদ্ৰৱ বৃদ্ধি পায়। মহবিধে মানুহৰ দেহত কামুৰিলে লগে লগে ওফন্দি উঠাৰ লগতে পিচলৈও ঠাইডোখৰ ক'লা দাগ পৰি যায়। ফলত মহবিধৰ কামো�ৰৰ পৰা হাত সাৰিবলৈ তাত থকা নহ'ল। অৱশেষত বিয়লি লোহিৰাম নৰহ, মাইকেল পেগু, প্ৰাণ পেগু আৰু ৰাজা পেগুৱে আদৰেৰে ৰান্ধি দিয়া ভাত-পানী খোৱাৰ পিচত আমি সকলোৱে এখন ট্ৰেক্টৰত উঠি শীৰ্ণ বগীনদীৰ বুকুৰ শিলৰ ওপৰেদি যোৱা অকোৱা-পকোৱা নদীপথেৰে প্ৰায় পাঁচ কিলোমিটাৰ পথ উভতি আহি নদীৰ পাৰত তম্বু তৰি ৰাতি থকাৰ ব্যৱস্থা কৰিলো। সন্ধিয়া নামি আহিছে। নৈৰ কানৰ বতাহৰ সুহুৰি, বোৱঁতী নদীৰ কুলু কুলু শব্দই মন ব্যাকুল-অশান্ত কৰি তুলিলে। আমি সকলোৱে বগীনদীৰ পানীত ওপঙি আহি পাৰত পৰি থকা শুকান কাঠৰ টুকুৰা গোটাই নদীৰ পাৰৰ এঠাইত জুই জ্বলালো আৰু তাতে নিশাৰ আহাৰ ৰন্ধাৰো ব্যৱস্থা কৰা হ'ল। আহাৰ গ্ৰহণ কৰাৰ আগতে আমি সকলোৱে তম্বুৰ ভিতৰত চক্ৰাকাৰে বহি দিনটোৰ জংঘল ট্ৰেকিঙৰ অনুভৱ-অভিজ্ঞতা বিনিময় কৰাৰ এক অনুষ্ঠান আয়োজন কৰিলো। সকলোৱে দিনটোৰ ট্ৰেকিঙৰ ভাগৰৰ মাজতে অনুভৱখিনি মত বিনিময় কৰিলো। শেষত দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ সভাপতি গোপাল চন্দ্ৰ দলে, ৰাজীৱ পেগু, স্বপ্নৰঞ্জন ময়েঙীয়া, সাংবাদিক মজিন সোণোৱাল আদিয়ে পুৰণি গীত আৰু অই-নিঃতম গালে। আকৌ বিজয় বৰি,

ভাস্কৰজ্যোতি টায়েং আমি কেইজনমানে আকৌ কবিতা আবৃত্তি কৰিলো। নিশা এনেদৰেই পাৰ হ'ল। কিন্তু পুৱতি নিশা অহা এজাক কিন্‌কিনীয়া বৰষুণে আমাক চিন্তিত কৰি তুলিছিল যদিও কিছু সময়ৰ পিচতে বৰষুণ এৰিলে।

পিচদিনা অর্থাৎ ২৪ অক্টোবৰৰ পুৱা আমি প্রায় ৪ বজাত উঠিলো। নিশা অহা বৰষুণে আমাক চিন্তাত পেলাইছিল যদিও খন্তেকৰ পিচতে বৰষুণ এৰিলে। আমি বিছনাৰ পৰা উঠিয়েই প্রাতঃকর্ম সমাপন কৰিলো। ইয়াৰ পিচত ৰাজীৱ পেগু, স্বপ্নৰঞ্জন ময়েঙীয়া, হলধৰ মিলি আৰু আমি বগীনদীৰ নির্মল জলধাৰাত দেহ-মন শীতল কৰি গা ধুলো। আমাৰ কেম্পৰ কাষত থকা খুঁটি এটাৰ পৰা মজিন সোণোৱালে অনা ম'হৰ গাখীৰ গৰম কৰি সকলোৱে খালো। ইয়াৰ পিচত ৰাতি ৰৈ যোৱা পঁইতা ভাত তেল, আদা, নহৰু, পিঁয়াজ দি ভাজি কৰি সকলোৱে জলপান হিচাপে গ্রহণ কৰিলো। পুৱা প্রায় ৯ বজাত তাৰিয়নি বন খণ্ড কার্যালয়ৰ পৰা ফৰেষ্ট গার্ড যোগেন দত্ত, মাউত কৃষ্ণকান্ত বৰুৱা, বনকর্মী দিব্যধৰ বৰুৱা আৰু ভূজৰাজ নেৱাৰ আহি পোৱাৰ পিচত আমি পুনৰ দ্বিতীয় দিনৰ ট্রেকিঙৰ বাবে যাত্রাৰম্ভ কৰিলো। এইবাৰ আমি বগীনদীৰ পাৰৰ পৰা অর্থাৎ দুলুঙৰ পশ্চিম দিশৰ পৰা পূব দিশে অৰণ্যৰ অভ্যন্তৰত প্রৱেশ কৰিলো। দুটা পাহাৰ বগাই আমি প্রায় চাৰি ঘণ্টা দুলুঙৰ অৰণ্য-পাহাৰ ভ্রমণ কৰিলো। অৰণ্যৰ বুকুত ধনেশৰ লগতে বিভিন্ন চৰাই প্রত্যক্ষ কৰিলো, সুললিত মাত কাণ পাতি শুনিলো। বন গাহৰি, পহু আদি বিভিন্ন বন্যপ্রাণীৰ খোজ আদি দেখিবলৈ পালো। শ বছৰীয়া চিঁয়া নাহৰৰ গছ সাবটি ধৰি সকলোৱে দুলুঙৰ সুৰক্ষাৰ বাবে অংগীকাৰ গ্রহণ কৰিলো। অৱশেষত পাহাৰৰ পৰা নামি অহা তথা শিলেৰে ভৰি থকা এখন শুকান জুৰিয়েদি আহি তাৰিয়নি বন খণ্ড কার্যালয়ৰ সমীপত অৰণ্যৰ পৰা ওলাই আহিলো। শেষত আমি সকলোৱে পুনৰ চক্রাকাৰে থিয় হৈ হাতে হাতে ধৰি হৃদয়ৰ স্পর্শ অনুভৱ কৰাৰ লগতে চমু মত বিনিময়ৰ পিচত দুদিনীয়া দুলুঙৰ জংঘল ট্রেকিং অন্ত পৰে। তাৰিয়নি বন খণ্ড কার্যালয়টোত সকলোৱে একাপকৈ চাহ খাই ঘৰমুৱা হ'লো। দুলুঙৰ এই দুদিনীয়া জংঘল ট্রেকিৰ অনির্বচনীয় অভিজ্ঞতাই আমাৰ মানসপট আজীৱন সজীৱ হৈ থাকিব।

লখিমপুৰ চহৰৰ পৰা প্ৰায় বিশ কিলোমিটাৰ উত্তৰ-পূব দিশে ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰ ফালে অসম-অৰুণাচল সীমান্তত অৱস্থিত তথা ১৯১৩ চনৰ ১ মে'ত সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা দুলুং সুজলা-সুফলা চিৰসেউজীয়া এখন অৰণ্য। অৰুণাচলীৰ আগ্ৰাসন, বে-দখল, চোৰাং চিকাৰী, চোৰাং কাঠ ব্যৱসায়ী, শিল-বালিৰ অবাধ বেহা, চৰকাৰ, বন বিভাগৰ অনীহা-অনাদৰৰ ফলত নীৰৱে ধ্বংসৰ পিনে গতি কৰিছে সমৃদ্ধিশালী দুলুং বনভূমি। টুটি আহিছে ভৌগোলিক চাৰিসীমা। তথাপি আজিও বিভিন্ন জীৱ-জন্তু আৰু উদ্ভিদ বংশৰে জীপাল হৈ আছে দুলুঙৰ সেউজীয়া বুকু। দুলুং সংৰক্ষিত বনাঞ্চল পাহাৰ-ভৈয়াম সংলগ্ন বৈচিত্ৰ্যপূৰ্ণ তথা সমৃদ্ধিশালী বনভূমি। ৯.৯৯৯ হেক্টৰ বনভূমি আগুৰি থকা দুলুঙৰ অৰ্ধেক অৰণ্যভূমি পাহাৰে আগুৰি আছে। দুলুঙত তাৰিয়নি আৰু পথালিপাম নামে দুটা বন খণ্ড কাৰ্যালয়ৰ লগতে সোৱণশিৰি, পদুমণি আৰু বাঘজান নামে বন শিবিৰ তিনিটা আছে। ইপিনে দুলুঙৰ বুকুত প্ৰায় ৪০ টা পৰিয়ালে বসবাস কৰা ওখমাটি নামে আছে এখন বনগাঁও। দুলুঙৰ অৰণ্যত পাহাৰ-ভৈয়ামত পোৱা বিভিন্ন আপুৰুগীয়া গছ-লতা, অৰ্কিড, জীৱ-জন্তু, চৰাই-চিৰিকটি দেখিবলৈ পোৱা যায়। বিশেষকৈ চিঁয়া নাহৰ, জাতি নাহৰ, শলখ, শিমলু, তিতাচপা, আমাৰি, বনবগৰী, খখন, শ্যাম কঁঠাল, ধূনা, মজ, পমা, শিলিখা, জামু, শিঙৰী, পাহাৰীয়া ঢেঁকীয়া, কচু আদি অসংখ্য গছ-বন-লতাৰ উদ্ভিদ বংশৰে সমৃদ্ধ দুলুং। দুলুঙৰ গছে গছে ভিন্নৰঙী অৰ্কিড দেখিবলৈ পোৱা যায়। বন্যহস্তী, বন গাহৰি, লতামাকৰি বাঘ, হুগৰি পহু, হৰিণা, গুঁই, কেঁটেলা পহু, অজগৰ, বিভিন্ন প্ৰজাতিৰ সাপ, বন মেকুৰী, জহামাল, নেউল, বিভিন্ন প্ৰজাতিৰ বান্দৰ, কৰ্কেটুৱা দুলুঙৰ জীৱকুল। তদুপৰি চুবুৰীয়া অৰুণাচল প্ৰদেশৰ ভিতৰুৱা পাহাৰৰ পৰা নামি অহা ৰাম ছাগলী, বাঘ, ভালুক আদি দুলুঙত বিচৰণ কৰে। ধনেশ, ঈগল, শেন, চিলনী, মইনা, বাঢ়ৈটোকা, ভাটৌ, কপৌ, বন কুকুৰা, ফেঁচা, হুদু, ডাউক, কণামুচৰি, হাইঠা, কাউৰী, শালিকা, বগলী, হয়কলি আদি ৮০ বিধ বিভিন্ন থলুৱা চৰাই দুলুঙৰ অৰণ্যত দেখিবলৈ পোৱা যায়। দুলুঙৰ বুকুত আছে বহু জান-জুৰি। জান-জুৰিবোৰত ১১০ বিধ থলুৱা বিভিন্ন মাছ আৰু পাঁচবিধ কাছ, ২১ প্ৰজাতিৰ বিভিন্ন সৰু বৰ ভেকুলী

আৰু বিভিন্ন প্ৰজাতিৰ ৰং-বিৰঙৰ পখিলা দেখিবলৈ পোৱা যায়। এনেদৰে বিভিন্ন জীৱ-জন্তু আৰু উদ্ভিদ বংশৰে চহকী দুলুং বিভিন্ন স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ পৰিৱেশ অধ্যয়নৰ আদৰ্শ ক্ষেত্ৰ। মুঠতে সমৃদ্ধিশালী দুলুঙে সোৱণশিৰিৰ পাৰত সেউজীয়া আৱৰণ পেলাই চৌদিশে প্ৰকৃতিৰ অনন্য সুবাস বিলাই আছে।

নদ-নদী, অৰণ্য আদি প্ৰাকৃতিক সম্পদে অসম তথা অসমীয়া জাতিৰ ঐতিহ্য, কৃষ্টি-সংস্কৃতি, অৰ্থনীতিক সমৃদ্ধ কৰিছে। মানুহৰ কৃষ্টি-সংস্কৃতি নদী-অৰণ্যৰ লগত আছে ওতপ্ৰোতঃ আজন্ম সম্পৰ্ক। মানুহৰ দৈনন্দিন জীৱন যাত্ৰা, উৎসৱ-পাৰ্বণ, বনগীত, বিহুগীত, অইনিঃতম আদি সকলোতে নদ-নদী, অৰণ্যৰ প্ৰভাৱ বিদ্যমান। আজিও অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীসকলৰ সিংহভাগ মানুহৰ জীৱন-জীৱিকা প্ৰকৃতি নিৰ্ভৰ আৰু তেওঁলোকৰ অৰ্থনীতিও প্ৰকৃতিনিৰ্ভৰ। কিন্তু জীৱশ্ৰেষ্ঠ মানুহৰ অবাধ ধ্বংসযজ্ঞৰ হাতোৰাৰ কবলত পৰি সম্প্ৰতি দ্ৰুতগতিত টুটি আহিছে অসমত অৰণ্য সম্পদ। হেৰুৱাই পেলাইছে নদীয়ে নিজৰ গতি। নদ-নদী, অৰণ্য হেৰাই গ'লে, ধ্বংস হ'লে পৰিৱেশৰ ভাৰসাম্য বিনষ্ট হোৱাৰ উপৰি অসমীয়া জাতিৰ ঐতিহ্য, কৃষ্টি-সংস্কৃতি, অৰ্থনীতিৰ ওপৰত পৰিব সুদূৰপ্ৰসাৰী প্ৰভাৱ। এখন অৰণ্য দাঁতিকাষৰীয়া গাঁৱৰ ৰাইজৰ সহযোগৰ অবিহনে কেৱল বন বিভাগে কেতিয়াও সুৰক্ষা দি ৰাখিব নোৱাৰে। অৰণ্যই দাঁতিকাষৰীয়া গাঁৱৰ ৰাইজক জীয়াই থকাৰ বহু সমল যোগাই আহিছে। বিশুদ্ধ অক্সিজেনৰ পৰা আৰম্ভ কৰি শুকান খৰি, বনৰীয়া খাদ্যজাত শাক, ঔষধি গছ-লতা, মাছ আদি মানুহৰ প্ৰয়োজনখিনি পূৰণৰ বাবে অৰণ্য প্ৰকৃতিয়ে মানুহক বহু দান দিছে। সেইমতে অৰণ্যখন সুৰক্ষাৰ দায়িত্বও প্ৰাথমিকভাৱে দাঁতিকাষৰীয়া ৰাইজৰ অধিক।

সৰ্বোপৰি সম্প্ৰতি গোলকীয় উষ্ণতা বৃদ্ধিয়ে সমগ্ৰ বিশ্বৰ মানৱ জাতিকে চিন্তিত কৰি তুলিছে। অৰণ্য ধ্বংস আৰু মানৱসৃষ্ট প্ৰদূষণ আদিৰ ফলত হোৱা গ্ৰীনহাউছ এফেক্টত বৃদ্ধি হোৱা গোলকীয় উষ্ণতাই সমগ্ৰ বিশ্বখনকে ধ্বংসৰ মুখলৈ ঠেলি দিছে। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব সফলতাৰ যুগত উন্নয়নৰ নামত অবাধ হাৰত ধ্বংস হৈছে অৰণ্য, দূষিত হৈছে ভূমি, পানী, বতাহ। বিনষ্ট হৈছে পৰিৱেশতন্ত্ৰ। উন্নয়নৰ নামত মানুহে

পৰিৱেশ-প্ৰকৃতিৰ বহন ক্ষমতালৈ ভ্ৰুক্ষেপ নকৰি কংক্ৰিটৰ অৰণ্য গঢ়িছে। জধে-মধে স্থাপন কৰিছে বাট-পথ, উদ্যোগ, কাৰখানা আদি। যাৰ ফলত পৃথিৱীত উত্তাপ বৃদ্ধি পাইছে। পৃথিৱীখন ভৱিষ্যতলৈ জীৱৰ বাসোপযোগী হৈ থাকিবনে, তাক লৈ প্ৰশ্নৰ উদয় হৈছে। সেয়ে বাসোপযোগী এখন ধৰাৰ বাবে প্ৰত্যেকজন মানুহৰ আছে পৰিৱেশ সংৰক্ষণৰ দায়িত্ব। আমি সকলোৱে আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন সুৰক্ষিত তথা বাসোপযোগী ধৰাৰ বাবে প্ৰত্যেকেই আমাৰ অৰণ্য, বন-বন্যপ্ৰাণী, নৈ-বিল, আৰ্দ্ৰভূমি আদিৰ সুৰক্ষা তথা সংৰক্ষণৰ লগতে গছ ৰোপণ বা বনানীকৰণত নিশ্চিতভাৱে গুৰুত্ব দিব লাগিব। বহনক্ষম উন্নয়নৰ প্ৰতি গুৰুত্ব দিয়াৰ লগতে নিজৰ নিজৰ এলেকাৰ অৰণ্য সম্পদক ৰক্ষণাবেক্ষণ দি পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰিব লাগিব। বৰ্ষাৰণ্যসমূহ পৃথিৱীৰ প্ৰাণ। পৃথিৱীত অৰণ্যসমূহৰ কেৱল ৬ শতাংশহে বৰ্ষাৰণ্যই আৱৰি আছে। তথাপি এই বৰ্ষাৰণ্যই পৃথিৱীক বৃষ্টি আৰু পুষ্টিৰ চাহিদা পূৰণ কৰি আহিছে। বিশ্বৰ বৰ্ষাৰণ্যসমূহৰ বিশেষকৈ আমাজন, কংগো, সুন্দৰবন, মাডাগাস্কাৰ, হালধীয়া শৈল, জাভা, বৰ্ণিও, মধ্য আমেৰিকা আদি বিশ্বৰ সৰ্ববৃহৎ বৰ্ষাৰণ্যসমূহ হৈছে পৃথিৱীৰ প্ৰাণ। এই বৰ্ষাৰণ্যসমূহ নোহোৱা হ'লে কেতিয়াবাই পৃথিৱীখন হয়তো শুকাই গ'লহেঁতেন।

দুলুং এখন সাধাৰণ অৰণ্য নহয়, ই অঞ্চলটোৰ ঐতিহ্য আৰু হেজাৰ বছৰীয়া ইতিহাসৰ সাক্ষী। দুলুং জীৱ-বৈচিত্ৰ্যৰ ভঁৰাল। বহু খাটিখোৱা শ্ৰমজীৱী পৰিয়ালৰ জীৱন-জীৱিকাৰ উৎস। দুলুং বিভিন্ন দুষ্প্ৰাপ্য ঔষধি গছ-লতাৰ ভাণ্ডাৰ। শিহুৰ আদৰ্শ বাসস্থল সোৱণশিৰিৰ নিৰ্মল-পবিত্ৰ জলধাৰা, দুলুঙৰ চিৰসেউজীয়া অৰণ্য সম্পদে লখিমপুৰ জিলাক অসমৰ প্ৰাকৃতিক মানচিত্ৰত চহকী কৰি ৰাখিছে। কিন্তু অতি দুৰ্ভাগ্যৰ বিষয় যে দুলুং আৰু সোৱণশিৰি নদীৰ সুৰক্ষা আৰু সংৰক্ষণৰ কোনো বিজ্ঞানসন্মত ব্যৱস্থা নাই। বৰঞ্চ নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পই দুলুং আৰু সোৱণশিৰিৰ ঐতিহ্য,পৰিৱেশতন্ত্ৰৰ প্ৰতি তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। দুলুং-সোৱণশিৰিৰ উপযুক্ত সুৰক্ষা আৰু পৰিকাঠামো গঢ় দি পৰ্যটন উদ্যোগৰ বিকাশ সাধন কৰিলে অঞ্চলটোৰ আৰ্থ-সামাজিক দিশটোলৈ সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি হোৱাৰ উপৰি সমৃদ্ধিশালী দুলুং সংৰক্ষিত বনভূমি

সুৰক্ষিত হ'ব, পৰিৱেশৰ ভাৰসাম্য ৰক্ষা হ'ব। দুলুং সংৰক্ষিত বনাঞ্চলৰ জীৱ-বৈচিত্র্য সুৰক্ষা আৰু ৰক্ষণাবেক্ষণৰ বাবে চৰকাৰ, বন বিভাগে উত্তৰ অসমৰ প্রথমখন ৰাষ্ট্রীয় অভয়াৰণ্য হিচাপে দুলুঙক ঘোষণাৰ বাবে যাৱতীয় কার্যকৰী পদক্ষেপ গ্রহণ কৰাটো সকলোৰে কাম্য। ইপিনে মিচিং স্বায়ত্তশাসিত পৰিষদৰ ইক'টুৰিজম ডেভলপমেণ্ট ছ'চাইটিৰ পৃষ্ঠপোষকতাৰত আৰু দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ উদ্যোগত ২২, ২৩ আৰু ২৪ ডিচেম্বৰ, ২০২৩ ত দ্বিতীয় দুলুং-সোৱণশিৰি মহোৎসৱ আয়োজন কৰিছে। দুলুং-সোৱণশিৰি মহোৎসৱে দুলুঙক সুৰক্ষাৰ লগতে সোৱণশিৰিৰ স্বাভিমান ৰক্ষা আৰু দুষ্প্রাপ্য শিহু সংৰক্ষণ, সর্বোপতি সোৱণশিৰি অবৱাহিকাৰ সভ্যতা, সংস্কৃতি আৰু জীপাল জীৱ-বৈচিত্র্য সুৰক্ষাত এক সবল জনমত গঢ়ি তুলিব বুলি আমাৰ দৃঢ় আশা থাকিল।

ট্ৰেভেল এণ্ড টুৰিজমৰ লগত জড়িত কেৰিয়াৰ

ড° বুলজিৎ বুঢ়াগোহাঁই

জনাবলৈ পাই সুখী হৈছো যে মিচিং স্বায়ত্তশাসিত পৰিষদৰ ইক'টুৰিজম ডেভলপমেণ্ট ছ'চাইটিৰ পৃষ্ঠপোষকতাত আৰু দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটিৰ উদ্যোগত অহা ২২, ২৩ আৰু ২৪ ডিচেম্বৰত আয়োজন কৰা দ্বিতীয় দুলুং-সোৱণশিৰি মহোৎসৱৰ লগত সংগতি ৰাখি এখন আটকধুনীয়া তথা তথ্যসমৃদ্ধ স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ দিহা কৰা হৈছে। স্মৃতিগ্ৰন্থত প্ৰকাশৰ বাবে ট্ৰেভেল এণ্ড টুৰিজম (Travel and Tourism)ৰ লগত জড়িত কেৰিয়াৰ বিষয়ে লেখাটো যুগুত কৰা হৈছে যাতে এই বিষয়ত অধ্যয়ন কৰিলে ভৱিষ্যতে কেনেধৰণৰ কেৰিয়াৰ গঢ়াৰ সুবিধা লাভ কৰিব, সেই সম্পৰ্কে শিক্ষাৰ্থীসকলে এক সম্যক ধাৰণা লাভ কৰিব পাৰে।

ট্ৰেভেল এণ্ড টুৰিজম (Travel and Tourism) বিশ্বৰ অন্যতম বৃহৎ আৰু দ্ৰুতগতিত বৃদ্ধি পোৱা উদ্যোগ। এই উদ্যোগটোৰ বৃদ্ধিৰ বাবে ভাৰতত বিশেষ সুযোগ আছে। ভাৰতৰ প্ৰাকৃতিক আৰু সাংস্কৃতিক সম্পদৰ বৈচিত্ৰ্যই বিভিন্ন পৰ্যটন সামগ্ৰী আৰু অভিজ্ঞতাৰ আধাৰ প্ৰদান কৰে যি ব্যৱসায়, অৱসৰ, সংস্কৃতি, দুঃসাহসিক অভিযান, আধ্যাত্মিকতা, পৰিৱেশ-পৰ্যটন আৰু অন্যান্য বহুতো কাম-কাজক আকৰ্ষণ কৰে। পৰ্যটন হৈছে এক বহুখণ্ডীয় কাৰ্যকলাপ, যাৰ আন বহুতো উদ্যোগৰ সৈতে সম্পৰ্ক আছে কাৰণ ভ্ৰমণকাৰীৰ ব্যয় সমগ্ৰ অৰ্থনীতিৰ মাজেৰে প্ৰবাহিত হয়। আটাইতকৈ গুৰুত্বপূৰ্ণ হ'ল নিযুক্তি সৃষ্টিৰ বাবে ইয়াৰ বৃহৎ সম্ভাৱনা আছে।

কেৰিয়াৰ হিচাপে এই উদ্যোগ গ্লেমাৰ আৰু লাভজনক দুয়োটা লাভৰ প্রতিশ্রুতি দিয়ে। কঠোৰ পৰিশ্রমৰ ক্ষমতা থকা যুৱক-যুৱতীসকলে ভ্রমণ আৰু পর্যটনৰ ক্ষেত্রত অতি সোনকালে শীর্ষ পদবীলৈ উঠিব পাৰে বা আনকি নিজৰ এজেন্সীৰ নেতৃত্বও দিব পাৰে। উদ্যোগটোত চাকৰি কৰিলে কম দামত বহুতো স্থান চোৱাৰ সুযোগ লাভ কৰে।

এই উদ্যোগত অন্তর্ভুক্ত আছে— চৰকাৰী পর্যটন বিভাগ, ইমিগ্রেচন আৰু শুল্ক সেৱা, ট্রেভেল এজেন্সী, বিমান সংস্থা, ট্যুৰ অপাৰেটৰ, হোটেল আদি আৰু ইয়াৰ লগত জড়িত বহুতো সেৱা উদ্যোগ যেনে— এয়াৰলাইন কেটাৰিং বা লণড্রী সেৱা, গাইড, দোভাষী, পর্যটন প্রচাৰ আৰু বিক্রী ইত্যাদি। ভ্রমণ আৰু পর্যটন উদ্যোগবোৰৰ ভিতৰত আছে হাজাৰ হাজাৰ কর্মশক্তি থকা মুখ্য আন্তর্জাতিক কোম্পানীবোৰ, মুষ্টিমেয় কর্মচাৰীৰ সৈতে ক্ষুদ্র ব্যক্তিগত ট্রেভেল এজেণ্টলৈ। উদ্যোগটোত প্রশিক্ষিত পেছাদাৰীসকলৰ যোগান আৰু চাহিদাৰ মাজত এক বৃহৎ ব্যৱধান আছে।

পর্যটনৰ কিছুমান বিশেষ প্রকাৰ হৈছে— ইক-টুৰিজিম (Eco-tourism), স্বাস্থ্য পর্যটন (Health tourism), গ্রাম্য পর্যটন (Rural Tourism), দুঃসাহসিক পর্যটন (Adventure Tourism), অৱসৰ পর্যটন (Leisure tourism), সাংস্কৃতিক পর্যটন (Cultural tourism) আদি।

ট্রেভেল এণ্ড টুৰিজমত কেৰিয়াৰ গঢ়িবলৈ বিচৰাসকলৰ কিছুমান গুণ থাকিব লাগে। যেনে— আত্মবিশ্বাসী আৰু আদৰণি জনোৱা ব্যক্তিত্ব থাকিব লাগে; সকলো ধৰণৰ জৰুৰীকালীন অৱস্থাৰ সৈতে মোকাবিলা কৰিবলৈ তেওঁলোকে সকলো সুৰক্ষা ব্যৱস্থাৰ বিষয়ে সচেতন হ'ব লাগে; তেওঁলোকে যাতায়াত, খাদ্য, ৰেষ্টুৰেণ্ট, হোটেল আদিৰ বিষয়েও জানিব লাগে; বিদেশী ভাষাৰ জনা হ'লে ভাল হয়; নিয়মানুৱর্তিতা, একনিষ্ঠতা, সুন্দৰ যোগাযোগৰ দক্ষতা, সকলো শ্রেণী মানুহৰ লগত কথা পাতিব পৰা দক্ষতা, সুন্দৰ কথন শৈলী তথা প্রকাশ ভংগী, কষ্ট কৰাৰ মানসিকতা আদি গুণ থকাৰ প্রয়োজন।

অসম ৰাজ্যত পর্যটনৰ প্রচাৰ আৰু বিকাশৰ বাবে উপযুক্ত প্রকৃতি আৰু সামাজিক সাংস্কৃতিক আধাৰ আছে। বিভিন্ন আকর্ষণৰ স্বত্বেও, পর্যটনৰ প্রগতি আশাতকৈ বহু কম, মুখ্যতঃ পৰিকল্পিত আন্তঃগাঁথনিগত বিকাশৰ

অভাৱ, সংহত বিপণন ৰণনীতিৰ অনুপস্থিতি আৰু মানদণ্ডৰ মানৱ সম্পদৰ অভাৱৰ বাবে। ৰাজ্যখনৰ শিক্ষাবিদ, পর্যটন পৰিকল্পনাকাৰী আৰু নীতি নির্মাতাসকলে মাইলৰ খুঁটিৰ জৰিয়তে পর্যটন শিক্ষাৰ প্রতি লক্ষ্য ৰখা আৰু পর্যটন খণ্ডৰ বিকাশৰ বাবে বহনক্ষম কর্মশক্তি অনাৰ সময় আহি পৰিছে। যুৱক-যুৱতীসকলক সৱলীকৰণ কৰাটোৱেই হৈছে লাভজনক কর্মসংস্থাপনৰ কথা। ভাল শিক্ষাই এই দিশৰ প্রথম পদক্ষেপ। সেয়েহে অসমৰ যুৱক-যুৱতীসকলক পর্যটন আৰু দক্ষতা বিকাশৰ গুণগত শিক্ষাৰে সৱলীকৰণৰ প্রয়োজন যাতে তেওঁলোকে পর্যটন বিকাশৰ দিশত অৰিহণা যোগাব পাৰে। যুৱসকলক শক্তিশালী কৰাটো হৈছে লাভজনক নিযুক্তিৰ বিষয়ে। ভাল শিক্ষা হৈছে এই দিশত প্রথম পদক্ষেপ। সেয়েহে, পর্যটন আৰু দক্ষতা বিকাশৰ ক্ষেত্রত অসমৰ যুৱপ্রজন্মক মানদণ্ডৰ শিক্ষাৰে শক্তিশালী কৰাৰ প্রয়োজন আছে যাতে তেওঁলোকে পর্যটন বিকাশত অৰিহণা যোগাব পাৰে।

ট্রেভেল এণ্ড টুৰিজম (Travel and Tourism) বিষয়ত চার্টিফিকেট, ডিপ্লমা, স্নাতক, স্নাতকোত্তৰ আৰু পি এইছ ডি পাঠ্যক্রম অধ্যয়ন কৰাৰ সুবিধা আছে। বিভিন্ন পাঠ্যক্রমত নামভর্তিৰ বাবে প্রয়োজন হোৱা শিক্ষাগত অর্হতা পাঠ্যক্রম অনুযায়ী বিভিন্ন হয়। ট্রেভেল এণ্ড টুৰিজম বিষয়ত পর্যটন, পর্যটন বজাৰ আৰু গন্তব্যস্থানৰ ভৌতিক, অর্থনৈতিক সামাজিক আৰু সাংস্কৃতিক দিশবোৰ অধ্যয়ন কৰে। ই পর্যটনৰ বহল দৃষ্টিভংগীক এক আন্তঃশাখা উপায় হিচাপে অধ্যয়ন কৰে যিয়ে কেইবাটাও সামাজিক বিজ্ঞান বিষয়ৰ পৰা জ্ঞান আহৰণ কৰে। স্নাতক পর্যায়ত ট্রেভেল এণ্ড টুৰিজম পাঠ্যক্রমত নামভর্তিৰ যোগ্যতা হ'ল— উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীর্ণ। স্নাতকোত্তৰ পর্যায়ত যোগ্যতা হ'ল যিকোনো ক্ষেত্রতে স্নাতক হোৱাৰ লগতে প্রৱেশ পৰীক্ষাত উত্তীর্ণ হোৱাৰ পিছত শিক্ষানুষ্ঠানবোৰে গ্রুপ ডিস্কাচন (Group Discussion) আৰু সাক্ষাৎকাৰ অনুষ্ঠিত কৰে। অন্ততঃ এটা বিদেশী ভাষাত দক্ষতা থাকিলে প্রাধান্য পায়। দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো ট্রেভেল এণ্ড টুৰিজমৰ বিভিন্ন পাঠ্যক্রম অধ্যয়ন কৰিব পৰা শিক্ষানুষ্ঠান আছে।

তেজপুৰ বিশ্ববিদ্যালয় (http.//www.tezu.ernet.in)ৰ Master of

Tourism and Travel Management (MTTM) পাঠ্যক্রমত তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰৱেশ পৰীক্ষাৰ জৰিয়তে নামভর্তি হয়। এই পাঠ্যক্রমত শিক্ষা গ্রহণ কৰিব বাবে সাধাৰণ শ্রেণীৰ প্রার্থীয়ে যিকোনো শাখাত স্নাতক ডিগ্রী আৰু মেজৰ/অনার্ছত কমেও ৪৫ শতাংশ নম্বৰ থাকিব লাগে (SC/ ST/PWD প্রার্থীৰ বাবে ৪০ শতাংশ। মেজৰ/অনার্ছ নথকা সাধাৰণ শ্রেণী প্রার্থীৰ ৫০ শতাংশ নম্বৰ থাকিব লাগে (SC/ST/PWD প্রার্থীৰ বাবে ৪৫ শতাংশ।

ডিব্রুগড় বিশ্ববিদ্যালয় (http.//www.dibru.ac.in)ত Masters in Travel and Tourism Management (MTTM) পাঠ্যক্রম অধ্যয়ন কৰিব পৰা সুবিধা আছে। অসম বিশ্ববিদ্যালয় (www.aus.ac.in) ত MBA-Hospitality & Tourism Management (MBA-HTM) পাঠ্যক্রম অধ্যয়ন কৰিব পৰা সুবিধা আছে। অসম মহিলা বিশ্ববিদ্যালয় (http.// www.awu.ac.in) ত Masters in Travel and Tourism Management (MTTM) পাঠ্যক্রম অধ্যয়ন কৰিব পৰা সুবিধা আছে। ভট্টদেৰ বিশ্ববিদ্যালয় (https//www.bhattadevuniversity.ac.in), অসম ডাউন টাউন বিশ্ববিদ্যালয় (https //adtu.in), কাজিৰঙা বিশ্ববিদ্যালয় (https// www.kzu.ac.in), ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয় (https//rgu.ac), নগাঁও গোপীনাথ দেৰগোস্বামী বাণিজ্য মহাবিদ্যালয় (https// ngndgccollege.edu.in), ছোৱালী মহাবিদ্যালয়, কোকৰাঝাৰ (https// gckokrajhar.ac.in), তেজপুৰ মহাবিদ্যালয় (https// www.tezpurcollege.com), সোণাপুৰ মহাবিদ্যালয় (https// www.sonapurcollege.ac.in), ফকিৰাগ্রাম মহাবিদ্যালয় (https// fakiragramcollege.ac.in), দৰং মহাবিদ্যালয় (https// darrangcollege.ac.in), শৰাইঘাট মহাবিদ্যালয় (https// saraighatcollege.ac.in), প্রাগজ্যোতিষ মহাবিদ্যালয় (https// pragjyotishcollege.ac.in), জাগীৰোড মহাবিদ্যালয় (http// www.jagiroadcollege.co.in), কলিয়াবৰ মহাবিদ্যালয় (https// www.kaliaborcollege.org), অভয়াপুৰী মহাবিদ্যালয় (https// abhayapuricollege.in), এন ই আই এম এছ কলেজ অৱ টুৰিজিম

মেনেজমেণ্ট (http //nctm.neimscollege.com) আদিতো ট্রেভেল এণ্ড টুৰিজমৰ বিভিন্ন পাঠ্যক্রম অধ্যয়ন কৰিব পৰা সুবিধা আছে। এই শিক্ষানুষ্ঠান সমূহত নামভর্তি কৰিবৰ বাবে প্রয়োজন হোৱা সবিশেষ তথ্য জানিবৰ বাবে শিক্ষানুষ্ঠানসমূহৰ ৱেবছাইটত চাব পাৰে আৰু নাম ভর্তিৰ বাবে বাতৰি কাকতত বিজ্ঞাপনো প্রকাশ কৰা হয়।

অসমৰ বাহিৰতো ট্রেভেল এণ্ড টুৰিজমৰ বিভিন্ন পাঠ্যক্রম অধ্যয়ন কৰিব পৰা শিক্ষানুষ্ঠান আছে। এখন উল্লেখযোগ্য শিক্ষানুষ্ঠান হ'ল— ইণ্ডিয়ান ইনষ্টিটিউট অৱ টুৰিজম এণ্ড ট্রেভেল মেনেজমেণ্ট (Indian Institute of Tourism and Travel Management)। ইয়াৰ কেন্দ্রসমূহ হ'ল— গোৱালিয়ৰ কেন্দ্র (www.iittm.ac.in), নয়ডা কেন্দ্র (https// www.iittmnoida.ac.in), গোৱা কেন্দ্র (www.iittmb.in, www.niws.nic.in), ভুৱনেশ্বৰ কেন্দ্র (www.iittmb.in) আৰু নেল্লোৰ কেন্দ্র (https//iittmsouth.org)। ইয়াৰ শিবিৰ দুটা হ'ল— বোধগয়া (https/ /www.iittm.ac.in/images/pdf/IITTM-Camp-BODHGAYA.pdf) আৰু শ্বিলং (https//www.iittm.ac.in/images/pdf/IITTM-Camp-Shillong.pdf)। আন কেইখনমান শিক্ষানুষ্ঠান হ'ল— বেনাৰস হিন্দু বিশ্ববিদ্যালয় (https//www.bhu.ac.in), পাঞ্জাবী বিশ্ববিদ্যালয় (http// punjabiuniversity.ac.in), নেচনেল ইনষ্টিটিউট অৱ ৱাটাৰ স্পর্টছ (National Institute of Water Sports, https //niws.nic.in/), খ্রীষ্ট বিশ্ববিদ্যালয় (https//christuniversity.in), জামিয়া মিলিয়া ইছলামিয়া (https //www.jmi.ac.in), টাটা ইনষ্টিটিউট অৱ ছ'চিয়েল ছায়েন্স (https //sve.tiss.edu), অমিটি ইনষ্টিটিউট অৱ ট্রেভেল এণ্ড টুৰিজম (https// www.amity.edu), নেচনেল ইনষ্টিটিউট অৱ টুৰিজিম এণ্ড হস্পিটেলিটি মেনেজমেণ্ট (https//nithm.ac.in), কেৰেলা ইনষ্টিটিউট অৱ টুৰিজিম এণ্ড ট্রেভেল ষ্টাডিজ (https//www.kittsedu.org), পণ্ডিচেৰী বিশ্ববিদ্যালয় (https//www.pondiuni.edu.in) আদি। এই শিক্ষানুষ্ঠানসমূহত বিভিন্ন পাঠ্যক্রমত নামভর্তি কৰিবৰ বাবে প্রয়োজন হোৱা সবিশেষ তথ্য জানিবৰ বাবে শিক্ষানুষ্ঠানসমূহৰ ৱেবছাইটত চাব পাৰে আৰু নামভর্তিৰ বাবে বাতৰি কাকতত বিজ্ঞাপনো প্রকাশ কৰা হয়।

দূৰ শিক্ষা যোগেদিও ট্ৰেভেল এণ্ড টুৰিজম পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰি। এখন উল্লেখযোগ্য শিক্ষানুষ্ঠান হ'ল— ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়। ইয়াত Master of Tourism & Travel Management (MTTM), B.A in Tourism Studies (BTS), B.A. in Vocational Studies Tourism Management (BAVTM), Diploma in Tourism Studies (DTS), Certificate in Tourism Studies (CTS) আদি পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰি। এই পাঠ্যক্ৰমবোৰত নামভর্তিৰ বাবে প্ৰয়োজন হোৱা শিক্ষাগত অর্হতা বিষয়ে জানিবৰ বাবে শিক্ষার্থীসকলে ৱেবছাইট (http//www.ignou.ac.in) ত চাব পাৰে।

ভাৰতৰ দৰে এখন দেশত ভ্ৰমণ আৰু পর্যটন উদ্যোগৰ বিবিধ সমৃদ্ধ সংস্কৃতি আৰু ঐতিহ্যৰ বাবে যথেষ্ট সুযোগ আছে। অতিৰিক্ত চাকৰিৰ সুযোগ আৰু ডাঙৰ কোম্পানীবোৰত আতিথ্য সংস্কৃতি প্ৰৱর্তনৰ বর্ধিত প্ৰৱণতাই মূলসুঁতিৰ পর্যটন উদ্যোগৰ বাহিৰে আন খণ্ডত নিযুক্তিৰ বিকল্প সৃষ্টি কৰিছে। ভ্ৰমণ আৰু পর্যটন পাঠ্যক্ৰমৰ পৰা পেছাদাৰীসকলক নিয়োগ কৰা কিছুমান সচৰাচৰ খণ্ডৰ ভিতৰত আছে ভাৰত চৰকাৰৰ পর্যটন বিভাগ, ভ্ৰমণ সংস্থা, হোটেল আৰু এয়াৰলাইন। বহুতো স্নাতকে স্ব-নিযুক্তিৰ পথ বাছনি কৰে। আগবঢ়োৱা চাকৰিবোৰ এটা সুন্দৰ দৰমহা আৰু অন্যান্য অনন্য উদ্‌গনিৰ সৈতে আহে। ভ্ৰমণ সেৱা প্ৰদান কৰাৰ পৰা পৰিকল্পিত ভ্ৰমণলৈকে, চাকৰিৰ প্ৰ'ফাইলবোৰ অতি বৈচিত্ৰ্যপূর্ণ আৰু অনন্য। ট্ৰেভেল এণ্ড টুৰিজমৰ বিভিন্ন পাঠ্যক্ৰমত শিক্ষা গ্ৰহণ কৰা শিক্ষার্থীৰ বাবে বিভিন্ন ধৰণৰ কেৰিয়াৰৰ সুবিধা আছে। নিযুক্তি লাভ কৰিব পৰা ক্ষেত্ৰবোৰৰ কিছুমান হ'ল— হোটেল, ৰেষ্টুৰেণ্ট, এয়াৰলাইন কেটাৰিং, হস্পিটেল মেনেজমেণ্ট এণ্ড কেটাৰিং, হোটেল আৰু কেটাৰিঙৰ প্ৰতিষ্ঠান, ৰেলৱেৰ, বেংক আদিৰ কেটাৰিং বিভাগ, অতিথিশালা, পর্য্যটন বিভাগ আদি। বিভিন্ন পদত নিযুক্তি লাভ কৰিব পাৰে। যেনে— Airline Ground Staff, Event Manager, PR Manager, Tour Guide, Tourism Manager, Transport Officer, Travel Agent, Travel Writer আদি।

এয়াৰলাইন্সত ট্ৰেফিক এচিষ্টেন্স, ৰিজার্ভেচন আৰু কাউণ্টাৰ ষ্টাফ, এয়াৰ হোষ্টেছ আৰু ফ্লাইট পার্চাৰ, চেলছ এণ্ড মার্কেটিং ষ্টাফ আৰু গ্ৰাহক সেৱা হ'ব পাৰে।

কার্গো/কুৰিয়াৰ এজেঞ্চীবোৰত কাউণ্টাৰ ষ্টাফ, চেলছ এণ্ড মার্কেটিং ষ্টাফ, ক্লিয়াৰিং এণ্ড ফৰৱার্ডিং এজেণ্ট আৰু এয়াৰপর্ট ডিউটি অফিচাৰ হিচাপে গ্রহণ কৰিব পাৰে।

ট্রেভেল এজেন্সীবোৰত ৰিজার্ভেচন আৰু কাউণ্টাৰ ষ্টাফ, চেলছ এণ্ড মার্কেটিং ষ্টাফ, ট্যুৰ এস্কর্ট আৰু ট্যুৰ অপাৰেটৰ কার্গো/কুৰিয়ৰ এজেন্সীৰ বাবে মুকলি আছে।

পর্যটন বিভাগত ৰিজার্ভেচন এণ্ড কাউণ্টাৰ ষ্টাফ, চেলছ এণ্ড মার্কেটিং ষ্টাফ, ট্যুৰ প্লেনাৰ আৰু ট্যুৰ গাইডৰ চাকৰি আছে।

পর্যটন বিভাগত সংৰক্ষণ আৰু কাউণ্টাৰ কর্মচাৰী, বিক্রী আৰু বিপণন কর্মচাৰী, ট্যুৰ প্লেনাৰ আৰু ট্যুৰ গাইড হিচাপে চাকৰি আছে।

ষ্টাফ ছিলেকচন কমিছনে তথ্য সহায়ক (Information Assistants) হিচাপে নিযুক্তিৰ বাবে বাছনি প্রক্রিয়া পৰিচালনা কৰে। এই খালী পদবোৰ এমপ্লয়মেণ্ট নিউজৰ জৰিয়তে বিজ্ঞাপন দিয়া হয়।

ভ্রমণ খণ্ডৰ চাকৰিবোৰ বিভিন্ন প্রকৃতিৰ। এই ক্ষেত্রত পেছাদাৰীসকলৰ কিছুমান চাকৰি হ'ল— ট্রেভেল এজেণ্ট, ৰিজার্ভেচন এজেণ্ট, টিকট এজেণ্ট, ট্যুৰ অপাৰেটৰ আদি।

ট্যুৰ অপাৰেটৰ হোৱাৰ বাবে ব্যক্তিগত বৈশিষ্ট্যসমূহ হ'ল— পর্যটনস্থলী আৰু ভাষাৰ সঠিক জ্ঞান; আনন্দদায়ক ব্যক্তিত্ব; গ্রাহকে কি বিচাৰে জানিবলৈ সামর্থ; উচ্চ স্তৰৰ ধৈর্য্য; ভাল যোগাযোগ দক্ষতা আদি।

টুৰিষ্ট গাইড ঃ ইতিহাস আৰু ভাষাৰ প্রতি ক্ষমতা থকা যুৱ স্নাতকসকলে অনুজ্ঞাপত্রপ্রাপ্ত গাইড হিচাপে কাম কৰিব পাৰিব। তেওঁলোকৰ বেছিভাগ সময় গ্রাহকৰ সৈতে ভ্রমণত কটায়। তেওঁলোকৰ কামত সকলো ধৰণৰ লোকক সন্তুষ্ট কৰাৰ লগতে গ্রাহকসকলক ভ্রমণ উপভোগ্য কৰি তোলাৰ বাবে প্রতিশ্রুতি আৰু দায়বদ্ধতা অন্তর্ভুক্ত থাকে।

স্ব-নিয়োগৰ সুযোগ ঃ নিজাকৈ ট্রেভেল এজেন্সী খোলা আৰু ট্যুৰ অপাৰেটৰ হোৱাৰ উপৰিও, গাইড হোৱা, হোটেল/লজ খোলা, নিজাকৈ পর্যটন পর্যটক পৰিবহণ চলোৱা, ফটোগ্রাফাৰ হোৱা বা পর্যটকৰ আগ্রহৰ সাহিত্য/সামগ্রী প্রকাশ কৰাৰ বাবে প্রকাশন সংস্থা খোলা বা শিল্প, ভাস্কর্য্য, কাঠৰ শিল্প, পিতলৰ বস্তু আদি বিক্রীৰ বাবে প্রাচীন সামগ্রী বিক্রেতা

হোৱাৰ দৰে স্ব-নিযুক্তিৰ বহুতো সুযোগ আছে। লগতে এজন ট্ৰেভেল এজেণ্ট, ট্ৰেভেল ব্ৰোকাৰ, ভ্ৰমণ পৰামৰ্শদাতা, ভ্ৰমণ পৰামৰ্শদাতা বা ভ্ৰমণ বিশেষজ্ঞ হোৱা। লগতে এজন ট্ৰেভেল এজেণ্ট, ট্ৰেভেল ব্ৰোকাৰ, ভ্ৰমণ পৰামৰ্শদাতা, ভ্ৰমণ পৰামৰ্শদাতা বা ভ্ৰমণ বিশেষজ্ঞ হোৱা। কেৰিয়াৰ বিষয়ৰ বিভিন্ন কথা কোনো আগ্ৰহী শিক্ষার্থীয়ে জানিব বিচাৰে, তেন্তে প্ৰত্যেক শনিবাৰে বিয়লি ৬-৯ বজাৰ ভিতৰত ফোন (৯৪৩৫১৮৮৬৩০)ত যোগাযোগ কৰিব পাৰে।

ড° বুলজিৎ বুঢ়াগোহাঁই
কেৰিয়াৰ পৰামৰ্শদাতা তথা
মুৰব্বী, যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগ, অসম ডন বস্ক' বিশ্ববিদ্যালয়
ফোন ঃ ৯৪৩৫১৮৮৬৩০
ই-মেইল: buljit@gmail.com www.buljit.com

ভয়াবহতাৰ দিশে জলবায়ু পৰিবৰ্তন

দেৱজিৎ ফুকন

পৃথিৱীৰ প্ৰকৃতি, পৰিৱেশ আৰু জৈৱ-বৈচিত্ৰ্যৰ জগতখনৰ সক্ৰিয়তা, সুচলতা আৰু প্ৰান্তৱন্ত কৰি ৰখাৰ ক্ষেত্ৰত পৃথিৱীৰ বতৰ আৰু জলবায়ুৱে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সুদূৰৰ সূৰ্যৰ পৰা পৃথিৱীয়ে লাভ কৰা সৌৰশক্তিখিনি কেৱল বতৰ আৰু জলবায়ুৰ মাধ্যমেৰে ৰূপান্তৰিত হৈ পৃথিৱীৰ বিভিন্ন বতৰ-পানীগত প্ৰয়োজনবোৰ পূৰণ কৰা হৈ আহিছে। সৌৰশক্তিৰ এটা অংশ উদ্ভিদ জগতখনে ব্যৱহাৰ কৰি পৃথিৱীবাসীৰ বাবে অতিকে জৰুৰী দুটা প্ৰয়োজন পূৰণ কৰি আহিছে। তাৰে এটা হ'ল সালোক সংশ্লেষণৰ দ্বাৰা কাৰ্বন গেছ শোষণ আৰু আনতো হৈছে সালোক সংশ্লেষণৰ দ্বাৰা সমগ্ৰ জীৱজগতখনৰ বাবে আহাৰ খিনিৰ যোগান।

পিছে বৰ্তমানৰ দিনবোৰত পৃথিৱীখন চানি ধৰা এটা বিশাল জনসংখ্যাৰ দ্বাৰা বিজ্ঞান আৰু প্ৰযুক্তিৰ বহুল ব্যৱহাৰৰ দ্বাৰা ৰূপায়ণ কৰা ব্যাপক কাম-কাজৰ বাবে ভয়ংকৰ গতিৰে অৱনতিৰ দিশলৈ আগবাঢ়িছে বতৰ আৰু জলবায়ুৰ অৱস্থা। মানৱ জাতিয়ে নিজৰ অলক্ষিতে সংঘটিত কৰা এনে অৱনতিৰ গুৰিতে যিবোৰ কাৰ্যকলাপ জড়িত আছে সেইবিলাক পৰিৱেশ বিজ্ঞানীসকলে চিনাক্ত কৰি কেইবাখনো বিশ্ব সন্মিলনৰ মাধ্যমেৰে সমাধান সূত্ৰসমূহ দেশসমূহৰ হাতত তুলি দিছে। এতিয়া প্ৰত্যেকখন দেশৰে দায়ীত্ব হৈছে নাগৰিকসকলক এই ক্ষেত্ৰত সচেতন আৰু দায়িত্বশীল কৰি তোলা।

বতৰ-পানী হৈছে এটা দিনৰ বা ২৪ ঘণ্টা সময়জুৰি ঘটি যোৱা বা ঘটিব ধৰা বা ঘটিবলগীয়া এটা অৱস্থা। ইয়াত কাৰক বিলাক হৈছে-উষ্ণতা,

আদ্রতা, বায়ুচাপ, বতাহৰ গতি আৰু দিশ, বতাহৰ তীব্রতা, ডাৱৰৰ উপস্থিতি বা অনুপস্থিতি, বৰষুণ আৰু বৰষুণৰ মাত্রা আদিৰ সামগ্রিক অৱস্থা। বতৰৰ দ্বাৰা প্রভাৱিত হয় একো একোটা দিন আৰু বছৰটোৰ ৩৬৫ টা দিনত বতৰৰ অৱস্থা ৩৬৫ ধৰণৰ হ'বও পাৰে।

অন্যহাতে জলবায়ু হৈছে এটা বৃহত্তৰ অঞ্চলত দীর্ঘকালজুৰি অর্থাৎ বহু বছৰ ধৰি বিৰাজ কৰা দৈনন্দিন বতৰ-পানীৰ সামগ্রিক বা গড় অৱস্থা। গতিকে জলবায়ু বুলিলে একোটা অঞ্চল বা দেশ বা মহাদেশ একোখনত বহু বছৰ ধৰি বিৰাজ কৰা বতৰ-পানীৰ পৰিৱেশগত অৱস্থাকে বুজোৱা হয়। সেই বাবে এটা অঞ্চল বা এখন দেশৰ পৰিৱেশগত অৱস্থাৰ প্রধানতম সূচক হৈছে সেই ঠাইখনৰ জলবায়ু। দুখন পৃথক দেশৰ মাজত জলবায়ুৰ সাদৃশ্য থাকিলে তাত পৰিৱেশগত সাদৃশ্যও চকুত পৰে। অথবা এনেকৈও ক'ব পাৰি যে দুখন পৃথক দেশৰ মাজত পৰিৱেশগত সাদৃশ্য থাকিলে ঠাই দুখনৰ মাজত দেখা যায় জলবায়ুগত সাদৃশ্য।

এখন দেশ বা এটা অঞ্চলৰ বতৰ-পানী আৰু জলবায়ুৰ ছবিখন নির্ধৰণ কৰি দিয়ে অঞ্চলটোৰ ভৌগলিক অৱস্থা, ভূ-প্রাকৃতিক গঠনভংগী আদিবোৰে। এই ভৌগলিক কাৰণবোৰৰ বাবেই একোখন ঠাইৰ জলবায়ু শীতল হ'ব পাৰে আৰু তাৰ সমীপৰে অন্য এখনত বিৰাজ কৰিব পাৰে গৰম জলবায়ু। একে কাৰণতে পৰিলক্ষিত হয় আদ্রতাৰ বঢ়া-টুটা, বায়ুচাপৰ ভিন্নতা, বতাহৰ গতি, বতাহৰ দিশ, ডাৱৰৰ চলাচল, বৰষুণ, অতিবৃষ্টি বা অনাবৃষ্টি আদিবোৰ।

বতৰ আৰু জলবায়ুৰ দ্বাৰা পৰিচালিত হোৱা সবাতোকৈ গুৰুত্বপূর্ণ কার্যটো হৈছে জলচক্র বা অন্য ভাষাত ক'ব পাৰি পৃথিৱীত পানীৰ পৰিবহন আৰু বিতৰণ। ইয়াৰ দ্বাৰা সাগৰৰ পানী বাষ্পীভূত হৈ ডাৱৰত পৰিণত হয়। এই ডাৱৰ বিভিন্ন মহাদেশীয় বতাহৰ দ্বাৰা বাহিত হৈ আহি স্থলভাগত বৰষুণৰ জৰিয়তে পানী যোগান ধৰা হয়। এইটো সুসংগত আৰু ধাৰাবাহিক প্রক্রিয়া পৃথিৱীৰ আদি অৱস্থাৰে পৰা চলি আহিছে। তেনেদৰেই অতি গুৰুত্বপূর্ণ মহাদেশীয় আৰু মহাসাগৰীয় বতাহ কেইজাক সৃষ্টি কৰাৰ ক্ষেত্রত দুই মেৰুৰ বৰফ ৰাশিৰ শীতলতাই আৰু বিষুবীয় অঞ্চলৰ উচ্চ উষ্ণতাই চালিকা শক্তি হিচাপে কাম কৰে। উদাহৰণ হিচাপে- দক্ষিণ-পশ্চিম মৌচুমী

বতাহজাক আৰম্ভ হয় দক্ষিণ মেৰু বা আণ্টার্কটিকাৰ পৰা আৰু অন্ত পৰেগৈ ভাৰতকে ধৰি সমগ্ৰ দক্ষিণ এচিয়া অঞ্চলত। তেনেকৈয়ে, উত্তৰ-পূব মৌচুমী বতাহজাক দক্ষিণ এচিয়াৰ স্থলভাগৰ পৰা উৎপত্তি হৈ গৈ অন্ত পৰেগৈ আণ্টার্কটিকা অঞ্চলত। এনেদৰেই পৃথিৱীখনৰ ভৌগলিক গঠন অনুসৰি সৃষ্টি হোৱা পর্বত-পাহাৰ, সমতল ভূমি, মৰুভূমি, শীত মণ্ডল আদিবোৰে মহাসাগৰীয় আৰু মহাদেশীয় বতাহকেইজাক উৎপন্ন হোৱাৰ চালিকা শক্তি হিচাপে কাম কৰি আহিছে।

এতিয়া গুৰি কথাতো হ'ল বতৰ আৰু জলবায়ুৰ এই কার্যকলাপখিনি সাধিত কৰাৰ বাবে প্রয়োজন হোৱা সকলোখিনি শক্তি যোগাৰ হয় সূর্যৰ পৰা। পৃথিৱীপৃষ্ঠত ঘটা বিভিন্ন কাৰণত মাজে সময়ে এই শক্তিৰ হীন-দেঢ়ি হোৱাৰ ফলত বতৰৰ অথবা জলবায়ুৰ প্রচণ্ডতা বৃদ্ধি হৈ পৰিৱেশৰ প্রচুৰ ক্ষয়-ক্ষতি সংঘটিত হয়। ইয়াক অভিহিত কৰা হয় বতৰৰ প্রাকৃতিক দুর্যোগ হিচাপে। বিজ্ঞান আৰু প্রযুক্তিৰ শক্তিৰে বলীয়ান হৈ পৰিছে যদিও মানুহে বতৰ-পানী নিয়ন্ত্রণ কৰিব পৰা নাই আৰু নোৱাৰে। গতিকে, অতীজৰেপৰা মানুহ আৰু প্রাণীজগতখনে বতৰৰ লগত নিজকে খাপ খুৱাই চলাৰ অভ্যাস গঢ়ি তুলিছে। এই অভিযোজন প্রচেষ্টাৰ দীঘলীয়া অভিজ্ঞতাৰ পাচত মানুহে বতৰ আৰু জলবায়ুৰ অনেধ চৰিত্র, ধর্ম, খুটি-নাতি আদি আৱিষ্কাৰ কৰি পেলাইছে। ফলত সম্ভৱ হৈ পৰিছে বতৰৰ আগলি বতৰা। ফলত বতৰৰ ৰেহৰূপ অনুসৰি নিজৰ কৃষি-বিষয়ক, নির্মাণ বিষয়ক বা অন্যান্য আঁচনি যুগুত কৰি মানুহে বতৰক বহু পৰিমানে এক আহিলাত পৰিণত কৰি পেলাইছে। বতৰ-পানী আৰু জলবায়ুৰ সুসংগত প্রক্রিয়াতো চলি থকাৰ বাবেই মানুহে কেলেণ্ডাৰখন চায়েই কৃষিকার্য, উৎসৱ-পার্বণ, ভ্রমণ, নির্মাণ আদিত বতৰৰ সহায় হোৱাকৈ কামত হাত দিছিল।

কিন্তু আজিৰ দিনবোৰত হেৰাব ধৰিছে বতৰ আৰু জলবায়ুৰ সেই স্বাভাৱিক গতি। হেৰাব ধৰিছে ঋতু পৰিবর্তনৰ জৰিয়তে জাৰৰ সলনি জহ আৰু পুনৰ জহৰ পৰিবর্তে জাৰ বিতৰণৰ প্রাকৃতিক সুব্যৱস্থাবোৰ। জীৱ জগতখনৰো বতৰ-পানী ভিত্তিক বিচিত্র আচৰণবোৰৰ বেমেজালি ঘটাৰ ফলত সিহঁতৰ জীৱনলৈ নামি আহিছে অস্তিত্বৰ সংকটৰ দুর্দিন। অর্থাৎ পৰিৱেশগত প্রচলিত দুর্যোগবোৰৰ লগত আৰু এটা আধুনিক দুর্যোগ লগ

লাগিল- নাম হৈছে বতৰ আৰু জলবায়ুৰ পৰিবৰ্তন।

পৰিবৰ্তন ঘটা এই পৰিঘটনাটোৰ গুৰিতে আছে গোলকীয় উত্তাপ বৃদ্ধি বা গ্লবেল ৱার্মিং। এই উত্তাপ বৃদ্ধিৰ বাবে দায়ী কেইবাটাও কাৰণৰ ভিতৰত প্রধানকৈ তিনিটা কাৰণকে সর্বোচ্চ বুলি ঠাৱৰ কৰা হৈছে। (১) তেল আৰু কয়লাৰ ব্যাপক মাত্রাত হোৱা দহন কার্য। (২) বন-অৰণ্য ৰাশিৰ ভয়ংকৰ গতিৰে হোৱা অৱক্ষয়। আৰু (৩) পৃথিৱীৰ পৃষ্ঠভাগ সেউজীয়াৰ পৰিবর্তে আৱৰি ধৰিছে লোহা-লংগৰ, আৰ চিচি, পিটচ, শিল-বালি আদি কৰি নানাবিধ ধাতৱ পদার্থই।

তেল, কয়লা আদিৰ দহনত নির্গত হোৱা এঙাৰ গেছ, চালফাৰযুক্ত গেছ আদিয়ে সূর্যৰ পৰা অহা তাপ 'গ্রীণ হাউছ এফেক্ট' প্রক্রিয়াৰে ধৰি ৰাখি পৃথিৱীৰ তাপমাত্রা বঢ়াব লাগিছে। সেইবাবে এনেবোৰ গেছৰ নাম দিয়া হৈছে 'গ্রীন হাউছ গেছ'। এতিয়া কথা হ'ল- পৃথিৱীৰ সর্বত্র চলাচল কৰি থকা কোটি সংখ্যক গাড়ী-মটৰ, কোটি সংখ্যক ৰন্ধন চৌকা, নিযুত সংখ্যক কল-কাৰখানা আদিয়ে আজিৰ মানুহৰ জীৱন যাত্রা দ্রুত, আৰাম-আয়াসেৰে ভৰা আৰু বিভিন্ন সা-সুবিধাৰে পৰিপূর্ণ কৰি তুলিছে সঁচা, কিন্তু তাৰ বিপৰীতে টন টন পৰিমানত নির্গত হোৱা গ্রীণ হাউছ গেছবোৰ যাব ক'লৈ। আজি সেইবিলাক গেছকেই গোলকীয় উত্তাপৰ ক্ষেত্রত মূল অভিযুক্ত হিচাপে ঠাৱৰ কৰা হৈছে।

তাৰ পাছতে আহিল বন-অৰণ্য হ্রাসৰ কথা। অৰণ্য মানেই উদ্ভিদ আৰু উদ্ভিদ মানেই হৈছে সেউজীয়া। উদ্ভিদৰ দেহৰ হৰিৎকণা উপাদানবিধৰ বাবেই পাতৰ বৰণ সেউজবুলীয়া। হৰিৎকণাবোৰে সূর্যৰ পোহৰত পানী আৰু কার্বন-ডাই-অক্সাইড গেছৰ পৰা সালোক সংশ্লেষণ বিক্রিয়াৰে শ্বেতসাৰ জাতীয় খাদ্য প্রস্তুত কৰে। উদ্ভিদৰ শৰীৰৰ পাত, ফল, শিপা, আলু আদিত সঞ্চিত হৈ থকা এই আহাৰকে প্রত্যক্ষ অথবা পৰোক্ষভাৱে গ্রহণ কৰি জীৱন ধাৰণ কৰিছে পৃথিৱীৰ সমগ্র জীৱজগতখনে। অর্থাৎ কেৱল উদ্ভিদ জগতখন থকাৰ বাবেহে প্রাণীজগতখনৰ খাদ্য প্রাপ্তি সম্ভৱ হৈছে। ইয়াত মন কৰিবলগা কথাতো হ'ল যিবিধ গেছৰ বাবে গোলকীয় উত্তাপ বাঢ়িছে, জলবায়ুৰ বিসংগতিপূর্ণ হ'ব ধৰিছে, যি গেছত বুৰাই দিলে প্রাণীৰ মৃত্যু ঘটে সেই কার্বন-ডাই-অক্সাইড গেছকেই উদ্ভিদে ৰূপান্তৰ

ঘটাইছে পৃথিৱীবাসীৰ খাদ্য দ্ৰব্যলৈ। অথচ সেই উদ্ভিদৰ পৰিমান বিপদজনক মাত্ৰাৰ তললৈ নমাৰ পাচতো দ্ৰুত গতিৰে নিঃশেষ হ'বই লাগিছে মানুহৰ হাতত। অৰ্থাৎ গোলকীয় উত্তাপ বৃদ্ধিৰ দ্বিতীয়টো কাৰণ হৈছে ব্যাপক অৰণ্য ধ্বংস।

আপোনাৰ বাবে গৰমৰ দিনৰ দুপৰীয়াৰ এটা প্ৰখৰ ৰ'দত ছাঁ ল'বলৈ ঠাইখনত আছে এটা টিনপাতৰ ঘৰ আৰু এজোপা বিশাল গছ। এই সময়ত আপোনাৰ পছন্দৰ ছাঁ কোনটো হ'ব সেইয়া সহজ অনুমানতে ক'ব পাৰি। টিনপাত, লোহা-লংগৰ, আৰ চিচি, পিচ্চ আদিবোৰ বেলিৰ তাপত নিজেই উত্তপ্ত হৈ উঠাৰ উপৰিও প্ৰতিফলন আৰু বিকীৰণৰ দ্বাৰা চৌপাশ তপত কৰি তোলে। কিন্তু, গছৰ পাতবোৰ গৰমতো নহয়েই, বৰঞ্চ সেই তাপ ব্যৱহাৰ কৰি সালোক সংশ্লেষণৰ জৰিয়তে আহাৰহে প্ৰস্তুত কৰে। পিচে আজিৰ মানুহে বিজ্ঞান প্ৰযুক্তিৰ অৱলম্বনত তাহানিৰ বাঁহ, বেত, কাঠ, ইকৰা, খেৰ, বিৰিণা আদিবোৰৰ ঠাইত ব্যাপক ৰূপত ব্যৱহাৰ কৰিছে টিনপাত, লোহা, চিমেণ্ট, কংক্ৰিট, এলুমিনিয়াম আদিবোৰ। এই অৱস্থাত পৃথিৱীৰ পৰিৱেশ গৰম নহৈ কি হ'ব! অৰ্থাৎ এনে ধৰণৰ পৃথিৱীপৃষ্ঠ ঢাকি ধৰা ধাতৱ পদাৰ্থৰ ব্যাপক সমাৱেশেই হৈছে গোলকীয় উত্তাপ বৃদ্ধিৰ তৃতীয়টো কাৰণ।

পিছে আজি এক প্ৰত্যাহ্বান হৈ পৰা এই গোলকীয় উত্তাপ বৃদ্ধি সংঘটিত কৰা তিনিওটা প্ৰধান পৰিঘটনা একাংশ দেশত এতিয়াও চলি আছে এক চিন্তনীয় মাত্ৰাত। তাৰ পৰিণতিত অৱধাৰিত হৈ পৰিছে বতৰ আৰু জলবায়ুৰ এক গুৰুতৰ বিসংগতি।

ইতিমধ্যে চাওঁতে চাওঁতে আৰম্ভ হৈ গৈছে বতৰ-পানী আৰু জলবায়ুৰ অস্থিৰতা আৰু অস্বাভাৱিকতা। পৃথিৱীজুৰি পৰিবৰ্তন হৈছে বতৰ আৰু জলবায়ুৰ ৰেহৰূপ।

পৃথিৱীৰ দুই মেৰু পৰ্বতৰ শিখৰ সমূহত যিমান পৰিমানৰ পানী বৰফৰ ৰূপত জমা হৈ আছে সেই বৰফ গলি যাব লাগিলে আৰু এখন মহাসাগৰ সৃষ্টি হ'ব। অৰ্থাৎ সাগৰ পৃষ্ঠসমূহৰ উচ্চতা বৃদ্ধি হৈ অনেক সাগৰপৰীয়া নগৰ, মহানগৰ, দেশ, অঞ্চল আদি স্থায়ীভাৱে জলমগ্ন কৰি পেলাব। তাহানিৰ ডাৱৰ এচপৰাৰ ঠাইত আজি সৃষ্টি হ'ব দহ চপৰা। ঠিক তেনেকৈয়ে

তাহানি এজাক বৰষুণ দিয়া ঠাইখনত বৰষুণ পৰিব দহজাক। প্ৰাচৰখিনি কথা অনুমান কৰিবলৈ আৰু একো টান নহয়। ঠিক তেনেদৰেই বাঢ়িব বজ্ৰপাত আৰু ধুমুহাৰ প্ৰকোপ।

মহাদেশসমূহৰ উষ্ণতা বৃদ্ধি পাই থকাৰ মাজতে শীতল ভঁৰাল হিচাপে থকা মেৰু অঞ্চলৰ বৰফবোৰ গলি যাব ধৰাৰ লগে লগে আৰু এটা ভয়ংকৰ অৱস্থাৰ সৃষ্টি হ'ব। প্ৰত্যেকজাক মহাদেশীয় আৰু মহাসাগৰীয় বতাহৰ দিশ বিপৰীত মুৱা হৈ পৰিব। যিজাক বতাহে মহাসাগৰৰ ডাৱৰ কঢ়িয়াই আনি মহাদেশত বৰষুণৰ জৰিয়তে পানী যোগান ধৰিছিল সেইজাক বতাহ বিপৰীতমুখী হৈ শুকান বতাহ লৈ গৈ মহাসাগৰত শেষ হ'বগৈ। পৰিণতি হিচাপে অনেক দেশ আৰু অঞ্চল পৰিণত হ'ব মৰুভূমিত। এনে পৰিস্থিতিৰ পৰবৰ্তী দশা হৈছে খৰাং, দুৰ্ভিক্ষ, আকাল, মাৰি-মৰক ইত্যাদি। অস্থিৰ জলবায়ুৰ বাবে ইতৰ প্ৰাণীসমূহৰো জীৱনযাত্ৰা, বংশবৃদ্ধি আদি বাধাগ্ৰস্ত হৈ সেইবিলাক ক্ৰমশঃ লোপ পাব ধৰিব। অন্যহাতে উষ্ণ বাতাবৰণৰ প্ৰভাৱত সকলোবোৰ ৰোগতে বীজাণুসমূহে তীব্ৰ আক্ৰমণৰ ক্ষমতা, দ্ৰুত বংশবৃদ্ধিৰ ক্ষমতা আৰু প্ৰচলিত ঔষধ পাতিৰ ক্ষেত্ৰত প্ৰতিৰোধী ক্ষমতা লাভ কৰিব। ইয়াৰ ফলত জনস্বাস্থ্যৰ সমস্যা গুৰুতৰ হৈ উঠিব। সমগ্ৰ পৰিঘটনাবোৰ অনুধাৱন কৰিলে এনেহেন যেনহে লাগিব যেন পৃথিৱীখন পুনৰবাৰ জীৱৰ অস্তিত্বৰ পৰা মুক্ত হৈ অন্যকেইটা গ্ৰহৰ দৰে জীৱ শূন্য হৈ পৰিব।

গোলকীয় উত্তাপ বৃদ্ধি আৰু বতৰ-জলবায়ুজনিত এই ভয়ংকৰ সংকটটো সমাধানৰ অৰ্থে ১৯৮৮ চনত গঠন কৰা হ'ল IPCC অৰ্থাৎ Intra-governmental Panel on Climate Change। সাম্প্ৰতিক দিনবোৰত IPCC য়ে নিজৰ কাম-কাজ বিশ্বজুৰি ব্যাপক, প্ৰভাৱশালী আৰু প্ৰত্যেকখন দেশকে দায়ত্বশীল কৰি তোলাৰ প্ৰচেষ্টা চলাই নিছে। এই ক্ষেত্ৰত জগৰীয়া হোৱা আগত কৈ অহা কাৰণ তিনিটাৰ উপৰিও অন্যবোৰ আনুসংগকি বিষয়তো IPCC য়ে হাত দিছে। তাৰ অংশ হিচাপে গ্ৰীণ হাউছ গেছ নিৰ্গত কৰা তেল আৰু কয়লা ইন্ধনৰ ব্যৱহাৰৰ ব্যাপকতা কমাই নিয়া আৰু বিপদমুক্ত ইন্ধনৰ ব্যৱস্থা কৰাৰ ক্ষেত্ৰত পৃথিৱীৰ প্ৰত্যেক দেশকে বিধি-বিধানৰ দিহা দিছে। ঠিক তেনেদৰে বন-অৰণ্যৰ সুৰক্ষা আৰু পৰিসৰ বৃদ্ধিৰ

বাবে দেশসমূহক জড়িত কৰা হৈছে।

পৃথিৱীৰ উন্নত, উন্নয়নশীল আৰু পিচপৰা সকলোবোৰ দেশৰ বাবে IPCC য়ে বান্ধি দিয়া বাধ্যবাধকতাবোৰ সঠিকভাৱে পালন কৰিব পাৰিলেহে গোলকীয় উত্তাপ বৃদ্ধি ৰোধ, বতৰ আৰু জলবায়ুৰ অৱনতি ৰোধ কৰি পৃথিৱীৰ এই আহিব ধৰা বিপদটো প্ৰতিহত কৰি পৃথিৱীলৈ আকৌ পূৰ্বৰ স্বাভাৱিক অৱস্থা ঘুৰাই আনি পৃথিৱীখনক পৰিৱেশগতভাৱে পুনৰ এখন নিৰাপদ পৃথিৱী কৰি তুলিব পৰা যাব।

লেখকৰ ঠিকনা ঃ মেগামিক্স প্ৰকৃতি সংঘ ঢকুৱাখনা
ম'বাইল ঃ ৯৮৫৪২৪৪২৩৬

দুলুং বনগাঁও আৰু
শ্রীশ্রী পদুমণি আইথানৰ বিষয়ে যৎকিঞ্চিত

গোপাল চন্দ্র দলে

দ্বিতীয়া দুলুং-সোৱণশিৰি মহোৎসৱটি বিগত ২০১৫ বর্ষৰ দৰেই দুলুং-সোৱণশিৰি কনজাৱভেচন ছ'চাইটিৰ সৌজন্যত আৰু মিচিং স্বায়ত্তশাসিত পৰিষদৰ পৃষ্ঠপোষকতাত ২০২৩ বর্ষৰ ডিচেম্বৰ মাহৰ ২২, ২৩ আৰু ২৪ তাৰিখে বর্ণাঢ্য কার্যসূচীৰে শ্রীশ্রী পদুমণি আইথানৰ সমীপৰ দুলুং বন গাঁৱত উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰিছে। পৰিৱেশীয় প্রতিকুলতাই জীৱকুলৰ বাবে আনিব পৰা অনিশ্চিত ভৱিষ্যতৰ প্রতিৰোধী ব্যৱস্থা হিচাপে প্রকৃতি সংৰক্ষণক মুখ্য কাৰণ হিচাপে লোৱাৰ উপৰিও প্রাকৃতিক পৰিৱেশীয় পর্যটনৰ ভূমিকাক গুৰুত্ব দিয়া হৈছে।

মহান সময়োপযোগী উদ্দেশ্যেৰে উদ্‌যাপিত হ'বলগা উৎসৱস্থলী দুলুং বনগাঁও আৰু পদুমণি আইথানৰ বিষয়ে কিছু কথা অৱগত কৰোৱাৰ বাবে এই যৎকিঞ্চিত।

ইয়াৰ পলসুৱা উর্ৱৰা মাটিত নদন-বদন শষ্য উৎপাদনেৰে সহজ-সৰল বাবেই জীৱন-নির্বাহ কৰিছিল সোৱণশিৰিৰ দুয়োপাৰৰ লোকসকল। কোনো কালেই হয়তো ভবা নাছিল দুলুঙৰ দৰে ওখ হালধীয়া আলটিয়া মাটিৰ টিঙনা এটাৰ বন অৰণ্যত বসবাস কৰিব লাগিব। নিয়তিৰ বিধান হিচাপে আহিল ১৯৫০ চনৰ বৰভুঁইকঁপ। পাহাৰৰ পৰা খহি পৰা মাটিয়ে পুতি পেলোৱাৰ ফলত সোৱণশিৰিৰ পানী হৈ পৰিল জলবোমা। উটুৱাই লৈ গৈ নিঃশেষ কৰিলে নৈপৰীয়া গাঁও ভূঁই, ঘৰ-বাৰী, জীৱ-জন্তু, মানুহ ইত্যাদি। লখিমপুৰ জিলাৰ কদম মৌজাৰ অন্তর্গত মেৰ গাঁওখনতো ইয়াৰ

প্রভাৱ পৰিল। কোন ক'লৈ গ'ল, কিমান মৰিল কিমান জীয়াই থাকিল তাৰ খবৰ ল'বলৈ সামৰ্থ্য কাৰোৱেই নাই। কোনে কেনেকৈ পাৰে জীৱন জীয়াৰ সংগ্ৰামত নামিল। তাহানিৰ সেই মেৰ গাঁওখনৰ পৰা জন্মভূমি, কৰ্মভূমি ত্যাগ কৰি দুলুং সংৰক্ষিত বনাঞ্চলত অস্থায়ী শিবিৰ হিচাপে লৈ ৯ টা পৰিয়ালে বাস কৰিবলৈ লয়। ইয়াতেই তদানীন্তন চৰকাৰে ১৯৫০ চনৰ ডিচেম্বৰ মাহত দুলুং বনগাঁও হিচাপে স্বীকৃতি দি স্থায়ীভাৱে বসবাস কৰিবলৈ অনুমতি প্ৰদান কৰে। সেইসকল পৰিয়ালৰ ভিতৰত আছিল— (১) জমোদ গাম, (২) মুক্তিয়াৰ চুংক্ৰাং, (৩) হুকমসিং চুংক্ৰাং, (৪) তিকিৰাই কুলি, (৫) মাধৱ চুংক্ৰাং, (৬) পদ্ম কমান, (৭) বগামল কমান, (৮) লচিৰাম কুলি, (৯) লাতিবৰ চুংক্ৰাং ইত্যাদিৰ পৰিয়াল। এই পৰিয়ালৰ লোকসকলে বন বিভাগৰ কাম-কাজত প্ৰয়োজনীয় সহায়-সহযোগ কৰিব লাগে। বনাঞ্চল নিৰীক্ষণ কৰিবলৈ চাৰিসীমাৰ হাবি কটা, পথ নিৰ্মাণ, অন্তৰ্ভাগ নিৰীক্ষণৰ বাবে বন কৰ্মচাৰীৰ সহায় কৰা ইত্যাদি। তেওঁলোকৰ জীৱন-নিৰ্বাহ বৰ কঠিন আছিল। খেতিৰ বাবে নাছিল মাটি। সংৰক্ষিত বনাঞ্চল মুকলি কৰি খেতি কৰাতো নিষেধাজ্ঞা। বাঘ, ভালুক, বনৰীয়া হাতীৰ উপদ্ৰৱ। তাৰ মাজতেই জীৱন জীয়াৰ সংগ্ৰাম। সংৰক্ষিত বনাঞ্চলৰ বাহিৰৰ মাটিৰ হাবি কাটি মোকলাই খেতি কৰি নতুন জীৱন আৰম্ভ কৰিলে। ২০০৬ বৰ্ষৰ ৰাষ্ট্ৰীয় বন অধিকাৰ আইন অনুসৰি ভূমিপুত্ৰ জনজাতীয় দুলুং বন গাঁৱৰ ৰাইজে পাবলগা মাটি পট্টা, কিন্তু বৰ্তমানেও লাভ কৰা নাই। জানিব পৰামতে পট্টাৰ নামত দুই এজনক দিয়া হৈছে যদিও মাটি চমজি দিয়া নাই। দুলুঙৰ সমীপৱৰ্তী ৰৱদিৰ্জু কেকুৰী মিচিং গাঁৱৰ লোকসকলো দুদুল্যমান অৱস্থাত। গাঁওখনৰ মাটি অসম চৰকাৰৰ ৰাজহ বিভাগে বন বিভাগৰ মাটি বুলি পট্টা নিদিয়ে আৰু বন বিভাগে ৰাজহ বিভাগৰ বুলি বনগাঁও বুলি স্বীকৃতি নিদিয়ে। সেয়েহে ভূক্তভোগী ৰাইজে সঠিক জৰীপৰ জৰিয়তে ব্যৱস্থা গ্ৰহণৰ আশা কৰে।

দুলুং বন গাঁৱৰ পৰিয়াল বাঢ়ি ৬০ (ষাঠি) ঘৰ হ'ল। এই দুলুং বন গাঁৱৰেই স্বৰ্গীয় হুকমসিং চুংক্ৰাং কদম মৌজাৰ মৌজাদাৰ, তেওঁৰেই নাতি শ্ৰীমান নৰোদ চুংক্ৰাং কদম মৌজাৰ বৰ্তমান মৌজাদাৰ, স্বৰ্গীয় জমোদ গামৰ পুত্ৰ স্বৰ্গীয় মোহন চুংক্ৰাং অতিৰিক্ত উপায়ুক্ত আৰু এগৰাকী

অভিযন্তা সৃষ্টিৰে বনগাঁওখনিৰ সন্মান বঢ়াইছে। মৌজাদাৰ স্বৰ্গীয় হুকমসিং চুংক্রাঙদেৱে মাটি দান দি বগীনদী আদর্শ উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন কৰে।

জীৱন জীয়াৰ সংজ্ঞা সলনি হ'ল। জীৱিকাৰ নতুন নতুন পথৰ অনুসন্ধান চলিছে। প্রাকৃতিক পৰিৱেশ ধ্বংস কৰি অর্জিত সম্পদেই জীয়াই থকাৰ একমাত্র সমল নহয়। নানান বিকল্প জীৱিকা উদ্ভাৱন হৈছে। দুলুং বন গাঁও প্রাকৃতিক পৰিৱেশেৰে পৰিৱেষ্টিত। পৰিৱেশীয় প্রতিকুলতাই জীৱকুলৰ বিপদ যাতে সৃষ্টি কৰিব নোৱাৰে তাৰ বাবেও সজাগ হ'ব লাগিব। প্রাকৃতিক পৰিৱেশ অটুত ৰাখি পর্যটন বিকাশ কৰাও বিকল্প জীৱিকা হ'ব পাৰে। সেয়েহে দুলুং-সোৱণশিৰি মহোৎসৱৰ 'বিকল্প জীৱিকা'ৰ সন্ধানৰ যি মহান উদ্দেশ্য, তাৰ প্রতি লক্ষ্য ৰাখি দুলুং বন গাঁৱৰ ৰাইজ, উঠি অহা যুৱক-যুৱতী, ছাত্র-ছাত্রীসকলোৱে অংশীদাৰ হৈ মহোৎসৱৰ সার্থকতা কামনা কৰিছে। মহোৎসৱৰ পৰা যদি তেওঁলোক অলপ পৰিমাণৰ হ'লেও উৎসাহিত হৈ কামত ব্রতী হয় আৰু সফলতা লাভ কৰে ইয়েই আমাৰ কাম্য।

দুলুং বনগাঁওখন শ্রীশ্রী পদুমণি আইথানৰ সমীপত অৱস্থিত। ১৯৫১ চনৰ কোনোবা এক শুভক্ষণত এই আইথানৰ সপোনৰ বেদী স্থাপিত হয়। সপোনৰ বেদী বুলি এই বাবেই কোৱা হৈছে যে এই আই থান ঐতিহাসিক, বুৰঞ্জী প্রসিদ্ধ অথবা কোনো ৰজাই স্থাপন কৰি থৈ যোৱা পৌৰাণিক থান নহয়। এই স্থানৰেই সমীপৱর্তী চৌধ্যমাইল বালিজান গাঁৱৰ বাসিন্দা স্বৰ্গীয় ডিম্বেশ্বৰ দাসদেৱৰ সপোনত শুক্ল বস্ত্র পৰিহিতা আই পদুমণি দেখা দি নির্দেশনা দিলে বৰদির্জু নদীৰ পাৰত বর্তমানৰ স্থানতে আইৰ বাবে এটি চালি সজাই দিলে তেওঁ পুত্র সন্তান লাভ কৰিব। দাসদেৱৰ যিহেতু পুত্র সন্তান নাছিল আইৰ আশীর্বাদ লাভৰ বাবে বাঁহৰ খুঁটা, টাৰি বেত পাতৰ এটি এচলীয়া চালি সাজিলে। সপোন বাস্তৱ হ'ল। দাসৰ পুত্র সন্তান লাভ।

বাঁহ-বেতৰ অস্থায়ী ঘৰ জহি-খহি যোৱাত স্থানীয় লোকসকলে নাহৰ খুঁটা দি তকৌ পাতেৰে পুনৰ দুচলীয়াকৈ সজালে। চাউলধোৱাৰ বাসিন্দা ঠিকাদাৰ স্বৰ্গীয় দেৱী শর্মাদেৱে বকেয়া বিলৰ ধন চৰকাৰে মুকলি কৰি

দিলে আইথানখনিত পকী খুঁটা আৰু টিং পাতেৰে দুচলীয়াকৈ চালি সজোৱাৰ মনস্থ কৰিছিল আৰু সেই ধন পোৱাৰ লগে লগে নিজৰ মটৰগাড়ীত পকাৰ খুটা টিংপাত আনি সজাই দিলে। এইখিনিলৈকে থানখন মহামায়া শ্রীশ্রীপদুমণি আই থান হিচাপে জনাজাত আছিল।

তদানীন্তন উপায়ুক্ত কমল মজুমদাৰদেৱৰ অনুদিত ধনৰ দ্বাৰা নির্মিত কমিউনিটি হলটিলৈ শ্রীশ্রী পদুমণি আইথান হিচাপে স্থানান্তৰিত কৰা হয়। পুৰণি থানখন বর্তমানো চলি আছে। পৰৱর্তী কালত এই অভাজন ১৯৮৯ বর্ষৰ পৰা ২০০২ বর্ষলৈকে একাদিক্রমে পাঁচটা কার্যকালৰ বাবে পৰিচালনা সমিতিৰ সম্পাদকৰ গুৰু দায়িত্ব পালন কৰিবলগা হয়। এইছোৱা সময়তেই সমিতিখন সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে তদানীন্তন কদম চক্রৰ চক্র বিষয়া হেমকান্ত পেগুদেৱৰ নেতৃত্বত নিজাববীয়াকৈ উপবিধি প্রণয়ন কৰা হয়। নিজা পৰিকল্পনাৰে বাটচ'ৰা, মূল মণ্ডপ, ইত্যাদিক আধাৰ হিচাপে লৈ কনিষ্ঠ অভিযন্তা চন্দন শর্মাক প্রাককল'ন প্রস্তুত কৰাই বর্তমানৰ শ্রীশ্রী পদুমণি আইথান মন্দিৰ নির্মাণ আৰম্ভ কৰা হৈছিল। মূল মণ্ডপৰ আৰ্হি কিছু সাল-সলনি কৰা হৈছে। মন্দিৰৰ নির্মাণ সম্পূর্ণ হোৱাত ১৯৯৭ বর্ষৰ ৪ ছেপ্টেম্বৰ তাৰিখে বগা মার্বল পাথৰেৰে নির্মিত দ্বিভূজা পদুমণি আইৰ প্রতিমাত প্রাণ প্রতিষ্ঠা কৰি নৱ নির্মিত মন্দিৰলৈ স্থানান্তৰিত কৰা হয়। ১৯৫১বর্ষতেই বেদী স্থাপিত হৈছিল যদিও নতুন গৃহলৈ আইক আগমন ঘটোৱা তাৰিখটোকে শ্রীশ্রী পদুমণি আইথানৰ প্রতিষ্ঠা দিৱস হিচাপে স্বীকৃতি দিয়া হয় আৰু সেই বর্ষৰ পৰাই প্রতিষ্ঠা দিৱস হিচাপে প্রতি বছৰে উদ্‌যাপন কৰি অহা হৈছে। ২০০২ বর্ষৰ পৰা বগীনদী আদর্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ হিচাপে কার্যনির্বাহ কৰিব লগা হোৱাত পৰিচালনা সমিতিৰ সহঃ সম্পাদকক কার্যভাৰ চমজাই আই থানৰ গধূৰ দায়িত্বৰ পৰা আঁতৰি আহিলো যদিও বর্তমানেও উপদেষ্টা হিচাপে আইৰ সেৱাত ৱতী।

শ্রীশ্রী পদুমণি আইথান। আই অর্থাৎ মাতৃ, নাৰী, প্রকৃতি। সৃষ্টি, স্থিতি আৰু লয়ৰ কাৰণ প্রকৃতি। প্রকৃতি সৃষ্ট শোক, তাপ, বিৰহ বেদনা, বেমাৰ আজাৰ, ধুমুহা বজ্রপাত, ভূমিকম্প বানপানী, আশা-আকাংক্ষা ইত্যাদি কাৰকবোৰে আধ্যাত্মিক মনোজগতত জগাই তোলা বিভিন্ন ভাৱাবেগত

অনুপ্রাণিত হৈ স্রষ্টা, দ্রষ্টা আৰু বিনাশকৰ উপৰিও অনেক দেৱ-দেৱীৰ উদ্ভাৱিত বুলি ঠাৱৰ কৰা হৈছে। বিশেষ বিশেষ কাৰণত ভিন্ন ভিন্ন দেৱ-দেৱীৰ পূজা-অৰ্চনা আৰম্ভ হয়। হিন্দু ধর্মাৱলম্বী লোকৰ মাজত তেত্ৰিশ কৌটি দেৱ-দেৱীৰ ধাৰণাও হয়তো তাতেই। প্ৰকৃতিক নাৰীৰূপে গণ্য কৰি আৰম্ভ হয় নাৰী, দেৱী বন্দনা। 'যা দেৱী সর্বভূতেসু সর্বশক্তি ৰূপেন সংস্থীতা' শ্লোকেৰে সর্বকালৰ সর্বশক্তিমান দেৱী দুর্গাৰ বন্দনা কৰা হয়। ত্ৰৈলোক্যৰ দেৱী দুর্গাতেই সমাহিত,। 'একৈবাহং জগত্যত্র দ্বিতীয়া কা মহাপৰা'। নির্বানতন্ত্রত সদাশিৱ ই কৈছে যে উপাসকৰ কার্যৰ কাৰণে গুণক্রিয়া অনুসাৰে দেৱীৰ ৰূপ নির্ণিত হৈ থাকে। কাল, যুগ, কাৰণ আৰু কর্মৰ বাবে দেৱীয়ে পার্বতী, দুর্গা, মহিষমর্দিনী, চণ্ডী, উমা, ভদ্রকালি, অম্বিকা, লক্ষ্মী, পদ্মা, পদ্মিনী, মনসা, মহামায়া ইত্যাদি ৰূপ ধাৰণ কৰে।

শ্রীশ্রী পদুমণি আইথান এটি সম্পূর্ণ অসমীয়া নাম। ইয়াক কোনো শাস্ত্র ভাগৱত অথবা কোনো বেদ উপনিষদত বিচাৰি পোৱা নাযায়। কিন্তু দুর্গাৰ বহু ৰূপৰ এক অন্য ৰূপ বুলি ভৱাৰ থল আছে। মহামায়া শ্রীশ্রী পদুমণি আইথান নামেও দুর্গাৰ কাষ চপায়। ইয়াৰোপৰি পদুম শব্দৰ সমার্থ পদ্ম, কমলৰ লগত অন্য দেৱীৰ সামঞ্জস্য যেনে— (১) লক্ষ্মী - পদ্মকুমাৰী, পদ্মাসনা, পদ্মজা, (২) দুর্গা-কমল কুমাৰী, (৩) সৰস্বতী-কমলাক্ষী, (৪) সূর্য প্রীয়া-পদ্মা, (৫) পদুমণি-পদ্ম মালা ধাৰিণী বুলি ধাৰণা কৰি সদাজাগ্রত দ্বি-ভূজা পদুমণি আইক দুর্গা দেৱীৰ ৰূপে পৰিগণিত। এই ধ্যান ধাৰণাৰেই দর্শনার্থীসকলে বিভিন্ন নৈবেদ্যৰে নিজা নিজা পদ্ধতিৰে পূজা অর্চনা কৰে। মাহ প্রসাদ, ফল-মূল, হাঁহ, ছাগলী উৎসর্গা কৰি ভক্তগণে মঙ্গল কামনা তথা মনোবাঞ্ছা পূৰণৰ আশীর্বাদ বিচাৰে। শ্রীশ্রী পদুমণি আই থানৰ নিজাববীয়াকৈ পূজন পদ্ধতি নির্ধাৰণ কৰা হোৱা নাই। পুৱা ৭ (সাত) বজাৰ পৰা বিয়লি ৬ (ছয়) বজালৈকে যিকোনো দর্শনার্থীয়ে পূজা অর্চনা কৰেহি। মন্দিৰৰ পুৰোহিতজনে পূজা ভাগত সহায়ক হিচাপে কাম কৰে। বছৰৰ মাত্র অম্বুবাচীৰ কেইদিনহে মন্দিৰ বন্ধ থাকে। সদা জাগ্রত শ্রীশ্রী পদুমণি আইথানৰ দর্শনার্থী দিনক দিনে বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। পদুমণি উদ্যানখনে আই থানৰ দর্শনার্থী বৃদ্ধি পোৱাত পৰিপূৰক হিচাপে কাম কৰিছে। উদ্যানখনত ল'ৰা-ছোৱালীক

খেলিবলৈ দি নিশ্চিন্ত মনে আইক পূজা অর্চনা কৰিব পাৰি। এই অগণন দর্শনার্থীৰ সুবিধাৰ বাবে পৰিচালনা সমিতিয়ে ৰন্ধা-বঢ়াৰ বাবে বাচন-বর্তন, পানী যোগান, ৰান্ধনীশাল, পৃথক ধূপ, চাকি জ্বলোৱা গৃহ, ভক্তগণৰ জিৰণি কোঠা ইত্যাদি উপলব্ধ কৰাৰ পদক্ষেপ গ্রহণ কৰিছে। তদুপৰি অসম চৰকাৰৰ বিভিন্ন বিভাগৰ দ্বাৰা অনুদিত পুঁজিৰে ৰান্ধনীশাল, অতিথি জিৰণিগৃহ, বিবাহ ভৱন, ক্ষুদ্র বজাৰ গৃহ আৰু এন এইছ পি চিৰ দ্বাৰা নির্মিত খোৱাপানীৰ প্রকল্প নির্মাণ কৰি ভক্তগণৰ সুবিধা কৰা হৈছে। প্রাপ্ত সুবিধাসমূহৰ বাবেও দর্শনার্থীৰ ভিৰ তথা প্রচাৰ-প্রসাৰ বৃদ্ধি পাইছে। এই অভাজনৰ সম্পাদনাতেই ইংৰাজী আৰু অসমীয়া ভাষাৰ এখনি তথ্যচিত্র সম্বলিত হাতপুথি 'আইথানৰ চমু আভাস' আই বন্দনাৰ সংকলন 'স্তুত পাঠ' আৰু জীৱন চন্দ্র দত্তৰ সম্পাদনাত 'শ্রী শ্রী পদুমণি আইথানৰ ইতিবৃত্ত' প্রকাশ কৰি পৰিচালনা সমিতিয়েও আইথানৰ প্রচাৰ প্রসাৰৰ প্রচেষ্টা অব্যাহত ৰাখিছে। আশা কৰা হৈছে দুলুং-সোৱণশিৰি মহোৎসৱৰ উদ্‌যাপন থলীতে অর্কিডৰ এখনি উদ্যান গঢ় দিলে পদুমণি অঞ্চলটোৱেই লেখত ল'বলগীয়া ধর্মীয় তথা প্রাকৃতিক পৰিৱেশীয় পর্যটন উদ্যোগলৈ ৰূপান্তৰিত হ'ব পাৰে।

দুলুং-সোৱণশিৰি ঃ সংৰক্ষণৰ গুৰুত্ব

মীনা পামেগাম শর্মা

'Look deep into the nature, and then you will understand everything better'.— (Albert Einstein)

আৰম্ভণি ঃ দুলুং সংৰক্ষিত বনাঞ্চল লখিমপুৰ জিলাৰ ভিতৰতে আয়তনত ডাঙৰ বনাঞ্চল। এই দুলুং বনাঞ্চল সংৰক্ষণ সমিতিয়ে জৈৱ-বৈচিত্র্যৰে পৰিপূর্ণ সংৰক্ষিত বনাঞ্চলখনিক পর্যটনৰ থলী হিচাপে গঢিঞ তুলিবলৈ দাবী কৰিছে আৰু সেই দাবীবোৰ মানি ল'লে জনসাধাৰণৰ আশাবোৰ বাস্তৱত ৰূপায়িত কৰিব পাৰিব। এলবার্ট আইনষ্টাইনে কোৱাৰ দৰে— প্রকৃতিক গভীৰভাৱে অধ্যয়ন কৰা আৰু বুজা, তেতিয়া তোমাৰ ওপৰত সকলোৱেই সন্তুষ্ট হ'ব, বুলি কোৱাৰ দৰে আমি যদি ভাল উদ্দ্যেশ্য লৈ কাম কৰো, তেতিয়া ভাল ফলেই পাম। সেয়ে এই কদম মৌজাৰ সক্রিয়, সচেতন ব্যক্তিয়ে ভাল উদ্দ্যেশ্য আগত লৈ এই মহোৎসৱৰ কাম কৰিবলৈ আগবাঢ়ি আহিছে, ভাল ফলৰ আশাত। এই বনাঞ্চলখন সংৰক্ষণৰ প্রয়োজন আৰু যাতে, ক্ষয় নোহোৱাকৈ ৰাখিবলৈ বন বিভাগ তথা অসম চৰকাৰৰ যিমান দায়িত্ব আছে, তাতকৈ আঞ্চলটোৰ ৰাইজৰ দায়িত্ব বেছি। বন ধ্বংসৰ কাৰণ বিশেষকৈ ১) বানপানী, গৰাখহনীয়া, ধুমুহা ইত্যাদি আৰু ২) মানৱসৃষ্ট। মানুহে বেছি বন ধ্বংস কৰে আৰু বনাঞ্চলত থকা পিতনি আদিৰ মাছ মাৰি তহলিং কৰে। হৰিণা, গাহৰি আদি চিকাৰ কৰি চিকাৰীয়ে খায়। বনত থকা দুষ্প্রাপ্য গছ, মূল্যৱান অর্কিড, ঔষধি গছ যধেমধে কাটি বন ধ্বংস কৰে, তেনেদৰে গছ-বন কাটি থাকিলে এটা সময়ত বননি গুচি মৰুভূমিলৈ পৰিবর্তন হ'বলৈ আৰু বেছি বছৰ নালাগিব

বনভূমি বে-দখল কৰাৰ বাবে দুলুঙৰ ভৌগোলিক কালি সংকুচিত হৈ আহিছে। সেইবাবে বনাঞ্চলখন ৰক্ষা কৰা ক্ষেত্ৰত সমাজৰ সচেতন ব্যক্তিৰ সজাগতাৰ অতি প্ৰয়োজন।

'Together we can preserve the forest, seuring the immense treasure for the future of all these Children'. (Chico Mendes)

সেয়েহে Chico Mendes এ কোৱাৰ দৰে আমি সকলোৱে একগোট হৈ কাম কৰিলে, ভৱিষ্যত প্ৰজন্মৰ বাবে প্ৰচুৰ সম্ভাৱনা থকা কিবা এটা দি থৈ যাব পাৰিম। এইখন সমাজে যি দৰে প্ৰচুৰ উদ্যম লৈ কাম কৰিবলৈ আগবাঢ়িছে, তাৰ প্ৰতিফল ভাল আশা কৰিব পাৰি আৰু পাছৰ প্ৰজন্মৰ বাবে এটা ভাল কাম কৰি থৈ যোৱা হ'ব। যিটো তেওঁলোকৰ উপকাৰত আহিব। এখন বনাঞ্চলত বিভিন্ন প্ৰজাতিৰ গছ-বন থাকে, তাৰে প্ৰতিবিধ প্ৰজাতিৰ গছে পৰিৱেশ নিয়ন্ত্ৰণত অভূতপূৰ্ণ ভূমিকা আছে।

দুলুং সংৰক্ষিত বনাঞ্চল চিঁয়া নাহৰৰ বাবে বিখ্যাত। এই ঠাইৰ ভৌগোলিক আৰু জলবায়ুৰ উপযুক্ত বাতাবৰণৰ বাবে স্বাভাৱিকভাৱে চিঁয়া-নাহৰ গছ তাত ভাল হয়। অসমৰ পূৰ্ব দিশৰ মানুহে চিঁয়া নাহৰ কেন্‌চাৰ ৰোগৰ প্ৰতিকাৰক বুলি বিশ্বাস কৰে। ভাৰতবৰ্ষৰ বহু বিজ্ঞানীয়ে এই গছৰ ঔষধি গুণ আছে বুলি কয় (Vasanthan, B)। ধনেশ (হৰ্ণবিল) চৰায়ে চিঁয়া নাহৰ (Media ferrea) ৰ গছত বাহ বান্ধে । ২০০১-০৯ চনৰ ভিতৰত দুটা ডাঙৰ ধুমুহাই চিঁয়া নাহৰৰ বহু গছ ধ্বংস কৰিছিল, ফলত এই চৰাইৰ বাসস্থান নোহোৱা হয়, ফলত হৰ্ণবিলৰ সংখ্যা হ্ৰাস পায়গৈ। বনত 'গছ' হৈছে চৰাইৰ ভাল বাসস্থান। সেইবাবে চৰাই, কীট-পতংগ আদিক বাসস্থান, আশ্ৰয়স্থল দিবৰ বাবে হাবিত উদ্ভিদ অতি প্ৰয়োজন। যদিহে, এই চিঁয়া নাহৰৰ গছ স্তৰে-স্তৰে, সময়ে-সময়ে বন বিভাগে ৰোপণ কৰে, তেতিয়া বনত গছৰ সংখ্যা বৃদ্ধি পাব আৰু চৰাই আদি জীৱৰ আবাসস্থল বনত বাঢ়িব। তদুপৰি, এই বনত বহু মহামূল্যৱান গছ, যেনে— চেগুণ (Tectona grandis), তিতাচপা, (Tectona phellocarpa), জেতুলি (Allingia exeles), গমাৰি (Gomeliana arborea), বন বগৰী (Zizipus rugosa), বনচোম (Phoebi lanceolata), ঔটেঙা (Dillenia in-

dica) আৰু বহু ঔষধি-জাতীয় উদ্ভিদেৰে এই বনাঞ্চল ভৰপূৰ। এই বনাঞ্চলত থকা মূল্যৱান গছৰ কাঠ সমূহে দেশৰ লাগতিয়াল কামত লগাই, দেশৰ বহুকামত উপকাৰ সাধি আছে। গতিকে, এই বনাঞ্চলখনৰ কিমান গুৰুত্ব আছে, তাক বেছি বহলাই কোৱাৰ প্ৰয়োজন নাই। এই সকলোবোৰ দিশ পৰ্যবেক্ষণ কৰি, এই বননিখন ৰক্ষাৰ স্বাৰ্থত, লগতে অধিক সুৰক্ষাৰ সুবিধা পাবৰ বাবে পৰ্যটনথলী হিচাপে ঘোষণা কৰিলে, সম্পদৰ উচিত ব্যৱহাৰ হ'ব বুলি ক'ব পাৰি । পৰ্যটন ক্ষেত্ৰ ঘোষণা নোহোৱাৰ বাবে, এখন উপযুক্ত সংৰক্ষিত বনাঞ্চল, বননি হৈয়েই অ'ত বছৰ পৰি আছে। লখিমপুৰ চহৰৰ গাতে লাগি থকা সংৰক্ষিত বনাঞ্চলখনি "পৰ্যটন ক্ষেত্ৰ হিচাপে" পৰিবৰ্তিত কৰিলে লখিমপুৰ, ধেমাজি, মাজুলী জিলাৰ বাবে এটা সুন্দৰ পৰ্যটনথলী ৰাইজক দান দিয়া হ'ব আৰু সমূহ ৰাইজে পৰ্যটনত ভ্ৰমণৰ আনন্দ লাভ কৰাৰ সুযোগ-সবিধা লাভ কৰিব পাৰিব। দুলুং-সোৱণশিৰি সংৰক্ষিত বনাঞ্চল কমিটিৰ উদ্দ্যেশ্য চৰকাৰে বাস্তৱত ৰূপায়িত কৰিলে, আওহতীয়া বুলি ভবা জিলাখনলৈ অধিক পৰ্যটকৰ আগমণ হ'ব আৰু অসমৰ অৰ্থনীতিটো কিছু সহায় হোৱাৰ ভাল থল আছে বুলি আশা কৰা যায়। ভিন্ন প্ৰজাতিৰ অৰ্কিডৰস্থলী, এই হাবিত বহু বনশাকৰ জাতি-প্ৰজাতিও আছে।

দুলুং-সোৱণশিৰি সংৰক্ষিত বনাঞ্চলত বহু মহামূল্যৱান গছেৰে ভৰি আছে আৰু সেই গছৰ পৰা অসম চৰকাৰে এটা মুটা অৰ্থ-সংগ্ৰহ কৰি ৰাজহ টনকিয়াল কৰাত অৰিহণা যোগাই আহিছে। সেইবোৰ দিশৰ পৰা চালে, এই বনাঞ্চলখন সুৰক্ষাৰ অতীব প্ৰয়োজন। সেই উদ্দ্যেশ্য আগত ৰাখি বনাঞ্চল সংৰক্ষণ কমিটিয়ে জনসাধাৰণক সজাগতা দিবৰ বাবে আৰু চৰকাৰৰ পৰা অধিক সুৰক্ষা পোৱাৰ মানসেৰে এই মহোৎসৱ পাতিবলৈ আয়োজিত কৰিছে। এই ক্ষেত্ৰত বন সংৰক্ষণত স্থানীয় মানুহৰ অৰিহণা, দায়িত্ববোধ আদিৰ বহু কথা নিহিত হৈ থাকে। ৰাইজে বন শাক বুটলি খায়-কিন্তু, ধ্বংস যাতে নহয় তাৰ ওপৰত অধিক গুৰুত্ব দিয়া প্ৰয়োজন। গছ-গছনিৰ ফুল, ফল, পাত, ঘাঁহ-বন আদি জীৱৰ খাদ্য আৰু এই বন্যপ্ৰাণীৰ খাদ্যসমূহ ধ্বংস কৰিব নালাগে। বনত খাদ্য কম হ'লে বন্যপ্ৰাণীয়ে খাদ্যৰ সন্ধানত মানুহৰ বাসস্থানলৈ আহে। সেই পৰ্যায় যাতে নাপায় তালৈ চকু

দিব লাগিব। আজিৰ যুগত বহু কাৰখানা, উদ্যোগ আদি স্থাপন কৰিবৰ বাবে যি হাৰত বন-ধ্বংসযজ্ঞ চলি আছে, সেই হাৰত চলি থাকিলে আমি কিছুমান উদ্ভিদৰ জাতি-প্রজাতি হাতত নাপামগৈ।

এখন বনত বহুবিধ গছ-গছনি, লতা, গুল্ম, জলজ উদ্ভিদ, ঢেঁকীয়া জাতীয় উদ্ভিদ আদি থাকে আৰু এই সকলোবিধে মিলি বননিখনৰ এটা পৰিৱেশ গঠন হয়, যাৰ ফলত বনৰ গছবোৰ জীয়াই থাকে। হিমালয়ৰ পাদদেশৰ ৰাজ্য আৰুণাচল পাহাৰৰ গাতে লাগি থকা দুলুং গাঁওখনৰ নামৰ বাবেই এই সংৰক্ষিত বননিখন দুলুং সংৰক্ষিত বনাঞ্চল হিচাপে নামকৰণ হ'ল। জৈৱ-বৈচিত্র্যৰেপূর্ণ হাবিখনত কিমান ধৰণৰ ঢেঁকীয়া আছে হিচাপ কৰি শেষ কৰিব নোৱাৰিব। অর্থাৎ দুলুং বনাঞ্চলখন বহু উদ্ভিদৰ কঠীয়াতলি। যদিহে এই বননিখন ধ্বংস কৰো বহু উপকাৰী, লাগতিয়াল গছ-বন পাবলৈ পাছলৈ অসমর্থ হ'ম। পাছৰ প্রজন্মক বনাঞ্চলখন সংৰক্ষণ কৰাৰ প্রয়েজনীতাৰ বিষয়ে জ্যেষ্ঠসকলে আদর্শ দেখুৱাই যাব লাগিব। এই বননিখনত গছ-ঢেঁকীয়া, যাক ইংৰাজীত 'Tree Fern' বুলি কোৱা হয়, এইবিধ প্রজাতি দুলুং বনাঞ্চলত দেখা পোৱা যায় । এতিয়া এইবিধ ঢেঁকীয়া সকলো ঠাইতে নোপোৱা হৈছে। তেনেকৈ Walking Fern, Golden Fern আদিও এই হাবিত আছে। যি ঠাইত ঢেঁকীয়া হয়, সেই ঠাইখনৰ মাটি উর্বৰা বুলি ধৰি লোৱা হয়। তদুপৰি, বহু এই বনাঞ্চলখনিত আহোম, মিচিং, ৰাভা, সোণোৱাল, বড়ো, হাজং, দেউৰী আদি অসমৰ জাতি-জনজাতিসকলে বনোৱা সাজ বা মদ, আহোমে লুকলাও, কার্বিয়ে লাং বুলি কয়, মিচিঙে আপং বুলি কয়- সেই মদ ঘৰতে প্রস্তুত কৰোতে বহুবিধ গছ-লতা-বনৰ পাত দি মদ বনোৱা দৰৱ বনায়। সেই মদ বনোৱা দৰৱৰ বেছিভাগ বনৰীয়া গছ এইখন হাবিত পায়। আহোমৰ লুকলাওত ২০ বিধতকৈ অধিক বনদৰৱ দিয়ে বুলি জনা যায় আৰু তেওঁলোকৰ লুকলাওৰ সোৱাদৰ সমান কাৰোৰে সমান নহয় বুলি জনা যায়। কিন্তু, সময়ৰ সোঁতত পৰি আৰু মানুহৰ অৱহেলা, অজ্ঞানৰ বাবে যদিহে ইমান আৱশ্যকীয় বনাঞ্চলখন যদি ধ্বংস কৰি দিওঁ, বৃহত্তৰ জনসাধাৰণৰ বাবে এটা ডাঙৰ ক্ষতি হৈ ৰ'ব বুলি ধাৰণা কৰিব পাৰি। মুঠতে, দৰকাৰী ঔষধি গছ-লতাৰ থলী এই বনাঞ্চল আৰু সকলো জাতি-জনজাতিৰ মানুহে সেই গছবোৰ

ৰক্ষা কৰাৰ কথা গুৰুত্ব দিব লাগিব। যাতে গছৰ সঁচ বিচাৰি দুলুঙতেই গৈ পাব পৰাকৈ এই বনৰ ভিন্ন উদ্ভিদবোৰ সংৰক্ষণ কৰিব লাগিব। অকল সেয়েই নহয়, বহুত ঔষধিগুণ থকা বন এই বননিখনত আছে। জৈৱ-বৈচিত্র্য ধ্বংস কৰিলে বহু বছৰৰ পাছত প্রজন্মই সেই দুষ্পাপ্য, আৱশ্যকীয় গছবোৰ বিচাৰি হাবাথুৰি খাব লাগিব। এই মহোৎসৱত পর্যটন বিষয়ৰ ভিন্ন সৰু-ডাঙৰ ব্যৱসায়ৰ বাবে মানুহে বহু পৰিকল্পনা কৰিছে, তাৰ পৰা স্থানীয় মানুহৰ হাতত অর্থোপার্জনৰ দুই-এপইচা বাট মুকলি হ'ব বুলি আশা কৰা যায়। কিন্তু, ইয়াৰ লগতে অধিক সজাগতা আনিবৰ বাবে উদ্ভিদ বিজ্ঞান বিভাগৰ প্রবক্তাৰ সহায়ত আপুৰুগীয়া, দুষ্প্রাপ্য গছ, ঔষধি গছ সংৰক্ষণৰ আৱশ্যকীয়তাৰ ওপৰত প্রদর্শনমূলক প্রদর্শনী ৰাখিলে, উৎসৱটিৰ মূল বিষয়-বস্তুৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰা হ'ব আৰু বেছি অর্থবহ হৈ উঠিব। প্রদর্শনীৰ মূল হ'ব লাগিব আৱশ্যকীয়, অনাবশ্যকীয় উদ্ভিদ সংৰক্ষণৰ প্রয়োজনীতা সম্বন্ধে। সেইদৰে, গোটেই বনখনতে ভিন্ন জীৱই নিজ-নিজ বাসস্থানত বসবাস কৰাৰ সুবিধা পায়। পানীৰ জলজ উদ্ভিদে মাছ, অন্যান্য জীৱৰ খাদ্য প্রদান কৰে বা আন ধৰণে সহায় কৰি আহিছে, সেইদৰে সকলো উদ্ভিদেই ভিন্ন প্রাণীৰ বাবে কাম কৰি আছে। হাতীয়ে কিছুমান গছ-বনৰ কুমলীয়া অংশ খাদ্য হিচাপে খায়। হাবিত থকা ঔটেঙা হাতীৰ প্রিয় খাদ্য, যাক জনপ্রিয় নাম- Elephant apple। যিবোৰ ঔটেঙাৰ সোৱাদ বেছি সেই জোপাৰ তলত কেতিয়াওঁ ঔটেঙা পৰি নাথাকে, হাতীয়ে সকলোবোৰ খাই পেলায় আৰু যাৰ সোৱাদ বেয়া সেইবোৰৰ তলত ঔবোৰ মাটিত পৰি থাকে। তেনেকৈ, বেত-গাঁজ হাতীৰ প্রিয় খাদ্য। গতিকে, সেই বনৰ বেত কাটি শেষ কৰিলে জীৱ-জন্তুৰ বাবেও বেয়া হয় আৰু আনহাতে, জৈৱ-বৈচিত্র্যও ধ্বংস কৰা হ'য়। এখন বনত কিমান উপকাৰী আৰু দুষ্প্রাপ্য গছ-বন থাকে ভাৱিব নোৱাৰি। জনসাধাৰণে, বন ৰক্ষা কৰাৰ পণ কৰিব লাগিব, তেহে বনাঞ্চল থাকিব। উদ্ভিদ আৰু জীৱ মিলিহে পৃথিৱীত পৰিৱেশৰ সৃষ্টি হৈছে। উদ্ভিদে যি ধৰণে জীৱক খাদ্য যোগান ধৰে, সেইদৰে উদ্ভিদৰ বংশ বিস্তাৰত প্রাণীবোৰ বহু শতাংশ অৰিহণা আছে, যাৰ বাবে উদ্ভিদৰ বংশ বিস্তাৰত বহুত সুবিধা হৈছে। নহ'লে কিছুমান উদ্ভিদৰ বংশ বিস্তাৰৰ কাম সম্ভৱেই নহ'লে হয়। উদ্ভিদৰ বংশ বিস্তাৰ-বতাহৰ দ্বাৰা, পানীৰ

মাধ্যমেৰে, চৰাই-চিৰিকটি, কীট-পতংগ আদিৰ দ্বাৰা সম্ভৱ হয়। এই কীট-পতংগ, চৰাই-চিৰিকটি নোহোৱাহেতেন পৃথিৱীখন মৰুভূমিত পৰিণত হ'লহেতেন বুলি কিছু বিজ্ঞানীয়ে কৈছে। কিছুমান চৰায়ে ফল-মূল খায় আৰু কিছুমানে পোক-পতংগ আদি খাই জীয়াই থাকে। চৰায়ে যদি পোক, পতংগ আদি নাখালে হয়, পৃথিৱীখন পোকেৰে ভৰি পৰিলে হয়। তেতিয়া জীৱই বাস কৰাত বহুত অসুবিধাৰ সন্মুখীন হ'লে হয়। এই বনাঞ্চলত বিভিন্ন জীৱ-জন্তুৰে ভৰা। এইখন লখিমপুৰ জিলাৰ ভিতৰতে এখন মনোমোহা সংৰক্ষিত বনাঞ্চল আৰু সেইদৰে ভিন্ন জীৱৰ বাসস্থান। এই গোটেই জৈৱ সম্পদৰ অৱস্থা চাই, পর্যটন ক্ষেত্র হিচাপে লোৱাৰ উপযোগী বুলি ক'ব পাৰি। বন্যপ্রাণীৰ ভিতৰত বনৰীয়া হাতী, হগ ডিয়েৰ, ভালুক, মেকুৰী, হৰিণা, কেটেলা পহু আৰু ভিন্ন সাপৰ প্রজাতি, পখিলা আদি জীৱৰে পৰিপূর্ণ এই বন। বিশেষ জন্তুৰ ভিতৰত হিমালয়ান জিফ্রন (Gyps. himalayansis), Rufous-breasts Blue, Fly Catcher (Eicedula hodginous), Staty Fly Catcher (F. tricolor), Ferruginous Fly Catcher (Muscicarpa ferraginea), Chesnut headed Tesia (Cetiacustanecoronata) আৰু বহুতো জীৱ-জন্তুৰে এই বনাঞ্চলত বাস কৰে।

জৈৱ-বৈচিত্র্যৰে ভৰা বনাঞ্চলখনৰ পৰিৱেশ আৰু জীৱ-জন্তুৰ উপস্থিতি আদি চাই এখন সুন্দৰ পর্যটনৰস্থলী হিচাপে ল'ব পৰাৰ পূর্ণ অৱকাশ আছে। তদুপৰি ভৌগালিক পৰিৱেশ, সুন্দৰ বন, গছ-গছনিৰে ভৰা চিৰহৰিৎ বনাঞ্চল আৰু বৈ থকা ভিন্ন নিজৰাৰ সংগমথলী দুলুং সংৰক্ষিত বনাঞ্চলে পর্যটকৰ মন আকর্ষণ কৰাৰ পূর্ণ সম্ভাৰ আছে বুলি জন-মানসত সকলোৰে জ্ঞাত। অসম চৰকাৰৰ বন বিভাগৰ পৰা পূর্ণ সহযোগিতা পালে এখন পর্যটকৰ আকর্ষণৰ কেন্দ্রবিন্দু হৈ উঠিব পাৰিব বুলি আশা কৰিব পাৰি। এই ক্ষেত্রত দুলুং-সোৱণশিৰিৰ পাৰৰ লোকৰ উপৰিও সমস্ত কদম মৌজাৰ স্থানীয় লোকৰ অভূতপূর্ব পূর্ণ সমর্থন আছে। যদিহে, পর্যটনৰ থলী হয়, চৰকাৰৰ অর্থোপার্জনৰ এটা বাট প্রশস্ত হ'ব আৰু লগতে স্থানীয় লোকে বছৰৰ বিশেষ ঋতুত পর্যটকৰ বনাঞ্চল দর্শন কৰাৰ যাৱতীয় সুবিধা কৰাৰ বাবদ, তাৰ আনুষংগিক কামৰ বাবে ব্যৱসায়ৰ এটা সুবিধা লাভ কৰিব

পাৰিব। জীৱই উদ্ভিদক আৰু উদ্ভিদে জীৱক পৰস্পৰে পৰস্পৰক সহায় কৰি পৃথিৱীত চলি আছে। পৃথিৱীখন বৰ্তি থাকিবলৈ জীৱ আৰু উদ্ভিদ দুয়োটাৰেই প্ৰয়োজন। যদিহে, মানুহে বনাঞ্চল ধ্বংস নকৰে, তেতিয়া পৃথিৱীখনৰ প্ৰাণী বাচি থাকিব। বনাঞ্চলসমূহত কম-বেছি পৰিমাণে ওখ ভূমি, পিতনি, খাল, বিল আদিত মাছ, কাছ অন্য পানীত থকা বিভিন্ন জীৱই বাস কৰে। সেইদৰে উদ্ভিদৰ ভিতৰত জলজ উদ্ভিদ, ছাঁত হোৱা গুল্ম, লতা বা অন্যান্য আদিৰে বনখন আগুৰি থাকে। এখন বনাঞ্চলত ভিন্ন প্ৰজাতিৰ উদ্ভিদে নিজৰ নিজৰ কাম কৰি আছে।

কিছুমান ভাল গছৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি গছৰ মূল্য নিৰ্ধাৰণ কৰে, উদাহৰণ হিচাপে, চিঁয়া-নাহৰৰ গছ এই বনাঞ্চলত বিখ্যাত গছ, আৰু এই চিঁয়া নাহৰ কাঠৰ গুণ Teak wood তকৈ বেছি ভাল আৰু নাহৰ কাঠৰ মসৃণতা বেছি। এইবিধ গছ চৰকাৰৰ বন বিভাগে এনেকুৱা হাবিত ৰোপণ কৰে, যাতে বনত গছৰ সংখ্যা বঢ়াই তাৰ পৰিৱেশ সমতুল কৰি ৰাখে। গছ-বনে মাটিৰ ক্ষয়ীকৰণ ৰোধ কৰাত সহায় কৰে, যাৰ বাবে বনাঞ্চলৰ ভূমি ৰক্ষা পৰে। এই বনাঞ্চলত গছৰ সংখ্যা বঢ়ালে, চৰাই-চিৰিকটিৰ আবাসথলো বৃদ্ধি পাব আৰু লগতে ক্ষুদ্ৰ কীট-পতংগ, অন্যান্য জীৱয়ো গছত বাস কৰিব পাৰিব। পৃথিৱীত যেনেকৈ উদ্ভিদে প্ৰাণী জগতৰ বাবে আৱশ্যকীয় অৰিহণা যোগাই আহিছে, তেনেকৈ কীট, পতংগ, চৰাই, চিৰিকটি, জন্তুৰো উদ্ভিদ জগতৰ বিস্তাৰণত সাধাৰণ মানুহৰ মগজুৱে ঢুকি নোপোৱা কাম কৰি আছে।

আনহাতে, পখিলা অন্য কীট আদিয়ে ফুলে-ফুলে পৰি ৰেণু কঢ়িয়াই বহু উদ্ভিদৰ পৰাগ সংযোগ ঘটায়, তাৰ ফলত বহু উদ্ভিদৰ বংশ বিস্তাৰত সুবিধা হয় আৰু তেনেকৈয়ে পৃথিৱীত জীৱই গছৰ বংশ বিস্তাৰৰ কাম কৰি আছে। আনহাতে, কীট-পতংগই গছৰ ৰস, ফল, পাত, চাল, বাকলি আৰু অন্যান্য অংশ খাই জীৱন ধাৰণ কৰি আছে। দেখা গৈছে জীৱক গছ লাগে আৰু গছৰো জীৱন বুৰঞ্জীত জীৱৰ সহায়ৰ প্ৰয়োজন হয়। সেয়েহে, এখন বনাঞ্চলত থকা জীৱক উদ্ভিদৰ প্ৰয়োজন থাকে আৰু উদ্ভিদৰ জীৱক প্ৰয়োজন। তদুপৰি এই হাবিসমূহত মানুহে খাব পৰা বহুবিধ বনৰীয়া শাকৰ প্ৰজাতি আছে আৰু বন সংৰক্ষণ হ'লে সকলোবোৰ উদ্ভিদৰ জাতি-প্ৰজাতি

ৰক্ষা পৰিব। মানুহ আৰু আন জীৱ-জন্তুক জীয়াই থাকিবলৈ গছ, বনৰ প্ৰয়োজন হয়। গছ-গছনি জীয়াই থাকিলেহে প্ৰাণী জীয়াই থাকিব, এই কথা সকলো শ্ৰেণীৰ মানুহে মৰ্মে-মৰ্মে বুজিব লাগিব আৰু ইয়াৰ প্ৰয়োজনীতা উপলব্ধি কৰিব লাগিব আৰু বন ধ্বংস কাৰ্যৰ পৰা বিৰত থাকিব লাগিব। এখন হাবিত মাত্ৰ গছ বনে বা জন্তুৰে অৰিহণা আছে বুলি ক'লে নহ'ব, পৃথিৱীত সৰু-সৰু কীট পতাংগ বিলাকেও জীৱ জগতৰ বহুত উপকাৰ কৰি আছে অনুধাৱন কৰোঁ আহক।

বহুতো কীট পতংগই গছে-গছে পৰি তাৰ ফুলত পৰি ফুলৰ পৰাগ সংযোগ ঘটায়- তাৰ ফলত ফুলৰ পৰা ফল হোৱাত এটা ডাঙৰ ভূমিকা পালন কৰি আহিছে আৰু তাৰ বাবেই পৃথিবীত গছৰ পৰা ফল, ফলৰ পৰা গুটি হ'বলৈ সুবিধা হৈছে। এই কাম কীট পতংগইহে কৰি আছে- যাৰ ফলত গছ বংশ বিস্তাৰত সুবিধা হৈছে। কিছুমান কীট, পতংগই মানুহৰ বহুত উপকাৰ কৰে। যেনে মৌ মাখিৰ মৌ বাঁহৰ পৰা আমি মৌ পাওঁ। তেনেকৈ. অন্য জীৱ জন্তুৰেও ভিন্ন কাম পৃথিৱীত কৰি আছে, যিটো জীৱৰ উপকাৰত আহে। জীৱ নহ'লে পৃথিৱীখন মৰু সদৃশ হ'লে হয়। জীৱই গছ-বন গজাত অভূতপূৰ্ণ অবদান দি আহিছে- মানুহে গম নোপোৱাকৈ। মানুহে খেতিৰ বাদে বননিখন বাঢ়িবৰ বাবে সিমান একো কৰা নাই- অন্য জীৱই যিমান কৰিছে। মানুহৰ অবদানতকৈ ধ্বংসহে বেছি। জীৱই উদ্ভিদক আৰু উদ্ভিদে জীৱক ভিন্ন কামত সহায় কৰি আহিছে। জীৱই উদ্ভিদ অবিহনে জীয়াই থাকিব নোৱাৰে। গতিকে আমাক বনাঞ্চলৰ লগতে জীৱ-জন্তুবোৰ কিমান প্ৰয়োজন সেইটো অনুভৱ কৰিবলৈ শিকিব লাগিব। আনহাতে পৃথিৱীত যদি চৰাই নোহোৱাহেতেন পোক-পৰুৱা, কীট আদিৰে ভৰি পৰিলে হয়, চৰায়ে সেইবোৰ খায় বাবেই পোক-পতংগৰ সংখ্যা কমে। চৰায়ে পোক-পতংগ নোখোৱাহেতেন পৃথিৱীখন পোকেৰে ভৰি পৰিলে হয়। চৰায়েওঁ অন্য জীৱ-জন্তুৰ বাবে আওপকীয়াকৈ বহুত কাম কৰি আছে, সেয়ে আমি বনৰ চৰাই হত্যা কৰাতো উচিত নহয়। চৰাইৰ কৰ্মৰ মহত্ব আমি সকলোৱে অনুধাৱন কৰিব নোৱাৰো। সেইদৰে কিছুমান পৰুৱাই সৰু-সৰু পোক আদি খায়, তাৰ ফলত সেই গছ পোকৰ আক্ৰমণৰ পৰা হাত সাৰে। পৃথিৱীত কোটি-কোটি জীৱ আছে, তাৰে কিছুমান জীৱই মানুহৰ জীৱন-ধাৰণত

মানুহৰ অলক্ষিতে পৰোক্ষ বা প্রত্যক্ষভাৱে বহুত উপকাৰ কৰি আছে। বন থাকিলেহে- জীৱ জীয়াই থাকিব, সেয়ে বনাঞ্চল ৰক্ষা কৰাত অকল চৰকাৰৰ দায়িত্ব নহয়, ৰাইজৰ বিপুল সহাঁৰি আৰু সচেতনতাৰ প্রয়োজন। গছ মানুহক জীয়াই থাকিবলৈ ভিন্ন কামত প্রয়োজন হয়। গছ কটাৰ বদলি প্রতি বছৰে বনত গছ ৰোৱা পৰিকল্পনা কৰক- প্রয়োজন সাপেক্ষে।

বন সংৰক্ষণ কৰাৰ মূল অর্থ- অকল বন ৰক্ষাই নহয়, লগতে তাত থকা বহু জীৱৰো সংৰক্ষণ হয়। হাবিত থকা খাল, পিতনিবোৰ মাছ আৰু জলজ প্রাণীৰ বিচৰণৰ থলীবোৰ ৰক্ষা হ'ব। সদৌ শেহত, শ্রীনিবাস মিশ্রৰ এটি সুন্দৰ উক্তিৰে বিষয়টিৰ সামৰণি মাৰিব বিছাৰিছোঁ- 'If the environmemt is happy, people will laugh and your grief will go away'. (Srinivas Mishra)

ম'বাইল ঃ ৯৩৬৫৪৫৬০১২

দুলুং সংৰক্ষিত বনাঞ্চলৰ অর্কিড বৈচিত্র্য আৰু সংৰক্ষণ সচেতনতা

জুলি গোহাঁই নেওগ

আৰম্ভণি ঃ ১৯১৩ চনৰ ১ মে'ত সংৰক্ষিত বনাঞ্চলৰূপে স্বীকৃতিপ্রাপ্ত দুলুং সংৰক্ষিত বনাঞ্চলখন জীৱ-বৈচিত্র্যৰ ক্ষেত্রত প্রাচুর্যময়। বনাঞ্চলখন ৯৪°৭/২৮// —৯৪°১৮/১২// পূব দ্রাঘিমাংশ আৰু ২৭°২৬/৪// —২৭°৩১/৪// উত্তৰ অক্ষাংশৰ মাজত অৱস্থিত। সর্বমুঠ মাটিকালি ৯৯০০.০৩ হেক্টৰে আওৰা বনাঞ্চলখন অৰুণাচল প্রদেশৰ পাদদেশত অৱস্থিত। বৰষুণৰ গড় বার্ষিক পৰিমাণ ৩৭৩৩.৯৩ মিলিমিটাৰ আৰু আপেক্ষিক আর্দ্রতাৰ পৰিমাণ ৮২—৯০%। গ্রীষ্মকাল আৰু শীতকালৰ সর্বোচ্চ উষ্ণতা যথাক্রমে ৩১° ছেলছিয়াছ আৰু ৯° ছেলছিয়াছ। লখিমপুৰ চহৰৰ পৰা ২৫ কিলোমিটাৰ দূৰত্বত বনাঞ্চলখনৰ কিছু অংশ ৫১৫ নং ৰাষ্ট্রীয় ঘাইপথৰ দাঁতি সংলগ্ন (পদুমণি থানৰ সমীপৰ পৰা ঘাগৰ নদীলৈকে)। তাৰিয়ণী, পদুমণি, ওখমাটি, বকুলবাৰী, ঘাগৰ, কুঁহিয়াৰবাৰী, ৰূপহী ৰাজগড়, নেপালী গাঁও, পথালিপাম চাহ বাগিছা আদি অঞ্চলসমূহ বনাঞ্চলখনৰ সৈতে সংলগ্ন। গোমনদী, পদুমণি নদী, বাঘজান, বাঘিনীজান, কণানদী, ঘাগৰ নদী, ঝিলি নদী, দুলুং নদী আদি কেইবাখনো সৰু-বৰ নদী বনাঞ্চলৰ মাজেদি সমতললৈ বৈ আহি বিভিন্ন ঠাইত সোৱণশিৰি নদীত লগ লাগিছে। বনাঞ্চলৰ ভিতৰভাগ চেঙেলিজান, হাইজান আদি পাহাৰীয়া সৰু জুৰি, বিল, খাল, জলাশয়, পিটনি আদিৰে পৰিবেষ্টিত। বাৰিষা সময়ছোৱাত এই পাহাৰীয়া নদীসমূহত হৰহৰাই ঘোলা পানীৰ ঢল অহাৰ বিপৰীতে খৰালি কালত শিলৰ ফাঁকে ফাঁকে কুলু কুলু শব্দৰে চিলচিলিয়াকৈ পানী

হৈ আহে। এনে পানীত সৰু সৰু আলংকাৰিক মাছৰ কেইবাটাও প্ৰজাতি পোৱা যায়। দুলুং বনাঞ্চলৰ পৰিৱেশতন্ত্ৰ প্ৰধানকৈ পাহাৰীয়া, সমতলভূমি, তৃণভূমি আৰু চিৰসেউজ, অৰ্ধ চিৰসেউজ, পৰ্ণপাতী উদ্ভিদ আৰু পাৰ্শ্বৱৰ্তী কৃষিভূমি, চাহবাগিছা আদিৰে গঠিত। ৰঙা বালিচঁহীয়া, ৰঙামটীয়া আৰু পলসুৱা ধৰণৰ মাটিত উদ্ভিদ বৈচিত্ৰ্যৰ সমাহাৰ ঘটে। এই বনাঞ্চলখন বনজ সম্পাদৰ ক্ষেত্ৰত অতি চহকী। উন্নত মানৰ কাঠ উৎপাদনকাৰী গছ, বিভিন্ন ধৰণৰ ঔষধি শাক বন, লতা, বিভিন্ন প্ৰজাতিৰ বাঁহ-বেত, বনৰীয়া ভক্ষ ফল ধাৰণকাৰী উদ্ভিদ, বিভিন্ন প্ৰজাতিৰ পৰাশ্ৰয়ী আৰু ভূমিবাসী অৰ্কিড, ঢেঁকীয়া বৰ্গৰ বিভিন্ন উদ্ভিদৰ উপৰি আপুৰুগীয়া স্থানিক উদ্ভিদ—চিয়া নাহৰ, লতা বাঁহ আদি পোৱা যায়।

এই লেখাটিত দুলুং বনাঞ্চলৰ সৌন্দৰ্য সম্পদ—অৰ্কিড সম্ভাৰৰ বিষয়ে আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। অৰ্কিড ভালপোৱাৰ লগতে আমাৰ শিক্ষাবৃত্তিৰ লগত জড়িত Minor Research Project আৰু ড° অন্নজ্যোতি গগৈ বাইদেউৰ সৈতে যুটীয়াভাৱে ২০১৮ চনত প্ৰকাশ কৰা 'বৈচিত্ৰ্যময় অৰ্কিড' নামৰ গ্ৰন্থখনৰ বাবে ক্ষেত্ৰভিত্তিক অধ্যয়নত তলত উল্লেখ কৰা অৰ্কিডসমূহৰ সন্ধান পাইছিলোঁ।

১। একাম্পে পেপিল'চা লিণ্ডল (*Acampe papillosa* Lindl.) ঃ এইবিধ অৰ্কিডৰ অৱয়ব সৰু, ঠাল-ঠেঙুলিযুক্ত, দেখাত সৰু জোপোহাৰ দৰে। ফুলৰ বৰণ সেউজ-হালধীয়া, তাতে ৰঙা মুগা বৰণৰ দাগ থকা। মৃদু গোন্ধৰ ফুলবোৰ নৱেম্বৰ-জানুৱাৰী মাহত ফুলে। মৃদু সুগন্ধি অৰ্কিড বিধৰ থলুৱা নাম মেকুৰীফুল, কণকপৌ।

২। একাম্পে প্ৰেৰ্মচা ভাৰ লঙগিপেডানকুলেটা (*Acampe praemorsa* var. *longepedunculata*) ঃ কাণ্ড যথেষ্ট সবল, পত্ৰাচ্ছাদিত, সামান্য ধেনুভিৰীয়াকৈ থিয়। ফুলৰ বৰণত শেঁতা হালধীয়া, পৰলা বা গাঢ় তেজৰঙা ৰঙৰ সমাহাৰ। ফুলৰ গোন্ধ গুলঞ্চ ফুলৰ সৈতে সাদৃশ্য থকা। প্ৰায় ২০দিনলৈকে সজীৱ হৈ থকা অৰ্কিডবিধ জুলাই-আগষ্টত ফুলে। থলুৱাভাৱে 'নালিকা ফুল' বুলি জনা যায়।

৩। একাম্পে প্ৰজাতি (*Acampe* sp.) ঃ বহুসংখ্যক শিপাৰে বেষ্টিত অৰ্কিডবিধ বগুৱা বাই বৃদ্ধি হয়। থুপ পাতি ফুলা ফুলবোৰৰ বৰণ বগা-

হালধীয়া, তাতে ৰঙা-মুগা বিভিন্ন ৰঙৰ সৰু সৰু দাগ থকা। গোন্ধযুক্ত অর্কিডবিধে ছাঁ ভাল পায়, ফুল ফুলাৰ সময় মার্চ-এপ্রিল।

৪। এৰাইডিছ অ'ডৰেটোম ল'ৰ (*Aerides odoratum* Lour.) ঃ পোক-পৰুৱাই ভালপোৱা অর্কিডবিধ আকর্ষণীয় সুবাস আৰু সৌন্দর্যৰ আকৰ। মূল যথেষ্ট দীঘল, শাখাযুক্ত। পাত গাঢ় সেউজীয়া। ফুলৰ বৰণ বগা-গোলপীয়া-বেঙুণীয়া। প্রায় ১৪ দিনলৈকে সজীৱ হৈ থকা উগ্র মিঠা সুগন্ধিৰ অর্কিডবিধ মে' মাহত ফুলে। প্রজাতিটো অসমীয়াত 'গণেশ কপৌ' আৰু সংস্কৃতিত 'গন্ধৰাস্না' নামেৰে পৰিচিত। প্রকাণ্ড প্রকাণ্ড গছবিলাকত এইবিধ অর্কিডৰ যথেষ্ট পয়োভৰ দেখা যায়। অর্কিডবিধৰ পৰা পাৰফিউম তৈয়াৰ কৰিব পৰা সম্ভাৱনা থকা যেন অনুমান হয়।

৫। এৰাইডিছ মাণ্টিফ্লৰ'ৰা ৰক্স. (*Aerides multiflora* Roxb.) ঃ বিহুৱতীৰ আদৰৰ আৰু প্রয়োজনীয় এইবিধ অর্কিডৰ কাণ্ড চুটি, অর্ধ থিয়, কিঞ্চিত ঘোৰখোৱা। ঘনফুলৰ পুষ্পদণ্ড ধেনুভিৰীয়া বা তলমূৱাকৈ ওলমি ফুলাৰ সময়ত দেখাত বৰ শুৱনি হয়। উজ্জ্বল গোলপীয়াৰ সৈতে পূৰৈয়া ৰঙৰ ফুলবোৰ সুগন্ধি আৰু ফুলাৰ সময় মে' মাহৰ দ্বিতীয় সপ্তাহ। ১০-১২ দিনলৈকে সজীৱ হৈ থকা পুষ্পদণ্ডসমূহ বিহু সন্মিলনসমূহ উদ্‌যাপিত হৈ থকাৰ সময়ত বিহুৱতীসকলে প্রয়োজন অনুসৰি ৫০-১০০ টকা দৰত ক্রয় কৰে।

মহাভাৰতৰ আখ্যানমতে পঞ্চপাণ্ডৱৰ পত্নী দ্রৌপদীয়ে এৰাইডিছ গণৰ অর্কিডসমূহ খোপাত গুজিছিল বাবে এৰাইডিছ গণৰ প্রজাতিকেইটাক 'দ্রৌপদী পুষ্প' (Draupadi Pushpa) নামেৰেও জনা যায়। (উৎস ঃ Orchids of Arunachal Pradesh)

৬। এৰাইডিছ ৰজিয়া লিণ্ডল. (*Aerides rosea* Lindl.) ঃ শাখাযুক্ত কাণ্ড সবল, পুষ্পদণ্ড *A. muttiflora* তকৈ দীঘল আৰু ফুলবোৰ হেৰেঙাকৈ ফুলে। ফুলৰ বৰণ বগা-গোলপীয়া, বেঙুণীয়া আভাসনা। সুগন্ধি ফুলৰ পুষ্পদণ্ড খোপাত মেৰিয়াবলৈ সুবিধাজনক। এইবিধ প্রজাতিও নাচনীসকলৰ আদৰৰ। এই তিনিওটা প্রজাতি ঘাগৰ, কুঁহিয়াৰবাৰী, গোগামুখ অঞ্চলৰ প্রায়বোৰ মানুহৰ বাৰীত কম-বেছি পৰিমাণে সংৰক্ষিত অৱস্থা দেখা যায়।

৭। অৰুণ্ডিনা গ্ৰামিনিফ'লিয়া (ডি.ডন) হ'চৰ. (*Arundina graminifolia* (D.Don) Hochr.) ঃ নল খাগৰিৰ দৰে ১—১$^{১}/_{২}$ মিটাৰ ওখ কাণ্ডত বাঁহপাতৰ দৰে অসংখ্য পাত যুক্ত অৰ্কিডবিধৰ ফুলবোৰ ডাঙৰ। এপাহ দুপাহকৈ বহুদিনলৈকে ফুলা ফুলৰ বৰণ গোলপীয়া-বেঙুণীয়া। শুৱনি ফুলবোৰ গোন্ধবিহীন, ২—৩ দিনলৈকে সজীৱ হৈ থকা অৰ্কিডবিধ মে' মাহৰ পৰা নৱেম্বৰ মাহলৈকে ফুলে। দুলুং, গেৰুকামুখ অঞ্চলত ২০০৯ চনলৈকে পোৱা গৈছিল যদিও বৰ্তমান সময়ছোৱাত আগৰ স্থানসমূহত দেখা নাযায়। বাৰিষা কালত বহু পৰিমাণৰ প্ৰজনন কন্দিকা ওলায়। বাগিছাৰ চাৰিওকাষে লানিকৈ ৰুলে ফুলিবৰ সময়ত খুউব সুন্দৰ দেখা যায়।

৮। বুলবোফাইলাম ক্ৰেচিপচ্ হুক. (*Bulbophyllum crassipes* Hook.) ঃ কৃত্ৰিমকন্দ অলপ দীঘলীয়া, সিৰাযুক্ত, কৃত্ৰিমকন্দৰ গুৰিৰ পৰা ঘন সৰু ফুলৰে সৈতে পুষ্পদণ্ড দেখাত ওপৰমুৱাকৈ থোৱা এটা পূৰ্ঠ পকা জলকীয়াৰ দৰে। কজলা ৰঙা ৰঙৰ ফুলবোৰ গোন্ধহীন। প্ৰায় ৭—৯ দিনলৈকে সজীৱ হৈ থাকে। এইবিধ অৰ্কিডে আশ্ৰয় লোৱা ডাঙৰ গছৰ কাণ্ডত থিয় থিয়কৈ বহু ঠাই আগুৰি থাকে। ফুলাৰ সময় নৱেম্বৰ-জানুৱাৰী।

৯। বুলবোফাইলাম কেৰিয়েনাম (হুক.) স্প্ৰেং (*Bulbophyllum careyanum* (Hook.) spreng) ঃ এইবিধ অৰ্কিডৰ পুষ্পদণ্ড *B.Crassipes* Hook. তকৈ লাহি আৰু দীঘল। ফুল প্ৰায় ৮ দিনলৈকে সজীৱ হৈ থাকে। ফুলাৰ সময় নৱেম্বৰ-জানুৱাৰী। প্ৰাকৃতিক পৰিবেশত ধূণা, গমাৰী আদি ডাঙৰ গছত আশ্ৰয় লয়। ফুল গোন্ধবিহীন।

১০। কেলান্থে মাছুকা (ডি.ডন) লিণ্ডল. (*Calanthe masuca* (D.Don) Lindl.) ঃ Horticulture ত যথেষ্ট গুৰুত্ব আৰু সমাদৰ লাভ কৰা এইবিধ অৰ্কিডৰ কৃত্ৰিম কন্দ সৰু, পাত ডাঙৰ, তৰংগিত। পুষ্পদণ্ডৰ মধ্য অংশৰ পৰা ফুলবোৰ হেৰেঙাকৈ ফুলি, শীৰ্ষ অংশত ঘনকৈ ফুলে। বৰণ বগা-বেঙুণীয়া। গোন্ধহীন ফুলবোৰ ১০—২০ দিনলৈকে সজীৱ হৈ থাকে। ফুলাৰ সময় আগষ্ট-ডিচেম্বৰ।

১১। ক্লিছ'চেণ্ট্ৰন পেলেনচ্ (*Cleisocentron pallens*) ঃ কাণ্ড নলাকাৰ, পাতৰ গুৰিৰে বেষ্টিত। ফুলৰ বৰণ বগাৰ সৈতে গোলপীয়া-

বেঙুনীয়া। গোন্ধহীন ফুলৰ সজীৱতা প্ৰায় ১০ দিনলৈকে থাকে। আগষ্ট-ছেপ্টেম্বৰত ফুলা ফুলবোৰ স্থানীয়ভাৱে কুমাৰণী ফুল নামেৰে পৰিচিত। কিয়নো ফুলৰ সাজোন কুমাৰণী পোকৰ দৰে।

১২। ছিম্বিডিয়াম এলইফলিয়াম (এল.) এছ ডব্লিউ. (*Cymbidium aloifolium* (L.) sw.) ঃ এইবিধ অৰ্কিড বলিষ্ঠ আৰু সহজলভ্য। বনাঞ্চলৰ উপৰি ৰাস্তাৰ দাঁতি, পথাৰৰ মাজৰ ডাঙৰ ডাঙৰ গছসমূহত প্ৰায়েই দেখা যায়। পৰাশ্ৰয়ী যদিও কাচিৎ শৈলজ হিচাপেও ধৰা দিয়ে। ফুলৰ বৰণ মাখন-হালধীয়া, তাতে পুৰৈয়া ৰঙৰ দাগ থকা। প্ৰায় ২৫ দিনলৈকে সজীৱতা থকা ফুল সুগন্ধি, মে'-আগষ্ট মাহত ফুলে। স্থানীয় নাম 'মতাকপৌ'।

১৩। ছিম্বিডিয়াম বাইক'লৰ লিণ্ডল. (*Cymbidium bicolor* Lindl.) ঃ সবল পৰাশ্ৰয়ী অৰ্কিড। ১২ নং প্ৰজাতিতকৈ আকাৰত সৰু। ফুলৰ বৰণ চক্‌মকীয়া গাঢ় পুৰৈয়া-ক'লা, হালধীয়া ৰঙৰ আভাসনা। সুগন্ধি ফুলবোৰ ১০—১৫ দিনলৈকে সজীৱ হৈ থাকে। ফেব্ৰুৱাৰী-মাৰ্চ মাহত ফুলা ফুলবোৰ 'কাঠ কপৌফুল' নামেৰে জনা যায়। দুলুং বনাঞ্চলত ডেণ্ড্ৰ'বিয়ামৰ কেইবাটাও প্ৰজাতি পোৱা যায়। তাৰে ভিতৰত ডেণ্ড্ৰবিয়াম লিটুইফ্লৰাম লিণ্ডল. আৰু ডেণ্ড্ৰবিয়াম এফাইলাম (ৰক্স.) ৰে মাৰ্চ-মে' মাহলৈকে নিজস্ব জেউতি চৰায়।

১৪। ডেণ্ড্ৰবিয়াম লিটুইফ্লৰাম লিণ্ডল. (*Dendrobium lituiflorum* Lindl.) ঃ এইবিধ অৰ্কিড অতি বিতোপন। কাণ্ড প্ৰায় ৪৫—৬০ ছেঃমিঃ দীঘল। ফুলৰ বৰণ গাঢ় বেঙুণীয়া-বগা। ফুল সুগন্ধি, ১৪-১৭ দিনলৈকে সজীৱ হৈ থকা ফুলবোৰ এপ্ৰিল-মে' মাহত ফুলে। স্থানীয় নাম 'শালিকী ফুল'। বনাঞ্চলৰ অন্তৰ্গত নাহৰণি, ওখমাটি, বাঘিনীজান, কণানদী, ঘাগৰ আদি ঠাইত আজি কেইবা বছৰমানৰ আগলৈকে পৰ্যাপ্ত পৰিমাণে এইবিধ অৰ্কিডৰ মনোমোহা ফুলবোৰ জক্‌মকাই ফুলি আছিল যদিও এতিয়া তেনে পৰিবেশ সেই স্থানসমূহত দেখা পোৱা নাযায়।

১৫। ডেণ্ড্ৰ'বিয়াম এফাইলাম (ৰক্স.) ছি.ই.ছি. ফিশ্বাৰ (*Dendrobium aphyllum* (Roxb.) C.E.C. Fischer) ঃ দীঘলীয়া কাণ্ডৰ সৈতে নিলম্বী পৰাশ্ৰয়ী অৰ্কিড। ফুলৰ বৰণ পাতল গোলপীয়া-বগাৰ সৈতে মাখনৰঙী।

ফুল মৃদু সুগন্ধি, ফুলাৰ সময় আগষ্ট-ছেপ্টেম্বৰ, 'হাইঠাফুল' নামেৰে জনা যায়। এইবিধ অৰ্কিডৰ দুটা প্ৰকাৰ পোৱা যায়। ফুল প্ৰায় ১০ দিনলৈকে সজীৱ হৈ থাকে। এইবিধ অৰ্কিড ঘাগৰ গাঁও, পথালিপাম চাহ বাগান, সোৱণশিৰিৰ ওচৰৰ ন আলি তিনি আলি আদি অঞ্চলত যথেষ্ট পৰিমাণে দেখা যায়। ওচৰতে থকা স্থায়ী বিহুমঞ্চ 'ত্ৰিণয়ন বিহু বাকৰি' চৌহদত থকা বিভিন্ন গছত স্থানীয় ৰাইজে এই প্ৰজাতিটো সংৰক্ষণ কৰিছে। *Dendrobium moschatum* (Buch.-Ham.) sw., *Dendrobium fimbriatum Hook. Dendrobium fimbriatum* var. *oculatum* Hook., *Dendrobium nobile* Lindl. *Dendrobium aduncum* Lindl. আদি প্ৰজাতিকেইটা চেগা-চোৰোকাকৈ পোৱা যায়।

১৬। ডেণ্ড্ৰলিৰিয়াম ফিৰোজিনিয়াম লিণ্ডল. (*Dendrolirium ferrugineum* Lindl.) ঃ কৃত্ৰিমকন্দবিহীন কাণ্ঠল কাণ্ড ওখো�ৰা-মোখোৰা, বহু গাঁঠিযুক্ত। মোহনীয়া ফুলবোৰ মাখনৰঙী-শেঁতা হালধীয়া, তাতে পূৰৈয়া ৰঙ সনা। গন্ধহীন ফুলবোৰ ১০-১৫ দিনলৈকে সজীৱ হৈ থাকে। অৰ্কিডবিধে ঠাল-ঠেঙুলি মেলি জোপোহাৰ সৃষ্টি কৰে। ফুল মে'-ছেপ্টেম্বৰ মাহত ফুলে।

১৭। ডেণ্ড্ৰলিৰিয়াম লেজিঅ'পিটেলাম (ওৱাইলদ.) (*Dendrolirium laseopetalum* (willd.) ঃ অংগজ গঠনত ১৬ নং প্ৰজাতিৰ সৈতে সাদৃশ্য থকা এইবিধ অৰ্কিডৰ ফুলবোৰৰ ওপৰ পিঠি নোমাল। ফুলৰ বৰণ সেউজ-হালধীয়া, পূৰৈয়া। গোন্ধযুক্ত, কিন্তু সুগন্ধি নহয়। ফুল ৭-১৫ দিনলৈ সজীৱ হৈ থাকে। ফুলাৰ সময় ফেব্ৰুৱাৰী-মাৰ্চ। এই প্ৰজাতিটো বনাঞ্চলৰ উপৰি চাহবাগানৰ ওখ ওখ গছসমূহত যথেষ্ট পৰিমাণে দেখা যায়।

১৮। ইৰিয়া ফ্ৰেগৰেনছ ৰেইচ.এফ. (*Eria fragrans* Reichb.f.) ঃ অতি মিঠা সুগন্ধিৰ ফুল বহন কৰা অৰ্কিড। প্ৰজাতিৰ নামটোৱে ইয়াকেই ইংগিত দিয়ে। কৃত্ৰিমকন্দ থোপাথোপি, উপবৃত্তাকাৰ। বগা বৰণৰ ধুনীয়া ফুলবোৰ তৰাসদৃশ, ফুলৰ গোন্ধ খৰিকাজাঁই ফুলৰ গোন্ধৰ সৈতে মিলে। প্ৰায় ১৫ দিনলৈকে সজীৱ হৈ থকা ফুলবোৰ জুলাই-আগষ্টত ফুলে।

১৯। জিঅ'ডৰাম ডেনছি'ফ্লৰাম (লেম.) শ্বিল্টৰ. (*Geodorum densiflorum* (Lam.) Sehltr.) ঃ এইবিধ স্থলজ অৰ্কিড। কৃত্ৰিমকন্দৰ

গুৱিৰ পৰা পুষ্পদণ্ড দীঘলকৈ ওলাই পুনৰ তলমূৱা হয়। ফুল অগ্ৰ অংশত ফুলে। বৰণ মাখন-বগা, সেউজ-হালধীয়া আভাযুক্ত। ১০-১৪ দিনলৈকে সজীৱ হৈ থাকে। ফুলাৰ সময় জুন-জুলাই মাহ। কণানদী, দুলুং নদী, সোৱণশিৰি ন ন, থেকেৰাগুৰি আদি ঠাইত পলসুৱা মাটিত তলসৰা পাতৰ মাজত এইবিধ অৰ্কিড গজে। শিলৰ ফাঁকতো দেখা যায়।

২০। লিপাৰিচ প্লেণ্টাজিনিয়া লিণ্ডল. (*Liparis plantaginea* Lindl.) ঃ কৃত্ৰিমকন্দ ডিম্বাকৃতি-দীৰ্ঘায়ত, ফুলৰ বৰণ শেঁতা সেউজীয়া, ফুল গোন্ধহীন, প্ৰায় ২৫ দিনলৈকে সজীৱ হৈ থাকে। এইবিধ অৰ্কিড জুন-জুলাই মাহত ফুলে।

২১। মেলাক্সিছ লেটিফলিয়া এছএম. এক্স. ৰিচ. (*Malaxis latifolia* Sm.ex.Rees.) ঃ কাণ্ড কোমল পাতৰ গুৱিৰে বেষ্টিত। পুষ্পদণ্ডৰ শীৰ্ষ অংশত সৰু সৰু ফুলবোৰ ঘনকৈ ফুলে। ফুলৰ বৰণ সেউজীয়া-পূৰৈয়া ৰঙৰ। গোন্ধহীন ফুলবোৰ জুন-জুলাই মাহত ফুলে। সাৰুৱা মাটিত যথেষ্ট ডাঙৰ হয়। ফুলবোৰ প্ৰায় এমাহলৈকে সজীৱ হৈ থাকে।

২২। মেলাক্সিছ একিউমিনাটা ডি.ডন (*Malaxis acuminata* D. Don) ঃ চুঙাকাৰ কৃত্ৰিমকন্দযুক্ত অৰ্কিড। কাণ্ড পাতৰ গুৱিৰে আচ্ছাদিত। ফুলৰ বৰণ সোণালী-হালধীয়া। এপাহ-দুপাহকৈ ফুলা গোন্ধহীন ফুলবোৰ প্ৰায় ২০ দিনলৈকে সজীৱ হৈ থাকে। ফুলাৰ সময় জুন-আগষ্ট। উল্লেখনীয় যে উক্ত তিনিওবিধ স্থলজ অৰ্কিডে কণানদীৰ সমীপত একেদিনাই ওচৰা-ওচৰিকৈ আমাৰ সন্মুখত ধৰা দি মন পুলকিত কৰিছিল। গছ পঁচা অংশ, উঁই হাফলু, ছাঁ পৰা জান-জুৰি, নদীৰ গৰা আদি ঠাই এনে অৰ্কিডৰ পচন্দৰ।

২৩। গুডিয়েৰা প্ৰচেৰা (কাৰ গাৱ'ল) হুক. (*Goodyera procera* (Ker-Gawl) Hook.) ঃ উজ্জ্বল সেউজীয়া পত্ৰাৱলীৰে এইবিধ স্থলজ ও শৈলজ অৰ্কিড ফুলৰ বৰণ বগা, তাতে মুগা-সেউজীয়াৰ বোল থকা। গোন্ধহীন ফুলবোৰ প্ৰায় ২৫ দিনলৈকে সজীৱ হৈ থাকে। গেৰুকামুখ অঞ্চলত পকী দেৱালত গজি উঠা লক্ষ্য কৰিছিলোঁ। মাৰ্চ-এপ্ৰিলত ফুলা এইবিধ অৰ্কিডৰ শুকান পুষ্পদণ্ড ফুলদানীত ব্যৱহাৰ কৰিব পাৰি।

২৪। ৰিংক'ষ্টাইলিছ ৰেটুছা (এল.) ব্লুম (*Rhynchostylis retusa* (L.) Blume) ঃ অসমীয়াত 'কপৌফুল', সংস্কৃতত 'সীতাপুষ্প' নামেৰে পৰিচিত

অসমীয়া সমাজ-সংস্কৃতিত মৰম-ভালপোৱা, আনন্দ-উল্লাস আৰু উৰ্বৰতাৰ প্ৰতীক এইবিধ অৰ্কিডৰ দুটা প্ৰকাৰ চকুত পৰে। এটা প্ৰকাৰ দীঘলীয়া পুষ্পদণ্ডৰ, ফুলাৰ সময় মাৰ্চ মাহ আৰু আনটো প্ৰকাৰৰ পুষ্পদণ্ড চুটি, ফুলবোৰ ঘনকৈ পুষ্পদণ্ডৰ গুৰিৰ পৰা আগলৈকে সমভাৱে ফুলে (আগ অংশ ঠেক নহৈ গোটাসজীয়া) ফুলাৰ সময় এপ্ৰিল মাহৰ চতুৰ্থ সপ্তাহৰ পৰা মে' মাহ।

এইবিধ অৰ্কিডৰ বিষয়ে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে তেখেতৰ 'মালঞ্চ' নামৰ উপন্যাসত বিশেষভাৱে উল্লেখ কৰিছে— 'সৰলা সোমাল ঘৰত। তেওঁৰ হাতত অৰ্কিড। ফুলপাহ শুভ্ৰ, পাপৰিৰ আগত বেঙুনীয়া ৰেখা। যেন পাখি মেলা বৃহৎ প্ৰজাপতি।' ৰামায়ণত সীতাদেৱীয়ে এইবিধ অৰ্কিড খোপাত পিন্ধিছিল বুলি উল্লেখ আছে। আজিকালি বিহুৰ সময়ছোৱাত কোনো কোনো গাভৰুৱে দীঘল চুলিটাৰিত কপৌফুল গুজি কেশসজ্জা কৰা দেখা যায়। ই এক সাংস্কৃতিক মনৰ পৰিচায়ক। অৰ্কিড যে কেৱল প্ৰকৃতিৰ চিত্তাকৰ্ষক উপাদান, বা অসমৰ লোক-সংস্কৃতিৰ লগতেই জড়িত এনে নহয়, অৰ্কিডসমূহৰ যথেষ্ট ঔষধীয় গুণ আছে। অতীজৰে পৰাই সমগ্ৰ পৃথিৱীত অৰ্কিডসমূহ ঔষধ হিচাপে ব্যৱহাৰ হৈ আহিছে। বাতবিষ, স্নায়ৱিক দুৰ্বলতা, তেজ বিশুদ্ধিকৰণ আদিত বহু জনগোষ্ঠীয় লোকে অৰ্কিডসমূহ ব্যৱহাৰ কৰি আহিছে।

ৰিংক ষ্টাইলিছ ৰেটুছা (এল.) ব্লুম (অসমীয়াত শিয়ালনেজীয়া কপৌ বা লাহতী কপৌ)ৰ পাতৰ ৰস কাণৰ বিষত প্ৰয়োগ কৰিলে ভাল ফল পোৱা যায়। বিছা বা কীট-পতংগই কামোৰা অংশত কপৌফুলৰ ৰস ব্যৱহাৰ কৰিলে বিষ উপশম হয়। অৰ্কিডসমূহ বিভিন্ন প্ৰকাৰৰ ৰং আৰু সুগন্ধি দ্ৰব্য প্ৰস্তুতকৰণতো ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰি অৰ্কিডৰ কিছুমান প্ৰজাতি ধৰ্মীয় অনুষ্ঠান, উৎসৱ-পাৰ্বন, চ'ৰাঘৰ সাজোন আদিতো ব্যৱহাৰ হৈ আহিছে।

অৰুণাচল প্ৰদেশত স্থানীয় অধিবাসীৰ সংস্কৃতিত অৰ্কিডে প্ৰাধান্য পাই আহিছে। কামেং জিলাৰ বৌদ্ধ গম্পা (Gompa)বোৰত *Dendrobium gibsoni, Dendrobium nobile, Dendrobium hookarianum* আদি প্ৰজাতিবোৰ পবিত্ৰতাৰ প্ৰতীক হিচাপে ৰোপণ কৰে। টিৰাপ জিলাৰ

বিভিন্ন উৎসৱসমূহত *Vanda Coerulea* অপৰিহার্য। পেপিলিঅ'নেন্থি টেৰিচ (ৰক্স.) ফ্লুটৰ ফুলবোৰ বৌদ্ধ ধর্মীয় খামতি লোকসকলে বুদ্ধলৈ উচৰ্গা কৰে। তেওঁলোকে এইবিধ অর্কিডৰ ডাল কঁকালত বান্ধি থ'লে ঠাণ্ডা, কাহৰ পৰা উপশম পায় বুলি বিশ্বাস কৰে। চীন দেশত কপৌফুলক অতি মর্যাদাসম্পন্ন ফুলস্বৰূপে গণ্য কৰা হয়। গ্রীকসকলে কপৌফুলক কামোদ্দীপক বস্তু হিচাপে ব্যৱহাৰ কৰে। কপৌফুল উপহাৰ হিচাপে দিয়াটো থাইসকলৰ পৰম্পৰাৰ ভিতৰত পৰে।

দুলুং বনাঞ্চল আৰু ওচৰ-পাজৰে অৱস্থিত চাহবাগানসমূহৰ গছবোৰত আশ্রয় লোৱা আন অর্কিডসমূহ হৈছে-*Micropera rostrata* (Roxb.), *Micropera Obtusa* (Lindl.), *Micropera mannii* (Hook.f.), *Luisia zeylenica* Lindl., *Oberonia iridifolia* (Lindl.), *Papilionanthe teres* (Roxb.) schltr., *pholidota griffithi* Hook.f., *pholidota articulata* Lindl., *pholidota imbricata* (Roxb.) Lindl., *Robiquetia spathulata* (Blume) J.J. Smith, *Thrixspermum centipeda* ইত্যাদি। প্রায় ২০০৮ চন মানৰ পৰাই দুলুং সংৰক্ষিত বনাঞ্চলত অর্কিডৰ সন্ধানত ঘূৰি ফুৰা হৈছিল। চাক্ষুষ অভিজ্ঞতাৰ পৰা বুজিব পাৰিছোঁ বনাঞ্চলখনৰ ভৌগোলিক অৱস্থান, প্রাকৃতিক পৰিবেশ অর্কিডৰ বাবে অতি উপযুক্ত। বহুখিনি অর্কিড এতিয়াও আৱিস্কৃত হোৱা নাই যেন অনুমান হয় আৰু যিবোৰ প্রজাতি আজি ১৫ বছৰৰ আগতে দেখিছিলোঁ বর্তমান সময়ত তেনে বহু প্রজাতি কমিবলৈ ধৰিছে বা লুপ্ত পাইছে। বিশেষকৈ অৰুণাচলৰ বেদখলকাৰীৰ প্রতাপত বনাঞ্চলখনৰ পৰিসৰ সংকুচিত হৈ আহিছে। বনাঞ্চলৰ ডাঠ বাকলিযুক্ত ডাঙৰ ডাঙৰ গছসমূহ কটাৰ ফলত পৰাশ্রয়ী অর্কিডৰ বাসস্থান ধ্বংস কৰা হৈছে। ২০১১ চনৰ জানুৱাৰী মাহত কণানদীৰ ভিতৰভাগলৈ যাওঁতে প্রকাণ্ড গছ তিনিজোপা কাটি পেলাই থোৱা দেখিছিলোঁ। তাৰে এজোপাত *Pinalia bractescens* (Lindl.) প্রজাতিটো ঠাহ খাই আছিল। তথ্য অনুসৰি *Dendrobium aphyllum, Dendrobium lituiflorum, Geodorum densiflorum* আদি অর্কিডসমূহ তথাকথিত কবিৰাজসকলে প্রতিকেজিত ১০-২৫ টকাকৈ স্থানীয় সংগ্রহকাৰীসকলৰ পৰা ক্রয় কৰে। যিহেতু এই অর্কিডসমূহৰ পৰা ঔষধ

প্রস্তুত কৰা হয়। আজি কেইবছৰমান আগলৈকে *D. lituiflorum* য়ে এপ্রিল মাহত বকুলবাৰীৰ পৰা ঘাগৰ গাঁৱলৈকে গছে গছে চিত্তাকর্ষক বেঙুনীয়া (এজাৰবুলীয়া) ৰঙৰ ফাকু চটিয়াইছিল, কিন্তু আজি তেনে পৰিবেশ দেখিবলৈ পোৱা নাযায়। প্রকৃততে 'হৰিণাৰ মাংসই বৈৰী'ৰ দৰে বেঙুনীয়া ৰঙৰ উজ্জ্বলতা আৰু পুষ্পদণ্ডৰ দৈর্ঘতা দূৰৈৰ পৰাই চকুত লগা ধৰণৰ বাবেই সংগ্রহকাৰীৰ হাতৰ পৰশত এইবিধ অর্কিড দ্রুতগতিত প্রাকৃতিক পৰিবেশৰ পৰা নিঃশেষ হ'বলৈ ধৰিছে। আজি কেইবছৰমান আগতে চাহবাগান সম্প্রসাৰণ কৰাৰ বাবে গছ-গছনি কটাৰ ফলত কেইবাবিধো অর্কিড সংগ্রহ কৰিবলৈ সুবিধা পাইছিলোঁ। পথালিপাম চাহ বাগানৰ আদিবাসী বাসিন্দাসকলৰ প্রায়বোৰৰ ঘৰত অর্কিডৰ দুই-এটা প্রজাতি সংৰক্ষণ কৰা দেখা যায়। গোগামুখ অঞ্চলত বিহুমঞ্চসমূহ কিছুমান অর্কিড প্রজাতিৰে, বিশেষকৈ *D. aphyllum, D. transparens* ৰে সজোৱা দেখিছিলোঁ। মঞ্চ সজোৱা অর্কিডসমূহ পুনৰ ৰোপণ কৰাতো প্রয়োজনীয়। এবাৰ সম্পূর্ণৰূপে প্রস্ফুটিত বিভিন্ন প্রজাতিৰ অর্কিডেৰে পৰিপূর্ণ এখন ঠেলা দেখাৰ সৌভাগ্য ঘটিছিল। সকলোবোৰ থলুৱা প্রজাতি আছিল। দৃশ্যটো এতিয়াও মানসপটত স্পষ্ট হৈ আছে। বনাঞ্চলখনত উপলব্ধ অর্কিডসমূহ ৰক্ষণাবেক্ষণ দিয়াটো প্রত্যেকগৰাকী প্রকৃতিপ্রেমীৰ কর্তব্য। বনকর্মীৰ লগতে বনগাঁও (Forest village)ৰ লোকসকলে এইক্ষেত্রত নজৰ দিয়াতো যুগুত। কোনো অর্কিড ব্যৱসায়ীয়ে যাতে বনাঞ্চলখনৰ অর্কিডসমূহ জধে-মধে সংগ্রহ কৰিব নোৱাৰে। দুলুং বনাঞ্চলখনৰ সংলগ্ন আনন্দ চাহবাগানৰ মাজে মাজে থকা ডাঙৰ গছসমূহত যথেষ্ট অর্কিড দেখা যায়। বাগান কর্তৃপক্ষইয়ো অর্কিড সংৰক্ষণত গুৰুত্ব দিয়া উচিত। বনাঞ্চলৰ ভিতৰভাগৰ কোনো এজোপা বিশেষ বৃক্ষত কোনো এবিধ প্রজাতিৰ যথেষ্ট প্রয়োভৰ লক্ষ্য কৰা যায়। তেনেক্ষেত্রত বৃক্ষজোপাৰ যাতে কোনো ধৰণৰ ক্ষয়-ক্ষতি নহয়, তাৰ ব্যৱস্থা গ্রহণ কৰিব লাগে। প্রাকৃতিক কাৰণত কোনো অর্কিড নষ্ট হোৱা দেখিলেই সেই অর্কিড পুনৰ ৰোপন কৰিব লাগে। সংৰক্ষণ কৰিবলৈ হ'লে সেই বিষয়ৰ ওপৰত জ্ঞান থকাতো নিতান্তই আৱশ্যক। গতিকে অর্কিড সংৰক্ষণৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰিলেহে দুলুং বনাঞ্চলৰ অর্কিড

বৈচিত্র্য অক্ষুণ্ণ থাকিব।

সামৰণি ঃ দুলুং বনাঞ্চল যে একমাত্র অর্কিডত চহকী তেনে নহয়, দুলুঙক প্রকৃতিৰ ৰম্যভূমি বুলি ক'লে বঢ়াই কোৱা নহ'ব। বহু ধ্বংসযজ্ঞ চলি থকাৰ পিছতো বনাঞ্চলখনত এতিয়াও জীৱ-বৈচিত্র্যৰ প্রাচুর্যতা শেষ হৈ যোৱা নাই। লক্ষীমপুৰ নগৰৰ পৰা ২৫ কিলোমিটাৰ নিলগত পদুমণি থানৰ পৰা সোৱণশিৰি নদীলৈকে বনাঞ্চলৰ প্রাকৃতিক সৌন্দর্য ভালদৰে উপভোগ কৰিব পাৰি। ৰাষ্ট্রীয় ঘাইপথ সংলগ্ন ঘাগৰ-কুঁহিয়াৰবাৰী হৈ গোগামুখ সংযোগী পথৰ কাষৰ শাৰী শাৰী চাহ বাগিছা, বনাঞ্চলৰ সেউজীয়া আভৰণ, ঘাঁহনি, পথাৰ, দূৰৈৰ নীলা পাহাৰ আৰু দুলুং, সোৱণশিৰি নদীৰ নৈসর্গিক দৃশ্যৰ মাজেদি ভ্রমণ কৰাৰ আমেজেই সুকীয়া। ঝিলী নদী, সোৱণশিৰি পাৰৰ শুকুলা ডাৱৰ যেন শুভ্র কঁহুৱা, পাৰত নাৱৰীয়াই লংগৰ পেলোৱা নাৱৰ সৈতে সোৱণশিৰিৰ পানীত সূর্যোদয় আৰু সূর্যাস্তৰ জলমলীয়া ৰূপ কিমান মোহনীয়া দেখাজনেহে বুজিব পাৰে। দুলুং বনাঞ্চলক ৰক্ষণাবেক্ষণ দিবৰ বাবে লখিমপুৰ বন সংমণ্ডলৰ অন্তর্গত পথালিপাম, তাৰিয়নী দুটা খণ্ড আৰু পদুমণি, বকুলবাৰী আৰু সোৱণশিৰি আদি তিনিটা শিবিৰ আছে। লাগে মাথো দায়িত্বত থকা বনকর্মীসকলৰ দায়িত্ববোধ আৰু প্রকৃতিপ্রেমী মনোভাৱ। অৱশ্যে অসম চৰকাৰে বনকর্মীসকলক প্রয়োজনীয় অত্যাধুনিক সা-সৰঞ্জাম যোগান ধৰিলেহে তেওঁলোকে দুষ্কৃতিকাৰীক প্রতিহত কৰি সংৰক্ষিত বনাঞ্চলখনক নিজস্ব বৈশিষ্ট্যৰে জীয়াই ৰাখিব পাৰিব। লগতে আৰু এঢাপ আগুৱাই অসম চৰকাৰ ও বন বিভাগে অনতি পলমে দুলুং সংৰক্ষিত বনাঞ্চলক অভয়াৰণ্য হিচাপে স্বীকৃতি দিলে শতিকা গৰকা বনাঞ্চলখনৰ জীৱ-বৈচিত্র্য আৰু অধিক জীপাল হৈ উঠিব।

তথ্যসূত্র ঃ

১। নেওগ, জুলি গোহাঁই, গগৈ, অন্নজ্যোতি, 'বৈচিত্র্যময় অর্কিড', ২০১৮

২। Baruah, Iswar Chandra, 'Orchid Flora of Kamrup District', 2001

৩। Hegde, Sadanand N, 'Orchids of Arunachal Pradesh' (Revised Edition), 2017

প্ৰকৃতিৰ সুৰক্ষাত মানৱ সমাজৰ কৰণীয়

ড° লোহিত হাজৰিকা

প্ৰকৃতি বুলি কওঁতে আমি বায়ু, পানী, মাটি, জীৱকুল আৰু গছ-গছনিৰে পৰিপূৰ্ণ পৰিৱেশকে বুজো। প্ৰকৃতিৰ বুকুতেই মানুহ, জীৱ-জন্তু, গছ-গছনিৰে জন্ম হৈ শ্ৰীবৃদ্ধি ঘটে। মানৱ সমাজৰ উন্নতিৰ নামত প্ৰকৃতিক ধ্বংস কৰাটো এতিয়া সাধাৰণ বিষয় হৈ পৰিছে। কিন্তু এয়া মানৱ সমাজৰ লগতে সমগ্ৰ জীৱজগত আৰু বনভূমিৰ বাবে অতি ভয়াবহ। মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল— Nature has enough to fulfill the needs, not the greeds. জীৱকুল আৰু প্ৰকৃতি আটাইবোৰ পৰস্পৰ সম্পৰ্কত হৈ আছে, জীৱশ্ৰেষ্ঠ হিচাপে প্ৰকৃতিক সুৰক্ষিত কৰি ৰখাত আমাৰ গধু�ৰ দায়িত্ব আছে। পৃথিৱীৰ বুকুত থকা অৰণ্যসমূহে জীৱকুলক অক্সিজেনৰ যোগান ধৰি আহিছে। ড° ইন্দিৰা শইকীয়াই উল্লেখ কৰামতে চৰকাৰী তথ্য অনুসৰি ২০২০ চনৰ মাৰ্চত ভাৰতৰ ১৮ খন জৈৱমণ্ডলীয় সংৰক্ষিত বনাঞ্চল আছে। তাৰোপৰি ৰাষ্ট্ৰীয় উদ্যান ১০৪, খন অভয়াৰণ্য ৫৫৩ খন এইসকলোবোৰকে ধৰি ভাৰতত প্ৰায় ৪০,০০০ উদ্ভিদৰ প্ৰজাতি আৰু ৭৫ হেজাৰৰো অধিক জীৱ প্ৰজাতি আছে। ইয়াৰে ৭.৬ শতাংশ স্তন্যপায়ী জীৱ, ১৪.৭ শতাংশ উভচৰ প্ৰাণী, ৬ শতাংশ চৰাই-চিৰিকতি, ৬.২ শতাংশ সৰীসৃপ উদ্ভিদৰ ভিতৰত প্ৰায় ১৮০০০ (৬ শতাংশ) ফুল-ফুলা গছ আছে।

প্ৰকৃতিৰ সুৰক্ষাৰ বাবে অসমত ১৯৮০ চনত 'বন সংৰক্ষণ আইন' প্ৰণয়ন কৰা হয়। এই আইনে বনভূমিৰ সুন্দৰ পৰিৱেশ, স্বাস্থ্য আৰু অৰ্থ ব্যৱস্থাত যোগদান দিয়া সমাজৰ স্বতন্ত্ৰ বিকাশ সম্বন্ধীয় আৱশ্যকতাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে।

১৯৭২ চনত ভাৰত চৰকাৰে বন্যপ্ৰাণী সু�ৰক্ষা আইন গ্ৰহণ কৰে। ইতিমধ্যে এই আইনখন কেইবাবাৰো সংশোধন কৰা হৈছে। এই আইনখনৰ ব্যৱস্থা অনুসৰি কেইবাটাও সংৰক্ষণ প্ৰকল্প আৰম্ভ কৰা হৈছে সেইবোৰৰ ভিতৰত আছে সিংহ প্ৰকল্প (১৯৭২), ব্যাঘ্ৰ প্ৰকল্প (১৯৭৩) ঘঁৰিয়াল প্ৰকল্প (১৯৭৪) আৰু হৰিণা প্ৰকল্প (১৯৮১)। জম্মু আৰু কাশ্মীৰৰ বাহিৰে ভাৰতৰ আন সকলো ৰাজ্যতে এই আইনখন প্ৰযোজ্য।

প্ৰকৃতিৰ অনুপম সৃষ্টি অসম দেশ। সেউজীয়া আৱৰণে ঢাকি ৰখা অসম ভূমি প্ৰকৃতিৰ লীলাভূমি। অসমত ১৮ খন অভয়াৰণ্য আছে। সেই কেইখন হ'ল— পবিতৰা, গৰমপানী, চক্ৰশিলা, হোলোঙাপাৰ গিবন, পানী দিহং, নামবৰ, সোনাই-ৰূপাই, লাওখোৱা, বৰনদী, ভেঁৰজান-বৰজান-পদুমনি, বুঢ়া চাপৰি, পূব কাৰ্বি আংলং, আমচোং, বৰাইল, নামবৰ, মাৰাট লংৰি, দ্বীপৰ বিল আৰু দিহিং পাটকাই অভয়াৰণ্য। এই অভয়াৰণ্যসমূহ সুৰক্ষিত কৰি ৰাখিবলৈ চৰকাৰৰ লগতে জনসাধাৰণো দায়বদ্ধ হ'ব লাগিব।

অসমৰ ৰাষ্ট্ৰীয় উদ্যানৰ সংখ্যা হৈছে ৭ খন সেই কেইখন হৈছে— ১। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, ২। মানাহ ৰাষ্ট্ৰীয় উদ্যান, ৩। নামেৰি ৰাষ্ট্ৰীয় উদ্যান, ৪। ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান, ৫। ওৰাং ৰাষ্ট্ৰীয় উদ্যান, ৬। ৰাইমনা ৰাষ্ট্ৰীয় উদ্যান, ৭। দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান।

বন্যপ্ৰাণী সুৰক্ষাৰ বাবে চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে যদিও চোৰাং চিকাৰীয়ে অবাধে বন্যজীৱ হত্যা কৰি আহিছে। প্ৰকৃতি বিপদাপন্ন হ'লে মানৱ সমাজলৈ ভাবুকি অহাতো খাতাং। প্ৰকৃতি সংৰক্ষণ কৰিলে আমাৰ নিজৰেই কল্যাণ সাধন হয়। কিন্তু সুৰক্ষাৰ বাবে বহুতো আলোচনা বা শ্লগান দিয়া হ'লেও প্ৰকৃতাৰ্থত কিমানজন মানুহে প্ৰকৃতিক সুৰক্ষা দিয়ে? কিন্তু অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েঙে নিজৰ কষ্টৰে গঢ়ি তুলিছে অটব্য অৰণ্য, যোৰহাট জিলাৰ ককিলামুখৰ এইজন প্ৰকৃতিপ্ৰেমীৰ নাম নুশুনা মানুহ হয়তো অসমত নোলাব। প্ৰকৃতিৰ লগত নিবিড় সম্পৰ্ক থকা যাদৱ পায়েঙে ১৯৬৫ চনত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত তেওঁলোকৰ গাঁও আৰু ওচৰৰ হাবিখন খহনীয়াত জাহ যোৱা দেখিছিল আৰু অসংখ্য সাপ আধা মৰা হৈ পৰি থকা দেখিছিল। গাঁৱৰ জ্যেষ্ঠসকলক সুধি জানিব

পাৰিছিল বাঁহ গছ সাপৰ বাবে উত্তম ঠাই হয় আৰু সেই সাপ মৰি থকা বা আধা মৰা সাপৰ শদেহৰ থকা সেই বালিস্তৰতে তেখেতে ৫০ টা বাঁহৰ মুঢ়া আৰু ১৫ টা বাঁহ ৰোপণ কৰি গছ ৰোৱাৰ আৰম্ভণি কৰে।

১৯৭৯ চনত তেখেতে বিভিন্ন গছ ৰোপণ কৰাত মনোনিবেশ কৰিলে। তেতিয়াৰ পৰা আজি ৪০ বছৰৰো অধিক কাল লাখৰো অধিক গছ ৰোপণ কৰিছে। তেখেতক গাঁৱৰ মানুহে মোলাই নামেৰে মাতে আৰু সেই নামৰ লগত ৰজিতা খুৰাই কাঠনিবাৰিখনৰ নাম দিলে 'মোলাই কাঠনিবাৰী'। ইয়াত বিশ্বৰ ৫০ খন দেশৰ বিজ্ঞানীয়ে আয়ুৰেদিক ঔষধৰ সন্ধান পাইছে। জীৱ-জন্তু, গছ-গছনিক নিজ হাতে সুৰক্ষিত কৰি ৰখা যাদৰ পায়েঙক Jawaharlal Nehru University য়ে 'Forest Man of India' উপাধি প্রদান কৰে। এই উপাধি লাভ কৰা পায়েঙ প্রথমজন অসমীয়া ১৯১৫ চনত তেখেতক পদ্মশ্রী বঁটাৰে সন্মানিত কৰা হয়। যাদৰ পায়েঙে কৈছিল 'আমি এজোপা গছ কাটিলে দহজোপা ৰোপণ কৰা উচিত'।

প্রকৃতি সংৰক্ষণ কৰা, নান্দনিকৰণ আৰু সৌন্দর্যবদ্ধন কৰাটো মানৱ সমাজৰ দায়িত্ব আৰু কর্তব্য। কিন্তু সময়ৰ লগে লগে মানৱ জাতিয়ে পৃথিৱীৰ ক্ষয় কৰি বন্যপ্রাণী বিপন্ন কৰি নিজৰ বিষাক্ত পদ্ধতিৰে পৃথিৱীখন প্রদূষিত কৰি তুলিছে। প্রতিবছৰে ২৮ জুলাইত বিশ্ব প্রকৃতি সংৰক্ষণ দিৱস উদ্‌যাপন কৰা হয়। আমি প্রকৃতিৰ সম্পদসমূহৰ সুৰক্ষিত কৰাৰ প্রয়োজনীয়তা অনুভৱ নকৰিলে কেৱল দিৱস উদ্‌যাপন কৰি প্রকৃতিৰ সুৰক্ষিত কৰিব নোৱাৰো।

প্রাকৃতিক সম্পদ সংৰক্ষণ আৰু মানৱ জাতিৰ জীয়াই থকাটো নিশ্চিত কৰাত সকলোৱে পৰিৱেশবিদসকলক সহায় কৰিব লাগিব। প্রকৃতিক ধ্বংস নকৰি যত্নৰে ব্যৱহাৰ কৰিব লাগিব। প্রকৃতি সংৰক্ষণৰ বাবে প্রতিজন মানুহ দায়বদ্ধ হ'ব লাগিব। প্রকৃতি সুৰক্ষিত হৈ থাকিলেহে মানৱ সমাজ সুৰক্ষিত হৈ থাকিব। প্রকৃতিৰ অনুপম সৃষ্টিৰাজিয়ে মানৱ সমাজক জীয়াই থকাৰ আনন্দ প্রদান কৰিব যদিহে প্রকৃতিক আমি আঘাত কৰি নাথাকো। প্রকৃতি সুৰক্ষিত নহ'লে ইয়াৰ কু-ফল মানুহে ভোগ কৰিব লাগিব। প্রকৃতিৰ নুমলী জী ৰূপে পৰিচিত অসম দেশৰ শোভা যাতে আধুনিক মানৱ

সভ্যতাৰ নামত বিকৃত নহয় তাৰ বাবে সকলোৱে সচেতন হ'ব লাগিব।

প্ৰকৃতিয়ে আমাক জীয়াই থকাৰ সকলো সমল দান কৰিছে। সেয়ে আমি মাতৃস্বৰূপা প্ৰকৃতিৰ বুকুলৈ আবৰ্জনা আৰু প্লাষ্টিকৰ দম নিক্ষেপ কৰাৰ পৰিৱৰতে প্ৰকৃতিক সেউজীয়া কৰাৰ বাবে যত্ন কৰিব লাগিব। পৃথিৱীৰ সকলো জীৱ আৰু গছ-গছনিৰ জীয়াই থকাৰ সম-অধিকাৰ আছে। যদি এই দিশত আমি সচেতন নহওঁ তেনেহলে মানৱ সভ্যতা এদিন বিপদাপন্ন হ'ব। নতুন প্ৰজন্মৰ বাবে পৃথিৱীখন বাসোপযোগী কৰি ৰখাৰ বাবে আমি প্ৰকৃতিক সুন্দৰ আৰু সুৰক্ষিত কৰি ৰাখিব লাগিব।

প্ৰকৃতি বিনষ্ট হ'লে ইয়াৰ প্ৰভাৱ প্ৰাণীজগতৰ ওপৰত পৰে। কোনো প্ৰজাতি পৃথিৱীৰ পৰা বিলুপ্ত হৈ যাব পাৰে। বহুতো প্ৰাণী বৰ্তমান পৃথিৱীৰ পৰা বিলুপ্ত হ'বলৈ আৰম্ভ কৰিছে ভূমি সংৰক্ষণ, বন সংৰক্ষণ, জল সংৰক্ষণ, কৰি আমি জীৱকুলক সুৰক্ষা প্ৰদান কৰাত মনোনিবেশ কৰিব লাগিব। পৃথিৱীৰ আটাইতকৈ জনবহুল দেশ ভাৰতবৰ্ষত কৃষিভূমিৰ পৰিমাণ দিনে দিনে কমি অহাতো মানৱ সমাজৰ লগতে জীৱকুলৰ বাবে অতি চিন্তনীয় হৈ পৰিছে। উদ্যোগীকৰণ, কৃষিভূমি বৃদ্ধি, নগৰীয়া সভ্যতাৰ প্ৰাধান্য, বৃহৎ নদীবান্ধ, আদিৰ প্ৰভাৱত প্ৰকৃতি ৰুষ্ট হ'বলৈ আৰম্ভ কৰিছে। গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলতো পৃথিৱীৰ কম উচ্চতাত থকা ঠাইসমূহ পানীত ডুব যাবলৈ ধৰিছে। পদ্মশ্ৰী যাদৱ পায়েঙৰ দৰে প্ৰতিজন নাগৰিকে যদি প্ৰকৃতি বচোৱাৰ বাবে নিজৰ অলপ সময় হ'লেও উৰ্চগা কৰে তেন্তে বনাঞ্চল ধ্বংসৰ পৰা পৃথিৱীয়ে অলপ হ'লেও সুৰক্ষা পাব।

১৯৭৩ চনৰ ৫ জুনৰ পৰা বৰ্তমানলৈকে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। বৰ্তমান শিক্ষানুষ্ঠান, বিভিন্ন সংগঠন, গোটসমূহে এই দিৱসত গছপুলি ৰোপণৰ কাৰ্যসূচী গ্ৰহণ কৰিছে যদিও সেয়া আশানুৰূপ হোৱা নাই। পৃথিৱীৰ সংৰক্ষণৰ বাবে আমাৰ নৱ-প্ৰজন্মক সৰুৰে পৰা আমি গছপুলি ৰোপণ কৰি আদৰ্শ দেখুওৱা উচিত। জল প্ৰদূষণ, শব্দ প্ৰদূষণ, বায়ু প্ৰদূষুণ এই সকলো প্ৰদূষণৰ বাবে দায়ী জীৱশ্ৰেষ্ঠ মানুহ। এই সকলো ৰোধ কৰাৰ দায়িত্বও মানুহৰে। প্ৰদূষণ ৰোধিব পাৰিলেহে মানুহ আৰু প্ৰকৃতিৰ এই যাত্ৰা চিৰকাল প্ৰৱাহিত হৈ থাকিব। যদি এই প্ৰদূষণ অৱধাৰিত হৈ থাকে তেন্তে মানৱ সমাজৰ বাবে পৃথিৱীৰ অতি ভয়াবহ হৈ পৰিব।

বন মহোৎসৱবোৰত বিভিন্ন ঠাইত বৰ্তমান গছপুলি ৰোপণ আৰু বিনামূলীয়াকৈ গছ পুলি বিতৰণ কৰি মানুহৰ মাজত সজাগতাৰ সৃষ্টি কৰা হৈছে। এই মহোৎসৱৰ জৰিয়তে উদ্ভিদৰ লগতে জীৱকুলকো যদি আৰু অধিক সুৰক্ষা দিয়া হয় তেন্তে এই মহোৎসৱে সার্থকতা লাভ কৰিব। বৰ্তমান অসমৰ প্ৰায়বোৰ জিলাতেই 'বন মহোৎসৱ' সপ্তাহজোৰা কার্যসূচীৰে পালন কৰা হয়।

লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৰ দুলুং সংৰক্ষিত বনাঞ্চলৰ জৈৱ-বৈচিত্র্য সংৰক্ষণৰ বাবে ২০১৫ চনৰ পৰা এম এ চি ইক'টৰিজিম ডেভলপমেণ্ট ছ'চাইটি আৰু দুলুং-সোৱণশিৰি কনজাৱভেচন ছ'চাইটিয়ে নিজৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। সোৱণশিৰি নদী আৰু ৯,৯০০ হেক্টৰ ভূমিৰে আৱৰা দুলুং সংৰক্ষিত বনাঞ্চলত পহু-পক্ষীৰ লগতে নানা দুলর্ভ গছ-গছনি আৰু নানান অর্কিডেৰে ভৰি আছে। এই বনাঞ্চলত এচিয়া মহাদেশৰ ঔষধী গুণসম্পন্ন চিঁয়া নাহৰ পোৱা যায়। এই দুলুং সংৰক্ষিত বনাঞ্চলৰ প্ৰসাৰৰ বাবে দুলুং মহোৎসৱ উদ্‌যাপন কৰিবলৈ আয়োজন কৰাটো অতি আদৰণীয় পদক্ষেপ। দুলুং সংৰক্ষিত বনাঞ্চল বিশ্ব পর্যটনৰ অন্যতম আকর্ষণ ৰূপে পৰিচিত হওঁক।

পৰিৱেশবিদসকলে কয়, এটা নিদিষ্ট অঞ্চলৰ পৰিৱেশৰ বাতাবৰণ সঠিক ৰূপত থাকিবলৈ হ'লে মুঠ ভূ-ভাগৰ ৩৩ শতাংশ বনাঞ্চল থাকিব লাগিব। কিন্তু বৰ্তমান অসমত ১৮ শতাংশহে বনাঞ্চল আছে। বানপানী, গৰাখহনীয়া, অনাবৃষ্টি, অত্যধিক শীত, অত্যধিক গৰমৰ ফলত গছ-গছনি, পহু-পক্ষী নোহোৱা হ'বলৈ ধৰা এই পৰিৱেশ ৰোধ কৰিব লাগিব। পৃথিৱীৰ সমগ্ৰ জীৱজগতৰ বিনষ্ট হোৱাৰ দৰে এক পৰিৱেশ গঢ়ি উঠাৰ আগতেই আমি সচেতনতাৰে প্ৰকৃতিক ৰক্ষা কৰাৰ দায়িত্ব সকলোৱে কান্ধ পাতি ল'ব লাগিব। 'আমাৰ বাবে প্ৰকৃতি, প্ৰকৃতিৰ বাবে আমি' এই বাণী আগত লৈ প্ৰকৃতিক সুৰক্ষা দিয়া দায়িত্ব আমাৰ।

DULUNG RESERVE FOREST

Ramakanta Doley

Reserve forest are portion of state lands, where commercial harvesting of wood production is secluded in order to compare element of bio-diversity that can be mising from sustainably harvested site. A reserve forest is an area of lands dominated by trees. Numerous definitions of forest are used through/throughout the world incorporating feature of a tree. There are 105 existing reserves in India covering an area of 5206, 55sq km whereas 0.16% of geographical area of the country.

it is said that first protection force in India are trees and reserved forests accorded a certain degree of protection from naturak calamities . Over 1.6 billion people depend or forest for food or fuel and some 70 million people world wide including many indigenous communities depend upon forest. Forest provides us with food, oxygen, shelter, jobs, water, nourishment. etc. Protected area includes some National Parks, (2.51% of Assam area) 17% of wild life sanctuaries (1.88% of Assam area) and two proposed wild life santutiores.

The Dulung reserve forest is on the bank of Subansiri river is called Abonori by the mising people of Assam. the Dulung reserve forest is the witness of the eternall ove story of couple Jongki & Panoi who had scarified their lives for their true love. So, the Dulung reserve forest is not only a reserve forest but also significant of great tragic love story of Jongki & Panoi

which became the first plot of socialist novel of Mising society in Assam. The Arunachal Border people arrested the of couple and gave them a finishable atonement take bearare of love solidarity of aggressive freedom.

The Dulung reserve forest is located under Kadam revenue circle and administered by Lakhimpur range division under Pathalipam forest bit office and Trioni bit. Under Ukhamati Gaon Panchayat starting point of beauty of the ever green reserve forest. The Dulung reserve forest is 22 Km away from the district head quarter of Lakhimpur District, Assam.

The Dulung reserve forest is famous for nahar tree which is well known as iron tree. The name is suggested iron tree because the wood fiber is very hard. The low growing trees after the time hard timber widely cultivated ornamental tree in people use to make furniture. The shiya nahar tree is found in the particular countries like Nepal, Burma, India (Assam) etc. Its geographically evergreen forest, it English name very heavy and strong perky ruby is strong building suitable for construction. Its wood grow high density in the forest by the wood causing the torn wood It use like perused. There are several woofer used is the timber preparative this tree. But nuling the used tree 940 to 1000 used per cube per square meter. The shiya nahar plants is climate send reference to long terms ship in temperature and whether pattern mainly coursed by human activities. Specially the burning of fossil fuels.

Wild Animals:-

The dulung reserve forest is the home of various wild animals, like tiger, elephants, foxs, deer, wolf, bear, leopard, lynex, Bison, squirrel, Mongoose, Ret, Rabbit, Monkey, & Verities of snake space of reptile like python, Dragon, etc.

Wild Birds:-

varieties of birds like Cockoo, Bat, woodpecker, quail,

kite, vulture, sparrow, kingfisher, parrot, hawk falcon, crow, hornbill, eagle, owl, swan, crane, dove, weaver birds etc.

Woods Tember:-

Timbers fruit deadline, Honey, paper, gum, species, trees, mushroom, dyes, rasin, herbs, Jagabblese, fiber & flowers etc.

The incredible of the horrible plants as a famous for Nahar Spices in the deep forest. The namely Shiya nahar is a coverst by all the beauty of bearer of bio diversity area and modarate climate for months. The shiya nahar, plant is great deal due to every months by density biodiversity revelation of the climate control for any living being there opportunity and agrarian society. So, we all the neighboring people must conscious of the valuable shiya nahar (Teak) for protection from the miscreants, illegal logging and burning fuel, and we should endeavour to stop hunting wild animals too.

দুলুং-সোৱণশিৰিৰ স্মৃতিত

ঘনকান্ত পেৰমে

দুলুং-সোৱণশিৰিৰ প্ৰেম প্ৰণয়ত পৰি
ভালপোৱাৰ আৱেগবোৰ
অনুৰাগত তিতি
আকাশৰ দৰে
বহলাই বহলাই
মুকলিমূৰীয়াকৈ
শিলাময় গিৰি পথৰ দৰে
চঞ্চল
অৰ্ধাংগিনী সাজেৰে
উৰ্বৰা
উতনুৱা উদং
সুন্দৰৰ কলাজবোৰ
সেউজ অনুভূতিৰে
বুৰঞ্জী বুকুৰ পৰা
হাঁকুটী আঁজুৰি
আদিম গৰ্ভাৰ গুহা গভীৰত
যেনেকৈ দলুং-সোৱণশিৰিৰ
জলছবিখনি
খোদিত ভাস্কৰ্যৰ কীৰিতি পিন্ধি
নিৰ্জন নিজৰাৰ লিগিৰী

ৰচকী লাৱনি
নিচুকণি গীতৰ জলতৰংগ
আজলীজনী
মিচিকিয়া হাঁহি
অটব্য বর্ষাৰণ্য
এনেকৈয়ে
স্নেহৰ কংক্রীটবোৰ
দুলুং-সোৱণশিৰিৰ
স্তৱক স্মৃতিবোৰৰ
স্তৰে স্তৰে
ওখ হৈ গৈ গৈ
প্রীতিৰ ডোলেৰে ডুলি ডুলি
ধূসৰ ধূলিয়ৰি
প্রেম বনাম ব্যক্তিৰ নিজৰাত
আঁউসী জোনৰ দৰে
ঘনঘোৰ অৰণ্যত ডুবি
অন্ধকাৰত
কলিজাৰ আঁচল খুলি
উজাৰি জোকাৰি জাৰি
তোমাৰ আকলুৱা হিচাপ
বুকুৰ ববচাত
মৃণ্ময় সংসাৰ তৰি
সুখ-দুখৰ শৰ শয্যাত
সাৰে আছে মাথোন
মৰীচিকা খেদি
দৌৰি দৌৰি
ভাগৰুৱা হৈ
টোপনিৰ লহ মাৰে
অসীমত হেৰাই যোৱা
ঠিকনা এটাৰ সীমনাত ৰৈ ৰৈ
নিৰলে নিৰৱধি।

দুলুং

পুণ্যকান্ত মিলি

দুলুং এখন সমৃদ্ধিশালী অৰণ্য
দুলুঙৰ বিশাল বুকুত
শিল-বালি-মাটিৰে গঠিত
অনেক সৰু-বৰ পাহাৰে আৱৰা
নিজৰি নিজৰি বৈ আহিছে বহু জান-জুৰি, নৈ-নিজৰা
শিঙীজান, বাঘজান, বাঘিনীজান, কণানদী, ঘাগৰ আদি ক'ত যে নৈ
এফালেদি বেৰাদি বৈ থকা বগীনদী
আনফালে সুবিশাল সোৱণশিৰি
শিল-বালি স'তে দিয়ে সোণৰ চেঁকুৰা
এয়াই দুলুং, সম্পদেৰে ভৰা
সৰু-বৰ জোপোহা হাবি, ওখ ওখ গছ বিৰিখ
শলখ, খকন, বনচুম, আমাৰী, গমাৰী, শ্যামকঠাল, ৰুদ্রাক্ষৰ
জাতি নাহৰ, শিলিখা, জেতুলী, তিতাচঁপা, ক'ত যে কি
লগতে সু-উচ্চ এচিয়াখ্যাত চিঁয়া নাহৰ
ঢেকিয়া, বিহলঙনী, নলটেঙা, জৰাটেঙা, ঔটেঙা আদি
আম, জাম, লেটেকু, পনিয়ল, অমৰা, ভোমোৰা, ডিমৰু য'ত
বেত, বাঁহ, ঘিলা আদি ক'ত কি লতা
গছ-বন-লতা আদিত ফুলি থাকে নানাৰঙী উজ্জ্বল সুগন্ধী ফুল।
এয়াই চিৰ সেউজ দুলুং বৈভৰ।

হাতী, গাহৰি, শৰ, হুগৰি, গুঁই, কেটেলা, মেকুৰী, জহামাল
কেৰ্কেটুৱা, বান্দৰ, নেউল, সাপ-কাছ, ভেকুলী আদিয়ে
দুলুঙক কৰিছে সমৃদ্ধ।
ধনেশ, কপৌ, ,শালিকা, কুকুৰা, বাটৌ, ফেঁচা, হুদু, হাইঠা,
চিলনী, গাগিনী, পখিলা আদিয়ে দলুঙক দিছে বৈচিত্র্য।
এয়াই দুলুং
ঐতিহ্যৰ দুলুং
হেঁপাহৰ দুলুং
ঐক্যৰ দুলুং
সম্প্রীতিৰ দুলুং
যাক লৈ গর্বিত আমি
চিৰ সেউজীয়া দুলুং।

দুলুং বনাঞ্চল

চন্দন গোহাঁই

ৰক্ত গোলাপৰ দৰে উজ্জ্বল
নৈ-বিল, জান-জুৰি, সৰু-বৰ পর্বত পাহাৰৰ সমাহাৰ
দিনত সূৰুযৰ সাতো ৰঙৰ সম্ভাৰ
শ্রেণী বৈষম্যহীন সমাজ শৃংখল
ৰং বিৰিঙৰ পুষ্প বৃষ্টিৰ দলিচা সদৃশ
মোৰ মৰমৰ বগীনদী।
পাহাৰীহঁতৰ পাহাৰত কচুখানাৰ উল্লাস
কনেংহঁতৰ অই-নিঃতমৰ প্রাণখোলা গীতে
মন প্রাণ বলিয়া কৰে
বড়ো চিখলাহঁতৰ বাগৰুম্বা আৰু চিফুঙৰ সুৰত
বাটৰুৱা থমকি ৰয়
খন্তেকৰ বাবে হ'লেও নিজক বিলীন কৰিব খোজে সুৰ সমলত
বাগিচাত ঝুমুৰ মাদলৰ মাতে ৰাতি পোহৰায়
যেন কোনোবা সৰগৰ উদ্যান
এয়াই মোৰ গৌৰৱৰ বগীনদী।
আন্ধাৰত ৰক্ত পিপাসুৰ কবলত উত্রাৱল
ম'ৰা তেজৰ কেচেমা-কেচেম গোন্ধ
জংঘলত আহত হৰিণাৰ চিৎকাৰ

শাল-চেগুণ, আমাৰি, গমাৰি গছৰ ধ্বংস যজ্ঞ
ৰাজনীতিৰ মেৰপাকত চৰকাৰী ভৃত্য
নিৰ্ভীকচিত্তে অবিৰাম গতিত বে-দখল সমদল
ৰাজনীতিৰ মোনাত মুনাফা লাভৰ শ্রেণী বৈষম্যৰ বীজ
লাহে লাহে হেৰাই যাব দুলুং বনাঞ্চল
বাৰে বৰণীয়া সংস্কৃতিৰ থলী বগীনদী
কুহকৰ জাল ফালিবনে?

সোণফুলীয়া সপোনৰ তৰা

লাৱণ্য দত্ত শইকীয়া

জন্মলগ্নৰে পৰা বুকুৰে প্ৰবাহিত
এখনি সুৱদি নদী
দোকমোকালিৰ অজানা কোলাহলত
সংগোপনে হেৰাইছিল
য'ত মোৰ প্ৰাচুৰ্য্যৰে ভৰা প্ৰাণ
মোহনীয় মুৰ্চনা আছিল

স্থবিৰতাই যেন অস্তিত্ব নাশিছিল
অনাধিকাৰে অনুচিত্তে অধিকাৰ কাঢ়িছিল
পংকিল পৰিধিয়ে নিৰৱচ্ছিন্ন পৰিক্ৰমাৰে
সময়ৰ সতে মোকাবিলাৰ প্ৰস্তুতি
প্ৰখৰ ৰ'দতো নাছিল ছাঁয়াৰ বিৰিখ
পৰিচিত পৃথিৱীৰ সুৰভী যেন কেনিবা লুকাইছিল
মোৰ ফাগুণী ৰং পছোৱাই ধূলিয়ৰি কৰাৰ পৰত
মোৰ এন্ধাৰিত খোটালিৰ বন্ধ
বন্ধ খিৰিকীৰ ফাঁকেৰে
এমুঠি যি জোনাক ঢালি দিছিলা
আজলি পাতি ল'বলৈ
স্নিগ্ধও আছিল মায়াময় মৰীচিকা।

হয়তো তুমি চাগৈ দেখিছিলা
মোৰ মগ্ন দৃষ্টিৰ আকাংক্ষিত আকাশত
কিদৰে ওলমি ৰৈছিল
সোণফুলীয়া সপোনৰ এমুঠি তৰা

বৈদিক যুগৰ মেলানিতে এপলক ৰৈ
আৰু ছাগৈ শুনিছিলা
জনমে জনমে পৰাধীন পৰম্পৰাই
পোখাই অহা আদিম উৰণী তলৰ
মোৰ মৌন মুখৰ অস্ফুট ভাষা

কেতিয়াবা নিজকে কেনে লাগিছিল জানা
তোমাৰ সহস্ৰ প্ৰয়াসেৰেও
ষষ্ঠ ৰাগৰ সুৰ নুঠা
দৃষ্টিহীন কোনোবাই সাজি তোলা
মই যেন এখনি বেসুৰীয়া টান পুৰা।

গোহাৰি

শ্রদ্ধাৰ ৰাইজ,

নমস্কাৰ গ্রহণ কৰিব। মিচিং স্বায়ত্তশাসিত পৰিষদৰ ইক'টুৰিজিম ডেভেলপমেণ্ট ছ'চাইটি, দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি আৰু দুলুং-সোৱণশিৰি মহোৎসৱ-২০২৩ উদ্‌যাপন সমিতিৰ তৰফৰ পৰা অভিনন্দন গ্রহণ কৰিব। লখিমপুৰ জিলাৰ বৈচিত্র্যময় নদী সোৱণশিৰি আৰু প্রায় ৯,৯০০ হেক্টৰ মাটি কালিৰ প্রাকৃতিক সম্পদেৰে ভৰপূৰ দুলুং সংৰক্ষিত বনাঞ্চলৰ সুৰক্ষা তথা পৰিৱেশ পর্যটন উদ্যোগ বিকাশৰ বাবে দুলুং কনজাৰভেছন ছ'চাইটিৰ উদ্যোগত আৰু মিচিং স্বায়ত্তশাসিত পৰিষদৰ সহযোগত প্রথম দুলুং-সোৱণশিৰি মহোৎসৱটি-২০১৫ বর্ষত উদ্‌যাপন কৰা হৈছিল। প্রাকৃতিক দুর্যোগ-ক'ভিডৰ দৰে মহামাৰী আৰু অন্যান্য কাৰণত একাদিক্রমে এই মহোৎসৱটি উদ্‌যাপন কৰিব পৰা নাছিলো। প্রকৃতিপ্রেমী ৰাইজৰ বাবে সুখৰ যে মিচিং স্বায়ত্তশাসিত পৰিষদৰ ইক'টুৰিজিম ডেভেলপমেণ্ট ছ'চাইটি, দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি আৰু দুলুং-সোৱণশিৰি মহোৎসৱ- ২০২৩ উদ্‌যাপন সমিতিয়ে অহা ২২, ২৩ আৰু ২৪ ডিচেম্বৰ, ২০২৩ বর্ষত তিনিদিনীয়া বর্ণাঢ্য কার্যসূচীৰে দ্বিতীয় দুলুং-সোৱণশিৰি মহোৎসৱটি পুনৰ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰা হৈছে। এই মহোৎসৱৰ আকর্ষণীয় কার্যসূচীসমূহ ক্রমে— প্রকৃতি সম্পর্কীয় আলোকচিত্র প্রদর্শন, বস্ত্র আৰু হস্তশিল্প বিপণি, দুলুং বনাঞ্চলত ট্রেকিং, জীপ আৰু হাতী চাফাৰী, তমবুৰ ৰাত্রী যাপন, সোৱণশিৰি নদীত ৰাফ্‌টিং, প্রাকৃতিক পৰিৱেশ আৰু জলবায়ু বিষয়ক আলোচনা চক্র, জাতি-জনগোষ্ঠীয় লোককৃষ্টিৰ প্রদর্শনৰ লগতে সাংস্কৃতিক কার্যসূচী আদি অন্তর্ভুক্ত কৰা হৈছে। সেয়ে মহোৎসৱটি সাফল্যমণ্ডিত কৰি তুলিবলৈ আপোনাৰ/আপোনাসৱৰ পৰা জাতি-বর্ণ-ধর্ম নির্বিশেষে সকলো শ্রেণীৰ ৰাইজৰ সহায়-সহযোগিতা, সুদিহা-পৰামর্শ আৰু উপস্থিতি কামনা কৰিলোঁ।

বিনীত—

শ্রী পৰমানন্দ চায়েঙ্গীয়া , সভাপতি

শ্রী যাদৰ পেগু, সদস্য সচিব

ইক্‌টুৰজিম ডেভেলপমেণ্ট ছ'চাইটি

মিচিং স্বায়ত্তশাসিত পৰিষদ।

শ্রী গোপাল চন্দ্র দলে, সভাপতি শ্রী পুণ্যকান্ত মিলি, কার্যকৰী সভাপতি

শ্রী মজিন সোনোৱাল, সাধাৰণ সম্পাদক

দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি

শ্রী মুনিন শইকীয়া, সভাপতি শ্রী অনিল পায়েং, কার্যকৰী সভাপতি

শ্রী বুল্টন বৰা, সম্পাদক

দুলুং-সোৱণশিৰি মহোৎসৱ উদ্‌যাপন সমিতি- ২০২৩

দুলুং-সোৱণশিৰি মহোৎসৱ-২০২৩

কার্যসূচী

২১ ডিচেম্বৰ, ২০২৩

বিয়লি ৩ বজাত ঃ সমূহীয়া চাফাই আৰু উদ্‌যাপন সমিতিৰ শেষ বৈঠক।

২২ ডিচেম্বৰ (শুক্রবাৰ), ২০২৩

পুৱা ৯-৩০ বজাত ঃ পতাকা উত্তোলন।

উত্তোলক ঃ শ্রীযুত গোপাল চন্দ্র দলে, সভাপতি, দুলুং সোৱণশিৰি কনজাৰভেচন ছ'চাইটি।

ঃ শ্রীযুত মুনিন শইকীয়া, সভাপতি মহোৎসৱ উদ্‌যাপন সমিতি।

পুৱা ৯ বজাত ঃ বৃক্ষ ৰোপণ।

মুখ্য ৰোপক ঃ শ্রীযুত পুণ্যকান্ত মিলি, কার্যকৰী সভাপতি, দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি।

পুৱা ৯-১৫ বজাত ঃ জীপ আৰু হাতী চাফাৰী উদ্বোধন।

উদ্বোধক ঃ শ্রীযুত অশোক কুমাৰ চৌধুৰী, জিলা বন বিষয়া, লখিমপুৰ।

পুৱা ১০ বজাত ঃ মূল তোৰণ উদঘাটন।

উদঘাটক ঃ শ্রীযুত সুনীল পেগু, অধ্যক্ষ, এম এ চি।

পুৱা ১০-১৫ বজাত ঃ প্রকৃতি সম্পর্কীয় আলোকচিত্র প্রদর্শনী মুকলি।

উদ্বোধক ঃ শ্রীযুত যাদৱ পেগু, মুখ্য সচিব, এম এ চি।

পুৱা ১০.৩০ বজাত ঃ বস্ত্র আৰু হস্তশিল্প মেলা মুকলি।

উদ্বোধক ঃ শ্রীযুতা ইন্দিৰা চিন্তে কুম্বাং, কার্যকৰী সদস্যা এম এ চি।

পুৱা ১১ বজাত ঃ পৰম্পৰাগত খাদ্যমেলা মুকলি।

উদ্বোধক ঃ শ্রীযুত জহান দলে, কার্যকৰী সদস্য, এম এ চি।

পুৱা ১১.১৫ বজাত ঃ বাণিজ্য মেলা মুকলি।

উদ্বোধক ঃ শ্রী বিজু কুমাৰ পেগু, কার্যকৰী সদস্য, এম এ চি।

পুৱা ১১.৩০ বজাত ঃ স্মৰণিকা উন্মোচন।

উন্মোচক ঃ ড° লোহিত হাজৰিকা, অধ্যক্ষ, লখিমপুৰ বাণিজ্য মহাবিদ্যালয়।

বিয়লি ২ বজাত ঃ আলোচনা সত্র।

বিষয় ঃ পৰিৱেশতন্ত্র আৰু পক্ষীকুল, ইয়াৰ ভাৰসাম্য ৰক্ষাত মানৱীয় কর্তব্য।

সঞ্চালক ঃ ড° প্রবাল শইকীয়া, জ্যেষ্ঠ কৃষি বিজ্ঞানী, লখিমপুৰ কৃষি গৱেষণা কেন্দ্র।

আলোচক ঃ শ্রী নবীন কমান, বিশিষ্ট পক্ষীবিদ, খণ্ড উন্নয়ন বিষয়া, ধেমাজি।

বিয়লি ৩ বজাত ঃ লোককৃষ্টি প্রদর্শন।

উদ্বোধক ঃ শ্রীযুত তৰুণ দত্ত, বিশিষ্ট ব্যৱসায়ী, উত্তৰ লখিমপুৰ।

সন্ধ্যা ৬ বজাত ঃ স্থানীয় শিল্পীৰ সংগীত সন্ধ্যা।

উদ্বোধক ঃ শ্রীযুত নন্দন নিলোৎপল ভাগৱতী, ৰাজহ চক্র বিষয়া, কদম ৰাজহ চক্র।

২৩ ডিচেম্বৰ (শনিবাৰ), ২০২৩

পুৱা ৬ বজাত ঃ দুলুং বনাঞ্চলত ট্রেকিং আৰু পক্ষী, পখিলা, অর্কিড আৰু বন-ঔষধী উদ্ভীদৰ পর্যৱেষণ।

উদ্বোধন কৰিব ঃ দেৱৰঞ্জন মৰাং, কার্যকৰী সদস্য, এম এ চি।

পৰিচলনা কৰিব ঃ শ্রীযুত চন্দন খামটি গোঁহাই, সহ সম্পাদক, দুলং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি।

পুৱা ৯ বজাত ঃ গ্রাম্য ক্রীড়া উদ্বোধন। (ককুৰা যুঁজ, চকীখেল,টেকেলী ভঙা, উঠা-বহা, ভলীবল)

উদ্বোধক ঃ শ্রীযুত প্রভাত বসুমতাৰী, কাযকৰী সদস্য মিচিং স্বায়ত্তশাসিত পৰিষদ।

পুৱা ৯.৩০ বজাত ঃ ছাত্ৰ-ছাত্ৰীৰ মাজত ছবি আঁকা প্ৰতিযোগিতা।
উদ্বোধন কৰিব ঃ নীলিম মহন্ত, বিশিষ্ট শিল্পী।
তদাৰক কৰিব ঃ শ্ৰীযুত চৰিত্ৰ সোনোৱাল, সদস্য,
দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি।
পুৱা ১০ বজাত ঃ আলোচনা সত্ৰ ঃ
বিষয় ঃ দুলুং বনাঞ্চল আৰু ইয়াৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা
লখিমপুৰ আৰু ধেমাজি জিলাৰ নদী আৰু
জলাশয়সমূহৰ অতীত বৰ্তমান আৰু সংৰক্ষণ।
সঞ্চালক ঃ শ্ৰীযুত দেৱজিৎ ফুকন, মেগামিক্স।
আলোচক ঃ মঃ আনোৱাৰ উদ্দিন চৌধুৰী,
অৱসৰপ্ৰাপ্ত কমিচনাৰ,অসম চৰকাৰ।
ঃ জ্যোতিপ্ৰসাদ দাস, বিশিষ্ট বিজ্ঞানী, ভাৰত চৰকাৰৰ
জলবায়ু পৰিৱৰ্তন, উদ্যোগিক উন্নয়ন প্ৰতিষ্ঠান।
বিয়লি ২ বজাত ঃ লোককৃষ্টি প্ৰদৰ্শন(বিভিন্ন জনগোষ্ঠীয় কৃষ্টি দল)
উদ্বোধক ঃ ডঃ সুৰেশ দত্ত, অধ্যক্ষ, অ' পি টি মহাবিদ্যালয়।
সন্ধ্যা ৫ বজাত ঃ দুলুং সুন্দৰী প্ৰতিযোগিতা।
উদ্বোধন কৰিব ঃ ৰমেশ বাজাজ, প্ৰতিষ্ঠিত ব্যৱসায়ী।
সন্ধ্যা ৬ বজাত ঃ শিল্পীৰ সংগীত সন্ধ্যা।
উদ্বোধন কৰিব ঃ শ্ৰীযুত বিদ্যা সাগৰ, অধ্যক্ষ, জ্যোতি চিত্ৰৱন।

২৪ ডিচেম্বৰ (ৰবিবাৰ), ২০২৩

পুৱা ৬ বজাত ঃ দুলুং প্ৰাইজমানি হাফ্ মাৰাথন দৌৰ প্ৰতিযোগিতা।
উদ্বোধক ঃ ড° দিলীপ কুমাৰ ঝা, অধ্যক্ষ, গোগামুখ
মহাবিদ্যালয়।
তত্ত্বাৱধায়ক ঃ শ্ৰীযুত পদ্ম কান্ত শইকীয়া, সক্ৰীয় সদস্য
দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি।
পৰিচলনা কৰিব ঃ শ্ৰীযুত মহেন্দ্ৰ মোহন সোনোৱাল।
পুৱা ১০ বজাত ঃ লোককৃষ্টি প্ৰদৰ্শন। বিভিন্ন জনগোষ্ঠীৰ কৃষ্টি দল।
উদ্বোধক ঃ শ্ৰীযুত বিদ্যাধৰ দেউৰী, সাংস্কৃতিক বিষয়া, লখিমপুৰ
দুপৰীয়া ১২ বজাত ঃ মুকলি সভা।
উদ্বোধক ঃ জয়ন্তমল্ল বৰুৱা, পৰ্যটন মন্ত্ৰী, অসম চৰকাৰ।
সভাপতি ঃ শ্ৰীযুত মুনিন শইকীয়া, সভাপতি

মহোৎসৱ উদ্‌যাপন সমিতি।

মুখ্য অতিথি ঃ ডাঃ ৱণোজ পেগু, শিক্ষামন্ত্রী, অসম।

নিৰ্দিষ্ট বক্তা ঃ শ্রীযুত পৱমানন্দ চায়েঙীয়া, মুখ্য কাৰ্যবাহী সদস্য, মিচিং স্বায়ত্তশাসিত পৰিষদ।

আমন্ত্রিত অতিথি ঃ পদ্মশ্রী উদ্ধৱ ভৱালী।

বিশিষ্ট অতিথি ঃ শ্রীযুত ঋতুপর্ণ বৰুৱা, অধ্যক্ষ, পর্যটন উন্নয়ন বিভাগ, অসম চৰকাৰ।

ঃ শ্রীযুত ভৱত চন্দ্র নৱহ, প্রাক্তন মন্ত্রী বিধায়ক নাওবৈচা।

ঃ শ্রীযুত নৱ কুমাৰ দলে প্রাক্তন মন্ত্রী, বিধায়ক ঢকুৱাখনা

ঃ শ্রীয়ুত ভূৱন পেগু, বিধায়ক, জোনাই।

ঃ শ্রীযুত টিৰিন ডাকপে, বিধায়ক, অৰুণাচল প্রদেশ।

ঃ শ্রী মানৱ ডেকা, বিধায়ক লখিমপুৰ।

ঃ শ্রীযুত কার্দ্দ নিগা, বিধায়ক অৰুণাচল প্রদেশ।

ঃ টংকেশ্বৰ সোনোৱাল, মুখ্য কাৰ্যবাহী, সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ।

ঃ ভৈৰৱ দেউৰী, মুখ্য কাৰ্যবাহী, দেউৰী স্বায়ত্তশাসিত পৰিষদ।

ঃ প্রতাপ কছাৰী, মুখ্য কাৰ্যবাহী, ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদ।

ঃ মিহিনেশ্বৰ বসুমতাৰী, মুখ্য কাৰ্যবাহী, বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদ।

সন্ধিয়া ৬-০০ বজাতঃ লোককৃষ্টি প্রদর্শন আৰু সাংস্কৃতিক সন্ধ্যা।

উদ্বোধক ঃ শ্রী মানৱ ডেকা, বিধায়ক লখিমপুৰ।

নিমন্ত্রীত শিল্পীবৃদ্ধ ঃ ভৃগু কাশ্যপ, গীতাঞ্জলি দাস, বা'য় পেগু, নিচা অমে, ৰাহুল তাঁন্তী, প্রণৱ নিষাদ।

উদ্‌যাপন সমিতিৰ বিষয়ৱবীয়াসকল—

উপদেষ্টা মণ্ডলী ঃ

ডাঃ ৱণোজ পেগু, শিক্ষামন্ত্রী, অসম, শ্রীযুত অতুল বৰা, কেবিনেট মন্ত্রী, অসম চৰকাৰ, শ্রীযুত প্রদান বৰুৱা, সাংসদ, লখিমপুৰ, শ্রীযুত অমিয় কুমাৰ ভূঞা,

বিধায়ক, বিহপুৰীয়া, শ্ৰীযুত মানৱ ডেকা, বিধায়ক, লখিমপুৰ, শ্ৰীযুত নৱকুমাৰ দলে, বিধায়ক ঢকুৱাখনা, শ্ৰীযুত ভুৱন গাম, বিধায়ক, মাজুলী, শ্ৰীযুত ভুৱন পেগু, বিধায়ক, জোনাই, শ্ৰীযুত ভৱত চন্দ্ৰ নৰহ, বিধায়ক, নাওবৈচা, শ্ৰীযুত টিৰিণ ডাকপে, বিধায়ক, নামনি সোৱণশিৰি, অৰুণাচল প্ৰদেশ, শ্ৰীযুত কাৰ্দ্দ নিগ্য, বিধায়ক, লিকাবালি, শ্ৰীযুত ৰাজেন্দ্ৰ প্ৰসাদ, গ্ৰুপ জেনেৰেল মেনেজাৰ, এন এইছ পি চি, শ্ৰীযুত উৎপল বৰা, লখিমপুৰ জিলা উন্নয়ন আয়ুক্ত, শ্ৰীযুত চন্দ্ৰজ্যোতি পেগু, উপ-মুখ্য কাৰ্যবাহী বিষয়া, লখিমপুৰ জিলা পৰিষদ, শ্ৰীযুত আনন্দ মিশ্ৰ, আৰক্ষী অধিক্ষক, লখিমপুৰ, শ্ৰীযুক্তা জ্যোতি বৰাশইকীয়া, কাৰ্যবাহী সদস্য, ঠেঙ্গাল কছাৰী স্বায়ত্তশাসিত পৰিষদ, শ্ৰীযুত ৰাজু পেগু, সাধাৰণ সদস্য, মিচিং স্বায়ত্তশাসিত পৰিষদ, শ্ৰীযুত অশোক কুমাৰ চৌধুৰী, জিলা বন বিষয়া, লখিমপুৰ, মঃ জালনুৰ আলি, সামাজিক বনানীকৰণ বিষয়া, লখিমপুৰ, শ্ৰীযুতা পাহাৰী হাজৰিকা, আঞ্চলিক বন বিষয়া, লখিমপুৰ, শ্ৰীযুত নন্দন নিলোৎপল ভাগৱতী, কদম ৰাজহ চক্ৰ বিষয়া, শ্ৰীযুত নবীন কমান, খণ্ড উন্নয়ন বিষয়া, ধেমাজি, শ্ৰীযুতা জিম্পী শইকীয়া, খণ্ড উন্নয়ন বিষয়া, বগীনদী, ড° সুবেশ দত্ত, অধ্যক্ষ, এল.টি.কে মহাবিদ্যালয়, ড° লোহিত হাজৰিকা, অধ্যক্ষ, লখিমপুৰ বাণিজ্য মহাবিদ্যালয়, মঃ চাজাদ হুচেইন, অধ্যাপক, লখিমপুৰ বাণিজ্য মহাবিদ্যালয়, শ্ৰীযুত সৌৰভ বৰফুকন, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, মাজুলী, শ্ৰীযুত বীৰেণ বৰুৱা, আৰক্ষী বিষয়া, কমলপুৰ, শ্ৰীযুত দীপক শইকীয়া, আৰক্ষী বিষয়া, শ্ৰীযুত প্ৰিয়ব্ৰত গগৈ, আৰক্ষী বিষয়া, শ্ৰীযুত প্ৰণৱ দলে, আৰক্ষী বিষয়া, শ্ৰীযুত প্ৰবীণ ভেৰুৱা, আৰক্ষী বিষয়া, শ্ৰীযুত উৎপল বৰুৱা, আৰক্ষী বিষয়া, শ্ৰীযুত বিকুল গোস্বামী, বিশিষ্ট প্ৰকৃতিবিদ, শ্ৰীযুত তোষেশ্বৰ মিৰি আগৱৱালা, নেচাৰ্চ বেকন, শ্ৰীযুত দেৱজিৎ ফুকন, মেগামিক্স, শ্ৰীযুত সৌম্যদ্বীপ দত্ত, বিশিষ্ট প্ৰকৃতিবিদ, শ্ৰীযুত ভাস্কৰজ্যোতি টায়েং, ছেভ পবা ৰেইন ফৰেষ্ট, শ্ৰীযুত দিলীপ চৌধুৰী, অৱসৰপ্ৰাপ্ত বেংক পৰিচালক, লখিমপুৰ, শ্ৰীযুত অনিল গগৈ, অধ্যক্ষ, বগীনদী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়, শ্ৰীযুতা ৰীমা ফুকন, অধ্যক্ষা, কে.বি.এচ কনিষ্ঠ মহাবিদ্যালয়, শ্ৰীযুত প্ৰদীপ বৰা, প্ৰধান শিক্ষক, বগীনদী নগৰ উচ্চ মাধ্যমিক বিদ্যালয়, শ্ৰীযুত ডম্বৰুধৰ নেৰাৰ, প্ৰধান শিক্ষক, বৰবিল উচ্চ মাধ্যমিক বিদ্যালয়, শ্ৰীযুত কুখেশ্বৰ কমান, প্ৰধান শিক্ষক, দঞি-পল উচ্চ মাধ্যমিক বিদ্যালয়, শ্ৰীযুত ফটিক শৰ্মা, প্ৰধান শিক্ষক, বগীনদী উচ্চ মাধ্যমিক বিদ্যালয়, শ্ৰীযুত বালিৰাম চুংক্ৰাং, প্ৰধান শিক্ষক, ঘাগৰমুখ উচ্চ মাধ্যমিক বিদ্যালয়, শ্ৰীযুতা ৰেৱতী কমান, জিলা পৰিষদ সদস্য, শ্ৰীযুত তৰুণ গগৈ, জিলা পৰিষদ সদস্য, সভাপতি-সম্পাদক পদুমনি আইথান পৰিচালনা সমিতি, শ্ৰীযুত মনোজ কুমাৰ সোনোৱাল, সভাপতি, ওখমাটি সমবায় সমিতি, শ্ৰীযুত ৰূপেশ্বৰ চেতিয়া,

অধ্যক্ষ, সোৱণশিৰি মহাবিদ্যালয়, শ্ৰীযুত ত্ৰিপুৰেন্দ্ৰ পাঠক, সচিব, ডি.আৰ.ডি.এ., শ্ৰীযুত দমৰ বাহাদুৰ চেত্ৰী, জ্যেষ্ঠ নাগৰিক, শ্ৰীযুত দিননাথ দত্ত, জ্যেষ্ঠ নাগৰিক, শ্ৰীযুত নোমল চুতীয়া, জ্যেষ্ঠ নাগৰিক, শ্ৰীযুত হেমন্ত বৰা, গাঁওপ্ৰধান, বকুলবাৰী, শ্ৰীযুত পুতুল মিলি, গাঁওপ্ৰধান, ওখমাটি, শ্ৰীযুত মহেন্দ্ৰ গুৰুং, বিশিষ্ট সমাজকৰ্মী, শ্ৰীযুত তিলক গগৈ, বিশিষ্ট ব্যৱসায়ী, শ্ৰীযুত কিনা তুপন, সমাজকৰ্মী, দুলুংমুখ, শ্ৰীযুত ৰবিচন গগৈ, বিশিষ্ট সমাজকৰ্মী, শ্ৰীযুত কমল কলিতা, বিশিষ্ট সমাজকৰ্মী, শ্ৰীযুত সঞ্জীৱ কোঁৱৰ, প্ৰতিষ্ঠাপক ব্যৱসায়ী, শ্ৰীযুত কল্যাণ গগৈ, বিশিষ্ট ব্যৱসায়ী, শ্ৰীযুত ৰাজু খনিকৰ, বিশিষ্ট ব্যৱসায়ী, শ্ৰীযুত বকুল খনিকৰ, বিশিষ্ট ব্যৱসায়ী, শ্ৰীযুত জীৱকান্ত দাস, সমাজকৰ্মী, ডেৰগাঁও, শ্ৰীযুত ভাইটি বৰুৱা, সমাজকৰ্মী, শিৱসাগৰ, শ্ৰীযুত ৰঞ্জন বৰা, সমাজকৰ্মী, মাজুলী, শ্ৰীযুত নলেন মুছাহাৰী, অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক, ডাঃ ভূপেন শইকীয়া, উপ-অধীক্ষক, বগীনদী আদৰ্শ চিকিৎসালয়, শ্ৰীযুত হেমচন্দ্ৰ শইকীয়া, বিদ্যালয়সমূহৰ পৰিদৰ্শক, লখিমপুৰ, শ্ৰীযুত গোবিন বৰদলৈ, বিশিষ্ট ব্যৱসায়ী, শ্ৰীযুত ৰমেশ চুতীয়া, অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া, শ্ৰীযুত পদ্মেশ্বৰ পামেগাম, প্ৰাক্তন জিলা পৰিষদ সদস্য, শ্ৰীযুত লিলেশ্বৰ কমান, প্ৰাক্তন জিলা পৰিষদ সদস, মঃ ইজাজুল হুচেইন, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, শ্ৰীযুত হলধৰ মিলি, পৰিদৰ্শক, খাদ্য আৰু অসামৰিক যোগান বিভাগ, মঃ আনুৱাৰ উদ্দিন চৌধুৰী, প্ৰাক্তন প্ৰশাসনিক বিষয়া, মঃ হামিদুৰ ৰহমান, বিশিষ্ট প্ৰকৃতিপ্ৰেমী, শ্ৰীযুত ৰকিষ্টাৰ চায়েঙ্গীয়া, মৌজাদাৰ কদম, ড° প্ৰবাল শইকীয়া, বিশিষ্ট কৃষি বিজ্ঞানী, শ্ৰীযুত উৎপল নাথ, বিশিষ্ট ব্যৱসায়ী, শ্ৰীযুত মাধৱ শইকীয়া, ব্যৱসায়ী, শ্ৰীযুত বুলু দাস, বিশিষ্ট ব্যৱসায়ী, শ্ৰীযুত নৰেন্দ্ৰ মহেশ্বৰী, বিশিষ্ট ব্যৱসায়ী, শ্ৰীযুত ৰমেশ বাজাজ, বিশিষ্ট ব্যৱসায়ী, শ্ৰীযুত তৰুণ দত্ত, বিশিষ্ট ব্যৱসায়ী, শ্ৰীযুক্তা পাহাৰী হাজৰিকা, আঞ্চলিক বন বিষয়া, সামাজিক বনানীকৰণ, লখিমপুৰ, শ্ৰীযুত ৰন্টু মহন্ত, বন বিষয়া, জহিং বন খণ্ড , মঃ আব্দুল মতিন, বন বিষয়া, পথালিপাম বনখণ্ড, মঃ খলিলুৰ ৰহমান, বন বিষয়া, তাৰিয়ণি বনখণ্ড।

মূল উদ্‌যাপন সমিতি ঃ

সভাপতি ঃ শ্ৰীযুত মুনিন শইকীয়া
কাৰ্যকৰী সভাপতি ঃ শ্ৰীযুত অনিল পায়েং
উপ-সভাপতি ঃ শ্ৰীযুত দিনেশ দলে, শ্ৰীযুত পুণ্যকান্ত মিলি
শ্ৰীযুত ৰজত হাজৰিকা
সম্পাদক ঃ শ্ৰীযুত বুল্টন বৰা
সহঃ সম্পাদক ঃ শ্ৰীযুত কিৰণ গগৈ, শ্ৰীযুত ৰাজু চুতীয়া,

শ্রীযুত অনিল চাংমাই

কোষাধ্যক্ষ ঃ শ্রীযুত ধীৰেণ সোনোৱাল

সদস্য ঃ শ্রীযুত মহেন্দ্র মোহন সোনোৱাল, শ্রীযুত ৰিতেন নন্দী, শ্রীযুত পদ্ম শইকীয়া, শ্রীযুত প্রদীপ গগৈ, শ্রীযুত চন্দন খামতি গোহাঁই, শ্রীযুত তিলক সোনোৱাল, শ্রীযুত গকুল পামেগাম, শ্রীযুত পুণ্যশ্বৰ পেগু, শ্রীযুত বিপ্লৱ টাইদ, শ্রীযুত কিৰণ শর্মা, শ্রীযুত গুণমণি দত্ত, শ্রীযুত অভিজিৎ সোনোৱাল, শ্রীযুত প্রদীপ শর্মা, শ্রীযুত প্রাণ পেগু, শ্রীযুত ৰুবুং খেৰকটাৰী, শ্রীযুত জিতু গগৈ, শ্রীযুত মোহন চুতীয়া, শ্রীযুত বলেন সোনোৱাল, শ্রীযুত কুশল শইকীয়া, শ্রীযুত চৰিত্র সোনোৱাল।

বিত্ত উপ-সমিতি ঃ

সভাপতি ঃ শ্রীযুত মুনিন শইকীয়া

সম্পাদক ঃ শ্রীযুত বুল্টন বৰা

সদস্য ঃ শ্রী ধীৰেণ সোনোৱাল, শ্রী অশ্বিনী কলিতা, শ্রী জয়ন্ত কাকতি, শ্রী ৰাজু পেগু, শ্রী মজিন সোনোৱাল, শ্রী পদ্মকান্ত শইকীয়া, শ্রী মাধৱ শইকীয়া, শ্রী ৰাজেন ভৰালী, শ্রী ৰাজু চুতীয়া।

তোৰণ উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্রীযুত ৰিতেন নন্দী

সভাপতি ঃ শ্রীযুত গকুল পামেগাম

সম্পাদক ঃ শ্রীযুত হেমন্ত বেজ

সদস্য ঃ শ্রী গৌৰীশংকৰ পায়েং, শ্রী বিশ্বজিৎ চুতীয়া, শ্রী ৰাজু চুংক্রাং, শ্রী উত্তম কুলি, শ্রী ব্রজেন গগৈ, শ্রী দেৱেন কুলি, শ্রী পদ্ম কুলি, শ্রী তুলসী পায়েং।

মঞ্চ উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্রীযুত পদ্মকান্ত শইকীয়া

সভাপতি ঃ শ্রীযুত সত্যজিৎ ৰেগন

সম্পাদক ঃ শ্রীযুত সুজয় চন্দ

সদস্য ঃ শ্রী প্রবীন ডেকা, শ্রী শিৱ পামেগাম, শ্রী ভূপেন সোনোৱাল, শ্রী শৰৎ বড়া, শ্রী চিংকু গোহাঁই, শ্রী বিপুল শইকীয়া, শ্রী ৰমাকান্ত দলে।

পোহৰ-শব্দ উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্রীযুত অৰুণ পামেগাম

সভাপতি ঃ শ্রীযুত প্রদীপ শর্মা

সম্পাদক ঃ শ্রীযুত দিকমচন পেগু

সদস্য ঃ শ্রী ৰাজু চুতীয়া, শ্রী গৌৰীশংকৰ দাস, শ্রী বাবা চুতীয়া, শ্রী মনোজ গোহাঁই, শ্রী মনোজ চুতীয়া, শ্রী হিতেশ কলিতা, শ্রীহিৰকজ্যোতি বৰা, শ্রী মাধৱ বৰা।

খাদ্য-পানীযোগান উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্রীযুত যোগেন মিলি

সভাপতি ঃ শ্রীযুত দীপক নাথ

সম্পাদক ঃ শ্রীযুত প্রশান্ত সোনোৱাল

সদস্য ঃ শ্রী নবীন চুতীয়া, শ্রী তুলাৰাম পেগু, শ্রী গুণমণি দত্ত, শ্রী মোহন পেগু, শ্রী বিষ্ণু নেৰাৰ, শ্রী যজ্ঞেশ্বৰ দলে, শ্রী কর্ণ কমান, শ্রী বিৰেণ সোনোৱাল, শ্রী পাপু বৰা, শ্রী মহেশ চায়েঙ্গীয়া, শ্রী জিন্টু কুলি, শ্রী বিতুপন সোনোৱাল।

প্রচাৰ উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্রীযুত দীগন্ত সোনোৱাল

সভাপতি ঃ শ্রীযুত কুশল শইকীয়া

সম্পাদক ঃ শ্রীযুত মানৱজ্যোতি শইকীয়া

সদস্য ঃ শ্রী ভুৱন গৌতম, শ্রী দীপৰাজ পেগু, মঃ জিয়াউল আলি, শ্রী দীপপ্রতিম বৰা, শ্রী পল্লৱ মিলি, শ্রী বচিৰ চাহ, শ্রী পংকজ দাস, শ্রী লীলাকান্ত দাস, শ্রী বিশ্বজিৎ খাউণ্ড।

অভ্যর্থনা উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্রীযুক্তা ৰেৱতী কমান, শ্রীযুত পৰশুৰাম পেগু

সভাপতি ঃ শ্রীযুত চৰিত্র সোনোৱাল

সম্পাদক ঃ শ্রী গুণমণি দত্ত

সদস্য ঃ শ্রী কমলা শর্মা, শ্রীমতী সুকন্যা ৰাজবংশি, শ্রীমতী মৃদুস্মিতা শইকীয়া, শ্রীমতী নমিতা পাতিৰ, শ্রীমতী এনজেলিনা নাথ, শ্রীমতী উৰিষ্মা পায়েং, শ্রীমতী পপী শইকীয়া, শ্রীমতী যোগমায়া চুংক্রাং, শ্রীমতী পুবালী দাস, শ্রীমতী দিম্পী চুতীয়া, শ্রীমতী জুন দাস, শ্রীমতী চম্পা কুলি

সাংস্কৃতিক উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্রীযুত দিনেশ দলে

সভাপতি ঃ শ্রীযুত মহেন্দ্র মোহন সোনোৱাল

সম্পাদক ঃ শ্রীযুত জিতু গগৈ, শ্রীযুত ভৱজিৎ দলে

সদস্য ঃ সর্বশ্রী প্রণৱ গগৈ, ঋতু সোনোৱাল, শশাংকৰ গগৈ, মহেন্দ্র ৰৱাইক, জান ডেকা, মুনিন লাগাছু, কার্তিক কান্তি, দীপক মুদৈ, ভাইটি মাপেগাম, ৰাজেশ ৰৱাং, বিমল দাস।

প্রদর্শনী উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্রীযুত পুণ্যকান্ত মিলি

সভাপতি ঃ শ্রীযুত চেনিৰাম সোনোৱাল

সম্পাদক ঃ শ্রীযুত ৰুবুং খেৰকটাৰী

সদস্য ঃ শ্রী প্রাঞ্জল শইকীয়া, শ্রী নিলীম মহন্ত, শ্রী প্রদীপ দলে, শ্রী ৰমাকান্ত পেগু, শ্রী ৰাজেন দলে, শ্রী যতীন মুছাহাৰী, শ্রী দীগন্ত কুলি, শ্রী ভাইটি কুলি, শ্রী ভূপেন দলে, শ্রী বীৰেণ কুলি

স্বেচ্ছাসেৱক উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্রীযুত পুণ্যেশ্বৰ পেগু

সভাপতি ঃ শ্রীযুত বিপ্লৱ টাইদ

সম্পাদক ঃ শ্রীযুত অনিল চাংমাই

সদস্য ঃ সর্বশ্রী বিনোদ গগৈ, বলিন চুতীয়া, ৰাতুল বৰুৱা, মুনিন লাগাচু, হেমন্ত পেগু, ৰণোজ পেগু, হেম পাংগিং, অবিনাশ পেগু, যিচু চায়েঙ্গীয়া, দিলীপ সোনোৱাল, ফল্গু সোনোৱাল, গৌৰৱ দলে।

অনায়ম উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্রীযুত কিৰণ শর্মা

সভাপতি ঃ শ্রীযুত ৰুদ্র চুতীয়া

সম্পাদক ঃ শ্রীযুত প্রাণ পেগু

সদস্য ঃ শ্রী তৰুণ পেগু, শ্রী মনোজ চায়েঙঙ্গীয়া, শ্রী জেলচিং পাংগিং, শ্রী ৰাজকুমাৰ পেগু, শ্রী ৰাজু চুক্রাং, শ্রী যতীন দলে, শ্রী হৰেণ দলে, শ্রী উদয় বসুমতাৰী, শ্রী এনজ্যোতি চুক্রাং, শ্রী ৰণোজ কুলি, শ্রী বিশাল চায়েঙ্গীয়া, শ্রী পাপু ভূঞা।

ক্রীড়া উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্রীযুত প্রেমধৰ গগৈ

সভাপতি ঃ শ্রীযুত চন্দন খামটি গোহাঁই

সম্পাদক ঃ শ্রীযুত বলেন সোনোৱাল

সদস্য ঃ শ্রী নোমল দৈমাৰী, শ্রী কমল বসুমতাৰী, শ্রী নৱ মিলি, শ্রী বিজয় পায়েং, শ্রী মাইকেল পেগু, শ্রী মনোজ কুলি, শ্রী নিগম কুলি, শ্রী কনক চুংক্রাং, শ্রীৰুবুল সোনোৱাল, শ্রী সুবাম চায়েঙ্গীয়া, শ্রী পৰেশ পাদী, শ্রী বাবা টাইদ, শ্রী ব্রজেন পাতিৰ।

স্মৃতিগ্রন্থ উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্রীযুত পৰমানন্দ চায়েঙ্গীয়া, শ্রীযুত যাদৱ পেগু, শ্রীযুত গোপাল চন্দ্র দলে, শ্রীযুত অনিল পায়েং, শ্রীযুত বুল্টন বৰা।

মুখ্য সম্পাদক ঃ শ্রীযুত ৰয়েল পেগু।

সম্পাদক ঃ শ্রীযুত মজিন সোনোৱাল।

সদস্য ঃ ৰাজু চুতীয়া, গকুল পামেগাম, বলেন সোনোৱাল।

স্বাস্থ্য উপ-সমিতি ঃ

উপদেষ্টা ঃ ডাঃ ভূপেন শইকীয়া, ডাঃ মনোৰম টায়ুং।

সভাপতি ঃ শ্রীযুত যুগল হাজৰিকা

সম্পাদক ঃ ডাঃ জয়ন্ত চৌধুৰী, ডাঃ ৰাজেন চেত্রী

সদস্য ঃ শ্রী ভক্তি সোনোৱাল, শ্রীমতী বিদ্যা দেৱী, শ্রীমতী পুষ্পলতা দলে, শ্রী দিব্যধৰ সোনোৱাল, শ্রী ৰঞ্জিতসোনোৱাল, সুনিত দাস, ৰূপক সোনোৱাল।

অতিথি আপ্যায়ন উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্রীযুত মজিন ডেকা, শ্রীযুত চন্দ্রসিং চুক্রাং

সভাপতি ঃ শ্রীযুত বিতুমনি শইকীয়া

সম্পাদক ঃ শ্রী ৰজশেখৰ হাজৰিকা

সদস্য ঃ শ্রী হিৰকজ্যোতি সোনোৱাল, শ্রী জয়ন্ত মোছাহাৰী, হিমন্ত সোনোৱাল, শ্রী কর্ণ কামান, শ্রী পাপু বর্মণ, শ্রী জয়ন্ত গগৈ

যোগাযোগ উপ-সমিতি ঃ

উপদেষ্টা ঃ শ্রীযুত জয়ন্ত কাকতি

সভাপতি ঃ শ্রীযুত ৰূপম ববা

সম্পাদক ঃ শ্রী মৃদুল সোনোৱাল

সদস্য ঃ শ্রী গিৰিশংকৰ চুতীয়া, শ্রীযু মুকুন্দ সোনোৱাল, শ্রী বিজয় গগৈ, প্রার্থপ্রতীম শইকীয়া, শ্রী মহানন্দ সোনোৱাল, শ্রী সদানন্দ সোনোৱাল, শ্রী মনোজ ববা, শ্রী কপিল সোনোৱাল, শ্রী শৈলেন সোনোৱাল, শ্রী ঋতুপর্ণ সোনোৱাল, শ্রী হেমচন্দ্র ববা।

স্মৃতিগ্রন্থ সম্পাদনা সমিতিৰ বিষয়ৱবীয়াসকল



পৰমানন্দ চায়েঙীয়া, উপদেষ্টা
মুখ্য কার্যবাহী সদস্য, এম এ চি



যাদৰ পেগু, উপদেষ্টা
প্রধান সচিব, এম এ চি



গোপাল চন্দ্র দলে, উপদেষ্টা,
সভাপতি, দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি



মুনিন শইকীয়া
সভাপতি, উদ্‌যাপন সমিতি



পুণ্য কান্ত মিলি, কার্যকৰী সভাপতি
দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি



অনিল পায়েং, কার্যকৰী সভাপতি,
মহোৎসৱ উদ্‌যাপন সমিতি



মজিন সোনোৱাল, সম্পাদক স্মৃতিগ্রন্থ
সাধাৱণ সম্পাদক,
দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি



ৱয়েল পেগু,
মুখ্য সম্পাদক, স্মৃতিগ্রন্থ



বুল্টন ৰৱা, সম্পাদক,
মহোৎসৱ উদ্‌যাপন সমিতি



ৰাজু চুতীয়া, সদস্য,
সম্পাদনা সমিতি



গকুল পামেগাম, সদস্য,
সম্পাদনা সমিতি



বলেন সোনোৱাল, সদস্য,
সম্পাদনা সমিতি

দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি আৰু উদ্‌যাপন সমিতিৰ একাংশ















সমবেত সংগীত শিল্পীৰ আখৰাৰ ছবি





দুলু-সোৱণশিৰি কনজাৰভেচন ছ'চাইটি
আৰু ছেভ পবা ৰেইন ফৰেষ্টৰ
দুলুঙত ট্রেকিঙৰ দৃশ্য



দুলুং-সোৱণশিৰি মহোৎসৱ, ২০১৫ চনৰ মূল তোৰণ





দুলুং-সোৱণশিৰিৰ নৈসৰ্গিক দৃশ্য













MISING AUTONOMOUS COUNCIL
GOGAMUKH :: DHEMAJI :: ASSAM

মিচিং স্বায়ত্তশাসিত পৰিষদৰ দ্বাৰা
ৰাইজলৈ আগবঢ়োৱা বিশেষ আৰ্থিক সাহায্য সমূহ -



মুখ্য কাৰ্যবাহী সদস্য
মিচিং স্বায়ত্তশাসিত পৰিষদ

জীবন-জীবিকা অভিযান

- বিজ্ঞানসম্মত আৰু ব্যবসায়ীক গাহৰি, কুকুৰা, ছাগলী আৰু গাই গৰু আঁচনিৰ ৩-৫ দিনীয়া প্ৰশিক্ষণ আৰু আৰ্থিক সহায়।
- বিজ্ঞানসম্মত আৰু ব্যবসায়ীক উদ্যান শস্য (তামুল, নেমু, আপেল বগৰী, অমিতা, নাৰিকল ইত্যাদি) আঁচনিৰ দুদিনীয়া প্ৰশিক্ষণ আৰু আৰ্থিক সহায়।
- বিজ্ঞানসম্মত আৰু ব্যবসায়ীক মীন পালনৰ বাবে ৪ দিনীয়া প্ৰশিক্ষণ আৰু আৰ্থিক সহায়।
- বিজ্ঞানসম্মত আৰু ব্যবসায়ীক বেচম শিল্পৰ আঁচনি আৰু ৫ দিনীয়া প্ৰশিক্ষণ আৰু আৰ্থিক সহায়।
- ব্যবসায়ীক হস্ততাঁত শিল্পৰ আঁচনি আৰু ২ মাহৰ প্ৰশিক্ষণ আৰু আৰ্থিক সহায়।
- বিজ্ঞানসম্মত আৰু ব্যবসায়ীক কেঁচুসাৰ প্ৰস্তুতৰ বাবে ২ দিনীয়া প্ৰশিক্ষণ আৰু আৰ্থিক সহায়।
- বিজ্ঞানসম্মত আৰু ব্যবসায়ীক কাঠফুলা খেতি আঁচনি আৰু ২ দিনীয়া প্ৰশিক্ষণ আৰু আৰ্থিক সহায়।

সাংস্কৃতিক বিভাগ

খিলঞ্জীয়া আৰু জনজাতি শিল্পী সকললৈ আৰ্থিক সাহায্য -

- জ্যেষ্ঠ খিলঞ্জীয়া আৰু জনজাতি শিল্পী সকললৈ ২০,০০০ টকাৰ পৰা ৫০,০০০ টকাৰ আৰ্থিক সাহায্য।
- কনিষ্ঠ আৰু বিশেষ খিলঞ্জীয়া আৰু জনজাতি শিল্পী সকললৈ ১০,০০০ টকাৰ পৰা ২০,০০০ টকাৰ এককালীন সাহায্য।

শিক্ষা বিভাগ

মেধাবী ছাত্ৰ-ছাত্ৰী আৰু উচ্চ শিক্ষাৰ বাবে আৰ্থিক সাহায্য -

- **টাবু টাইদ শিক্ষা জ্যোতি আঁচনি** ৰ জৰিয়তে হাই স্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ সকলৰ বাবে ৫০০০ টকাৰ এককালীন আৰ্থিক অনুদান।
- এম.এ, এম টেক্, এম.এছ.চি, পি.এইচ.ডি, এম.ফিল, আই.আই.টি, এম.বি.বি.এছ, এম.বি.এ দৰে উচ্চ শিক্ষাৰ বাবে আৰু প্ৰশাসনিক সেৱাৰ প্ৰাৰম্ভিক পৰীক্ষাত উত্তীৰ্ণ সকলক ১৮,০০০ টকাৰ পৰা ২৫,০০০ টকালৈকে এককালীন আৰ্থিক সাহায্য।

ভূমি আৰু ৰাজহ বিভাগ

প্ৰাকৃতিক দুৰ্যোগ বা প্ৰাকৃতিক দুৰ্ঘটনাৰ ফলত মৃত্যু হোৱা পৰিয়ালক আৰ্থিক সাহায্য -

- প্ৰাকৃতিক দুৰ্যোগ যেনে - বজ্ৰপাতত মৃত্যু, ভূমিকম্প আৰু ভূমিস্খলনত আক্ৰান্ত লোক, শিলাবৃষ্টি, গৰাখহনীয়াত গৃহহীন পৰিয়াল, বনৰীয়া জন্তু আৰু উগ্ৰপন্থীৰ আক্ৰমণত নিহত হোৱা ব্যক্তিৰ পৰিয়াল, পথ দুৰ্ঘটনাত মৃত্যু হোৱা ব্যক্তি, পানীত ডুবি মৃত্যু হোৱা, অগ্নিকাণ্ডত সৰ্ব্বস্বান্ত হোৱা ব্যক্তি / পৰিয়ালক ১০,০০০ টকাৰপৰা ৫০,০০০ টকালৈ আৰ্থিক সাহায্য প্ৰদান।

ব্যক্তিগত হীতাধিকাৰী আঁচনি

- ট্ৰেক্টৰ
- পাৱাৰ টিলাৰ
- ৰটাৰি টিলাৰ
- পাৱাৰ উইদাৰ
- টিৰপাল
- দমকল
- টিনপাট
- ৫ এইচপি বাটাৰ পাম্প (ড্ৰিজেন/কেৰচিন)
- ২ এইচপি বাটাৰ পাম্প (ড্ৰিজেল/কেৰচিন)
- স্প্ৰে মেচিন
- চাউল খুণ্ডা মেচিন
- মাকৈ খুণ্ডা মেচিন
- ব্ৰাছ কাটাৰ
- কাটা তাঁৰ



স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা বিভাগ

জটিল ৰোগত আক্ৰান্ত ৰোগী সকললৈ আৰ্থিক সাহায্য -

- জটিল ৰোগত আক্ৰান্ত ৰোগী সকললৈ ১০,০০০ টকাৰ পৰা ১,০০,০০০ টকাৰ আৰ্থিক সাহায্য।

কুটিৰ শিল্প বিভাগ

- কম্পিউটাৰ জ্ঞানৰ ৫ মহীয়া প্ৰশিক্ষণ ইংৰাজী কথোপ কঠন
- ব্যক্তিত্ব বিকাশ ● চুলি কটাৰ ৯ দিনীয়া প্ৰশিক্ষণ ● বিউটিচিয়ান

অধিক তথ্যৰ বাবে আমাৰ ৱেবচাইট www.macassam.org ত লগইন কৰক
E-mail : macassam2020@gmail.com